S 01 (M)

দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্রম

(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)

প্রথম ষাণ্মাসিক

ভাৰতীয় ৰাজনৈতিক চিন্তা

ৰাজনীতি বিজ্ঞান

সূর্য কুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ

অধ্যাপক ধ্রুৱ প্রতিম শর্মা, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক জ্যোতিৰাজ পাঠক, বড়োলেণ্ড বিশ্ববিদ্যালয়
ড° শান্তনু চক্রৱর্তী (অৱসৰপ্রাপ্ত), কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষীঃ অধ্যাপক বিপুল দাস, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১, ২	ড° অর্পিতা দাস, প্রাগজ্যোতিষ কলেজ, গুৱাহাটী	মৃণাল শর্মা, লামডিং মহাবিদ্যালয় (অধ্যায় ১)
৩, ৬, ৯	নিলমী কোঁৱৰ, ৱয়েল গ্ল'বেল বিশ্ববিদ্যালয়, গুৱাহাটী	অংকুৱজ্যোতি বর্মন, KKHSOU (অধ্যায় ২)
৪, ৫	ড° আমৰীণ ৰাজ্জাক, গুৱাহাটী	ধৰিত্রী গোস্বামী, গুৱাহাটী (অধ্যায় ৩, ৬, ৭)
৮, ১১	অংকিতা চেতিয়া, গৱেষক ছাত্রী, NEHU, ছিলং	ড° কৃষাংগী শইকীয়া, গুৱাহাটী (অধ্যায় ৫)
৭, ১২, ১৩	ড° চাবৰিণা ইকবাল চৰকাৰ প্রাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী	গীতাঞ্জলী মেধী, KKHSOU (অধ্যায় ৪, ৮, ৯, ১০, ১১, ১২, ১৩, ১৪)
১০	ড° জিলি সৰকাৰ, কটন বিশ্ববিদ্যালয়, গুৱাহাটী	
১৪	ড° ডেইজী ৰাণী তালুকদাৰ, আইকণ একাডেমী	

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° মানসী শর্মা (অৱসৰপ্রাপ্ত), আর্য বিদ্যাপীঠ মহাবিদ্যালয়, গুৱাহাটী
ভাষা সম্পাদনা ঃ কুশল শর্মা, গুৱাহাটী
গাঁথনিক সম্পাদনা ঃ অধ্যাপক বিপুল দাস, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ISBN NO. 978-93-87940-15-4

জানুৱাৰী, ২০২৫

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২
Web : www.kkhsou.in

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **মনু** ৭-১৫

মনুৰ চিন্তাৰ দার্শনিক ভেটি; মনুৰ চাৰিটা বর্ণ; মনুৰ ৰাজনৈতিক ধাৰণা ঃ মনুৰ ৰজাৰ ধাৰণা, দণ্ড আৰু ন্যায়ৰ ওপৰত মনুৰ মতামত, ধর্মৰ ওপৰত মনুৰ মতামত।

অধ্যায় ২ ঃ **কৌটিল্য** ১৬-২৫

কৌটিল্যৰ সপ্তাংগ তত্ত্ব; ৰজাৰ ওপৰত কৌটিল্যৰ ধাৰণা; ৰাষ্ট্ৰৰ ওপৰত কৌটিল্যৰ দৃষ্টিভংগী; কৌটিল্য আৰু মেকীয়াভেলীৰ মাজত তুলনাত্মক অধ্যয়ন।

অধ্যায় ৩ ঃ **ৰাজা ৰামমোহন ৰায়** ২৬-৩৪

ৰাজা ৰামমোহন ৰায়ৰ ৰাজনৈতিক ধাৰণা ঃ ব্যক্তিত্ব আৰু ৰাজনৈতিক স্বাধীনতাৰ সুত্ৰ, শৈক্ষিক, অর্থনৈতিক আৰু ৰাজনৈতিক বিষয়সমূহৰ ওপৰত ৰায়ৰ ধাৰণা, প্ৰগতিশীল আৰু উদাৰনৈতিক চিন্তাবিদ হিচাপে ৰামমোহন ৰায়, আইন আৰু নৈতিকতাৰ বিষয়, ব্ৰাহ্ম সমাজ; উপসংহাৰ।

অধ্যায় ৪ ঃ **জ্যোতিবা ফুলে (১৮২৭-১৮৯০ চন)** ৩৫-৪৫

ঔপনিৱেশিক চৰকাৰৰ প্ৰতি মনোভাৱ; ভাৰতীয় সামাজিক শৃংখলা- এক সমালোচনা ঃ বর্ণ আৰু জাতি ব্যৱস্থা, পুৰুষ আৰু মহিলাৰ মাজৰ সমতা; ধর্ম বিষয়ক দৃষ্টিভংগী; ভাৰতীয় অর্থনীতি ঃ কৃষিকেন্দ্ৰিক সমস্যাৰ সমাধান।

অধ্যায় ৫ ঃ **মোহনদাস কৰমচান্দ গান্ধী** ৪৬-৫৮

সত্য আৰু অহিংসা; সত্যাগ্ৰহ — পৰিসৰ আৰু তাৎপর্য; শান্তিৰ ওপৰত গান্ধীৰ দৃষ্টিভংগী; ৰাষ্ট্ৰৰ প্ৰকৃতিৰ ওপৰত গান্ধীৰ দৃষ্টিভংগী।

অধ্যায় ৬ ঃ **জৱাহৰলাল নেহৰু** ৫৯-৬৮

নেহৰু ঃ এটি চমু পৰিচয়; নেহৰুৰ ভাবধাৰা ঃ জাতীয়তাবাদৰ বিষয়ে নেহৰুৰ মতামত, গণতন্ত্ৰৰ বিষয়ে নেহৰুৰ মতামত, আন্তর্জাতিকতাবাদৰ বিষয়ে নেহৰুৰ ধাৰণা।

অধ্যায় ৭ ঃ **এম এন ৰয়** ৬৯-৭৮

শৈশৰ আৰু প্ৰাৰম্ভিক জীৱন; সাম্যবাদী আন্দোলন; মানৱতাবাদী দর্শন; ৰয়ৰ বস্তুবাদ; চৰম মতামত; জাতীয় আন্দোলনত ৰয়ৰ অৱদান; দল বিহীন গণতন্ত্ৰ; সমালোচনা।

অধ্যায় ৮ ঃ **বি. আৰ. আম্বেদকাৰ** ৭৯-৮৯

বাল্যকাল আৰু জীৱনৰ আৰম্ভণি; শিক্ষাজীৱন; ৰাজনৈতিক জীৱন; শ্ৰেণী বৈষম্যৰ বিৰুদ্ধে আন্দোলন; ভাৰতীয় সংবিধানৰ প্ৰণেতা; আম্বেদকাৰৰ অন্যান্য বৰঙণি।

অধ্যায় ৯ঃ মৌলানা আবুল কালাম আজাদ ৯০-১০০

আজাদৰ ৰাজনৈতিক চিন্তাধাৰাৰ ভেটি-কোৰান; আজাদৰ ৰাজনৈতিক চিন্তাধাৰা ঃ হিন্দু-মুছলমানৰ একতা সন্দর্ভত আজাদৰ দৃষ্টিভংগী, জাতীয়তাবাদ সম্পর্কে আজাদৰ দৃষ্টিভংগী, অহিংসা সম্পর্কে আজাদৰ দৃষ্টিভংগী, গণতন্ত্র সম্পর্কে আজাদৰ দৃষ্টিভংগী, ভাৰত বিভাজন সন্দর্ভত আজাদৰ দৃষ্টিভংগী।

অধ্যায় ১০ঃ জয়প্রকাশ নাৰায়ণ ১০১-১১৫

জয়প্রকাশ নাৰায়ণৰ জীৱনত মার্ক্সবাদৰ প্রভাৱ; গান্ধীবাদী চিন্তাৰ প্রভাৱ ঃ সমাজবাদ এৰি সর্বোদয়ৰ আদর্শ গ্রহণ; সর্বাত্মক বিপ্লৱৰ চিন্তা; অগ্রগতি নিৰীক্ষণ।

অধ্যায় ১১ঃ আচার্য ৰিনোবা ভাৱে ১১৬-১২৫

শৈশৱ আৰু জীৱনৰ আদিকাল; ধর্মীয় আৰু সামাজিক কর্ম; ভূদান আন্দোলন; ব্রহ্ম বিদ্যা মন্দিৰ; ভাৰে আৰু গান্ধী; সাহিত্যিক জীৱন; সমালোচনা।

অধ্যায় ১২ঃ ৰাম মনোহৰ লোহিয়া ১২৬-১৩৬

সমাজবাদ আৰু গান্ধীবাদ সম্পর্কে লোহিয়াৰ ধাৰণা; আন্তর্জাতিক সমাজ সম্পর্কে লোহিয়াই বিকশিত কৰা ধাৰণা।

অধ্যায় ১৩ঃ অমর্ত্য সেন ১৩৭-১৪৬

স্বাধীনতাৰ ৰূপত উন্নয়ন; সন্ধানহীন মহিলা।

অধ্যায় ১৪ঃ অম্বিকাগিৰি ৰায়চৌধুৰী ১৪৭-১৫৯

অম্বিকাগিৰি ৰায়চৌধুৰীৰ জীৱনৰ আগকালছোৱাৰ চমু ইতিহাস; অম্বিকাগিৰি ৰায়চৌধুৰীৰ সাহিত্যিক অৱদান; অম্বিকাগিৰি আৰু ভাৰতৰ স্বাধীনতা সংগ্রাম; অম্বিকাগিৰি আৰু মানৱতাবাদ; স্বাধীনতা আৰু ৰাষ্ট্র সম্পর্কে অম্বিকাগিৰিৰ দৃষ্টিভংগী; অসমীয়া জাতীয়তাবাদ সম্পর্কে অম্বিকাগিৰিৰ দৃষ্টিভংগী।

পাঠ্যবিষয় পৰিচয়

"ভাৰতীয় ৰাজনৈতিক চিন্তা" শীৰ্ষক পাঠ্যক্ৰমটো শিক্ষাৰ্থীসকলক প্ৰাচীন আৰু আধুনিক ভাৰতৰ বিভিন্ন ৰাজনৈতিক চিন্তাবিদসকলৰ ৰাজনৈতিক ধাৰণাসমূহৰ বিষয়ে গভীৰভাৱে বুজাত সহায় কৰিবলৈ প্ৰস্তুত কৰা হৈছে যিসকলৰ ধাৰণা আৰু অৱদানে ভাৰতীয় ৰাজনৈতিক চিন্তাধাৰাৰ বিকাশত যথেষ্ট সহায় কৰিছে। এইটো ধাৰণা কৰা হয় যে ৰাজনীতি বিজ্ঞানৰ স্নাতকোত্তৰ ডিগ্ৰী পাঠ্যক্ৰমৰ অন্তৰ্গত শিক্ষাৰ্থীসকলে তেওঁ বাস কৰা দেশৰ বিশিষ্ট চিন্তাবিদসকলৰ ৰাজনৈতিক চিন্তাধাৰাৰ বিভিন্ন দিশৰ বিষয়ে জ্ঞাত থকাটো উচিত। এই উদ্দেশ্য আগত ৰাখিয়েই পাঠ্যক্ৰমটো প্ৰাচীন তথা আধুনিক ভাৰতৰ বিভিন্ন ৰাজনৈতিক চিন্তাবিদসকলৰ ৰাজনৈতিক ধাৰণাৰ সৈতে আৰম্ভ কৰা হয়। তেওঁলোকৰ ধাৰণা আৰু অৱদানে ভাৰতীয় ৰাজনৈতিক চিন্তাধাৰাৰ বিকাশত যথেষ্ট সহায় কৰিছে। পাঠ্যক্ৰমৰ প্ৰথম অধ্যায়টোৰ প্ৰাচীন ভাৰতীয় ৰাজনীতিবিদ আৰু বিখ্যাত গ্ৰন্থ "মনু স্মৃতি"ৰ লেখক হিচাপে গণ্য কৰা মনুৰ ৰাজনৈতিক ধাৰণাসমূহৰ বিষয়ে আলোচনা কৰে। এই অধ্যায়টোও প্ৰাচীন ভাৰতত ৰাজনৈতিক ধাৰণাৰ বিকাশত মনুৰ অৱদানৰ বিষয়ে আলোচনা কৰা হৈছে। পাঠ্যক্ৰমৰ দ্বিতীয় অধ্যায়ত কৌটিল্যৰ ৰাজনৈতিক ধাৰণাসমূহৰ বি,য়ে আলোচনা কৰা হৈছে যি এজন প্ৰাচীন ভাৰতীয় ৰাজনৈতিক দাৰ্শনিক আছিল, যাক চাণক্য নামেৰেও জনা যায় (350-275 BCE)। এই অধ্যায়টোও ৰাজ্য, ৰজাৰ ওপৰত কৌটিল্যৰ দৃষ্টিভংগী আৰু তেওঁৰ সপ্তাং তত্ত্বৰ বিষয়ে আলোচনা কৰা হৈছে। তৃতীয় অধ্যয়টোত ৰাজা ৰাম মোহন ৰায়ৰ ৰাজনৈতিক ধাৰণাসমূহ ব্যাখ্যা কৰা হৈছে। এই অধ্যায়টোৰ জৰিয়তে শিক্ষাৰ্থীসকলে ৰয়ৰ বিভিন্ন তত্ত্বৰ সৈতে বিশেষকৈ ব্ৰহ্ম সমাজৰ ওপৰত তেওঁৰ মতামতৰ সৈতে পৰিচিত হ'ব। চতুৰ্থ অধ্যায়টোও জ্যোতিবা ফুলেৰ ধাৰণাসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। ফুলে এগৰাকী সমাজ সংস্কাৰক আছিল যিয়ে ভাৰতীয় ৰাজনৈতিক চিন্তাধাৰাৰ বিকাশত যথেষ্ট অৰিহণা যোগাইছিল। যিয়ে আমাৰ সমাজৰ অস্পৃশতা আৰু জাতিগত সীমাবদ্ধতা, মহিলা আৰু শ্ৰমিকৰ সমস্যা আদিৰ দৰে সামাজিক কু-আচৰণবোৰ নিৰ্মূল কৰিবলৈ চেষ্টা কৰিছিল। পঞ্চম আৰু ষষ্ঠ অধ্যায়টী গান্ধী আৰু জৱাহাৰলাল নেহৰুৰ ৰাজনৈতিক ধাৰণাৰ সৈতে জড়িত। পঞ্চম অধ্যায়ত সত্য আৰু অহিংসা, ৰাজ্য, সত্যাগ্ৰহ আৰু শান্তিৰ ওপৰত গান্ধীৰ দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰা হৈছে। একেদৰে, ষষ্ঠ অধ্যায়ত জাতীয়তাবাদ, গণতন্ত্ৰ, আধুনিকতাবাদ আৰু আন্তঃৰাষ্ট্ৰীয়তাবাদৰ ওপৰত নেহৰুৰ দৃষ্টিভংগী সম্পৰ্কে বিশ্লেষণ কৰা হৈছে। সপ্তম অধ্যায়টিত এম.এ, ৰয়ৰ ৰাজনৈতিক ধাৰণাসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াত মানৱতাবাদী আদৰ্শ, বস্তুবাদ, দলবিহীন গণতন্ত্ৰৰ ওপৰত ৰয়ৰ দৃষ্টিভংগী আৰু ভাৰতৰ স্বাধীনতা সংগ্ৰামত তেওঁৰ অংশগ্ৰহণ বিশদভাৱে ব্যাখ্যা কৰা হৈছে। অষ্টম অধ্যায়টোৱে ভাৰতীয় সংবিধানৰ জনক বি. আৰ. আম্বেদকাৰৰ ধাৰণাসমূহৰ বিষয়ে আলোচনা কৰে। তেওঁ গোটেই জীৱনজুৰি অস্পৃশ্যতা আৰু জাতিবাদ, মহিলা আৰু শ্ৰমিকৰ সমস্যা আদিৰ দৰে সকলো সামাজিক কু-সমস্যা নিৰ্মূল কৰিবলৈ চেষ্টা কৰিছিল। যিবোৰ এই অধ্যায়ত ব্যাখ্যা কৰা হৈছে। নৱম অধ্যায়ত মৌলানা আবুল কালাম আজাদৰ ৰাজনৈতিক ধাৰণাসমূহৰ বিষয়ে আলোচনা কৰঙ্গ হৈছে। তেওঁ ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ অন্যতম আগশাৰীৰ নেতা আছিল। আজাদে ব্ৰিটিছ ৰাজ আৰু সাম্প্ৰদায়িক বিষযসমূহৰো সমালোচনা কৰিছিল। এইগোটতোত হিন্দু-মুছলমান ঐক্য, জাতীয়তাবাদ, অহিংসা, গণতন্ত্ৰ আৰু ভাৰত বিভাজনৰ ওপৰত আজাদৰ দৃষ্টিভংগী আলোচনা কৰা হৈছে। দশম অধ্যায়ত জয়প্ৰকাশ নাৰায়ণৰ অৱদানৰ বিষয়ে বৰ্ণনা কৰা হৈছে। নাৰায়ণ মাৰ্ক্সবাদৰ লগতে গান্ধীবাদী চিন্তাধাৰাৰ দ্বাৰা প্ৰভাৱিত হৈছিল। এই অধ্যায়টোত নাৰায়ণ এগৰাকী সমাজবাদী হিচাপে আৰু তেওঁৰ ওপৰত গান্ধীবাদী চিন্তাধাৰাৰ প্ৰভাৱ আৰু সৰ্বোদয় আৰু সৰ্বাত্মক বিপ্লৱৰ (Total Revolution) ওপৰত নাৰায়ণৰ দৃষ্টিভংগীৰ ওপৰত আলোচনা কৰা হয়। একাদশ অধ্যায়টোৱে আচাৰ্য্য বিষয়ে ভাৱেৰ অদানৰ ওপৰত আলোকপাত কৰিছে। তেওঁক ভূদান আন্দোলনৰ পিতৃ বুলি জনা যায়। ভাৱেৰ ধৰ্মীয় আৰু সামাজিক কৰ্মৰাজি গান্ধীৰ সৈতে তেওঁৰ সম্পৰ্ক আৰু ভূদান আন্দোলন, ব্ৰহ্ম বিদ্যা মন্দিৰৰ ওপৰত তেওঁৰ

ধাৰণা এই অধ্যায়ত বিশ্লেষণ কৰা হৈছে। দ্বাদশ গোটটোৱে ৰাম মনোহৰ লোহিয়াৰ অৱদানৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিকেন্দ্রীকৃত সমাজবাদৰ পোষকতা কৰা আটাইতকৈ মৌলিক আৰু প্রতিভাশালী আধুনিক ভাৰতীয় চিন্তাবিদসকলৰ ভিতৰত তেওঁ অন্যতম। এই অধ্যায়টোও সমাজবাদ আৰু গান্ধীবাদৰ ওপৰত লোহিয়াৰ ধাৰণা আৰু তেওঁৰ আন্তঃৰাষ্ট্রীয় সমাজৰ ধাৰণাৰ বিষয়ে আলোচনা কৰা হৈছে। ত্রয়োদশ অধ্যায়টোৱে অমর্ত্য সেনৰ দ্বাৰা আগবঢ়োৱা Development as Freedom Missing Women আৰু ধাৰণাৰ বিষয়ে আলোচনা কৰে। চতুর্দশ অধ্যায়টো অম্বিকাগিৰি ৰায়চৌধুৰীৰ ভাৰতৰ স্বাধীনতা সংগ্রামত অৱদান আৰু মানৱতাবাদ, স্বাধীনতা আৰু ৰাষ্ট্র, অসমীয়া জাতীয়তাবাদ আদিৰ ধাৰণাৰ সৈতে জড়িত।

এই খণ্ডটি অধ্যয়ন কৰোঁতে আপুনি প্রত্যেকটো অধ্যায়তে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবাকচবোৰ কিছুমান হৈছে 'জানি থোৱা ভাল' শব্দকেইটাৰ উল্লেখ থকা বাকচ। এই বাকচসমূহত মূল পাঠৰ সৈতে জড়িত কিছুমান গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। কোনো কোনো অধ্যায়ত 'চিন্তা-চর্চা কৰক' শীর্ষক বাকচত নির্দিষ্ট পাঠ্যবিষয় অধ্যয়নৰ কিছুমান ব্যৱহাৰিক দিশ উত্থাপিত হৈছে যাতে সেই দিশসমূহৰ অনুশীলনীৰ মাধ্যমেদি শিক্ষার্থীয়ে সেই সম্পর্কীয় বিশ্লেষণাত্মক আলোচনা আগবঢ়াব পাৰে। আকৌ 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতিৰ সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অৱশ্যে 'অগ্রগতিৰ ক্ষতিয়ান' শীর্ষক শাখাটোত 'অগ্রগতি নিৰীক্ষণ'ৰ প্রশ্নাৱলীৰ উত্তৰ নিদি কেৱল উত্তৰসমূহৰ ৰূপ ৰেখা দিয়া হৈছে। তাৰ আধাৰত শিক্ষার্থীয়ে উত্তৰসমূহ লিখি উলিয়াব লাগিব। অধ্যায়ত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শাখাত উল্লেখ থকা গ্রন্থসমূহ সাৰথি স্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটামান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। খণ্ডটোৰ শেষত 'প্রসংগ পুথি' সমূহৰ নাম উল্লেখ কৰা হৈছে। সেইকেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। শিক্ষার্থীয়ে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ ঃ মনু

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ মনুৰ চিন্তাৰ দার্শনিক ভেটি

১.৪ মনুৰ চাৰিটা বর্ণ

১.৫ মনুৰ ৰাজনৈতিক ধাৰণা

১.৫.১ মনুৰ ৰজাৰ ধাৰণা

১.৫.২ দণ্ড আৰু ন্যায়ৰ ওপৰত মনুৰ মতামত

১.৫.৩ ধর্মৰ ওপৰত মনুৰ মতামত

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবলৈ

১.৮ অগ্রগতিৰ খতিয়ান

১.৯ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মনুৰ ৰাজনৈতিক ধাৰণাসমূহ ব্যাখ্যা কৰিব পাৰিব।
- তেওঁৰ দৃষ্টিভংগীৰ বাস্তৱবাদক কিছু ৰক্ষণশীলতাৰ ধাৰণাসহ বর্ণনা কৰিব পাৰিব।
- জনসাধাৰণৰ এটা উন্নত জীৱনশৈলী গঢ়ি তুলিবৰ বাবে তেওঁৰ দৃষ্টিভংগীত যুক্তিবাদৰ উপাদানটো বিশ্লেষণ কৰিব পাৰিব।

১.২ পৰিচয়

প্রাচীন ভাৰতীয় ৰাজনীতিৰ পিতৃ তথা "মনু স্মৃতি" গ্রন্থখনৰ লেখক মনুএ প্রশাসনৰ বিভিন্ন দিশ বিশ্লেষণ কৰিছিল। তেওঁ আছিল প্রাচীন ভাৰতীয় ৰাজনৈতিক ধাৰণা আৰু চিন্তাৰ মহান চিন্তাবিদ। এই অধ্যয়ত আমি প্রাচীন ভাৰতৰ ৰাজনৈতিক ধাৰণাসমূহৰ বিকাশত মনুৰ অৱদানৰ বিষয়ে আলোচনা কৰিম। এই অধ্যায়টো পঢ়াৰ পাছত আপুনি ৰাজনৈতিক চিন্তাধাৰাত মনুৰ প্রধান অৱদানসমূহ বিশ্লেষণ কৰিব পাৰিব।

১.৩ মনুৰ চিন্তাধাৰাৰ দার্শনিক ভেটি

মনুৰ দর্শনৰ মূল সাৰমর্ম তেওঁৰ এই বিশ্বাসৰ ওপৰত প্রতিষ্ঠিত আছিল যে বিশ্বব্রহ্মাণ্ডত মাত্র এটা চূড়ান্ত বাস্তৱ আছে যাক তেওঁ 'পৰম আত্মা' বুলি অভিহিত কৰিছে। মনুৰ এই পৰম

আত্মা আছিল অতীন্দ্রিয় আৰু অনন্ত। 'উপনিষদ' বোৰে বর্ণনা কৰা ধৰণে ই নিৰ্গুণ, অর্থাৎ ইয়াৰ কোনো আকৃতি নাই। মনুৰে কল্পনা কৰা সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থাটো মানৱ আত্মাক তেওঁলোকৰ চূড়ান্ত লক্ষ্যত উপনীত হোৱাত সহায় কৰাৰ উদ্দেশ্যেৰে ৰচনা কৰা হৈছে অর্থাৎ নিজৰ পৰিচয়ক পৰম অনন্ত আত্মাত একত্রিত কৰা। মনুৰ মতে যিকোনো সামাজিক সংগঠনৰ উদ্দেশ্য হৈছে এনে পৰিস্থিতি সৃষ্টি কৰা যাতে সমাজত বাস কৰা ব্যক্তিজনে নিজৰ গন্তব্যৰ 'চূড়ান্ত লক্ষ্য'ত উপনীত হ'ব পাৰে। যদি কোনো সামাজিক সংগঠনে অৱশ্যে এই সেৱা আগবঢ়াব নোৱাৰে, তেন্তে মনুয়ে এনে সংগঠনক অর্থহীন বুলি গণ্য কৰে। ইয়াত উল্লেখ কৰা প্রয়োজন যে মনু এই কথাটোৰ প্রতি অতি সচেতন আছিল যে এই লক্ষ্য অর্থাৎ সর্বোচ্চ বাস্তৱতা লাভ কৰাটো এটা জীৱনৰ ভিতৰতে সম্ভৱ নহয়। সেয়েহে মনুৰে পুনর্জন্মৰ ধাৰণাটো আগবঢ়াইছিল আৰু জীৱনৰ উদ্দেশ্য পূৰণ নোহোৱালৈকে পুর্নজন্মৰ প্রক্রিয়া চলি থাকিব বুলি মতামত ৰাখিছিল। ইয়াত মনুৰে 'কর্ম' (Karma)ৰ তাৎপর্য্যৰ ওপৰত আলোকপাত কৰিছে। তেওঁৰ বাবে পৰৱর্তী জন্মত আত্মাই কি শৰীৰ ল'ব সেয়া তেওঁৰ পূর্বৰজন্মত কৰা কর্মৰ দ্বাৰা নির্ধাৰিত হ'ব।

এইদৰে ওপৰৰ আলোচনাৰ পৰা সঠিকভাৱে ক'ব পাৰি যে মনু আধ্যাত্মিক এককবাদত বিশ্বাস কৰিছিল আৰু লগতে 'কর্ম' আৰু 'পুর্নজন্ম' মতবাদত বিশ্বাস কৰিছিল।

১.৪ মনুৰ চাৰিটা বর্ণ

মনুৰ চাৰি বর্ণৰ ধাৰণাটো তেওঁৰ শ্রেণী অভিমুখী চিন্তাৰ স্পষ্ট প্রতিফলন। মনুৰে সমাজখনক চাৰিটা বর্ণ (শ্রেণী)ত ভাগ কৰিছে, প্রতিটো শ্রেণীয়ে এটা সুকীয়া সামাজিক গোটক প্রতিনিধিত্ব কৰিছে। মনুৰে এই চাৰিটা শ্রেণীক শৰীৰৰ গঠনৰ ভিত্তিত শ্রেণীভুক্ত কৰিছে। মনুৰ বাবে মানৱ শৰীৰ 'সত্ব', 'ৰজ' আৰু 'তম' গুণৰ সমষ্টি। বস্তুগত শৰীৰৰ এই তিনিটা গুণৰ সৈতে ক্রিয়া কৰা চেতনাৰ তিনিটা দিশে মানুহৰ বিভিন্ন প্রকাৰ আৰু তেওঁলোকৰ বৈশিষ্ট্য নির্ধাৰণ কৰে। এই ভিত্তিতে মনুয়ে সমাজখনক চাৰিটা শ্রেণীত বিভক্ত কৰিছে। মনুৰ মতে যিজন মানুহত 'সত্ব' গুণ আন দুটা গুণতকৈ বেছি থাকে, তেওঁ ব্রাহ্মণ; যিজনৰ 'ৰজ' গুণ বেছি থাকে তেওঁ ক্ষত্রিয়; আৰু যিজন মানুহৰ 'তম' গুণটো আন দুটা গুণতকৈ বেছি, তেওঁ বৈশ্য। মনুৰ মতে চতুর্থ শ্রেণীটোৰ এই গুণবোৰৰ কোনো উল্লেখযোগ্য অনুপাত নাই। এই শ্রেণীটোৰেই হৈছে শূদ্র শ্রেণী, মনুৰ দৃষ্টিত যাৰ নিজৰ ব্যক্তিত্বৰ অভাৱ। আচলতে মনুৰ বাবে এই শ্রেণীৰ মন আৰু চিন্তাধাৰা এনেকুৱা এটা শিশুৰ দৰেই যাৰ জীৱনৰ প্রতিটো খোজতে অহৰহ পথ প্রদর্শন আৰু সহায়ৰ প্রয়োজন হয়। মনুয়ে সেয়েহে তেওঁলোকক সমাজৰ উচ্চ জীৱনত অংশগ্রহণৰ পৰা বঞ্চিত কৰে।

এইদৰে মনুৰে কল্পনা কৰা সামাজিক ব্যৱস্থাটো এটা স্তৰভিত্তিক। ইয়াৰ শীর্ষত ব্রাহ্মণ, তাৰ পিছত ক্রমে ক্ষত্রিয়, বৈশ্য আৰু শূদ্র। ব্রাহ্মণ হৈছে সমাজৰ আটাইতকৈ গুৰুত্বপূর্ণ পদবী দখল কৰা মানুহ। এই গোটত বেছিভাগেই গুৰু আৰু ধর্ম প্রচাৰক আৰু তেওঁলোকৰ কর্তব্য হৈছে বেদ পঢ়া আৰু শিকোৱা। তেওঁলোকে আচলতে সমাজৰ বৌদ্ধিক শ্রেণীক প্রতিনিধিত্ব কৰে আৰু সেইবাবেই তেওঁলোকক ৰাষ্ট্রৰ ভাগ্যৰ পথ প্রদর্শনৰ দায়িত্ব অর্পণ কৰা হয়। ক্ষত্রিয়সকল

কর্ম পুৰুষ। স্বভাৱৰ দ্বাৰা তেওঁলোক শক্তিশালী আৰু সমাজৰ শাসক। বৈশ্য শ্রেণীটোৱে ব্যৱসায়ী আৰু কৃষকসকলক প্রতিনিধিত্ব কৰে। মনুৰ বাবে চতুর্থ শ্রেণী অর্থাৎ শূদ্র শ্রেণীৰ কাম আছিল সমাজত উচ্চ পদবী দখল কৰা লোকসকলক সেৱা আগবঢ়োৱা।

যদিও মনুৱে সমাজখনক চাৰিটা বর্ণত শ্রেণীভুক্ত কৰিছিল, তথাপি এই বিভাজন জন্মগত অধিকাৰৰ মাতবাদ (doctrine of ascription)ৰ ওপৰত আধাৰিত নাছিল। প্রকৃততে মনুৱে সমাজ ব্যৱস্থাত জনসাধাৰণক তেওঁলোকৰ নিজৰ অন্তর্নিহিত গুণৰ ভিত্তিত ভূমিকা নির্ধাৰণ কৰিছিল। তেওঁ আচলতে বর্ণৰ এটা গোটৰ পৰা আন এটা গোটলৈ গতিশীলতাৰ অনুমতি দিছিল। তেওঁৰ বাবে স্বকীয় গুণৰ অধিকাৰী আৰু অর্জনৰ দ্বাৰা এজন ব্যক্তিয়ে সেই সামাজিক ব্যৱস্থাত নিজকে ওপৰলৈ লৈ যাব পাৰিছিল। উদাহৰণ স্বৰূপে বিশ্বামিত্র, যদিও জন্মসূত্রে এজন ক্ষত্রিয় তেওঁ ব্রাহ্মণত্ব লাভ কৰিব পাৰিছিল। তেওঁৰ মতে মানুহ নিজৰ বর্ণত আৱদ্ধ হৈ থকাতকৈ নিজৰ অন্তর্নিহিত গুণৰ ওপৰত ভিত্তি কৰি উচ্চ বর্ণলৈ উঠি যাব পাৰে।

সেই অনুসৰি যিদৰে মানুহৰ দেহত ভৰি দুখনে সর্বনিম্ন স্থান দখল কৰাৰ বাবে আৰু শৰীৰৰ সমগ্র বোজা কঢ়িয়াই নিবলগীয়া হোৱাৰ বাবেই তুচ্ছ-তাচ্ছিল্য আৰু বৈষম্যমূলক ব্যৱহাৰ কৰা নহয়, ঠিক তেনেদৰে শূদ্র সকলকো হেয়জ্ঞান কৰা উচিত নহয়।

চাৰিটা বর্ণৰ প্রতি মনুৰ দৃষ্টিভংগীৰ আলোচনাৰ প্রেক্ষাপটত, মনুৰ মানৱ জীৱনক চাৰিটা পর্যায় বা 'আশ্রম' ত বিভক্ত কৰাৰ উল্লেখ কৰিব পাৰি। মানৱ জীৱনৰ চাৰিপর্যায় বিভাজন আগবঢ়াইছে মনুয়ে। প্রথম পর্যায়টো ব্রহ্মচার্যৰ। এই পর্যায়টো বিশুদ্ধভাৱে জ্ঞান আহৰণৰ লগতে আধ্যাত্মিক মূল্যবোধৰ বাবে নিবেদিত। ইয়াৰোপৰি এই পর্যায়ত মানৱতা, অনুশাসন, আন্তৰিকতা, চিন্তাৰ বিশুদ্ধতা, পৰিস্কাৰ-পৰিচ্ছন্নতা, কোমল হৃদয় আদি গুণবোৰ বৃদ্ধি আৰু লালন-পালন কৰাটো আশা কৰা হয়। দ্বিতীয় পর্যায় গার্হস্থ্য (ঘৰুৱা জীৱন)। এজনে বিয়াৰ পিছত এই পর্যায়ত প্রৱেশ কৰে। ইয়াত স্বামী-স্ত্রী দুয়োজনেই ইজনে সিজনৰ প্রতি দায়বদ্ধ হোৱা আৰু পৰিয়াল আৰু সন্তানৰ প্রতি নিজৰ কর্তব্য আন্তৰিকতাৰে পালন কৰাটো আশা কৰা হয়। বানপ্রস্থ (অৱসৰপ্রাপ্ত জীৱন) হল তৃতীয়টো পর্যায়, য'ত ব্যক্তিজনে নিজৰ সকলো সামাজিক আৰু পেছাদাৰী বাধ্যবাধকতা এৰি অধ্যয়ন আৰু ধ্যান-ধাৰণাত সময় উচর্গা কৰি নতুন জীৱন আৰম্ভ কৰাৰ আশা কৰা হয়। জীৱনৰ শেষ পর্যায়টো হ'ল সন্ন্যাস (ত্যাগী)। এই পর্যায়ৰ অর্থ হ'ল জীৱনৰ প্রয়োজনীয়তাকে ধৰি লৌকিক সুখৰ পৰা সম্পূর্ণ ত্যাগ। মোক্ষ লাভ এই পর্যায়ত জীৱনৰ একমাত্র উদ্দেশ্য হৈ পৰে।

মনুৱে কল্পনা কৰা সামাজিক ব্যৱস্থাটো বহু পৰিমাণে আছিল স্তৰিত, কিন্তু গতিশীলতাৰ যথেষ্ট পৰিসৰৰ সৈতে। মনুৱে অর্থনৈতিক আৰু ৰাজনৈতিক ক্ষমতাৰ মাজতো বিচ্ছেদ ঘটাব বিচাৰিছিল, কিয়নো এই দুবিধ ক্ষমতা এজন ব্যক্তি বা ব্যক্তিৰ শৰীৰত কেন্দ্রীভূত হোৱাৰ ফলত দুষ্ট পৰিণতিৰ সৃষ্টি হয়, এই বিষয়ত মনু সচেতন আছিল। মনুৱে এইটোও বিশ্বাস কৰিছিল আৰু যুক্তিযুক্ততা প্রদান কৰিছিল যে প্রাচীন ভাৰতত যি সামাজিক ব্যৱস্থা আছিল, সেয়া ঐশ্বৰিকভাৱে নির্ধৰিত। প্রতিটো বর্ণই যিবোৰ কর্তব্য পালন কৰিব লাগে, সেইবোৰ ঈশ্বৰেই নিযুক্তি দিছে।

কিন্তু মনুৰে বিবেচনা কৰিছিল যে বৰ্ণাশ্রম ধৰ্মৰ এই ব্যৱস্থাটো হয়তো বংশগত ৰেখাৰ ওপৰত কঠোৰভাৱে প্ৰতিষ্ঠিত নহ'বও পাৰে। তাৰ বাবে ই ব্যক্তিজনৰ গুণ আৰু চৰিত্ৰৰ ওপৰত নিৰ্ভৰ কৰে, তেওঁৰ জন্মৰ ওপৰত নহয়।

১.৫ মনুৰ ৰাজনৈতিক ধাৰণা

মনুৰ মহাকাব্যিক গ্ৰন্থ 'মনু স্মৃতি' সেই যুগৰ মানুহ আৰু সামাজিক ব্যৱস্থাৰ বিষয়ে মনুৰ চিন্তা আৰু উদ্বেগৰ প্ৰতিফলন। এই গ্ৰন্থখনে মনুৰ মানসিকতা আৰু দৰ্শনৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিছে। মনুৰ ৰাজনৈতিক ধাৰণাবোৰ তেওঁৰ মহাকাব্য মনুস্মৃতিত বহুখিনি সন্নিবিষ্ট হৈ আছে যাৰ কিছুমানৰ বিষয়ে তলত আলোচনা কৰা হ'ল —

১.৫.১ ৰাজত্ব (ৰজা) সম্পৰ্কে মনুৰ ধাৰণা

মনুৰে ৰজাক ঐশ্বৰিক সৃষ্টি হিচাপে গণ্য কৰে। ড° ডি আৰ ভাণ্ডাৰকাৰৰ ভাষাত "মনুৰ চিন্তাত পোন প্ৰথমবাৰৰ বাবে আমি পশ্চিমীয়া চিন্তাবিদসকলে প্ৰস্তাৱ কৰাৰ দৰে বাস্তৱত ৰাজত্বৰ ঐশ্বৰিক উৎপত্তি লেখ-জোখ বিচাৰি পাওঁ" (ডি. আৰ. ভাণ্ডাৰকাৰ Some Aspects of Ancient Hindu Pandit। পৃষ্ঠা ১৪৭)। মনুয়ে ৰজাৰ ঐশ্বৰিক উৎপত্তিত বিশ্বাস কৰিছিল। তেওঁৰ মতে এই অনুষ্ঠানটো ভগৱানে ৰাইজক নিৰাপত্তহীনতাৰ পৰা ৰক্ষা কৰাৰ বাবে সৃষ্টি কৰিছিল। আচলতে সৃষ্টিকৰ্তা ভগৱান ব্ৰহ্মাই ৰজাক আইন-শৃংখলা বজাই ৰখাৰ কৰ্তব্য প্ৰদান কৰাৰ সিদ্ধান্ত লৈছিল আৰু আনৰ অধিকাৰ বেদখল কৰাসকলক শাস্তি প্ৰদান কৰিছিল। ইয়াৰ অৰ্থ হ'ল তেওঁৰ মতে ৰাষ্ট্ৰৰ উত্থানৰ পূৰ্বে এক ধৰণৰ প্ৰকৃতিৰ অৱস্থা আছিল, য'ত জীৱন দুৰ্বিষহ আছিল আৰু শৃংখলা বজাই ৰাখিব পৰা কোনো কৰ্তৃত্ব নাছিল। মনুৰ মতে ৰজা কোনো সাধাৰণ মানৱ নহয়, তেওঁ বাস্তৱত, মানৱ ৰূপত এজন মহান দেৱতা, যাৰ ইন্দ্ৰ, বায়ু, সূৰ্য্য, অগ্নি, বৰুণ, চন্দ্ৰ আৰু কুবেৰৰ গুণ আছিল। সেইবাবেই ৰজা ৮টা উপাদানৰ প্ৰতীক আছিল আৰু জগতৰ আঠজন ৰক্ষকৰ কণিকাৰ পৰা সৃষ্টি হৈছিল। মনুৰ মতে ৰজা সেয়েহে কোনো সাধাৰণ মানৱ নহয়; তেওঁ বাস্তৱত মানৱ ৰূপত দেৱতা গতিকে তেওঁক কোনো পৰিস্থিতিত তুচ্ছজ্ঞান কৰা উচিত নহয়। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে প্ৰজাসকলে সদায় ৰজাৰ আজ্ঞা পালন আৰু অনুসৰণ কৰিব লাগে আৰু যিসকলে ৰজাক অমান্য বা অসন্মান কৰে তেওঁলোকৰ বাবে মনুৰে কঠোৰ শাস্তি নিৰ্ধাৰণ কৰিছে।

কিন্তু মনুৰে দিয়া ৰজাৰ ঐশ্বৰিক যুক্তিয়ে, মনু যে ৰজাৰ চুড়ান্ত কৰ্তৃত্বৰ কঠোৰ সমৰ্থক আছিল তাক ক'ব নোৱাৰি। এইটো সঁচা যে ৰজা জনসাধাৰণৰ আজ্ঞা, আনুগত্য আৰু সন্মানৰ যোগ্য, কিন্তু এইটোও অনস্বীকাৰ্য যে ৰজাক, যি কৰ্তব্য আৰু দায়িত্ব অৰ্পণ কৰা হৈছিল, ৰজাই তাক পালন কৰাটো বাধ্যতামূলক আছিল। এই কৰ্তব্যসমূহৰ ভিতৰত আছিল প্ৰজাৰ সুৰক্ষা, জনসাধাৰণৰ নিৰাপত্তা, কোনো মানুহ যাতে চোৰ,

ব্যভিচাৰীৰ হিংসাৰ বলী নহয় তাৰ প্ৰতি নজৰ ৰখা, ন্যায় প্ৰদান কৰা ইত্যাদি। মনুৰ এই মতামত আছিল যে যি ৰজাই নিজৰ কৰ্তব্য পালনত ব্যৰ্থ হয় তেওঁ জনসাধাৰণৰ সকলো পাপ নিজৰ ওপৰত লয়। এই কামবোৰৰ উপৰিও মনুয়ে বিচাৰে ৰজাই কিছুমান নিৰ্দিষ্ট সমাজ কল্যাণৰ কাম কৰক যেনে দুখীয়া, ৰোগী, বৃদ্ধ, বিধৱা, সন্তানহীন মহিলা, অসহায় আৰু আৰ্তজনক চোৱাচিতা কৰা ইত্যাদি। ৰজাই ওপৰত উল্লেখ কৰা কামবোৰ পালন কৰিবলৈ কৰ্তব্যবদ্ধ কাৰণ জনসাধাৰণে তেওঁৰ ওপৰত নজৰ ৰাখে আৰু তেওঁৰ প্ৰতি আনুগত্যশীল কেৱল এই চৰ্ততহে যে তেওঁ নিজৰ কৰ্তব্য ফলপ্ৰসূভাৱে পালন কৰিব। মনুৱে আৰু কয় যে যি ৰজাই জনসাধাৰণক অত্যাচাৰ কৰে, তেওঁ নিজৰ ৰাজ্য আনকি জীৱনক হেৰুৱাই পেলায়।

মনুৱে কেৱল প্ৰজাৰ প্ৰতি ৰজাৰ কৰ্তব্য আৰু দায়িত্বৰ ওপৰতে গুৰুত্ব দিয়া নাছিল, তেওঁ ৰজাই কৰিবলগীয়া আৰু নকৰিবলগীয়া কিছুমান কামো নিৰ্ধাৰণ কৰিছিল। মনুৱে কিছুমান কথা নিৰ্দিষ্ট কৰিছিল যিবোৰ ৰজাই পৰিহাৰ কৰিব লাগে, যেনে — মদ্যপান, পাশা খেল, নাৰী, চিকাৰ, হিংসা, বিশ্বাসঘাতকতা, ঈৰ্ষা, নিন্দা, সম্পত্তি জব্দ, আক্ৰমণ ইত্যাদি। তেওঁ লোভক সকলো কু-অভ্যাসৰ মূল কাৰণ বুলি ঘোষণা কৰে আৰু সেয়েহে ইয়াক এৰাই চলা উচিত বুলি গণ্য কৰিছিল। মনুৱে ৰজাৰ বাবে নিৰ্ধাৰণ কৰা কৰিবলগীয়া কামৰ ভিতৰত নিজৰ মন্ত্ৰী নিযুক্তিত ৰজাৰ ভূমিকাক গুৰুত্ব দিছিল। তেওঁৰ মতে ই প্ৰশাসনৰ আটাইতকৈ জটিল দিশ। বংশগত নীতি, সাহস আৰু প্ৰজ্ঞাৰ গুণৰ প্ৰতি লক্ষ্য ৰাখি ৰজাই সাত-আঠজন মন্ত্ৰী নিযুক্তি দিব লাগে। মন্ত্ৰী নিযুক্তিৰ ওপৰিও ৰজাই আন ৰাজ্যত ৰাষ্ট্ৰদূত নিয়োগ কৰিব লাগিব যাতে ৰজাই আন ৰাজ্যৰ কাম-কাজৰ বিষয়ে অৱগত হৈ থাকে। মনুৱে এনে নিৰ্দেশনাও দিছে যিবোৰ ৰজাই ৰাজহ সংগ্ৰহ, স্থানীয় চৰকাৰ বনোৱা, সেনা পৰিচালনা, চৰকাৰী কৰ্মচাৰী নিযুক্তি আৰু অন্যান্য গুৰুত্বপূৰ্ণ বিষয়ৰ ক্ষেত্ৰত মানি চলিব লাগে। এইদৰে মনুৰ মতে ৰজাই প্ৰজাৰ সামাজিক আৰু ৰাজনৈতিক দুয়োটা জীৱন নিয়ন্ত্ৰণ কৰিব লাগে আৰু সকলো সম্ভাব্য আক্ৰমণৰ পৰা প্ৰজাক সম্পূৰ্ণৰূপে সুৰক্ষিত ৰাখিব লাগে।

১.৫.২ দণ্ড আৰু ন্যায়ৰ ওপৰত মনুৰ মতামত

ৰাজনৈতিক কাম-কাজ নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্য মনুৱে দণ্ড বা শাস্তিক সৰ্বোচ্চ গুৰুত্ব দিছিল। মনুৰ মতে এখন ৰাজ্যত সম্প্ৰীতি আৰু শৃংখলিত প্ৰশাসন চলোৱা তেতিয়াহে সম্ভৱ যেতিয়া শাস্তি বা দণ্ডক প্ৰশাসনৰ অবিচ্ছেদ্য অংগ কৰি লোৱা হয়, অন্যথা সমাজত সকলোতে বিসঙ্গতি আৰু বিশৃংখলতা সৃষ্টি হ'ব। মনুৰ ভাষাত— "ৰজাৰ স্বাৰ্থত প্ৰভুৱে পূৰ্বতে নিজৰ পুত্ৰ, শাস্তি, সকলো সৃষ্টিকৰ্তাৰ ৰক্ষক, (অৱতাৰ) আইন, ৰূপ বা ব্ৰহ্ম মহিমাৰ সৃষ্টি কৰিছিল"। তেওঁ আকৌ কয়, "শাস্তিৰ দ্বাৰা সমগ্ৰ পৃথিৱীখন শৃংখলাবদ্ধ কৰি ৰখা হয়, কাৰণ নিৰ্দোষী মানুহ বিচাৰি পোৱাটো কঠিন;

শাস্তিৰ পিছফালে গোটেই জগতখনে বস্তুসমূহ ভোগ কৰে।" মনুৰ মতে, দণ্ড হৈছে এখন ৰাজ্যত শৃংখলাবদ্ধতাৰ বাট মুকলি কৰা এক মাধ্যম।

যদিও, মনুৱে দণ্ডৰ ব্যৱহাৰৰ পোষকতা কৰিছিল, তেওঁ কেতিয়াও শাসকৰ দ্বাৰা দণ্ডৰ নিৰ্বিচাৰ ব্যৱহাৰ বা শাস্তি সমৰ্থন কৰা নাছিল, কাৰণ তেওঁৰ বিশ্বাস আছিল যে যদি দণ্ডক নিৰ্বিচাৰে ব্যৱহাৰ কৰা হয় তেন্তে ইয়াৰ ফলত জনসাধাৰণৰ মাজত অসন্তুষ্টি আৰু অধাৰ্মিকতাৰ প্ৰসাৰ ঘটিব। গতিকে মনুৱে শাসকে দণ্ডৰ নিৰপেক্ষ ব্যৱহাৰৰ পোষকতা কৰিছিল যাতে তেওঁ প্ৰজাক সন্তুষ্ট কৰি ৰাখিব পাৰে। মনুৱে বিচাৰিছিল যে ৰজাই উপযুক্ত সময়ত সমাজৰ মংগলৰ বাবে শাস্তি আৰু বল ব্যৱহাৰ কৰক কিন্তু ব্যক্তিগত স্বাৰ্থৰ বাবে ব্যৱহাৰ নকৰক। মনুৰ মতে যদি কোনো ৰজাই নিজৰ ব্যক্তিগত উদ্দেশ্যৰ বাবে বল প্ৰয়োগ কৰে তেন্তে তেনে ৰাজ্য অতি সোনকালে ভাঙি যোৱাটো নিশ্চিত।

দণ্ডৰ লগতে মনুয়ে ন্যায়ৰ নীতিতো গুৰুত্ব আৰোপ কৰিছিল। আচলতে মনুৱে ইয়াক ৰজাৰ অন্যতম গুৰুত্বপূৰ্ণ কৰ্তব্য বুলি গণ্য কৰিছিল। মনুয়ে লগতে জোৰ দি কয় যে ৰজাই ব্যক্তিগতভাৱে ন্যায় প্ৰশাসনৰ তদাৰক কৰিব লাগে আৰু ইয়াক অধিক ফলপ্ৰসূ আৰু কাৰ্যক্ষম কৰি তুলিবলৈ ধাৰাবাহিকভাৱে চেষ্টা কৰিব লাগে। আচলতে কোনো অন্যায়কাৰী যদি শাস্তি নোপোৱাকৈ ৰৈ যায় তেন্তে ইয়াৰ বাবে দায়ী ৰজা। মনুৰ মতে ন্যায়ৰ ধাৰণাটোৰ সৈতে ধৰ্মৰ সম্পৰ্ক আছে। তেওঁ পৰামৰ্শ দিছিল যে ন্যায় ধৰ্মৰ ওপৰত ভিত্তি কৰি বা ধৰ্মত থকা নীতিৰ সৈতে ধাৰ্মিকতাৰ ওপৰত ভিত্তি কৰি হ'ব লাগে, কিয়নো ধৰ্ম নীতিৰ আনুগত্যই শাসকক সঠিকভাৱে ন্যায় প্ৰদান কৰিবলৈ সক্ষম কৰিব।

১.৫.৩ ধৰ্মৰ ওপৰত মনুৰ মতামত

ওপৰত আলোচনা কৰা মতে মনুয়ে ন্যায়ৰ নীতি কাৰ্যকৰী কৰিবলৈ ধৰ্মৰ নীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ আছিল ন্যায় আৰু ধৰ্মৰ প্ৰখৰ বিশ্বাসী। তেওঁ অৱশ্যে সকলো শ্ৰেণীৰ সদস্যৰ প্ৰতি সমান ব্যৱহাৰত বিশ্বাস কৰা নাছিল। দৰাচলতে তেওঁ ব্ৰাহ্মণসকলৰ বাবে বিশেষ ব্যৱহাৰৰ পৰামৰ্শ দিছিল। মনুৱে সকলো মানুহৰ সমতাত বিশ্বাস কৰা নাছিল। মনুৰ বাবে ব্ৰাহ্মণসকল হৈছে উচ্চ শ্ৰেণীৰ মানুহ, যিসকল বিশেষ ব্যৱহাৰৰ যোগ্য। মনুৰ ভাষাত "ব্ৰাহ্মণক জগতৰ সৃষ্টিকৰ্তা, শাস্তিদাতা, গুৰু, উপকাৰী বুলি ঘোষণা কৰা হৈছে; তেওঁলোকক কোনেও অশুভ কথা নকওক; আৰু কঠোৰ শব্দ ব্যৱহাৰ নকৰক।" আনকি মনুৱে ৰজাক ব্ৰাহ্মণৰ প্ৰতি অসন্মান কৰিবলৈ অনুমতি নিদিয়ে আৰু কয় — "তেওঁ (ৰজাই) গভীৰ বিপদত পৰিলেও ব্ৰাহ্মণক ক্ৰোধিত কৰিব নালাগে, কাৰণ তেওঁলোক ক্ৰোধিত হ'লে তেওঁলোকে ৰজা, তেওঁৰ সৈন্য আৰু বাহন নিমিষতে ধ্বংস কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ মনুৰে দিয়া চাৰিটা বর্ণৰ ধাৰণাটোৰ ওপৰত এটা টোকা লিখা।

প্রশ্ন নং ২ ঃ মনুৰ মতে ৰজাই কি কি বস্তু পৰিহাৰ কৰিব লাগে?

প্রশ্ন নং ৩ ঃ দণ্ডৰ ওপৰত মনুৰ মতামত ব্যাখ্যা কৰা।

প্রশ্ন নং ৪ ঃ মনুৰ ধর্মৰ ধাৰণাটো আলোচনা কৰা।



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মনুৰে তেওঁৰ গ্রন্থ মনুস্মৃতিত ৰাজ্য, আত্মীয়তাৰ ভূমিকা আৰু গুণ, দণ্ডনিতি আৰু অন্যান্য দিশৰ ওপৰত বিভিন্ন মতামত প্রকাশ কৰিছিল যিটো তেওঁ প্রশাসন চলোৱাৰ সমানে প্রাসংগিক আৰু ব্যৱহাৰিক বুলি বিবেচনা কৰিছিল। ভাৰতীয় ৰাজনৈতিক চিন্তাধাৰাৰ বিকাশত মনুয়ে নিঃসন্দেহে উল্লেখযোগ্য আৰু মূল্যৱান অৱদান আগবঢ়াইছে, দৰাচলতে মনুৰ লিখনিসমূহৰ সৈতে প্রাচীন ভাৰতীয় ৰাজনৈতিক চিন্তাধাৰাই এক উল্লেখযোগ্য মাইলৰ খুঁটি অর্জন কৰিছিল বুলি কোৱা অযৌক্তিক নহ'ব।
- মনুৰ দর্শনৰ মূল সাৰ-মর্ম আছিল তেওঁৰ বিশ্বাস যে বিশ্বব্রহ্মাণ্ডত মাত্র এটা চূড়ান্ত বাস্তৱতা আছে যাক তেওঁ 'পৰম আত্মা' বুলি অভিহিত কৰিছিল। মনুৰ এই পৰম আত্মা আছিল অতীন্দ্রিয় আৰু অসীম।
- মনুৰে পুর্নজন্মৰ ধাৰণাটো প্রস্তাৱ কৰিছিল আৰু এই মতামত ৰাখিছিল যে জীৱনৰ উদ্দেশ্য পূৰণ নোহোৱালৈকে পুর্নজন্মৰ প্রক্রিয়া চলি থাকিব। ইয়াত মনুৰে 'কর্ম' বা চুক্তিৰ তাৎপর্যৰ ওপৰত আলোকপাত কৰিছে। তেওঁৰ মতে পৰৱর্তী জন্মত আত্মাই কি শৰীৰ ল'ব সেয়া তেওঁৰ পূর্বৰ জন্মৰ কর্মৰ দ্বাৰা নির্ধাৰিত হ'ব।
- মনুৰ চাৰি বর্ণৰ ধাৰণাতো তেওঁৰ শ্রেণীমুখীতাৰ স্পষ্ট প্রতিফলন। মনুৰে সমাজখনক চাৰিটা বর্ণ (শ্রেণী)ত ভাগ কৰিছে, প্রতিটো শ্রেণীয়ে এটা সুকীয়া সামাজিক গোটক প্রতিনিধিত্ব কৰিছে। মনুৰে কল্পনা কৰা সামাজিক ব্যৱস্থাটো এটা স্তৰভিত্তিক য'ত ব্রাহ্মণসকল শীর্ষত থাকে, তাৰ পিছত ক্রমে ক্ষত্রিয়, বৈশ্য আৰু শূদ্র'।
- মনুয়ে পুর্নজন্মৰ ধাৰণাটো আগবঢ়াইছিল আৰু তেওঁ বিশ্বাস কৰিছিল যে জীৱনৰ উদ্দেশ্য পূৰণ নোহোৱালৈকে পুর্নজন্মৰ প্রক্রিয়া অব্যাহত থাকিব। মনুয়ে বিবেচনা কৰিছিল যে বর্ণাশ্রম ধর্মৰ এই ব্যৱস্থাটো হয়তো বংশগত ৰেখাৰ ওপৰত কঠোৰবাৰে প্রতিষ্ঠিত নহ'বও পাৰে। তেওঁৰ বাবে ই ব্যক্তিজনৰ গুণ আৰু চৰিত্রৰ ওপৰত নির্ভৰ কৰে, তেওঁৰ জন্ম ওপৰত নহয়।
- মনুয়ে দণ্ড বা শাস্তিক সর্বোচ্চ গুৰুত্ব দিছিল। মনুৰ মতে এখন ৰাজ্যত সম্প্রীতি আৰু

শৃংখলিত প্রশাসন চলোৱা তেতিয়াহে সম্ভৱ যেতিয়া শাস্তি বা দণ্ডক প্রশাসনৰ অবিচ্ছেদ্য অংগ কৰি লোৱা হয়, অন্যথা সমাজত সকলোতে বিসঙ্গতি আৰু বিশৃংখলতা সৃষ্টি হ'ব। দণ্ডৰ লগতে মনুয়ে ন্যায়ৰ নীতিকো গুৰুত্ব আৰোপ কৰিছিল।

- মনুৱে ভূখণ্ড সম্প্রসাৰণ আৰু সুৰক্ষাৰ বাবে যুদ্ধৰ প্রয়োজনীয়তাক অস্বীকাৰ কৰা নাছিল। ৰজাই ইয়াক নিজৰ ৰাজ্য ৰক্ষাৰ বাবে আৰু লগতে ইয়াৰ বিৰোধীক ধ্বংস কৰিবলৈ ব্যৱহাৰ কৰিব লাগে। অৱশ্যে তেওঁ পৰমর্শ দিছিল যে শাসকে কেৱল শেষ উপায় হিচাপেহে বল প্রয়োগ কৰিব লাগে।
- এইদৰে আমি সঠিকভাৱে সামৰণি মাৰিব পাৰো অধ্যাপক ভি ক্রচালৰ কথাৰে যিয়ে কৈছিল যে আমাৰ প্রাচীন সভ্যতাৰ ঐতিহাসিক বিকাশত মনুস্মৃতিৰ নিয়মে ব্যতিক্রমী স্থান দখল কৰিছে।



১.৭ অধিক জানিবলৈ

১) *The Laws of Manu* : Brian, K. Smith, Penguin Classics (1991).

২) *The Laws of Manu* : Georg Buehler, Library of Alexandria, 1970.

৩) *Manusmiriti* : Chosal, U.N. 2004, New delhi, Sage Publication.



১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ মনুৰ চাৰি বর্ণৰ ধাৰণাটো তেওঁৰ শ্রেণীৰ অভিমুখী চিন্তাৰ স্পষ্ট প্রতিফলন। মনুৱে সমাজখনক চাৰিটা বর্ণ' (শ্রেণী)ত ভাগ কৰিছে, প্রতিটো শ্রেণীয়ে এটা সুকীয়া সামাজিক গোটক প্রতিনিধিত্ব কৰিছে। মনুৱে এই চাৰিটা শ্রেণীক শৰীৰৰ গঠনৰ ভিত্তিত শ্রেণীভুক্ত কৰিছে। মনুৰ বাবে মানৱ শৰীৰ 'সত্ব', 'ৰাজ' আৰু 'তম' গুণৰ সমষ্টি। বস্তুগত শৰীৰৰ এই তিনিটা গুণৰ সৈতে ক্রিয়া কৰা চেতনাৰ তিনিটা দিশে পুৰুষৰ বিভিন্ন প্রকাৰ আৰু তেওঁলোকৰ বৈশিষ্ট্য নির্ধাৰণ কৰে। এই ভিত্তিতে মনুয়ে সমাজখনক চাৰিটা শ্রেণীত বিভক্ত কৰিছে। মনুৰ মতে যিজন ব্যক্তিৰ 'সত্ব' গুণ আন গুণ দুটাতকৈ বেছি থাকে, তেওঁ ব্রাহ্মণ; যিজনৰ 'ৰাজ' গুণ বেছি থাকে তেওঁ ক্ষত্রিয়; আৰু যিজন ব্যক্তিৰ 'তম' গুণটো আন দুটাতকৈ বেছি, তেওঁ বৈশ্য। মনুৰ মতে চতুর্থ শ্রেণীটোৰ এই গুণবোৰৰ কোনো উল্লেখযোগ্য অনুপাত নাই। এই শ্রেণীটোৱেই হৈছে শূদ্র শ্রেণী, মনুৰ দৃষ্টিত যাৰ নিজৰ ব্যক্তিত্বৰ অভাৱ। আচলতে মনুৰ বাবে এই শ্রেণীৰ মন আৰু চিন্তাধাৰা এনেকুৱা এটা শিশুৰ দৰেই যিয়ে জীৱনৰ প্রতিটো খোজতে অহৰহ পথ প্রদর্শন আৰু সহায়ৰ প্রয়োজন হয়। মনুয়ে সেয়েহে তেওঁলোকক সমাজৰ উচ্চ জীৱনত অংশগ্রহণৰ পৰা বঞ্চিত কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ মনুৰে কিছুমান কথা নির্দিষ্ট কৰিছিল যিবোৰ ৰজাই পৰিহাৰ কৰিব লাগে, যেনে — মদ্যপান, পাশা খেল, নাৰী, চিকাৰ, হিংসা, বিশ্বাসঘাটকতা, ঈর্ষা, নিন্দা, সম্পত্তি জব্দ, আক্রমণ ইত্যাদি। তেওঁ লোভক সকলো কু-অভ্যাসৰ মূল কাৰণ বুলি ঘোষণা কৰে আৰু সেয়েহে ইয়াক এৰাই চলা উচিত বুলি গণ্য কৰিছিল।

৩ নং প্রশ্নৰ উত্তৰ ঃ ৰাজনৈতিক কাম-কাজ নিয়ন্ত্রণ কৰাৰ উদ্দেশ্যে মনুয়ে দণ্ড বা শাস্তিক সর্বোচ্চ গুৰুত্ব দিছিল। মনুৰ মতে এখন ৰাজ্যত সম্প্রীতি আৰু শৃংখলিত প্রশাসন চলোৱাৰ তেতিয়াহে সম্ভৱ যেতিয়া শাস্তি বা দণ্ডক প্রশাসনৰ অবিচ্ছেদ্য অংগ কৰি লোৱা হয়, অন্যথা সমাজত সকলোতে বিসংঙ্গতি আৰু বিশৃংখলতা সৃষ্টি হ'ব। এইদৰে মনুৰ দণ্ড হৈছে এক মাধ্যম যিয়ে ৰাজ্য এখনত শৃংখলাবদ্ধতাৰ পথ প্রশস্ত কৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ মনুৰ মতে ন্যায়ৰ ধাৰণাটোৰ সৈতে ধর্মৰ সম্পর্ক আছে। তেওঁ পৰামর্শ দিছিল যে ন্যায় ধর্ম বা নৈতিকতাৰ ওপৰত আধাৰিত হোৱা উচিত, কিয়নো ধর্ম নীতিৰ আনুগত্য শাসকেহে সঠিকভাৱে ন্যায় প্রদান কৰিবলৈ সক্ষম হ'ব। মনুয়ে ন্যায়ৰ নীতি কার্যকৰী কৰিবলৈ ধর্মৰ নীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ আছিল ন্যায় আৰু ধর্মৰ প্রখৰ বিশ্বাসী। তেওঁ অৱশ্যে সকলো শ্রেণীৰ সদস্যৰ প্রতি সমান ব্যৱহাৰত বিশ্বাস কৰা নাছিল। দৰাচলতে তেওঁ ব্রাহ্মণসকলৰ বাবে বিশেষ ব্যৱহাৰৰ পৰামর্শ দিছিল। মনুৰে সকলো মানুহক সমতাত বিশ্বাস কৰা নাছিল। মনুৰ বাবে ব্রাহ্মণসকল হৈছে উচ্চ শ্রেণীৰ মানুহ, যিসকল বিশেষ ব্যৱহাৰৰ যোগ্য।



১.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ মনুৰ ৰাজনৈতিক ধাৰণা সমালোচনাত্মকভাৱে পৰীক্ষা কৰক।

প্রশ্ন ২ ঃ দণ্ড আৰু ন্যায় নীতিৰ ওপৰত মনুৰ মতামত ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ "মনু প্রাচীন ভাৰতীয় ৰাজনৈতিক চিন্তাৰ পিতৃ।" এই মতৰ সৈতে আপুনি একমত নেকি। আপোনাৰ উত্তৰৰ কাৰণ উল্লেখ কৰক।

প্রশ্ন ৪ ঃ মনুৰে দিয়া চাৰিটা বর্ণৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৫ ঃ মনুৰ দ্বাৰা চিত্রিত ধর্মৰ নীতি বিশ্লেষণ কৰক।

*** ***** ***

অধ্যায় ২ ঃ কৌটিল্য

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ কৌটিল্যৰ সপ্তাংগ তত্ত্ব
২.৪ ৰজাৰ ওপৰত কৌটিল্যৰ ধাৰণা
২.৫ ৰাষ্ট্ৰৰ ওপৰত কৌটিল্যৰ দৃষ্টিভংগী
২.৬ কৌটিল্য আৰু মেকিয়াভেলিৰ মাজত তুলনাত্মক অধ্যয়ন
২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৮ অধিক জানিবলৈ
২.৯ অগ্রগতিৰ খতিয়ান
২.১০ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- কৌটিল্যৰ ৰাজনৈতিক ধাৰণা সমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- প্ৰাচীন ভাৰতীয় ৰাজনৈতিক চিন্তাধাৰাৰ বিকাশত কৌটিল্যৰ অৱদানসমূহ বিশ্লেষণ কৰিব পাৰিব
- মেকিয়াভেলি আৰু কৌটিল্যৰ মাজত তুলনাত্মক অধ্যয়ণ কৰিব পাৰিব।

২.২ পৰিচয়

কৌটিল্য এজন প্ৰাচীন ভাৰতীয় ৰাজনৈতিক দাৰ্শনিক আছিল, যাক চাণক্য (খ্ৰীষ্টপূৰ্ব ৩৫০-২৭৫) নামেৰেও জনা গৈছিল। তেওঁৰ জন্ম 'চাণকা' (Chanaka) গাওঁত হোৱা বাবে তেওঁৰ চাণক্য নামেৰে পৰিচিত আছিল। আকৌ 'কুটালা' (Kutala) গোত্ৰত জন্ম গ্ৰহণ কৰাৰ পৰাই তেওঁ কৌটিল্য নামটো লাভ কৰিছিল। কৌটিল্য মৌৰ্য সাম্ৰাজ্যৰ প্ৰথম শাসক ভাৰতীয় সম্ৰাট চন্দ্ৰগুপ্তৰ মুখ্য উপদেষ্টা আৰু প্ৰধানমন্ত্ৰী আছিল। উত্তৰ ভাৰতৰ এটা ব্ৰাহ্মণ পৰিয়ালত জন্মগ্ৰহণ কৰা কৌটিল্য তক্ষশীলা বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান আৰু অৰ্থনীতিৰ অধ্যাপক আছিল। তেওঁ বেদ আৰু বৈদিক সাহিত্যৰ সৈতে সুপৰিচিত আছিল।

কৌটিল্যৰ ৰাজনৈতিক চিন্তাধাৰাৰ সাৰাংশ তেওঁ ৰচনা কৰা অৰ্থশাস্ত্ৰ নামৰ গ্ৰন্থখনত লাভ কৰা যায়। অৰ্থশাস্ত্ৰৰ অৰ্থ হৈছে "The Science of Material Gain". দৰাচলতে এই পুথিখন এখন সাম্ৰাজ্য কাৰ্যকৰীভাৱে পৰিচালনা কৰাৰ বাবে প্ৰয়োজনীয় এক হাতপুথি আৰু ইয়াত কূটনীতি, যুদ্ধ, আইন সম্পৰ্কীয় পৰামৰ্শ, কাৰাগাৰ কৰ, দুৰ্গ নিৰ্মাণ, মুদ্ৰা, বাণিজ্য প্ৰশাসন

আৰু চোৰাংচোৰা আদি নির্দিষ্ট বিষয়ৰ বিষয়ে বিষদ তথ্য আছে। অধ্যাপক আলটেকাৰ (Altekar)ৰ মতে কৌটিল্যৰ 'অর্থশাস্ত্র' সম্ভৱতঃ প্রাচীন ভাৰতীয় ৰাজনৈতিক চিন্তা আৰু প্রতিষ্ঠানসমূহৰ আটাইতকৈ গুৰুত্বপূর্ণ উৎস বুলি ক'লে ভুল কোৱা নহ'ব। অর্থশাস্ত্রক ৰাজনীতি বিজ্ঞানৰ দর্শন আৰু মৌলিক নীতিৰ বিষয়ে আলোচনা কৰা তাত্ত্বিক কার্য বুলি কোৱাতকৈ প্রশাসকসকলৰ বাবে এক পুস্তিকা বুলি কোৱাহে উচিত হব। ই মূলতঃ চৰকাৰৰ ব্যৱহাৰিক সমস্যাৰ সৈতে জড়িত, যি যুদ্ধ আৰু শান্তি উভয় ক্ষেত্রতে প্রযোজ্য আৰু লগতে চৰকাৰীৰ যন্ত্র আৰু চৰকাৰৰ কার্য্যাৱলীৰ বিষয়ে আলোচনা কৰে। এই বিষদ আলোচনাৰ পৰৱর্তী সময়ত শুক্রনীতি (Sukranitis)ৰ বাহিৰে আন কোনো কামত দেখা পোৱা নাযায়।

২.৩ কৌটিল্যৰ সপ্তাংগ তত্ত্ব

ৰাজনৈতিক চিন্তাধাৰাৰ ক্ষেত্রত কৌটিল্যৰ আটাইতকৈ গুৰুত্বপূর্ণ অৱদান সমূহৰ ভিতৰত তেওঁৰ ৰাষ্ট্রৰ সপ্তাংগ তত্ত্ব অন্যতম। কৌটিল্যৰ মতে এখন ৰাষ্ট্র সাতটা মৌলিক উপাদানৰ সমষ্টি। সেই উপাদান কেইটা হ'ল —

ক) স্বামী (গৰাকী বা ৰজা)
খ) অমত্য (মন্ত্রী)
গ) জনপদ (জনসংখ্যা আৰু ভূখণ্ড)
ঘ) কোষ (কোষাগাৰ)
ঙ) দুর্গ
চ) বল / দণ্ড (সৈন্য বাহিনী)
ছ) মিত্র

প্রাচীন ভাৰতত ৰাষ্ট্রৰ এই সাতটা মৌলিক উপাদানক একেলগে 'সপ্তাংগ তত্ত্ব' বুলি জনা গৈছিল। এই সাতটা উপাদানৰ বিষদ আলোচনা তলত আগবঢ়োৱা হ'ল—

ক) স্বামী (ৰজা) ঃ কৌটিল্যৰ মতে ৰজা ৰাজ্যখনৰ এক অপৰিহার্য্য, অবিচ্ছেদ্য আৰু অনুপ্রেৰণামূলক অংশ। ৰজা সম্ভ্রান্ত আৰু ৰাজকীয় পৰিয়ালৰ আছিল যাৰ "মূৰ আৰু হৃদয়' (Head and heart) দুয়োটা গুণ আছিল। ৰজাই আনৰ ওপৰত আস্থা অর্জন কৰিবলৈ সক্ষম হ'ব লাগিব। তেওঁ সহজসাধ্য, সত্যবাদী আৰু পথপ্রদর্শক হব লাগিব। তেওঁৰ তীক্ষ্ণ বুদ্ধি থাকিব লাগিব। সাহসী হব লাগিব, দ্রুত হ'ব লাগিব আৰু শক্তিশালী হ'ব লাগিব। কৌটিল্যৰ মতে, স্বামী এজন ব্যক্তি বা কেইবাজনো ব্যক্তিৰ সমষ্টি হ'ব পাৰে।

খ) অমত্য (মন্ত্রী) ঃ কৌটিল্যৰ মতে অমত্য বুলিলে মন্ত্রী বা যিকোনো উচ্চ পদস্থ বিষয়াসকলক বুজায়। অমত্যসকল চৰকাৰৰ সকলো কাম-কাজত জড়িত থাকে। চৰকাৰখন যাতে সুচাৰুৰূপে পৰিচালিত হয় সেয়া নিশ্চিত কৰাটো তেওঁলোকৰ দায়িত্ব। কৌটিল্যৰ মতে অমত্যসকল দেশৰ স্থানীয় বাসিন্দা হ'ব লাগিব আৰু স্বামীৰ (ৰজা) প্রতি ভক্তি থাকিব লাগিব।

গ) **জনপদ (ভূখণ্ড আৰু জনসংখ্যা) ঃ** জনপদৰ দ্বাৰা কৌটিল্যই ভূখণ্ড আৰু জনসংখ্যা বুজায়। তেওঁৰ মতে উৰ্ব্বৰতা হৈছে জনপদৰ এক অপৰিহার্য উপাদান। এই উপাদানটোত তেওঁ সংগঠনকে ধৰি গাওঁ আৰু নগৰৰ কাম-কাজৰ বিষয়ে আলোচনা কৰিছিল।

ঘ) **কোষ (কোষাগাৰ) ঃ** ৰাজ্যৰ আন এটা উপাদান হ'ল কোষাগাৰ। কৌটিল্যৰ মতে এখন ভাল ৰাজ্য হ'ল— যিখন সোণ আৰু ৰূপেৰে সমৃদ্ধ, লগতে ডাঙৰ আৰু বৈচিত্র্যপূর্ণ যাতে ই দীর্ঘদিনীয়া আৰু নিৰবিচ্ছিন্ন দুর্যোগ সহ্য কৰিব পাৰে। কৌটিল্যই কোষাগাৰৰ বিকাশক যথেষ্ট গুৰুত্ব দিছিল কিয়নো তেওঁ বিশ্বাস কৰিছিল যে কোষাগাৰে এখন ৰাজ্যৰ আভ্যন্তৰীণ আৰু বাহ্যিক স্বাধীনতা বজাই ৰখাত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

ঙ) **দুর্গ ঃ** দুর্গক এখন ৰাজ্যৰ এক অতি গুৰুত্বপূর্ণ উপাদান হিচাপে গণ্য কৰা হয়, কিয়নো ই সাম্রাজ্যৰ প্রতিৰক্ষাৰ লগত জড়িত। সাধাৰণতে দুর্গবোৰ ৰাজ্যৰ সীমাত নির্মাণ কৰা হৈছিল। কৌটিল্যই দুর্গসমূহক চাৰিটা ভাগত বিভক্ত কৰিছিল — ১। জলদুর্গ (চাৰিওফালে জলাশয়েৰে আবৃত), ২। পর্বত দুর্গ (পর্বত বা শিলাময় স্থানত তৈয়াৰ কৰা দুর্গ) ৩। মৰুভূমি দুর্গ (মৰুভূমিৰে আবৃত সমতল স্থানত তৈয়াৰ কৰা দুর্গ) ৪। বন দুর্গ (ঘন বা অটক্ষ হাবিৰ কাষত তৈয়াৰ কৰা দুর্গ)

চ) **বল / দণ্ড ঃ** বল বা দণ্ডই ৰাষ্ট্রখনক আক্রমণৰ পৰা ৰক্ষা কৰিবলৈ আৰু ৰাজ্যখনৰ ভিতৰত আইন শৃংখলা ৰজাই ৰাখিবলৈ থকা সশস্ত্র বাহিনীক বুজায়। কৌটিল্যই সৈন্যবাহিনীক ছয়টা শ্রেণীত বিভক্ত কৰে অর্থাৎ

১। বংশগত সেনাবাহিনী
২। ভাড়া কৰা / ভৰটকা বা ভৰট সৈন্য বাহিনী
৩। যুদ্ধ নিগমৰ সৈনিক
৪। মিত্র শক্তিৰ সৈন্য
৫। শত্রুৰ সৈন্য
৬। জনজাতীয় সৈনিক / অষ্টবিকা

সামৰিক বাহিনীত অশ্বাৰোহী বাহিনী, পদাতিক বাহিনী আৰু ৰথাৰোহী থাকে। তেওঁ ক্ষত্রিয়সকলক সেনাৰ বাবে উৎকৃষ্ট বুলি গণ্য কৰিছিল কিয়নো তেওঁলোক ভাল যোদ্ধা। কেৱল ৰাজ্যত জৰুৰীকালীন অৱস্থাৰ সম্মুখীন হ'লেহে সেনাবাহিনীত যোগদান কৰাৰ বাবে তেওঁ বৈশ্য আৰু শূদ্রসকলক পছন্দ কৰে। আক্রমণৰ সময়ত সঠিক অস্ত্র-শস্ত্রৰ যোগান ধৰি সেনাবাহিনীক অধিক সক্ষম কৰি তুলিব লাগে। ৰাষ্ট্রই সেনাসকলৰ সন্তান আৰু পত্নীৰ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰিব লাগে। সৈনিকসকল ধৈর্য্যশীল হব লাগিব আৰু সদায় ৰজাৰ ওচৰত থাকিব লাগিব।

ছ) **মিত্র ঃ** কৌটিল্যৰ মতে দুই প্রকাৰৰ মিত্র আছে ঃ

সহজ মিত্র ঃ ইয়াত সেই ব্যক্তিসকল থাকে যাৰ বন্ধুত্ব পিতৃ আৰু ককাকৰ সময়ৰ পৰা উদ্ভৱ হৈছিল। সহজ মিত্র চুবুৰীয়া শত্রুৰ ভূখণ্ডৰ ওচৰৰ অবস্থিত থাকে।

কৃত্রিম মিত্র ঃ কৃত্রিম মিত্র হৈছে আর্জিত মিত্র যিটো কেৱল সম্পদ আৰু জীৱনৰ সুৰক্ষাৰ বাবে সৃষ্টি হয়। কৌটিল্যই বিশ্বাস কৰিছিল যে প্রথম শ্রেণীৰ মিত্র দ্বিতীয় শ্রেণীৰ মিত্রতকৈ উৎকৃষ্ট।

এইদৰেই কৌটিল্যই ৰাজ্যৰ সাতটা পৰম্পৰাগত উপাদানৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। সেইবোৰক তেওঁ ৰাজ্য এখনৰ প্রকৃতি (prakritis) বা অংগ সদৃশ উপাদান হিচাপে বর্ণনা কৰিছিল।

২.৪ ৰাজ্যৰ ওপৰত কৌটিল্যৰ ধাৰণা

কৌটিল্যই ৰজাৰ ওপৰত অপৰিসীম দায়িত্ব অর্পণ কৰিছিল। কৌটিল্যৰ মতে ৰজা চৰম ক্ষমতাৰ অধিকাৰী নহয় যদিও, তেওঁ সাম্রাজ্যৰ এক প্রধান স্থান দখল কৰে। দৰাচলতে কৌটিল্যই স্বামী (ৰজা)ক জনসাধাৰণৰ সেৱক ৰূপে গণ্য কৰিছিল, যিয়ে জনসাধাৰণক কৰা সেৱাৰ বিনিময়ত কৰৰ ৰূপত পৰিশোধ লাভ কৰে। কৌটিল্যই কিছুমান বিশেষ গুণৰ চিনাক্তকৰণ কৰিছিল যিবোৰ এজন স্বামীৰ থাকিব লাগে। এই গুণবোৰ হ'ল —

১। ৰজাৰ 'মূৰ আৰু হৃদয়' (Head and heart) দুয়োটাৰে সর্বশ্রেষ্ঠ গুণ থাকিব লাগিব। সমগ্র অর্থশাস্ত্রখন ৰজাক উদ্দেশ্য কৰি লিখা হৈছে, যি কৌটিল্যৰ বাবে ৰাজ্যখনৰ আদর্শ শাসক।

২। কৌটিল্যৰ মতে, ৰাজত্বৰ প্রস্তুতিত থকা এজন ৰজাই ১৬ বছৰ বয়সলৈ ব্রহ্মচার্য্য পালন কৰিব লাগিব। তেওঁক অভিজ্ঞতা সম্পন্ন শিক্ষক বা গুৰুৰ দ্বাৰা শাসন কলাৰ প্রশিক্ষণ দিয়া উচিত।

৩। কৌটিল্যৰ মতে ৰজাই সকলো ধৰণৰ সমৰ কলাত প্রশিক্ষণ প্রাপ্ত হ'ব লাগিব।

৪। ৰজাই ছয় ধৰণৰ গুণৰ পৰা মুক্ত থাকিব লাগে সেইকেইটা হ'ল — কামনা, লোভ, খং, আসক্তি, হিংসা আৰু অহংকাৰ। অর্থাৎ ৰজাই প্রতিজন মানুহক প্রভাবিত কৰা এই ছটা কু-আচৰণৰ পৰা আঁতৰি থাকিব লাগে।

৫। ৰজাই প্রজাসকলৰ প্রতি নিঃস্বার্থ সেৱা আগবঢ়াব লাগে। ৰজাৰ প্রথম আৰু সর্বশ্রেষ্ঠ কর্তব্য হ'ল — প্রজাৰ জীৱন আৰু সম্পত্তি ৰক্ষা কৰা। তেওঁ প্রজাসকলক অসামাজিক উপাদান আৰু বিভিন্ন প্রাকৃতিক দুর্যোগ যেনে বানপানী, ভূমিকম্প আদিৰ কবলৰ পৰা ৰক্ষা কৰিব লাগে। কৌটিল্যৰ মতে প্রজা সুখী হ'লেহে ৰজা সুখী হ'ব পাৰে।

৬। কৌটিল্যই এইটোও বিচাৰিছিল যে ৰাজকুমাৰে বৌদ্ধিক আৰু নৈতিক অনুশাসন সম্পর্কীয় সম্পূর্ণ প্রশিক্ষণ গ্রহণ কৰিব লাগে। বৌদ্ধিক প্রশিক্ষণত বিশেষ শিক্ষকৰ নির্দেশনাত পৰম্পৰাগত বিজ্ঞানৰ অধ্যয়ণ অন্তর্ভুক্ত থাকিছিল। আনহাতে নৈতিক অনুশাসনত ছয় ইন্দ্রিয় নিয়ন্ত্রণৰ ওপৰত গুৰুত্ব দিয়া হৈছিল যাক কৌটিল্যই ছয় শত্রু বুলি অভিহিত কৰিছিল।

৭। ৰজাই আনৰ মহিলা আৰু সম্পত্তিৰ ক্ষতি কৰাৰ পৰা বিৰত থাকিব লাগে। মিছা, অহংকাৰ আৰু অশুভ কার্যকলাপৰ পৰা ৰজা আঁতৰি থাকিব লাগে।

৮। পুনৰ কৌটিল্যই পৰামর্শ দিছিল যে ৰজাই অভিজ্ঞতা সম্পন্ন মন্ত্রীসকলৰ দৃষ্টিৰে চাব লাগে আৰু তেওঁলোকৰ দ্বাৰা অনুমোদিত আচৰণ অনুসৰণ কৰিব লাগে। কৌটিল্যই

ৰজাই কোনো এক মন্ত্রীৰ পৰামৰ্শৰ ওপৰত নির্ভৰ কৰাটো বিচৰা নাছিল কাৰণ তেনে পৰামৰ্শ স্বার্থজনিত উদ্দেশ্যৰ ওপৰত আধাৰিত হ'ব পাৰে। তেওঁ বিচাৰিছিল যে ৰজাই কেইবাজনো মন্ত্রীৰ সৈতে আলোচনা কৰি তাৰ পিছত এটা সিদ্ধান্তত উপনীত হব লাগে।

ইয়াত কৌটিল্যই কিছুমান বিশেষ গুণ উল্লেখ কৰিছিল যিবোৰ এজন মন্ত্রীৰ থাকিব লাগে। তেওঁৰ মতে এজন মন্ত্রী স্বভাৱগত ভাৱে এটা উচ্চ পৰিয়ালত জন্ম হোৱা উচিত। তেওঁ প্রভাৱশালী হোৱাৰ উপৰিও কলাৰ ক্ষেত্রত প্রশিক্ষণ প্রাপ্ত হব লাগিব। তেওঁৰ দূৰদৃষ্টি থাকিব লাগে। তেওঁ জ্ঞানী, সাহসী, বাকপটু, দক্ষ, বুদ্ধিমান, সঠিক আত্মমর্যদা সম্পন্ন, দ্বিধা আৰু চঞ্চল মানসিকতাৰ পৰা মুক্ত, ৰাজকীয় ভক্তি, দৃঢ় আৰু কিছুমান উৎকৃষ্ট আচৰণ সম্পন্ন হব লাগিব। ৰজাৰ ইচ্ছা অনুসৰি অন্যান্য কামৰ উপৰিও ৰাজহ, গাওঁ আৰু চহৰৰ উন্নয়ন প্রতিৰক্ষা সম্পর্কীয় বিষয়ত ৰজাক পৰামৰ্শ দিয়াটো মন্ত্রীৰ দায়িত্ব।

কৌটিল্যই ৰজাক অপৰিসীম ক্ষমতা প্রদান কৰে। তেওঁ ৰজাক এক দৈৱিক অংশ হিচাপেও গণ্য কৰে। কৌটিল্যৰ মতে ৰজাই তিনিটা উৎসৰ পৰা শক্তি আহৰণ কৰে — প্রভু শক্তি (সেনা আৰু কোষাগাৰৰ শক্তি), মন্ত্র শক্তি (জ্ঞানী মানুহ বিশেষকৈ মন্ত্রী পৰিষদৰ পৰামৰ্শ) আৰু উৎসাহ শক্তি (সম্মোহনী শক্তি)। অর্থশাস্ত্রত কৌটিল্যই কেতিয়াও ৰজাৰ "ঐশ্বৰিক তত্ত্ব"ৰ পোষকতা কৰা নাছিল। কৌটিল্যৰ অভিমত আছিল যে যিহেতু ৰাষ্ট্রখন এটা মানৱ প্রতিষ্ঠান, সেয়েহে ইয়াক মানুহৰ দ্বাৰা পৰিচালিত কৰা উচিত। সেয়েহে ৰজা সমগ্র সমাজৰ ৰক্ষক হোৱা উচিত।

২.৫ ৰাষ্ট্রৰ ওপৰত কৌটিল্যৰ দৃষ্টিভংগী

প্রশাসনৰ ক্ষেত্রত কৌটিল্যৰ দৃষ্টিভংগীৰ আলোচনাৰ কেন্দ্রবিন্দু হৈছে ৰাষ্ট্র। কৌটিল্যৰ মতে দেশত আইন শৃংখলা ৰক্ষাৰ উপৰিও ৰাষ্ট্রৰ প্রাথমিক উদ্দেশ্য হৈছে জনসাধাৰণৰ কল্যাণ নিশ্চিত কৰা; প্রাকৃতিক দুর্যোগৰ পৰা সুৰক্ষিত কৰা আৰু জনসাধাৰণৰ মাজত শিক্ষাৰ প্রসাৰৰ বাবে কাম কৰা। কৌটিল্যৰ মতে ৰাষ্ট্র সুস্থ অর্থনৈতিক ভেটিৰ ওপৰত আধাৰিত হোৱা উচিত, যাতে তাত কাম কৰা লোকসকলে তেওঁলোকৰ জীৱনৰ লক্ষ্যসমূহ উপলব্ধি কৰিব পৰা অৱস্থাত থাকে। ৰাষ্ট্র এখনে বিদেশী সম্প্রদায়ৰ ওপৰত নির্ভৰশীলতা হ্রাস কৰাৰ চেষ্টা কৰা উচিত, আৰু লগতে দুর্দশাৰ সন্মুখীন হোৱা শ্রেণীকো সহায় কৰাৰ স্থিতিত থাকিব লাগে, যাতে এক বহল পৰিসৰৰ পথ মুকলি হয়। কৌটিল্যৰ মতে ৰাষ্ট্র এখন ভৌতিক আৰু আধ্যাত্মিক দুয়োটা উপাদানৰ মিশ্রণ। এখন ৰাষ্ট্রৰ উদ্দেশ্য কেৱল ধর্মীয় নীতি নিয়ম পৰিচালনা কৰা আৰু জনসাধাৰণৰ বাবে কাম কৰাই নহয়; বৰঞ্চ এনে এক পৰিস্থিতিৰ সৃষ্টি কৰা য'ত সকলো লোক বর্ণ, ধর্ম, জাতি আদিৰ ওপৰত আধাৰিত সম্প্রীতিৰ বাস কৰিব পাৰে। কৌটিল্যই কিছুমান ক্ষেত্রৰ পৰা উল্লেখ কৰিছে য'ত ৰাষ্ট্রই সক্রিয় ভূমিকা পালন কৰে বা কৰা উচিত। সেইবোৰ হ'ল —

ক) **কৃষি ঃ** কৌটিল্যই কৃষিক ৰাষ্ট্র এখনৰ অর্থনীতিৰ মেৰুদণ্ড হিচাপে গণ্য কৰে। এখন ৰাষ্ট্রত খেতিৰ বাবে ভূমি থাকিব লাগিব, যাতে তাত বাস কৰা লোক সকলৰ খাদ্যৰ প্রয়োজনীয়তা পূৰণ কৰিব পাৰে।

খ) **প্রশাসনিক নিযুক্তি ঃ** কৌটিল্যৰ মতে সু-প্রশাসন নিশ্চিত কৰিবলৈ অত্যাৱশ্যকীয় নিযুক্তি কৰাটো ৰজাৰ দায়িত্ব।

গ) **সামৰিক কার্য্যকলাপ ঃ** ৰাষ্ট্ৰৰ সুৰক্ষা এক গুৰুত্বপূর্ণ বিষয়। ইয়াৰ বাবে একত্রিত আৰু শক্তিশালী সামৰিক বাহিনীৰ প্রয়োজন, যি বাহ্যিক শক্তিৰ আক্রমণৰ প্রত্যুত্তৰ দিবলৈ সক্ষম হয়।

ঘ) **বাণিজ্যৰ ওপৰত নিয়ন্ত্রণ ঃ** কৌটিল্য বাণিজ্যৰ ওপৰত ৰাষ্ট্ৰৰ নিয়ন্ত্রণৰ পক্ষপাতী আছিল। ৰাষ্ট্ৰই বৈদেশিক বাণিজ্য নিয়ন্ত্রণ কৰিছিল। ৰাষ্ট্ৰই ব্যৱসায়ীসকলে যাতে সামগ্রীৰ চোৰাং সৰবৰাহ নকৰে সেয়া নিশ্চিত কৰিব লাগে। কৌটিল্যই সোণৰ খনি, সোণ, বনজ সম্পদ, সুৰাৰ উৎপাদন আৰু বিক্রী আদিৰ ক্ষেত্রত ৰাষ্ট্ৰৰ নিয়ন্ত্রণৰ পক্ষপাতী আছিল। এইবোৰ বৈশিষ্ট্য ৰাষ্ট্রীয় সমাজবাদীৰ সৈতে একে যেন অনুভৱ হয়। তেওঁ বিচাৰিছিল যে ৰাষ্ট্ৰই বাণিজ্যত অংশগ্রহণ কৰক আৰু মূল্য আৰু লাভ নিয়ন্ত্রণৰ বাবে বিভিন্ন আইন প্রণয়ণ কৰক। তেওঁ ওজন আৰু মাপ পৰীক্ষণ আৰু দৈনন্দিন ব্যৱহার্য্য সামগ্রী আৰু ই মূল্য নির্ধাৰণৰ বাবে দোকান সমূহৰ সঞ্চালক নিযুক্তিৰ পক্ষপাতী আছিল যাতে জনসাধাৰণে কোনো অসুবিধাৰ সন্মুখীন নহয়।

ঙ) **শাস্তিৰ উপাদান ঃ** ৰাষ্ট্রত শৃংখলা নিশ্চিত কৰিবলৈ কৌটিল্যই শাস্তিৰ ব্যৱহাৰৰ পক্ষপাতী আছিল। কৌটিল্যৰ মতে কঠোৰ শাস্তি বাঞ্ছনীয় নহয় কিন্তু মৃদু ৰূপত ইয়াৰ ব্যৱহাৰ কৰিব পাৰি। তেওঁ কয় "যিজনে কঠোৰ শাস্তি প্রদান কৰে তেওঁ সকলো প্রাণীৰ প্রতি অত্যাচাৰী হৈ পৰে, যিজনে মৃদু শাস্তি প্রদান কৰে তেওঁ অধিক শক্তিশালী হয় আৰু যিজনে ন্যায়সংগত শাস্তি প্রদান কৰে তেওঁক সন্মান কৰা হয়।" তেওঁ পুনৰ কয় যে শাস্তি বিবেচনাৰ দ্বাৰা নির্দেশিত হ'লে ই মানুহক সদ্‌গুণ, সম্পদ আৰু ইচ্ছাৰ সৈতে একত্রিত কৰে, আনহাতে শাস্তি যদি অজ্ঞতাৰ জৰিয়তে লোভ আৰু ক্রোধৰ প্রভাৱত অপব্যৱহাৰ কৰা হয়, ই আনকি সন্ন্যাসী আৰু তপস্বীকো বিৰক্ত কৰে।

চ) **বৈদেশিক নীতি আৰু ৰাজ্য ঃ** এখন ৰাষ্ট্ৰই কেনেকৈ আন ৰাষ্ট্ৰৰ সৈতে সম্পর্ক ৰজাই ৰাখিব লাগে, ই প্রক্রিয়াটো কৌটিল্যই অতি ভালদৰে বর্ণনা কৰিছিল। কৌটিল্যৰ মতে যদি এজন ৰজাই আনজনৰ তুলনাত শক্তি হেৰুৱাই আছে, তেন্তে তেওঁ শান্তি স্থাপনৰ বাবে যোৱা উচিত। যদি এজন ৰজা শক্তিশালী হৈ উঠিছে তেন্তে তেওঁ যুদ্ধৰ পৰা বিৰত থাকিব নালাগে। যদি এজন ৰজাই অনুভৱ কৰে যে তেওঁ শত্রুক বা শত্রুয়েও তেওঁক আঘাত নকৰে তেনে ক্ষেত্রত ৰজাই নিৰপেক্ষতাৰ ভূমিকা পালন কৰিব লাগে, যদি এজন ৰজাৰ অতিৰিক্ত সুবিধা থাকে তেন্তে তেওঁ অগ্রাসন কৰিব লাগে আৰু যদি এজন ৰজা অভাৱত থাকে তেন্তে তেওঁ নিজৰ সুৰক্ষা দিব লাগে। অৱশেষত যদি এজন ৰজাই কার্যত নিয়োজিত থাকে আৰু সহায়ৰ প্রয়োজন থাকে তেন্তে তেওঁ দ্বৈত নীতি গ্রহণ কৰিব লাগে। কৌটিল্যৰ মতে প্রতিখন দেশতে লোভী, ভীৰু, খঙাল আৰু অহংকাৰী এই চাৰি ধৰণৰ লোক থাকে। সেয়েহে কৌটিল্যই ৰজাই এই চাৰি শ্রেণীৰ ওপৰত জয় লাভ কৰাৰ

কথা কৈছে। ৰজাই চোৰাংচোৰা নিয়োগৰ জৰিয়তে প্ৰতিটো শ্ৰেণীৰ আগশাৰীৰ বৈশিষ্ট্যবোৰ দমন কৰিব চেষ্টা কৰা উচিত। ৰজাই এনে ধৰণে নীতি প্ৰস্তুত কৰিব লাগে যাতে জনসাধাৰণে দৰিদ্ৰতা, লোভ আৰু অসন্তুষ্টিৰ পৰা মুক্তি পাব পাৰে। কৌটিল্যই কোন শত্ৰুৰ বিৰুদ্ধে অভিযান চলাব লাগে, এইক্ষেত্ৰত তেওঁৰ মত আগবঢ়াইছিল। এজন শক্তিশালী দুষ্ট চৰিত্ৰৰ শত্ৰুৰ বিৰুদ্ধে এজন দুৰ্বল কিন্তু ন্যায়পৰায়ণ শত্ৰুকো ব্যৱহাৰ কৰিব পৰা যায়। কৌটিল্যৰ মতে যেতিয়া মানুহ দৰিদ্ৰ হয় তেতিয়া তেওঁলোক লোভী হৈ পৰে, যেতিয়া তেওঁলোক লোভী হয়, তেতিয়া তেওঁলোক অসন্তুষ্ট হয় আৰু যেতিয়া তেওঁলোক অসন্তুষ্ট হয় তেতিয়া তেওঁলোকে স্বেচ্ছাই শত্ৰুৰ পক্ষলৈ যায় বা নিজৰ মালিকক ধ্বংস কৰে।

কৌটিল্যই ৰজাক তেওঁৰ প্ৰজাসকলক সুখী কৰি ৰাখিবলৈ পৰামৰ্শ দিয়ে, কিয়নো যদি প্ৰজাসকল সুখী নহয় তেন্তে তেওঁলোকৰ অসন্তুষ্টিৰ সুযোগ লৈ বাহ্যিক শত্ৰুৱে ৰাজ্য আক্ৰমণ কৰিব পাৰে। এজন ৰজাক তেতিয়াহে ভাল বুলি গণ্য কৰা হ'ব যেতিয়া তেওঁ নিজৰ প্ৰজাসকলক সন্তুষ্ট কৰাত সফল হয়। প্ৰজাসকলক সন্তুষ্ট কৰাৰ বাবে ৰজাই কূটনীতি আৰু বল প্ৰয়োগ আদি বিভিন্ন কৌশল অবলম্বন কৰিব পাৰে। কৌটিল্যৰ মতে প্ৰজাৰ সুখত ৰজাৰ সুখ আৰু প্ৰজাৰ কল্যাণত ৰজাৰ কল্যাণ থাকে। কৌটিল্যই যুদ্ধক প্ৰয়োজনীয় বুলি বিবেচনা কৰিছিল, কিন্তু তেওঁ অবিচাৰভাৱে ভূখণ্ড বিস্তাৰৰ পক্ষপাতী নাছিল। কৌটল্যই নিহত হোৱা লোকৰ ভূখণ্ড, সম্পদ, পুত্ৰ আৰু পত্নীৰ প্ৰতি আকৰ্ষিত নহ'বলৈ ৰজাক সতৰ্ক কৰি দিছিল। কৌটিল্যই বিজয়ী ৰজাক বিজিত অঞ্চলৰ লোকসকলৰ প্ৰতি দয়ালু আৰু বিবেচনাপূৰ্ণ ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ দিছিল। ৰজাই জয় কৰা ভূখণ্ডৰ লোকসকলৰ প্ৰতিষ্ঠিত ৰীতি-নীতিৰ প্ৰতি সন্মান দেখুৱাব লাগে আৰু একে ধৰণৰ জীৱনশৈলী গ্ৰহণ কৰিব লাগে আৰু জনসাধাৰণৰ উৎসৱত অংশগ্ৰহণ কৰিব লাগে, যাতে জনসাধাৰণে ৰজাক তেওঁলোকৰ অংশ হিচাপে গ্ৰহণ কৰিব পাৰে আৰু ৰজাইও নিজকে তেওঁলোকৰ অংশ হিচাপে গ্ৰহণ কৰিব পাৰে।

এইদৰেই কৌটিল্যই ৰাষ্ট্ৰৰ কাৰ্য্যকলাপ আৰু ভূমিকা সম্পৰ্কে এক বিস্তৃত ব্যাখ্যা দিছিল।

২.৬ কৌটিল্য আৰু মেকিয়াভেলিৰ মাজত তুলনা

কৌটিল্য আৰু মেকিয়াভেলিৰ মাজত প্ৰায়ে তুলনা কৰা দেখা যায়। দুয়োজন চিন্তাবিদে ব্যৱহাৰিক প্ৰশাসন নিশ্চিত কৰাৰ উপায় বিকশিত কৰিছিল। কৌটিল্য আৰু মেকিয়াভেলি দুয়োজনেই এজন শক্তিশালী শাসকৰ পক্ষ লৈছিল যিয়ে কেৱল সমাজত বিদ্যমান অৰাজক পৰিস্থিতি অতিক্ৰম কৰাই নহয়, চুবুৰীয়া ৰাজ্যসমূহৰ পৰা অহা সম্ভাব্য ভাবুকিও প্ৰতিহত কৰিব পাৰে। কৌটিল্য আৰু মেকিয়াভেলি দুয়োজনে চুবুৰীয়া শত্ৰু ৰাজ্যসমূহৰ কাৰ্যকলাপ, পৰিকল্পনা আৰু শক্তিৰ বিষয়ে প্ৰাথমিক তথ্য সংগ্ৰহ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। কৌটিল্য আৰু মেকিয়াভেলি উভয়ে শত্ৰু দেশৰ পূৰ্বৰ ঐতিহাসিক কামকাজৰ প্ৰমাণৰ ওপৰত গুৰুত্ব দিছিল। পুনৰ দুয়োজনে ৰাজনৈতিক সুবিধাবাদৰ নীতিত বিশ্বাস কৰিছিল।

অৱশ্যে ইমানখিনি সাদৃশ্যতা থকাৰ উপৰিও দুয়োজনেই প্ৰশাসনৰ কেতবোৰ নীতি, ৰজাৰ শাসন আদিৰ ওপৰত ভিন্ন মত আগবঢ়াইছিল। এইটো উল্লেখনীয় যে 'অৰ্থশাস্ত্ৰ' কৌটিল্যৰ শ্ৰেষ্ঠ কৃতি আনহাতে 'দা প্ৰিন্স' হৈছে মেকিয়াভেলিৰ অন্যতম অবদান। এই দুই ৰচনাৰ মাজত হোৱা তুলনাত্মক অধ্যয়ণৰ দ্বাৰা এইটো কব পাৰি যে কৌটিল্যৰ 'অৰ্থশাস্ত্ৰ' খন মেকিয়াভেলিৰ 'দা প্ৰিন্স' গ্ৰন্থখনতকৈ বহুত বেছি বিস্তৃত। ইয়াৰ কাৰণ হ'ল কৌটিল্যই তেওঁৰ গ্ৰন্থত নাগৰিক আইন, লোক প্ৰশাসন, সামৰিক বিজ্ঞান আদিৰ পৰা আৰম্ভ কৰি বিভিন্ন বিষয় সামৰি লৈছিল। আনহাতে মেকিয়াভেলিয়ে তেওঁৰ কামত প্ৰধানতঃ 'চৰকাৰ চলোৱাৰ কলা'ৰ ওপৰত গুৰুত্ব দিছিল। কৌটিল্য ভৌগালিক বিস্তাৰৰ পক্ষত নাছিল আৰু ৰজাক নিহতজনৰ ভূখণ্ড, সম্পত্তি, পুত্ৰ আৰু পত্নীক গ্ৰহণ কৰাক লৈ সতৰ্ক কৰি দিছিল আনহাতে মেকিয়াভেলি ভৌগালিক বিস্তাৰৰ পক্ষত আছিল। কৌটিল্যৰ শাসকজন মেকিয়াভেলিয়ে সমৰ্থন কৰাৰ দৰে অসীম ক্ষমতাসম্পন্ন স্বৈৰাচাৰী শাসক নাছিল। কৌটিল্যই নিসন্দেহে এজন শক্তিশালী ৰজাৰ পোষকতা কৰিছিল কিন্তু একে সময়তে ৰজাই আইনৰ (বা ধৰ্মৰ) সীমাবদ্ধতাৰ ভিতৰত কাম কৰা উচিত বুলি মত পোষণ কৰিছিল। নৈতিকতাৰ ক্ষেত্ৰত কৌটিল্য আৰু মেকিয়াভেলিয়ে ভিন্ন মত আগবঢ়াইছিল। কৌটিল্যই প্ৰশাসন চলোৱাৰ ক্ষেত্ৰত নৈতিক নীতি-নিয়মৰ ওপৰত উপযুক্ত গুৰুত্ব দিছিল, কেৱল ব্যক্তিক্ৰম পৰিস্থিতিতহে অনৈতিক ৰাষ্ট্ৰ নীতিৰ অনুমতি দিছিল। আনহাতে মেকিয়াভেলিয়ে জনকল্যাণৰ প্ৰচাৰৰ লক্ষ্যৰে নৈতিক নীতিবোৰ ত্যাগ কৰিছিল। কৌটিল্যই প্ৰজাৰ প্ৰতি সদয় ব্যৱহাৰৰ বাবে অনুৰোধ কৰিছিল। পুনৰ ব্যক্তিগত স্বাধীনতাৰ ক্ষেত্ৰতো মেকিয়াভেলি আৰু কৌটিল্যৰ মতৰ মাজত বৈসাদৃশ্য দেখা যায়। কৌটিল্যই যদিও শক্তিশালী ৰজাৰ পক্ষপাতী আছিল একেসময়তে তেওঁ সৰ্বাধিক ব্যক্তিগত স্বাধীনতা প্ৰদানৰ পক্ষত আছিল। কিন্তু মেকিয়াভেলিৰ ক্ষেত্ৰত এনে নহয়। কাৰণ মেকিয়াভেলিয়ে বিশ্বাস কৰিছিল যে ব্যক্তিগত স্বাধীনতা হ'ল ৰাষ্ট্ৰৰ অনুমতিৰ ওপৰত নিৰ্ভৰশীল। কোনো ব্যক্তিয়ে অধিকাৰ হিচাপে ৰাষ্ট্ৰৰ পৰা কোনো স্বাধীনতা দাবী কৰিব নোৱাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কৌটিল্যই 'স্বামী'ক কেনেদৰে বৰ্ণনা কৰিছিল।

প্ৰশ্ন নং ২ ঃ কৌটিল্যই আগবঢ়োৱাৰ দৰে 'বল'ৰ ওপৰত এটা টোকা লিখক।

প্ৰশ্ন নং ৩ ঃ কৌটিল্যই লিখা গ্ৰন্থখনৰ নাম লিখক।

প্ৰশ্ন নং ৪ ঃ এজন মন্ত্ৰীৰ থাকিবলগীয়া গুণবোৰ কি কি?



২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মৌৰ্য সকলৰ ৰাষ্ট্ৰনীতি সম্পৰ্কে অধিক ভাগ জ্ঞান আমি কৌটিল্যৰ দ্বাৰা লিখিত 'অৰ্থশাস্ত্ৰ'ৰ পৰা লাভ কৰিব পাৰো। ই খৃষ্টপূৰ্ব চতুৰ্থ শতিকাৰ শেষৰ ফালে লিখা হৈছিল। ইয়াক ১৯০৫ চনত পুনৰ আৱিষ্কাৰ কৰা হৈছিল। ইতিহাসবিদসকলে কৌটিল্যক মৌৰ্য

সম্রাটৰ প্রধানমন্ত্রী আৰু অর্থনীতিবিদ বুলি বর্ণনা কৰিছে। বেছিভাগেই একমত যে তেওঁৰ কর্মৰাজিৰ দ্বাৰা সেই সময়ৰ পর্য্যাপ্ত বর্ণনা পাব পাৰি। অর্থশাস্ত্রক দেশ এখন কেনেদৰে শাসন কৰিব লাগে তাৰ এক ব্যৱহাৰিক পুথি হিচাপেও ব্যৱহাৰ কৰিব পাৰি। কৌটিল্যই ধর্মৰ গুৰুত্বৰ ওপৰত গুৰুত্ব দিছিল, যি জনসাধাৰণক অৰাজনৈতিক কৰাৰ ক্ষেত্রত গুৰুত্বপূর্ণ শক্তি হিচাপে কাম কৰে, যাৰফলত বিদ্রোহৰ আশংকা হ্রাস পায়।

- পুনৰ কৌটিল্যই বল প্রয়োগৰ দ্বাৰা স্পষ্ট আৰু ন্যায় সংগত আইনৰ কার্য্যকৰী কৰাৰ ওপৰত গুৰুত্ব দিছিল যিটো আমি হবছৰ লিখনিটো দেখা পাওঁ। যিয়ে আভ্যন্তৰীণ অৰাজকতা আৰু সংঘাতৰ বিপদাশংকাৰ বিষয়ে সতর্ক কৰি দিছিল। নীতি নির্ধাৰণৰ ক্ষেত্রত কৌটিল্যৰ 'মণ্ডল তত্ত্ব'ই গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।
- কৌটিল্যই প্রশাসনৰ বাবে পর্যাপ্ত ধনৰ উপলব্ধ থকাটোৰ ওপৰত গুৰুত্ব দিছিল। সামগ্রিকভাবে এইটো ক'ব পাৰি যে কৌটিল্যই যিবোৰ ধাৰণা আগবঢ়াইছিল সেইবোৰ পিছলৈ পশ্চিমীয়া লিখনিত দেখা পোৱা গৈছিল। যদিও কৌটিল্যই থুচিডিডিছৰ কিছুসময় পাছত অর্থশাস্ত্র লিখিছিল, তেওঁ মেকিয়াভেলি আৰু হবছৰ বহু আগতে এনে ধৰণৰ চিন্তা কৰিছিল।



২.৮ অধিক জানিবলৈ

১) "Kautiliya Arthasastra" (2008) : Publication Board Assam, Guwahati

২) Kautiliya's Arthasastra : J.F. Fleet & R Shamasastri.



২.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ কৌটিল্যৰ মতে স্বামী বা ৰজা ৰাজ্যখনৰ এক অপৰিহার্য্য, অবিচ্ছেদ্য আৰু অনুপ্রেৰণামূলক অংশ। ৰজা সম্ভ্রান্ত আৰু ৰাজকীয় পৰিয়ালৰ আছিল যাৰ "মূৰ আৰু হৃদয়' (Head and heart) দুয়োটা গুণ আছিল। ৰজাই আনৰ ওপৰত আস্থা অর্জন কৰিবলৈ সক্ষম হ'ব লাগিব। তেওঁ সহজসাধ্য, সত্যবাদী আৰু পথপ্রদর্শক হব লাগিব। তেওঁৰ তীক্ষ্ণ বুদ্ধি থাকিব লাগিব। সাহসী হব লাগিব, দ্রুত হ'ব লাগিব আৰু শক্তিশালী হ'ব লাগিব। কৌটিল্যৰ মতে, স্বামী এজন ব্যক্তি বা কেইবাজনো ব্যক্তিৰ সমষ্টি হ'ব পাৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ বল বা দণ্ডই ৰাজ্যখনক আক্রমণৰ পৰা ৰক্ষা কৰিবলৈ আৰু ৰাজ্যখনৰ ভিতৰত আইন শৃংখলা ৰজাই ৰাখিবলৈ থকা সশস্ত্র বাহিনীক বুজাই। কৌটিল্যই সৈন্যবাহিনীক ছয়টা শ্রেণীত বিভক্ত কৰে অর্থাৎ

১। বংশগত সেনাবাহিনী
২। ভাড়া কৰা
৩। যুদ্ধ নিগমৰ সৈনিক
৪। মিত্র শক্তিৰ সৈন্য
৫। শত্রুৰ সৈন্য
৬। জনজাতীয় সৈনিক

সামৰিক বাহিনীত অশ্বাৰোহী বাহিনী, পদাতিক বাহিনী আৰু ৰথাৰোহী থাকে। তেওঁ ক্ষত্রিয়সকলক সেনাৰ বাবে উৎকৃষ্ট বুলি গণ্য কৰিছিল কিয়নো তেওঁলোক ভাল যোদ্ধা। কেৱল ৰাজ্যত জৰুৰীকালীন অৱস্থাৰ সন্মুখীন হ'লেহে সেনাবাহিনীত যোগদান কৰাৰ বাবে তেওঁ বৈশ্য আৰু শুদ্রসকলক পছন্দ কৰে। আক্রমণৰ সময়ত সঠিক অস্ত্র-শস্ত্রৰ যোগান ধৰি সেনাবাহিনীক অধিক সক্ষম কৰি তুলিব লাগে। ৰাষ্ট্রই সেনাসকলৰ সন্তান আৰু পত্নীৰ ৰক্ষনাবেক্ষণৰ ব্যৱস্থা কৰিব লাগে। সৈনিকসকল ধৈর্য্যশীল হব লাগিব আৰু সদায় ৰজাৰ ওচৰত থাকিব লাগিব।

৩ নং প্রশ্নৰ উত্তৰ ঃ অর্থশাস্ত্র।

৪ নং প্রশ্নৰ উত্তৰ ঃ কৌটিল্যই কিছুমান বিশেষ গুণ উল্লেখ কৰিছিল যিবোৰ এজন মন্ত্রীৰ থাকিব লাগে। তেওঁৰ মতে এজন মন্ত্রী স্বভাৱগত ভাৱে এটা উচ্চ পৰিয়ালত জন্ম হোৱা উচিত। তেওঁ প্রভাৱশালী হোৱাৰ উপৰিও কলাৰ ক্ষেত্রত প্রশিক্ষণ প্রাপ্ত হব লাগিব। তেওঁৰ দূৰদৃষ্টি থাকিব লাগে। তেওঁ জ্ঞানী, সাহসী, বাকপটু, দক্ষ, বুদ্ধিমান, সঠিক আত্মমর্যদা সম্পন্ন, দ্বিধা আৰু চঞ্চল মানসিকতাৰ পৰা মুক্ত, ৰাজকীয় ভক্তি, দৃঢ় আৰু কিছুমান উৎকৃষ্ট আচৰণ সম্পন্ন হব লাগিব। ৰজাৰ ইচ্ছা অনুসৰি অন্যান্য কামৰ উপৰিও ৰাজহ, গাওঁ আৰু চহৰৰ উন্নয়ন প্রতিৰক্ষা সম্পর্কীয় বিষয়ত ৰজাক পৰামর্শ দিয়াটো মন্ত্রীৰ দায়িত্ব।



২.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ কৌটিল্যৰ ৰাজনৈতিক ধাৰণাসমূহ আলোচনা কৰক।

প্রশ্ন ২ ঃ ভাৰতীয় ৰাজনৈতিক চিন্তাধাৰাৰ বিকাশত কৌটিল্যৰ অৱদানসমূহ সমালোচনাত্মক ভাবে আলোচনা কৰক।

প্রশ্ন ৩ ঃ কৌটিল্যৰ মতে এজন ৰজাৰ গুণ আৰু কর্তব্যসমূহ ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ কৌটিল্য আৰু মেকিয়াভেলিৰ মাজত তুলনামূলক আলোচনা আগবঢ়াওক।

প্রশ্ন ৫ ঃ কৌটিল্যৰ সপ্তাংগ তত্ত্বটোৰ বর্ণনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ ৰাজা ৰামমোহন ৰায়

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ ৰাজা ৰামমোহন ৰায়ৰ ৰাজনৈতিক ধাৰণা

৩.৩.১ ব্যক্তিত্ব আৰু ৰাজনৈতিক স্বাধীনতাৰ সুত্ৰ

৩.৩.২ শৈক্ষিক, অর্থনৈতিক আৰু ৰাজনৈতিক বিষয়সমূহৰ ওপৰত ৰায়ৰ ধাৰণা

৩.৩.৩ প্রগতিশীল আৰু উদাৰনৈতিক চিন্তাবিদ হিচাপে ৰামমোহন ৰায়

৩.৩.৪ আইন আৰু নৈতিকতাৰ বিষয়

৩.৩.৫ ব্রাহ্ম সমাজ

৩.৪ উপসংহাৰ

৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৬ অধিক জানিবলৈ

৩. অগ্রগতিৰ খতিয়ান

৩.৮ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ৰাজা ৰামমোহন ৰায়ৰ ৰাজনৈতিক ধাৰণাসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- শৈক্ষিক ধাৰণাসমূহৰ বিৱৰণ আগবঢ়াব পাৰিব।
- ৰাজা ৰামমোহন ৰায়ে আগবঢ়াই যোৱা অর্থনৈতিক ধাৰণাসমূহৰ বিশ্লেষণ কৰিব পাৰিব।

৩.২ পৰিচয়

ৰাজা ৰামমোহন ৰায়ে ১৭৭২ চনত জন্মগ্রহণ কৰিছিল। তেওঁ হেগেলৰ সমসাময়িক আছিল। ভাৰতীয় ইতিহাসত তেওঁ আধুনিক যুগৰ এগৰাকী আইন প্রণেতা হিচাপে জনাজাত। ৰায়ে পাটনাত পার্চী আৰু আৰবি ভাষা অধ্যয়ন কৰিছিল। তেওঁৰ ইছলামিক আধ্যাত্মিকতা আৰু সমাজতত্বৰ অধ্যয়নেতেওঁক কিছুমান হিন্দু ধর্মীয় আচাৰ-আচৰণৰ প্রতি সমালোচনামূলক কৰি তুলিছিল। তেওঁ বেনাৰসত সংস্কৃতৰ প্রাচীন ধর্মশাস্ত্রসমূহ অধ্যয়ন কৰিছিল। তেওঁ সমালোচনাত্মক দৃষ্টিভংগীৰ লোক আছিল ও গভীৰবুদ্ধিমত্ত্ব হোৱাৰ লগতে আছিল ধর্মীয় বিশ্বকোষবিদ। প্রকৃততে বংগৰ নৱজাগৰণ সৃষ্টিশীল হোৱাৰ লগতে এক জটিল আন্দোলন আছিল আৰু ইয়াত ৰাজাৰামমোহন ৰায়, ঈশ্বৰ চন্দ্র গুপ্ত, দেৱেন্দ্রনাথ ঠাকুৰ, ৰামকৃষ্ণ পৰমহংস, বিবেকানন্দ, ৰৱীন্দ্র

নাথ ঠাকুৰ, বংকিমচন্দ্ৰ চেটাৰ্জী আদি কেইবাজনো ব্যক্তিয়ে অংশগ্ৰহণ কৰিছিল। কিন্তু ৰামমোহন ৰায় আছিল বংগৰ নৱজাগৰণৰ পুৰোধা ব্যক্তি আৰু এজন সামাজিক আৰু ধৰ্মীয় নেতা হিচাপে তেওঁ সেই সময়ৰ এক অসাধাৰণ ব্যক্তিত্ব সম্পন্ন ব্যক্তি আছিল। ১৮১৬ চনত তেওঁ 'আত্মীয় সভা' নামেৰে এক আধ্যাত্মিক সমাজ আৰম্ভ কৰিছিল। ১৮১৮ চনত তেওঁ 'সতী দাহ' প্ৰথাৰ বিলুপ্তিৰ বাবে সুদৃঢ় আন্দোলন আৰম্ভ কৰে যাৰ ফলস্বৰূপে ভাৰতৰ সেই সময়ৰ ব্ৰিটিছ গৱৰ্ণৰ জেনেৰেল উইলিয়াম বেণ্টিংকে সতীদাহ প্ৰথাক বেআইনী ঘোষণা কৰিছিল। ১৮২৭ চনত (British India Unitarian Association) গঠন হৈছিল। ১৮২৮ চনৰ ২০ আগষ্টত ৰাজা ৰামমোহন ৰায়ে ব্ৰাহ্ম সমাজ বা নিৰপেক্ষ মণ্ডলী প্ৰতিষ্ঠা কৰে যাৰ গুৰুত্ব আছিল অপৰিসীম। এই ব্ৰাহ্ম সমাজৰ প্ৰতিষ্ঠাৰ দ্বাৰা তেওঁ সমাজখনৰ উন্নতি সাধন কৰিবলৈ যত্ন কৰিছিল।

ৰায়ে সামাজিক কুসংস্কাৰসমূহক তীব্ৰ সমালোচনা কৰি নিজকে ৰক্ষণশীলতাৰ পৰা নিলগাইছিল। তেওঁ নৈতিক ভোগবিলাসিতাৰ নীতিক অস্বীকাৰ কৰি নৈতিক প্ৰতিষ্ঠানবাদক সমৰ্থন কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ৰাজা ৰামমোহন ৰায়ৰ জন্ম কেতিয়া হৈছিল?

প্ৰশ্ন নং ২ ঃ বাংলা ভাষাত লিখা তেওঁৰ .....গদ্য সৃষ্টি সমূহৰ ভিতৰত শ্ৰেষ্ঠ। (খালী ঠাই পুৰ কৰা)

প্ৰশ্ন নং ৩ ঃ ১৮১৮ চনত তেওঁ সতীদাহ প্ৰথাৰ বিৰুদ্ধে আন্দোলন আৰম্ভ কৰিছিল। (শুদ্ধ/অশুদ্ধ)

.....

৩.৩ ৰাজা ৰামমোহন ৰায়ৰ ৰাজনৈতিক ধাৰণাসমূহ

৩.৩.১ ৰাজনৈতিক আৰু ব্যক্তিগত স্বাধীনতাৰ তত্ত্ব

ৰামমোহন ৰায়ে প্ৰাকৃতিক অধিকাৰৰ অপৰিৱৰ্তনীয় পবিত্ৰতাক গ্ৰহণ কৰিছিল। ৰাজা ৰামমোহন ৰায়ৰ বাবে খ্যাতি কঢ়িয়াই অনা আটাইতকৈ গুৰুত্বপূৰ্ণ পৰিঘটনাটো আছিল ১৮২৮ চনত ব্ৰহ্মা সমাজৰ প্ৰতিষ্ঠা। একতাবাদী সংঘ (Unitarian Association)ৰ বিফলতাৰ পাছত ৰামমোহন ৰায়ৰ অনুগামীসকলে নিৰাকাৰ, এক আৰু অদ্বিতীয় পৰমেশ্বৰৰ উপাসনাৰ অনুষ্ঠান এটা স্থাপনৰ জৰুৰী প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। যাৰ ফলস্বৰূপে ১৮২৮ চনৰ ২০ আগষ্ট তাৰিখে ব্ৰহ্মা সমাজ যাক পিছলৈ বহ্মা সমাজ নামেৰে জনা গৈছিল। সকলো ধৰ্মৰ উপাসকসকলে এই সভাক নিজৰ অনুষ্ঠানৰ দৰে ব্যৱহাৰ কৰাটো তেওঁ বিচাৰিছিল। তেওঁ সকলো ধৰ্মীয় সম্প্ৰদায়ৰ ব্যক্তিৰ মিলনস্থলীৰূপে ইয়াক ব্যৱহাৰ হোৱাটো আশা কৰিছিল। তেওঁ নিজকে সৰ্বধৰ্ম

সমন্বয় বা Universal religionৰ সমর্থক বুলি ঘোষণা কৰিছিল। সেয়েহে ব্রাহ্ম সমাজৰ দর্শনে ভাৰতীয় চিন্তাত চুড়ান্ত প্রভাব পেলাবলৈ সক্ষম হৈছিল।

৩.৩.২ ৰাজা ৰামমোহন ৰায়ৰ শৈক্ষিক, অর্থনৈতিক আৰু ৰাজনৈতিক বিষয়ৰ ওপৰত ধাৰণা

ৰামমোহন ৰায় কেৱল ভাৰতৰ ধর্মসংস্কাৰৰ পথ প্রদর্শকেই নাছিল তেওঁ প্রথম ভাৰতৰ সামাজিক পুনর্গঠনৰ প্রথম পোষকতা কৰিছিল। তেওঁ আধুনিক ভাৰতৰ সকলো প্রগতিশীল আন্দোলনৰ পিতৃ হিচাপে পৰিচিত আছিল। তেওঁ ভাৰতৰ শিক্ষা ব্যৱস্থাৰ ক্ষেত্রতো মহৎ সেৱা আগবঢ়াইছিল। তেওঁ উপলব্ধি কৰিছিল যে সেই সময়ত প্রচলিত ভাৰতীয় শিক্ষাৰ আমূল সংস্কাৰ অবিহনে জাতিটোক শতিকাজোৰা টোপনিৰ পৰা জগাই তোলা সম্ভৱ নহ'ব। ৰামমোহন ৰায় ভাৰতত বিজ্ঞান শিক্ষাৰ প্রসাৰৰ বাবে অতি আগ্রহী আছিল যিয়ে অন্ধবিশ্বাস আৰু অজ্ঞানতাক আতৰাই জ্ঞানলাভৰ নতুন পোহৰৰ পথ মুকলি কৰিব। ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনৰ অধীনত থকা ভাৰতীয় সকলৰ অর্থনৈতিক দুর্দশা দেখি তেওঁ বৰ দুখ অনুভৱ কৰিছিল। তেওঁ আঙুলিয়াই দিছিল যে ১৭৯৩ চনৰ স্থায়ী বন্দবস্তী (Permanent settlement)ত জমিদাৰ সকল বেছি লাভান্বিত হৈছিল। দুখীয়া কৃষক সকলৰ অৱস্থা একেবাৰেই ভাল নাছিল। মাটিৰ ভাড়া অতিশয় বেছি আছিল আৰু খেতিয়ক সকলৰ বাবে প্রায়েই কোনো উদ্ধৃত্ব বাকী ৰোৱা নাছিল। ৰামমোহন ৰায়ে সেয়ে কেৱল অতিৰিক্ত ভাৰা নির্দ্ধাৰণ বাৰণ কৰাই নাছিল তেওঁ ভাৰা সমূহ হ্রাস কৰাৰো দাবী জনাইছিল। তেওঁ পৰামর্শ দিছিল বিলাসী দ্রব্যৰ ওপৰত কৰ আৰোপ কৰি চৰকাৰৰ আয় বৃদ্ধি কৰিবলৈ আৰু লগতে যুক্তি দিছিল যে অত্যাধিক দৰমহা দি নিযুক্ত কৰা ইউৰোপীয়ান কালেক্টৰসকলৰ ঠাইত ভাৰতীয় কালেক্টৰ নিযুক্তি দিব লাগে। তেওঁ ইষ্ট ইণ্ডিয়া কোম্পানীৰ কর্মচাৰীৰ দ্বাৰা নিমখৰ ব্যৱসায়ৰ একচেটিয়া নিয়ন্ত্রণৰো প্রতিবাদ কৰিছিল। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতীয় ধন-সম্পত্তি নিৰন্তৰ শোষণ কৰি আছিল, আৰু ৰামমোহন ৰায়ে ভাৰতৰ পৰা কিমান ধন প্রকৃততে শোষণ কৰা হৈছে তাৰ হিচাপ উলিয়াবলৈ চেষ্টা কৰিছিল।

গান্ধী আৰু নেহৰুৰ নেতৃত্বত গঢ়ি উঠা ভাৰতীয় জাতীয় কংগ্রেছে ভাৰতীয় জনসাধাৰণৰ ওপৰত বৃটিছশাসক সকলৰ অর্থনৈতিক শোষণৰ তীব্র বিৰোধিতা কৰিছিল। ৰামমোহন ৰায়ে প্রথমে জনসাধাৰণৰ অধিকাৰ আৰু বিশেষাধিকাৰৰ কথা কৈছিল আৰু শাসকীয় শক্তি হিচাপে ব্রিটিছ চৰকাৰে নিজৰ দায়িত্ব আৰু কর্তব্যসমূহ পালন কৰাৰ প্রয়োজনীয়তাৰ বিষয়ে দাবী কৰিছিল। নাগৰিক অধিকাৰ ৰক্ষাৰ বাবে ভাৰতৰ জনসাধাৰণৰ প্রথম স্থিতি আছিল, যেতিয়া ৰাজা ৰামমোহন ৰায়ে নিজৰ নামত আৰু তেওঁৰ পাঁচজন বন্ধুৰ নামত ১৮২৩ চনৰ ৩১ মার্চত কলিকতাৰ উচ্চতম ন্যায়ালয়ত স্মাৰক পত্র দাখিল কৰিছিল। এই স্মাৰক তেতিয়াৰ গবর্ণৰ জেনেৰেল জন এডাম ডাঙৰীয়াৰ অধ্যাদেশৰ বিৰুদ্ধে আছিল, যিয়ে নির্দেশনা দিছিল যে এতিয়াৰ পৰা কোনেও

প্ৰথমে গবর্ণৰ জেনেৰেল ইন কাউন্সিলৰ পৰা অনুজ্ঞা পত্ৰ নোলোৱাকৈ কাকত বা অন্যান্য সাময়িকী প্ৰকাশ কৰিব নোৱাৰিব। আবেদনখন অৱশ্যে উচ্চতম ন্যায়ালয়ে নাকচ কৰিছিল আৰু প্ৰতিবাদ হিচাপে ৰামমোহন ৰায়ে তেওঁৰ পাৰ্চী ভাষাৰ সাপ্তাহিকী 'মিৰাট উল আকবৰ'ৰ প্ৰকাশ বন্ধ কৰিছিল।

১৮২৭ চনত আকৌ ৰামমোহন ৰায়ে পুনৰ চৰকাৰৰ অবৈধ নীতিৰ বিৰুদ্ধে উত্তেজিত প্ৰতিবাদ সাব্যস্ত কৰে। ১৮২৬ চনৰ ৫ মে'ত ব্ৰিটিছ সংসদে ভাৰতীয় জুৰী বিল (Jury Bill) গৃহীত কৰাৰ ফলত এই সুযোগ লাভ কৰে।

ৰয় আছিল স্বাধীনতা আৰু গণতান্ত্ৰিক অধিকাৰৰ দৃঢ় সমর্থক যিয়ে সংসদীয় গণতন্ত্ৰত বিশ্বাস কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে সংস্কাৰক আৰু সংস্কাৰ বিৰোধী সকলৰ মাজত হোৱা দ্বন্দ মূলতঃ গোটেই বিশ্বতে স্বাধীনতা আৰু স্বৈৰতন্ত্ৰ, ন্যায় আৰু অন্যায়, ভুল-শুদ্ধৰ মাজত চলা দ্বন্দৰ বাহিৰে আন একো নহয়। কিন্তু আমি স্পষ্টভাৱে অনুভৱ কৰো যে উদাৰবাদী নীতিসমূহ ৰাজনীতি আৰু ধর্মত বহু আগৰ পৰাই লাহে-লাহে বিস্তৃত হৈ আহিছে। স্বৈৰাচাৰী আৰু সংকীর্ণমনা ব্যক্তিসকলৰ প্ৰতিবাদ আৰু জেদৰ স্বত্ত্বেও, এই উদাৰ নীতিসমূহ প্ৰসাৰিত হৈ গৈ আছে। ৰায়ে কেৱল ভাৰতৰ নহয়, বৰঞ্চ সমগ্ৰ বিশ্বৰ স্বাধীনতা আৰু গণতান্ত্ৰিক অধিকাৰৰ সংগ্ৰামৰ পক্ষত অৱস্থান গ্ৰহণ কৰিছিল। তেওঁ আয়াৰলেণ্ডৰ বৃটিছ শাসনৰ বিৰুদ্ধেও তেওঁৰ 'মিৰাট-উল-আকবৰ'ত প্ৰতিবাদ কৰি লিখিছিল। তেওঁ স্বাধীনতাক মান্যতা দিছিল আৰু এই স্বাধীনতাৰ প্ৰতি থকা তেওঁৰ প্ৰেমে সমগ্ৰ মানৱ জাতিকে সুগন্ধিত কৰিছিল।

৩.৩.৩ এজন প্ৰগতিশীল আৰু উদাৰ চিন্তাবিদ হিচাপে ৰায়

ৰামমোহন ৰায় আছিল এজন প্ৰগতিশীল আৰু উদাৰ চিন্তাবিদ। স্বাধীনতা আৰু সমতাৰ আদর্শ তেওঁৰ চিন্তাধাৰাৰ অন্যতম বৈশিষ্ট্য হ'লেও তেওঁ সম্পত্তিৰ অধিকাৰক সন্মান কৰিছিল আৰু চুক্তিৰ স্বাধীনতাক বিশ্বাস কৰিছিল। তেওঁ সমাজত চলি থকা বিভিন্ন কু-প্ৰথাক দমন কৰাত ৰাষ্ট্ৰৰ হস্তক্ষেপৰ বাবে অনুৰোধ জনায় আৰু কৃষকসকলক জমিদাৰৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰাটো ৰাষ্ট্ৰৰ কর্তব্য বুলি ধৰি লৈছিল, তথাপিও তেওঁ Laissez faire তত্বৰ বিশ্বাসী নহয়। তেওঁ সমাজবাদীও নাছিল কাৰণ তেওঁৰ মতে ৰাষ্ট্ৰই সম্পত্তিৰ বর্তমানৰ অধিকাৰসমূহ সুৰক্ষিত কৰিব লাগে। তেওঁ শক্তিশালী মধ্যবিত্ত শ্ৰেণীৰ পক্ষতো আছিল।

৩.৩.৪ আইন আৰু নৈতিকতাৰ বিষয়

ৰামমোহন ৰায়ৰ লেখাৰ বিষয়সমূহ আছিল ভিন্ন প্ৰকৃতিৰ। তেওঁৰ মতামতসমূহে আনকি ৰীতি-নীতি, আইন আৰু নৈতিকতাৰ দৰে বিষয়কো সামৰি লৈছিল। তেওঁ হিন্দু উত্তৰাধিকাৰ আইন অনুসৰি নাৰীৰ প্ৰাচীন অধিকাৰৰ আধুনিক

বেদখল আৰু বংগৰ আইন অনুসৰি পূৰ্বপুৰুষৰ সম্পত্তিৰ ওপৰত হিন্দুৰ অধিকাৰৰ ওপৰত গৱেষণা পত্ৰ লিখে। পূৰ্বপুৰুষৰ সম্পত্তিৰ ওপৰত হিন্দুৰ অধিকাৰৰ ওপৰত লিখা গৱেষণা পত্ৰখনত ৰামমোহন ৰায়ে আইন আৰু নৈতিকতাৰ ক্ষেত্ৰসমূহৰ মাজত এক ব্যাপক পাৰ্থক্য ৰাখিছিল। তেওঁ প্ৰশ্ন কৰিছিল— 'সেইবোৰ অনৈতিক অধিকাৰ যিবোৰ অবৈধ বুলি ঘোষণা কৰিব নোৱাৰি আৰু সেইবোৰ অধিকাৰ যিবোৰ আইনৰ দৃষ্টিত অবৈধ বুলি ঘোষণা কৰিব লাগে— এই দুটাৰ মাজত কেনেকৈ পাৰ্থক্য কৰিম। (The Rights of Hindus over Ancestral property according to the law of Bengal, পৃ. ১৪৫) আৰু উত্তৰ দিছিল এনেদৰে— 'এই প্ৰশ্নৰ সমাধান কৰিবলৈ, তেওঁ প্ৰতিখন দেশৰ সাধাৰণ আইন আৰু প্ৰচলিত নীতি-নিয়মৰ ওচৰত আশ্ৰয় ল'ব লাগিব, যিয়ে এই দুই শ্ৰেণীৰ মাজত স্বীকৃত পাৰ্থক্য সৃষ্টি কৰে।'

৩.৩.৫ ব্ৰাহ্ম সমাজ

১৮২৮ চনত ৰাজা ৰামমোহন ৰায়ে ব্ৰাহ্ম সমাজ প্ৰতিষ্ঠা কৰিছিল। ৰামমোহন ৰায়ৰ খ্যাতি কঢ়িয়াই অনা এইটো এটা গুৰুত্বপূৰ্ণ অনুষ্ঠান। ইয়াৰ আগতে ১৮২৮ চনৰ ২০ আগষ্টত প্ৰতিষ্ঠিত হোৱাৰ সময়ত ইয়াক ব্ৰাহ্ম সভা বুলি জনা গৈছিল। ৰয়ে আশা কৰিছিল যে এই অনুষ্ঠানটো এক ঈশ্বৰত বিশ্বাস কৰা সকলো ধৰ্মৰ লোকৰ সভাস্থলী হওক। ৰামমোহন ৰায়ে এক পৰম শক্তিক বিশ্বাস কৰিছিল যি নিৰাকাৰ, চিৰন্তন অপৰিৱৰ্ত্তনীয় আৰু অপ্ৰাপ্য। তেওঁ নিজকে সাৰ্বজনীন ধৰ্মৰ অনুগামী বুলি অভিহিত কৰিছিল। ব্ৰাহ্ম সমাজৰ এটা গুৰুত্বপূৰ্ণ দীৰ্ঘম্যাদী উদ্দেশ্য আছিল হিন্দু ধৰ্মৰ পৰিশুদ্ধতা আৰু একেশ্বৰবাদৰ প্ৰচাৰ কৰা, যি যুক্তি আৰু বেদ-উপনিষদৰ দ্বৈত স্তম্ভৰ ওপৰত ভিত্তি কৰিছিল। ব্ৰাহ্ম সমাজে অন্য ধৰ্মৰ শিক্ষাও সন্নিৱিষ্ট কৰিবলৈ যত্ন কৰিছিল আৰু মানৱ মৰ্য্যদা, মূৰ্ত্তি পূজাৰ বিৰোধিতা আৰু সতী আদি সামাজিক কু-সংস্কাৰৰ সমালোচনাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

ৰাজা ৰামমোহন ৰায়ৰ প্ৰগতিশীল চিন্তাধাৰাই ৰজা ৰাধাকান্ত দেৱৰ পৰা তীব্ৰ বিৰোধিতা লাভ কৰিছিল যিয়ে ব্ৰাহ্ম সমাজৰ প্ৰচাৰ ৰোধ কৰিবলৈ ধৰ্মসভাৰ প্ৰতিষ্ঠা কৰিছিল। ১৮৩৩ চনৰ ৰাম মোহন ৰায়ৰ মৃত্যু ব্ৰাহ্ম সমাজৰ অভিযানৰ বাবে ডাঙৰ বিপৰ্য্যয় আছিল।

এইচ চি চৰকাৰৰ মতে, ৰাজা ৰামমোহন ৰায় আছিল, 'সম্পূৰ্ণ হিন্দু বা কেৱল খ্ৰীষ্টান নহয় কিন্তু এই দুয়োটাতকৈ ডাঙৰ আৰু উন্নতমানৰ কিবা এটা । তেওঁ অতীতৰ হিন্দু ধৰ্মৰ পৰা এটা নতুন দিশলৈ পথ প্ৰদৰ্শন কৰিছিল, কেৱল খ্ৰীষ্টধৰ্মলৈ নহয়, ৰৰঞ্চ খ্ৰীষ্টধৰ্মৰ মাজেৰে এক বিশ্বজনীন আধ্যাত্মিক একেশ্বৰবাদী ধৰ্মলৈ, যিয়ে হিন্দু ধৰ্ম আৰু খ্ৰীষ্টধৰ্ম উভয়ৰে মূল্যবান আৰু প্ৰেৰণাদায়ক উপাদানসমূহ আদৰি লৈছিল। এইচ চি ই জাকাৰিয়াছৰ মতে,' ৰাজা ৰামমোহন ৰায় আৰু তেওঁৰ ব্ৰাহ্ম সমাজ হিন্দু ধৰ্ম, সমাজ অথবা ৰাজনীতিত হোৱা সকলো প্ৰধান সংস্কাৰ আন্দোলনৰ সূচনা বিন্দু আছিল, যিয়ে আধুনিক ভাৰতত গভীৰভাৱে প্ৰভাৱিত কৰিছিল।

৩.৪ উপসংহাৰ

ৰামমোহন ৰায় এজন দুৰদৰ্শী, নিষ্ঠাবান আত্মাৰ মহান ব্যক্তিত্বৰ অধিকাৰী আছিল যাৰ মানৱৰ প্ৰতি চিন্তা আৰু ঈশ্বৰৰ প্ৰতি অগাধ বিশ্বাস আছিল। তেওঁ সাহস আৰু নিষ্ঠাৰে নিজৰ মত প্ৰচাৰ কৰা ব্যক্তি। তেওঁ আধুনিক ভাৰতৰ নাৰীবাদী আছিল যিয়ে নাৰীৰ শোষণৰ বিৰোধিতা কৰিছিল আৰু উত্তৰাধিকাৰত হিন্দু নাৰীৰ অধিকাৰ বেদখলৰ বিৰুদ্ধে মাত মাতিছিল। ৰাম মোহনে শিক্ষাক সমাজ সংস্কাৰৰ মাধ্যম হিচাপে লৈছিল যাৰ বাবে তেওঁ ১৮১৫ চনত কলিকতালৈ আহিছিল আৰু ঠিক পিছৰ বছৰতে এখন ইংৰাজী মহাবিদ্যালয় আৰম্ভ কৰিছিল। তেওঁ ছাত্ৰ-ছাত্ৰীসকলে ইংৰাজী ভাষা আৰু বৈজ্ঞানিক বিষয় অধ্যয়ন কৰাটো বিচাৰিছিল আৰু কেৱল সংস্কৃত বিদ্যালয় খোলাৰ চৰকাৰৰ নীতিক সমালোচনা কৰিছিল। ৰায়ৰ মতে, গণিত, ভূগোল আৰু লেটিন আদি আধুনিক বিষয় অধ্যয়ন কৰিবলৈ নাপালে ভাৰতীয় সকল পিছ পৰি ৰ'ব। চৰকাৰে ৰামমোহনৰ এই মতবাদক মানি লৈছিল যদিও তেওঁৰ মৃত্যুৰ পিছতহে কার্যকৰী কৰিছিল। মাতৃভাষাৰ বিকাশত গুৰুত্ব দিয়া প্ৰথমজন ব্যক্তি আছিল ৰাজা ৰামমোহন ৰায়। বাংলা ভাষাত ৰচনা কৰা গৌড়ীয় ব্যাকৰণ তেওঁৰ শ্ৰেষ্ঠতম গদ্য ৰচনা। ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু বংকিমচন্দ্ৰইও ৰামোহন ৰায়ৰ পদাংক অনুসৰণ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ ৰামমোহন ৰায় আধুনিক ভাৰতৰ এজন নাৰীবাদী আছিল যিয়ে নাৰীৰ শোষণৰ বিৰোধিতা কৰিছিল। (শুদ্ধ/অশুদ্ধ)।

.....

প্ৰশ্ন নং ৫ ঃ ৰাজা ৰামমোহন ৰায়ে ..... চনত ব্ৰাহ্মসমাজ প্ৰতিষ্ঠা কৰিছিল। (খালী ঠাই পূৰণ কৰা।)

প্ৰশ্ন নং ৬ ঃ ইষ্ট ইণ্ডিয়া কোম্পানীৰ কৰ্মীসকলৰ দ্বাৰা লোন ব্যৱসায়ৰ একচেটিয়া নিয়ন্ত্ৰণৰ বিৰুদ্ধে তেওঁ যুঁজিছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৭ ঃ আইন আৰু নৈতিকতাৰ ওপৰত ৰামমোহন ৰায়ৰ দৃষ্টিভংগী সম্পৰ্কে কেইশাৰীমান লিখক। (৫০ টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ৮ ঃ ৰামমোহন ৰায়ক এজন প্ৰগতিবাদী আৰু উদাৰবাদী চিন্তাবিদ হিচাপে এটি টোকা লিখক।

.....

প্ৰশ্ন নং ৯ ঃ ৰয়ৰ ৰাজনৈতিক আৰু ব্যক্তিগত স্বাধীনতা তত্ব ব্যাখ্যা কৰক।

.....



৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাজা ৰামমোহন ৰায়ৰ জন্ম হৈছিল ১৭৭২ চনত ।
- তেওঁ হেগেলৰ সমসাময়িক আছিল।
- তেওঁ ১৮১৬ চনত আত্মীয় সভা নামৰ এখন আধ্যাত্মিক সমাজ আৰম্ভ কৰিছিল আৰু ১৮১৮ চনত তেওঁ সেই সময়ৰ ভাৰতৰ বৃটিছ গৰ্ভনৰ জেনেৰেল উইলিয়াম বেনটিঙ্কে প্ৰচলন কৰা সতীদাহ প্ৰথাৰ বিৰুদ্ধে ধৰ্মযুদ্ধ আৰম্ভ কৰিছিল।
- ৰামমোহন ৰায়ে স্বাভাৱিক অধিকাৰৰ অপৰিৱৰ্তনীয় পবিত্ৰতাক মানি লৈছিল।
- ১৮২৮ চনত প্ৰতিষ্ঠা কৰি ব্ৰাহ্মসমাজে ৰাজা ৰামমোহন ৰায়লৈ সকলোতকৈ মহৎ খ্যাতি কঢ়িয়াই আনিছিল। তেওঁ আধুনিক ভাৰতৰ সকলো প্ৰগতিশীল মুহূৰ্তৰ পিতৃ হিচাপে পৰিচিত।
- তেওঁ ইষ্ট ইণ্ডিয়া কোম্পানীৰ কৰ্মীসকলে কৰা নিমখৰ ব্যৱসায়ৰ একচেটিয়া অধিকাৰৰ বিৰুদ্ধে আইনী বিদ্ৰোহ কৰিছিল। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতৰ পৰা টকা নিস্কাষণ কৰা প্ৰক্ৰিয়াৰ বিৰুদ্ধে মাত মতা ৰাজা ৰাম মোহন ৰায় এজন প্ৰথম ব্যক্তি আছিল যিয়ে কিমান পৰিমাণৰ টকা নিস্কাষণ কৰা হৈছিল তাক অনুমান কৰিবলৈ যত্ন কৰিছিল।
- ৰায় স্বাধীনতা আৰু গণতান্ত্ৰিক অধিকাৰৰ যুঁজাৰু আছিল যিয়ে সংসদীয় গণতন্ত্ৰত বিশ্বাস কৰিছিল।
- ৰামমোহন ৰায় এজন প্ৰগতিশীল আৰু উদাৰনৈতিক চিন্তাবিদ আছিল।
- স্বাধীনতা আৰু সমতাৰ প্ৰতি তেওঁৰ আকৰ্ষণ আছিল।
- তেওঁ শক্তিশালী মধ্যবিত্ত শ্ৰেণীৰ সমৰ্থন কৰিছিল।
- ৰামমোহন ৰায়ে ভাৰতত শিক্ষাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ সেৱা আগবঢ়াইছিল।
- ৰামমোহন ৰায়ে লিখা পূৰ্বপুৰুষৰ সম্পত্তিৰ ওপৰত হিন্দুসকলৰ অধিকাৰ শীৰ্ষক গৱেষণা পত্ৰত আইন আৰু নৈতিকতাৰ ক্ষেত্ৰসমূহতৰ মাজত এক ব্যাপক পাৰ্থক্য ৰাখিছিল।
- ৰামমোহন ৰায় এজন দূৰদৃষ্টিসম্পন্ন মানুহ আছিল যিজনে মানুহৰ বাবে চিন্তা কৰিছিল আৰু ঈশ্বৰৰ ওপৰত অগাধ বিশ্বাস আৰু নিষ্ঠা আছিল।
- তেওঁ আছিল এনে এজন ব্যক্তি যিয়ে নিজৰ বিশ্বাসৰ প্ৰচাৰ সাহস আৰু নিষ্ঠাৰে কৰিছিল।
- ৰামমোহন ৰায় এজন নাৰীবাদী আছিল যিয়ে নাৰীৰ শোষণৰ বিৰোধিতা কৰিছিল আৰু উত্তৰাধিকাৰত হিন্দু নাৰীৰ অধিকাৰ বেদখলৰ বিৰুদ্ধে মাত মাতিছিল ।
- ৰামমোহন ৰায়ে শিক্ষাক সমাজ সংস্কাৰৰ আহিলা হিচাপে লৈছিল আৰু ইয়াৰ বাবে তেওঁ ১৮১৫ চনত কলিকতালৈ আহিছিল আৰু ঠিক পাছৰ বছৰতেই তেওঁ ইংৰাজী

মহাবিদ্যালয় স্থাপন কৰিছিল।

- ৰায়ে মত পোষণ কৰিছিল যে, গণিত, ভূগোল আৰু লেটিন আদি আধুনিক বিষয় অধ্যয়ন নকৰিলে ভাৰতীয় সকল পিছ পৰি থাকিব ।
- মাতৃভাষাৰ বিকাশত গুৰুত্ব দিয়া প্ৰথমজন ব্যক্তি আছিল ৰাজা ৰামমোহন ৰায় ।
- ১৮৩৩ চনত ৰামমোহন ৰায়ৰ মৃত্যু ব্ৰাহ্ম সমাজৰ পক্ষে এক ডাঙৰ বিপৰ্যয় আছিল ।



৩.৬ অধিক জানিবলৈ

১) মেহতা, ভি. আৰ. - *ফাউণ্ডেচনচ আৱ ইণ্ডিয়ান পলিটিকেল থট, মনোহৰ প্ৰকাশন, নতুন দিল্লী, ১৯৮৬*

২) বাৰ্মা, ভি. পি. - *মডাৰ্ণ ইণ্ডিয়ান পলিটিকেল থট, লক্ষ্মী নাৰায়ণ আগৰৱালা শৈক্ষিক প্ৰকাশন , আগ্ৰা ২০১৩*

৩) গুপ্তা, আৰ. চি. - *গ্ৰেট পলিটিকেল থিংকাৰচ, লক্ষ্মী নাৰায়ণ আগৰৱালা শৈক্ষিক প্ৰকাশন, আগ্ৰা ২০০৯-১০*



৩.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজা ৰামমোহন ৰায়ৰ জন্ম হৈছিল ১৭২৭ চনত।

২ নং প্ৰশ্নৰ উত্তৰ ঃ গৌড়ীয় ব্যাকৰণ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজা ৰামমোহন ৰায়ে ১৮২৮ চনত ব্ৰাহ্ম সমাজ প্ৰতিষ্ঠা কৰিছিল।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ৰামমোহন ৰায়ৰ লিখনিৰ বিষয়বস্তু বিভিন্ন প্ৰকৃতিৰ আছিল। তেওঁৰ বিষয়বস্তু সমূহত ৰীতিনীতি আইন নৈতিকতা আদি বিষয়কো সামৰি লৈছিল। তেওঁ হিন্দু উত্তৰাধিকাৰ আইন অনুসৰি নাৰীৰ প্ৰাচীন অধিকাৰৰ আধুনিক বেদখল আৰু বংগৰ আইন অনুসৰি পূৰ্বপুৰুষৰ সম্পত্তিৰ ওপৰত হিন্দুৰ অধিকাৰ বিষয়ক গৱেষণা পত্ৰ উপস্থাপন কৰিছিল। এই গৱেষণা পত্ৰত পূৰ্বপুৰুষৰ সম্পত্তিৰ ওপৰত হিন্দুৰ অধিকাৰৰ ওপৰত ৰামমোহন ৰায়ে আইন আৰু নৈতিকতাৰ ক্ষেত্ৰ সমূহৰ মাজত ব্যাপক পাৰ্থক্য দেখুৱাইছিল। তেওঁ সুধিছিল, 'যিবোৰ অনৈতিক অধিকাৰক অবৈধ বুলি গণ্য কৰা উচিত নহয় আৰু যিবোৰক আইনৰ দৃষ্টিত শূন্য বুলি গণ্য কৰা উচিত, সেইবোৰৰ মাজত আমি

কেনেকৈ পার্থক্যৰ ৰেখাডাল আঁকিম।' (The Rights of Hindus over Ancestral property according to the law of Bengal, পৃ. ১৪৫) আৰু উত্তৰ দিছিল এনেদৰে— 'এই প্ৰশ্নৰ সমাধান কৰিবলৈ, তেওঁ প্ৰতিখন দেশৰ সাধাৰণ আইন আৰু প্ৰচলিত নীতি-নিয়মৰ ওচৰত আশ্ৰয় ল'ব লাগিব, যিয়ে এই দুই শ্ৰেণীৰ মাজত স্বীকৃত পার্থক্য সৃষ্টি কৰে।'

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ৰামমোহন ৰায় এজন প্ৰগতিশীল আৰু উদাৰ চিন্তাবিদ আছিল। স্বাধীনতা আৰু সমতাৰ প্ৰতি তেওঁৰ গভীৰ আৱেগ আছিল যদিও তেওঁ সম্পত্তিৰ প্ৰতি সন্মান দেখুৱাইছিল আৰু চুক্তিৰ স্বাধীনতাত বিশ্বাস কৰিছিল। তেওঁ সমাজৰ বিভিন্ন কু-প্ৰথা সমূহ দমন কৰাত ৰাষ্ট্ৰৰ হস্তক্ষেপৰ বাবে অনুৰোধ কৰিছিল আৰু কৃষকক জমীদাৰৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰাটো ৰাষ্ট্ৰৰ কর্তব্য বুলি মানিলেও তেওঁ লাইচেজ ফেয়াৰৰ তত্বৰ বিশ্বাসী নাছিল। তেওঁ সমাজবাদীও নাছিল কাৰণ তেওঁৰ মতে, ৰাষ্ট্ৰই সম্পত্তিৰ বর্তমানৰ অধিকাৰসমূহ সুৰক্ষিত কৰিব লাগে। তেওঁ শক্তিশালী মধ্যবিত্ত শ্ৰেণীৰ পক্ষতো আছিল।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ৰামমোহন ৰায়ে প্ৰাকৃতিক অধিকাৰৰ অপৰিৱর্তিত পৰিত্রতাক মানি লৈছিল। ৰাজা ৰামমোহন ৰায়লৈ খ্যাতি কঢ়িয়াই অনা আটাইতকৈ গুৰুত্বপূর্ণ পৰিঘটনাটো আছিল ১৮২৮ চনত প্ৰতিষ্ঠা হোৱা ব্রহ্মা সমাজ। একতাবাদী সংঘৰ বিফলতাৰ পাছত ৰামমোহনৰ অনুগামীসকলে কেৱল একক আৰু একেশ্বৰবাদী পূজাৰ প্ৰতি নিবেদিত এটা প্ৰতিষ্ঠান স্থাপনৰ জৰুৰী প্ৰয়োজনীয়তাৰ ফলত ১৮২৮ চনৰ ২০ আগষ্ট তাৰিখে ব্রহ্ম সভা পৰৱর্তী সময়ত ব্রাহ্ম সমাজ নামেৰে পৰিচিত হয়। এই অনুষ্ঠানটো এক ঈশ্বৰত বিশ্বাসী সকলো ধর্মীয় ধর্মগোষ্ঠীৰ লোকসকলৰ সভাস্থলী হোৱাটো তেওঁ কামনা কৰিছিল। তেওঁ নিজকে বিশ্বজনীন ধর্মৰ অনুগামী বুলি অভিহিত কৰিছিল। ব্রহ্মা সমাজৰ দর্শনে ভাৰতীয় চিন্তাধাৰাৰ ওপৰত গুৰুত্বপূর্ণ প্ৰভাৱ পেলাই থৈ গ'ল।



৩.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ৰায়ে কেতিয়া ব্রাহ্ম সমাজ প্ৰতিষ্ঠা কৰিছিল?

প্ৰশ্ন ২ ঃ ৰাজা ৰামোহন ৰায়ে কেতিয়া ইংৰাজী মহাবিদ্যালয় স্থাপন কৰিছিল?

প্ৰশ্ন ৩ ঃ ৰায়ে আগবঢ়োৱা শৈক্ষিক ধাৰণাসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ ৰামমোহন ৰায়ৰ অর্থনৈতিক ধাৰণা পৰীক্ষা কৰক।

প্ৰশ্ন ৫ ঃ ৰামমোহন ৰায়ৰ ৰাজনৈতিক ধাৰণা সম্পর্কে আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ "ৰামমোহন ৰায় আছিল এজন প্ৰগতিশীল আৰু উদাৰ চিন্তাবিদ। স্বাধীনতা আৰু সমতাৰ প্ৰতি তেওঁৰ গভীৰ আবেগ আছিল।" আলোচনা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ জ্যোতিবা ফুলে (১৮২৭-১৮৯০ চন)

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ ঔপনিৱেশিক চৰকাৰৰ প্ৰতি মনোভাৱ
৪.৪ ভাৰতীয় সামাজিক শৃংখলা- এক সমালোচনা
৪.৪.১ বৰ্ণ আৰু জাতি ব্যৱস্থা
৪.৪.২ পুৰুষ আৰু মহিলাৰ মাজৰ সমতা
৪.৫ ধৰ্ম বিষয়ক দৃষ্টিভংগী
৪.৬ ভাৰতীয় অৰ্থনীতি
৪.৬.১ কৃষিকেন্দ্ৰিক সমস্যাৰ সমাধান
৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৮ অধিক জানিবলৈ
৪.৯ অগ্ৰগতিৰ খতিয়ান
৪.১০ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- আধুনিক ভাৰতত হোৱা ৰাজনৈতিক চিন্তাৰ বিকাশত জ্যোতিবা ফুলেয়ে আগবঢ়াই যোৱা অৱদান আলোচনা কৰিব পাৰিব।
- জ্যোতিবা ফুলেৰ চিন্তা-চৰ্চাৰ প্ৰকৃতি আৰু চিন্তাধাৰাৰ ক্ৰমবিকাশ আলোচনা কৰিব পাৰিব।
- ঔপনিৱেশিকতাৰ প্ৰতি ফুলেয়ে প্ৰদৰ্শন কৰা সঁহাৰি ব্যাখ্যা কৰিব পাৰিব।
- ধৰ্ম আৰু ভাৰতীয় অৰ্থনীতি সম্পৰ্কে ফুলেৰ দৃষ্টিভংগী বিশ্লেষণ কৰিব পাৰিব।

৪.২ পৰিচয়

১৮২৭ চনৰ ১১ এপ্ৰিলত পুনেৰ এটা মালী পৰিয়ালত জ্যোতিৰাও গোবিন্দৰাও ফুলেৰ জন্ম হৈছিল। তেওঁ পুনেতেই মাৰাঠী মাধ্যমৰ বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিছিল। সমাজত নিম্ন জাতিৰ বুলি পৰিচিত সম্প্ৰদায়বোৰৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ প্ৰতি আগ্ৰহী হৈ পৰা ফুলেয়ে ১৮৪৮ চনৰ পৰা সমাজ সংস্কাৰক হিচাপে সমাজ সেৱাত জড়িত হৈ পৰিছিল। প্ৰথমে তেওঁ নিম্ন জাতি আৰু অস্পৃশ্য সম্প্ৰদায়ৰ পৰিয়ালৰ ছোৱালীৰ বাবে এখন বিদ্যালয় স্থাপন কৰিছিল। বিদ্যালয়ত পঢ়ুৱাবলৈ মহিলা শিক্ষয়িত্ৰী নোপোৱা বাবে ফুলেই তেওঁৰ পত্নী সাৱিত্ৰীবাঈক এই

দায়িত্ব অর্পণ কৰিছিল। ১৮৫১ চনলৈ তেওঁ আৰু দুখন বালিকা বিদ্যালয় স্থাপন কৰিছিল। ১৮৫২ চনত ফুলেই অস্পৃশ্য সম্প্রদায়ৰ লোকৰ বাবে এখন নৈশ বিদ্যালয় মুকলি কৰিছিল। এগৰাকী সমাজ সংস্কাৰক হিচাপে ১৮৫৮ চনৰ পৰা তেওঁ বিধৱাৰ পুনর্বিবাহ আন্দোলনলৈ মুকলি সমর্থন আগবঢ়াইছিল। ১৮৬০ চনৰ পৰা ১৮৬৩ চনৰ ভিতৰত তেওঁ ভ্রূণহত্যা ৰোধ কৰিবলৈ এটা সহায় গৃহ স্থাপন কৰিছিল। ফুলেই স্থাপন কৰি যোৱা সত্য সোধক সমাজ নামৰ অনুষ্ঠানটোৱে এতিয়াও বিভিন্ন সামাজিক সমস্যা সমাধানৰ হকে কাম কৰি আছে। বর্ণ আৰু জাতিৰ আধাৰত গঠিত হিন্দু সামাজিক শৃংখলাটোৰ বিৰুদ্ধে নিম্ন শ্রেণীৰ বুলি গণ্য কৰা জাতি-সম্প্রদায়বোৰক সংগঠিত কৰিবলৈ ফুলেই ১৮৭৩ চনত এই অনুষ্ঠানটো গঠন কৰিছিল। তেওঁ লিখা কেইখনমান বহুপঠিত ৰচনা হ'ল- ব্রাহ্মণানচে কচব (১৮৬৯), গুলামগিৰি (১৮৬৯), সার্বজনিক সত্য ধর্ম পুস্তক (১৮৯১) আদি। তেওঁ সকলো শ্রেণীৰ লোকে বুজি পোৱাকৈ অতি সৰল মাৰাঠীত লিখা-মেলা কৰিছিল। ১৮৯০ চনৰ ২৮ নৱেম্বৰত ফুলেৰ পৰলোকপ্রাপ্তি ঘটে। ঊনবিংশ শতিকাৰ দার্শনিকসকলৰ মাজত আসন লাভ কৰা ফুলেৰ আগ্রহৰ বিষয়বোৰ আছিল নীতিশাস্ত্র, ধর্ম আৰু মানৱতাবাদ।

৪.৩ ঔপনিৱেশিক চৰকাৰৰ প্রতি মনোভাৱ

জ্যোতিবা ফুলেই সামাজিক কাম-কাজত সক্রিয় হৈ পৰাৰ সময়ত ভাৰতত বৃটিছ শাসন তুংগত আছিল। বৃটিছৰ শাসনে মহাৰাষ্ট্রত শেষৰগৰাকী পেছৱা শাসকৰ স্বৈৰাছাৰ আৰু একনায়কত্ববাদৰ অৱসান ঘটাইছিল। ব্রাহ্মণ সম্প্রদায়ৰ পেছৱাসকলে ৰাজ্যখনৰ নিম্ন জাতিৰ লোক আৰু মহিলাসকলৰ শিক্ষা, বৃত্তি তথা জীৱন যাপনৰ মান কঠোৰভাৱে সীমাৱদ্ধ কৰিছিল। পৰৱর্তী সময়ৰ শাসকসকলে সমাজৰ সকলো শ্রেণীৰ লোককে সমানে শিক্ষা লাভ আৰু বৃত্তি সলনি কৰাৰ সুযোগ দিছিল। মিছনেৰী বিদ্যালয় আৰু চৰকাৰী মহাবিদ্যালয়বোৰত জাতি-ধর্ম নির্বিশেষে সকলোৱে শিক্ষা লাভ কৰিব পৰা হৈছিল। ঔপনিৱেশিক শাসকসকলে সমাজত আইন-শৃংখলা প্রতিষ্ঠা কৰাৰ লগতে আইনৰ দৃষ্টিত সকলো সমান বোলা নীতিটোও কার্যৰূপায়িত কৰিবলৈ লৈছিল। এই পৰিৱর্তিত সময়ৰ সর্বশ্রেষ্ঠ নিদর্শন হিচাপে আমি ফুলেৰ কথা উল্লেখ কৰিব পাৰোঁ। উচ্চ বর্ণৰ সমাজ সংস্কাৰক আৰু নেতাসকলেও ঔপনিৱেশিক শাসনক আদৰণি জনাইছিল। ফুলেই বিশ্বাস কৰিছিল যে সকলো মানুহৰ সমতাৰ কথা কোৱা ঔপনিৱেশিক চৰকাৰে ব্রাহ্মণসকলৰ দমন-আধিপত্যৰ পৰা নিম্ন জাতিৰ লোকসকলক উদ্ধাৰ কৰিব। বৃটিছ চৰকাৰে ভাৰতীয়সকলক প্রশাসনীয় স্তৰত নিযুক্তি লাভৰ সুযোগ আৰু স্থানীয় স্তৰত ৰাজনৈতিক ক্ষমতা দিবলৈ আৰম্ভ কৰিছিল। বৃটিছে নিম্ন জাতিৰ প্রতি দেখুওৱা এনে দয়ালু মনোভাৱে ফুলেক আশ্বস্ত কৰিছিল আৰু তেওঁ বৃটিছৰ পৰা কিছুমান সা-সুবিধা বিচাৰাৰ কাম আৰম্ভ কৰিছিল। একে সময়তে তেওঁ নিম্ন জাতিৰ লোকসকলক এই সুবিধাবোৰ গ্রহণ কৰি ব্রাহ্মণসকলৰ অত্যাচাৰৰ পৰা নিজকে মুক্ত কৰাতো বিচাৰিছিল। নতুন শাসকসকলে বঞ্চিত লোকৰ হকে ভাল কাম কৰিব বুলি ইংগিত দিছিল। তেওঁ মহিলা আৰু অস্পৃশ্যসকলক গৌণ সামাজিক মর্যাদা প্রদান কৰা

পৰম্পৰা আৰু অনুশীলনবোৰ নিষেধ কৰা আইন প্ৰস্তুত কৰিবলৈ চৰকাৰক আহ্বান জনাইছিল। ফুলেই ব্ৰাহ্মণ আমোলাতন্ত্ৰৰ স্থানত অ-ব্ৰাহ্মণ আমোলাতন্ত্ৰ সক্ৰিয় হোৱাটো বিচাৰিছিল। তেওঁৰ মতে যদি উপযুক্ত অ-ব্ৰাহ্মণ আমোলা পোৱা নাযায়, তেন্তে চৰকাৰে তেনে পদবোৰত কেৱল বৃটিছকহে নিযুক্তি দিয়া উচিত। তেওঁ ভাবিছিল যে বৃটিছ বিষয়াসকলে নিৰপেক্ষভাৱে কথাবোৰ বিচাৰ কৰি চাব আৰু প্ৰয়োজনত হয়তো নিম্ন জাতিৰ লোকৰ সপক্ষে থিয় দিব। নিম্ন জাতিৰ অনুগামীসকলক ফুলেই ৰাজনৈতিক অধিকাৰ বিচাৰি চলা আন্দোলনত ভাগ নলবলৈ পৰামৰ্শ দিছিল। তেওঁৰ যুক্তি অনুসৰি ভাৰতীয় জাতীয় কংগ্ৰেছ অথবা অন্য ৰাজনৈতিক সংগঠনবোৰ প্ৰকৃতাৰ্থত জাতীয় নহয়, কাৰণ এই দল-সংগঠনবোৰে কেৱল উচ্চ জাতিৰ প্ৰতিনিধিত্ব কৰে। তেওঁ 'সত্য শোধক সমাজ'ৰ মজিয়াত ৰাজনীতিৰ বিষয়ে আলোচনা নকৰাৰ নিয়ম বান্ধি দিছিল। তেওঁ একাধিকবাৰ বিভিন্ন প্ৰসংগত নতুন বৃটিছ চৰকাৰখনৰ প্ৰতি থকা সম্পূৰ্ণ আনুগত্য প্ৰকাশ কৰিছিল। ফুলেৰ দৃঢ় বিশ্বাস আছিল যে ঈশ্বৰে সৰ্বসাধাৰণৰ কল্যাণৰ বাবেই বৃটিছক দেশ শাসন কৰিবলৈ পঠাইছে। সেইবুলি এয়া কোৱাটো অন্যায় হ'ব যে ফুলেই ৰাজনীতিৰ তাৎপৰ্য বুজি পোৱা নাছিল। তেওঁ 'সত্য শোধক সমাজ'ৰ ছত্ৰছায়াত সমাজৰ নিম্ন জাতিৰ লোকসকলক সংগঠিত কৰিব খুজিছিল। তেওঁ ঊনবিংশ শতিকাত ৰাজনৈতিক সংস্কাৰতকৈ সামাজিক সংস্কাৰক অধিক গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰিছিল। ইয়াৰ অৰ্থ এয়া নহয় যে ফুলেই নিজৰ চিন্তাধাৰাৰে শিক্ষিত সমাজখনক বান্ধি ৰাখিছিল। শিক্ষিতসকলে এসময়ত নিজে নিজেই ৰাজনৈতিক অধিকাৰ সম্পৰ্কে সচেতন হৈ পৰিছিল।

ফুলেই যদিও ব্ৰাহ্মণসকলৰ শাসনৰ বিপৰীতে বৃটিছৰ শাসনলৈ সমৰ্থন আগবঢ়াইছিল, তথাপিও তেওঁৰ লক্ষ্য আছিল এখন সমতাবাদী সমাজ প্ৰতিষ্ঠা কৰা। এই সমাজত পুৰুষ আৰু মহিলা উভয়ে সমতা আৰু স্বাধীনতা উপভোগ কৰিব পাৰিব। কিন্তু বৃটিছ শাসকসকলে পৰৱৰ্তী সময়ত পৰোক্ষভাৱে ব্ৰাহ্মণসকলক উপকৃত কৰিব পৰা নীতি প্ৰস্তুত কৰিবলৈ লোৱাত ফুলেই বৃটিছ চৰকাৰৰ সমালোচনা কৰিছিল। তেওঁ বৃটিছসকলে গ্ৰহণ কৰা শিক্ষা নীতিক চোকা ভাষাৰে সমালোচনা কৰিছিল। তেওঁ অভিযোগ কৰিছিল যে চৰকাৰে দুখীয়া জনগণক আওকাণ কৰি ধনী শ্ৰেণীটোলৈ অধিক পুঁজি আৰু সা-সুবিধা আগবঢ়াবলৈ লৈছে। তেওঁ চৰকাৰক আঙুলিয়াই দেখুৱাইছিল যে সৰ্বসাধাৰণৰ শ্ৰমৰ পৰাই চৰকাৰে সৰ্বাধিক ৰাজহ সংগ্ৰহ কৰে। সেয়েহে চৰকাৰেও উচ্চ শ্ৰেণীৰ বাবে নকৰি সমাজৰ দুখীয়া শ্ৰেণীৰ লোকৰ শিক্ষাৰ নামতহে চৰকাৰী আয়ৰ বুজন অংশ খৰছ কৰা উচিত। উচ্চ শ্ৰেণীটোৰ অনুকূল শৈক্ষিক নীতিবোৰৰ বাবে উচ্চস্তৰীয় চৰকাৰী বিভাগবোৰত এই শ্ৰেণীটোৰ লোকৰ একাধিপত্য বাঢ়িছে বুলিও তেওঁ মত প্ৰকাশ কৰিছিল। তেওঁ চৰকাৰী প্ৰাথমিক বিদ্যালয়বোৰৰ লগতে উচ্চতৰ মাধ্যমিক আৰু মহাবিদ্যালযবোৰৰ শিক্ষাদান ব্যৱস্থাৰ সমালোচনা কৰিছিল। তেওঁৰ মতে এই শিক্ষা সন্তোষজনক নাছিল। শিক্ষাৰ্থীক এই শিক্ষাই ভৱিষ্যতে কৰ্মসংস্থাপন লাভত কোনো সহায় কৰিব নোৱাৰে বুলিও তেওঁ মত প্ৰকাশ কৰিছিল । ফুলেৰ সমালোচনাৰ সন্মুখীন হোৱা আন এটা ব্যৱস্থা আছিল জলপানি প্ৰদান। তেওঁৰ পৰ্যবেক্ষণ অনুসৰি প্ৰচলিত জলপানি ব্যৱস্থাটোৱে অপ্ৰয়োজনীয়ভাৱে শিক্ষিত

শ্রেণীটোৰ ল'ৰা-ছোৱালীক উপকৃত কৰিছিল। কিন্তু এই সুবিধাটো সমাজৰ নিম্ন শ্রেণীৰ ল'ৰা-ছোৱালীখিনিক দি তেওঁলোকক উৎসাহিত কৰাটোহে উচিত আছিল। ফুলেই পৰৱর্তী সময়ত লিখা বিভিন্ন ৰচনাত খেতিয়ক সমাজৰ প্রতিকূল নীতি গ্রহণ কৰাৰ বাবে চৰকাৰকো কঠোৰ ভাষাৰে সমালোচনা কৰিছিল। অর্থাৎ, প্রথম অৱস্থাত বৃটিছক সমর্থন কৰা ফুলেই পাছত সাধাৰণ ভাৰতীয় জনসাধাৰণৰ প্রতিকূল নীতি গ্রহণ কৰাৰ বাবে বৃটিছ চৰকাৰৰ প্রতি থকা মনোভাৰ সলনি কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কোন চনত জ্যোতিবা ফুলেই জন্মগ্রহণ কৰিছিল?

প্রশ্ন নং ২ ঃ ফুলেৰ কেইখনমান প্রসিদ্ধ ৰচনাৰ নাম লিখক।

প্রশ্ন নং ৩ ঃ সত্য শোধক সমাজ কি?

প্রশ্ন নং ৪ ঃ প্রথম অৱস্থাত বৃটিছ শাসনক সমর্থন কৰা ফুলেই পাছত কিয় এই শাসনৰ সমালোচনা কৰিছিল? (প্রায় ৫০ টা মান শব্দত উত্তৰ দিয়ক)

৪.৪ ভাৰতীয় সামাজিক শৃংখলা- এক সমালোচনা

বৃটিছ চৰকাৰক সমালোচনা কৰি ফুলেই এয়া বুজাই দিছিল যে তেওঁ সদায় ভাৰতৰ নিম্ন শ্রেণীৰ লোকসকলৰ কল্যাণৰ কথা চিন্তা কৰিছিল। তেওঁৰ মতে ব্রাহ্মণসকলৰ বাবে ভাৰতীয় সমাজত অসমতা আৰু শোষণৰ অস্তিত্ব আছে। ফুলেৰ মতে বিশ্ব-ব্রহ্মাণ্ডৰ সৃষ্টিকর্তা ঈশ্বৰে সকলো পুৰুষ আৰু নাৰীকেই মুক্তভাৱে সৃজন কৰিছে। সকলোৱেই নিজ নিজ অধিকাৰ উপভোগ কৰিব পৰাকৈ সমর্থ। সেয়েহে প্রতিগৰাকী ব্যক্তিৰে সম্পত্তিৰ অধিকাৰ আছে। ফুলেই সকলো ব্যক্তিৰ চিন্তা আৰু অভিব্যক্তি প্রকাশৰ স্বাধীনতাত বিশ্বাস কৰিছিল। অৱশ্যে এনে চিন্তা আৰু অভিব্যক্তিয়ে অইনৰ ক্ষতি কৰাতো তেওঁ বিচৰা নাছিল। ফুলেই ইয়াকো কৈছিল যে সৃষ্টিকর্তাই সকলো পুৰুষ আৰু নাৰীকেই নিজ নিজ সামর্থ অনুসৰি প্রশাসনীয় বিভাগত একো একোটা পদবী পোৱাৰ যোগ্য কৰি সৃষ্টি কৰিছে। আইনৰ চকুত পুৰুষ-নাৰী সকলো সমান। সেয়েহে, আদালতবোৰে প্রদান কৰা ৰায় সদায় নিৰপেক্ষ হ'ব লাগে। জ্যোতিবা ফুলেই বর্ণ আৰু জাতিৰ লগতে পুৰুষ আৰু নাৰীৰ মাজত থকা অসমতাৰ দৰে মৌলিক নীতিবোৰৰ ভিত্তিত ভাৰতীয় সমাজখনৰ সমালোচনা কৰিছিল।

৪.৪.১ বর্ণ আৰু জাতি ব্যৱস্থা

ভাৰতীয় সমাজখন বর্ণ ব্যৱস্থাৰ ওপৰত প্রতিষ্ঠিত। নিম্ন বর্ণৰ লোকসকলক প্রৱঞ্চনা কৰিবলৈকে যেন এই ব্যৱস্থাটো গঢ় লৈ উঠিছে। হিন্দু ধর্মগ্রন্থবোৰত এই সুযোগ

প্রদান কৰা বিভিন্ন ব্যাখ্যা আছে। জ্যোতিবা ফুলেই এই ভুল কথাবোৰৰ মুকলি আলোচনা কৰাৰ সিদ্ধান্ত লৈছিল। তেওঁৰ মতে বর্ণ আৰু জাতি ব্যৱস্থা হ'ল নিষ্ঠুৰ তথা অমানৱীয় নীতি-নিয়মৰ সংহিতা। ব্রাহ্মণসকলে নিজে নিজৰ বাবে সকলো ধর্মীয় আচাৰ-অনুষ্ঠানত প্রাধান্য পাব পৰা ব্যৱস্থা এটা গঢ়ি তুলিছিল। জাতি ব্যৱস্থা আছিল চতুৰ ব্রাহ্মণসকলৰ সৃষ্টি। ব্রহ্মণসকল আছিল সর্বোচ্চ অধিকাৰ আৰু সা-সুবিধাৰ গৰাকী। আনহাতে, শূদ্র আৰু অতিশূদ্র (অস্পৃশ্য) সকল আছিল ঘৃণা তথা নিন্দাৰ পাত্র। এইসকল লোকক আনকি নিচেই সাধাৰণ মানৱীয়তাৰ অধিকাৰৰ পৰাও বঞ্চিত কৰা হৈছিল। তেওঁলোকৰ স্পর্শ অথবা ছাঁটোকো আনকি প্রদূষণ বুলি গণ্য কৰা হৈছিল। ব্রাহ্মণসকলে ভাৰতত চলাই থকা দাসত্ব প্রথাক ফুলেই আমেৰিকাৰ দাসত্ব প্রথাৰ সৈতে তুলনা কৰিছিল। তেওঁ উদাহৰণ সহকাৰে আঙুলিয়াই দেখুৱাইছিল যে শূদ্রসকলে আমেৰিকান কৃষ্ণাংগসকলতকৈও অধিক কষ্ট আৰু দুর্দশা ভোগ কৰি আছিল। তেওঁৰ মতে আত্মকেন্দ্রিক অন্ধবিশ্বাসেৰে ভৰা এই ব্যৱস্থাটোৱেই হ'ল ভাৰতে শতিকাৰ পাছত শতিকা জুৰি ভূগি থকা স্থবিৰতাৰ মূল কাৰণ। ফুলে নিজে আছিল শূদ্র-গার্দেনাৰ জাতিৰ সন্তান। কিন্তু তেওঁ শূদ্র আৰু অতিশূদ্র দুয়োটা পক্ষক লৈয়েই চিন্তিত আছিল। তেওঁ কৈছিল যে ব্রাহ্মণসকলৰ আধিপত্যৰ বিৰুদ্ধে শূদ্র আৰু অস্পৃশ্যসকল একগোট হৈ এখন সমমর্যাদাপূর্ণ সমাজ গঠনৰ চেষ্টা কৰা উচিত। ফুলেৰ এগৰাকী প্রখ্যাত অনুগামী হ'ল বি. আৰ. আম্বেডকাৰ।

৪.৪.২ পুৰুষ আৰু মহিলাৰ মাজৰ সমতা

জ্যেতিবা ফুলেই মানৱ অধিকাৰৰ বিষয়ে আলোচনা কৰাৰ সময়ত মহিলাসকলৰ কথা বিশেষভাৱে উল্লেখ কৰিছিল। তেওঁ কৈছিল যে ব্রাহ্মণসকলে যেনেকৈ শূদ্রসকলক অজ্ঞ কৰি ৰাখি বিভিন্ন অধিকাৰৰ পৰা বঞ্চিত কৰিছে, ঠিক একেদৰে পুৰুষসকলেও সমাজত নিজ আধিপত্য অথবা পিতৃতন্ত্র অক্ষুণ্ণ ৰাখিবলৈ মহিলাসকলক শিক্ষা গ্রহণ কৰাত নিষেধাজ্ঞা আৰোপ কৰিছিল। হিন্দু ধর্মগ্রন্থবোৰেও মহিলাসকলক বিভিন্ন ক্ষেত্রত নানা বাধা-নিষেধ জাপি দিছিল। ফুলে প্রধানতঃ সেই সময়ছোৱাৰ বিবাহ ব্যৱস্থাটোক লৈ চিন্তিত আছিল। তেওঁ সেই সময়ত প্রচলিত বাল্য বিবাহ, বহুবিবাহ, মহিলাৰ পুনর্বিবাহত বাধা, দেহ ব্যৱসায়ৰ প্রতি সমাজৰ মনোভাৱ, বিধৱাসকলক কৰা অত্যাচাৰ আদিৰ দৰে প্রথা আৰু অনুশীলনক কঠোৰ ভাষাৰে সমালোচনা কৰিছিল। তেওঁ শূদ্র খেতিয়কসকলক এগৰাকীতকৈ অধিক পত্নী নাৰাখিবলৈ আৰু সন্তানৰ বাল্য বিবাহ নাপাতিবলৈ পৰামর্শ দিছিল। তেওঁ বিবাহ অনুষ্ঠানটোৰ বিষয়ে গভীৰভাৱে চিন্তা কৰিছিল আৰু সত্য শোধক সমাজৰ সদস্যসকলৰ বাবে বিবাহৰ এটা সৰল আৰু আধুনিক চুক্তি ভিত্তিক নিয়ম প্রচলন কৰিছিল। এইখিনিতে এটা কথা উল্লেখ কৰাতো ভাল হ'ব

যে ফুলেই কেৱল বিবাহ, পৰিয়াল, শিক্ষা আৰু ধর্মৰ ক্ষেত্রতেই মহিলাৰ সমান স্থিতিৰ কল্পনা কৰা নাছিল, তেওঁ এইবুলিও দাবী কৰিছিল যে বহু ক্ষেত্রত মহিলা পুৰুষতকৈ শ্রেষ্ঠ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ফুলেই দাবী কৰিছিল যে বহু ক্ষেত্রত মহিলা পুৰুষতকৈ শ্রেষ্ঠ। (শুদ্ধ/ অশুদ্ধ)

প্রশ্ন নং ৬ ঃ পৰৱর্তী সময়ত কিয় বৃটিছসকলৰ প্রতি ফুলেৰ মনোভাৱ সলনি হৈছিল?

প্রশ্ন নং ৭ ঃ ফুলেই পুৰুষ আৰু মহিলাৰ মাজত .....থকাতো বিচাৰিছিল। (খালী ঠাই পূৰণ কৰক)

প্রশ্ন নং ৮ ঃ বর্ণ আৰু জাতি ব্যৱস্থাক ফুলেই কেনেধৰণে সমালোচনা কৰিছিল লিখক।

৪.৫ ধর্ম বিষয়ক দৃষ্টিভংগী

জ্যোতিবা ফুলেক থমাছ পাইনৰ বৈপ্লৱিক ধর্মীয় চিন্তাধাৰাই প্রভাৱিত কৰিছিল। তেওঁ একেশ্বৰবাদত বিশ্বাসী আছিল। তেওঁ ঈশ্বৰক এই পৃথিৱী আৰু সকলো মানৱৰ স্রষ্টা বুলি গণ্য কৰিছিল। তেওঁ মূর্তিপূজা, ধর্মীয় আচাৰবাদ আৰু পুনর্জন্মৰ ধাৰণাটোক অগ্রাহ্য কৰিছিল। কোনো ধর্মগ্রন্থকে তেওঁ ঈশ্বৰৰ নির্দেশত লিখা বুলি মানি লোৱা নাছিল। তেওঁ হিন্দুত্ববাদৰ স্থানত এক সার্বজনীন সত্য ধর্ম প্রতিষ্ঠা হ'ব বুলি কল্পনা কৰিছিল। তেওঁৰ সত্য ধর্ম হিন্দু পৰম্পৰাৰ পৰা সম্পূর্ণ পৃথক আছিল। ফুলে আছিল হিন্দু পৌৰাণিক কথা আৰু ধর্মগ্রন্থবোৰৰ ক্ষুৰধাৰ সমালোচক। তেওঁ হিন্দুত্ববাদৰ ইতিহাসক ব্রাহ্মণ আধিপত্যবাদ আৰু শূদ্রসকলৰ দাসত্ববাদৰ ইতিহাস বুলি প্রতিপন্ন কৰাৰ চেষ্টা চলাইছিল। ইতিহাসৰ পৃষ্ঠাবোৰ ব্রাহ্মণসকলে নিম্ন জাতিৰ লোকক কৰি অহা প্রতাৰণাৰ কাহিনীৰে পূৰ বুলি তেওঁ মন্তব্য কৰিছিল। তেওঁ হিন্দুত্বক বর্ণ আৰু জাতিৰ আধাৰত গঢ় লৈ উঠা এটা সম্পর্ক বুলি কৈছিল। ব্রাহ্মণসকলে নিম্ন জাতিৰ লোকক ঠগিবলৈকে এই প্রণালীটোৰ প্রচলন ঘটাইছিল বুলিও তেওঁ মত প্রকাশ কৰিছিল। ফুলেই প্রার্থনা সমাজ আৰু ব্রাহ্ম সমাজৰ কার্যকলাপ তথা অভিপ্রায়বোৰকো জগৰীয়া কৰিছিল। তেওঁৰ মতে শিক্ষিত ব্রাহ্মণসকলে এই সমাজবোৰ প্রতিষ্ঠা কৰিছিল। এই সংগঠনবোৰৰ কার্যকলাপবোৰে প্রতিষ্ঠাপকসকলৰ ৰাজনৈতিকভাৱে অনুপ্রাণিত পূর্বপুৰুষে ধর্মৰ নাম লৈ নির্মাণ কৰা শোষণৰ অতিগাঁথনিটো লুকুৱাই ৰখাৰ চেষ্টা কৰিছিল। হিন্দুত্ববাদক সম্পূর্ণ নসাৎ কৰিলেও ফুলেই কিন্তু ধর্মৰ মৌলিক ধাৰণাটোক অগ্রাহ্য কৰা নাছিল। ইয়াৰ স্থানত তেওঁ স্বাধীনতা আৰু সমতাৰ নীতিৰ ভিত্তিত প্রতিষ্ঠিত এটা সার্বজনীন ধর্মৰ প্রচলন ঘটাতো বিচাৰিছিল। তেওঁ প্রতিষ্ঠা কৰা 'সার্বজনিক সত্য ধর্ম'ই কোনো গুৰু অথবা ধর্মগ্রন্থৰ সহায় নোলোৱাকৈ সত্যৰ অন্বেষণ কৰাত

জোৰ দিছিল। তেওঁৰ ধর্মীয় চিন্তাধাৰাক নিঃসন্দেহে খৃষ্টান ধর্মই প্রভাৱিত কৰিছিল। অৱশ্যে তেওঁ কেতিয়াও খৃষ্টান ধর্মৰ পৃষ্ঠপোষকতা কৰা নাছিল। তেওঁৰ সার্বজনীন ধর্মৰ প্রকৃতি আছিল উদাৰ আৰু বিভিন্ন দিশেৰে পৰম্পৰাগত ধর্মবোৰতকৈ পৃথক। তেওঁ এই মত ব্যক্ত কৰিছিল যে চৰকাৰে হিন্দুত্ববাদৰ সৈতে জড়িত অমানৱীয় ধর্মীয় প্রথা অথবা অন্যায়পূর্ণ পৰম্পৰা আৰু অনুশীলনবোৰক দেখিও নেদেখাৰ ভাও জোৰাটো অনুচিত হৈছে। এবাৰ তেওঁ ভাৰতৰ নিম্ন শ্রেণীৰ লোকসকলৰ পৰা কৰ হিচাপে সংগ্রহ কৰা ধন মন্দিৰবোৰলৈ অনুদান হিচাপে আগবঢ়োৱা ঔপনিৱেশিক চৰকাৰৰ নীতিটোক মুকলিকৈ সমালোচনা কৰিছিল। ফুলেই ধর্মীয় কথাত কোনো ধৰণৰ সাম্প্রদায়িকতাবাদক স্থান দিয়াৰ পক্ষপাতী নাছিল।

৪.৬ ভাৰতীয় অর্থনীতি

জ্যোতিবা ফুলেই ভাৰতীয় অর্থনীতিৰ সৈতে জড়িত খেতিয়ক সমাজ আৰু তেওঁলোকৰ সমস্যাবোৰৰ প্রতি যথেষ্ট মনোযোগী আছিল। তেওঁ ভাৰতীয় অর্থনীতিক মূলতঃ এক কৃষিভিত্তিক অর্থনীতি বুলি গণ্য কৰিছিল আৰু সেয়েহে কৃষি খণ্ডৰ অৱস্থা উন্নত কৰি তোলাৰ পোষকতা কৰিছিল। ফুলেই ভাৰতীয় কৃষি খণ্ডই সন্মুখীন হোৱা সংকটাৱস্থা অনুধাৱন কৰিছিল আৰু কৈছিল যে দেশৰ জনসংখ্যা বাঢ়ি যোৱাৰ লগে লগে কৃষি খণ্ডত নির্ভৰ কৰা মানুহৰ সংখ্যাও বাঢ়ি গৈ আছে। পূর্বতে খেতিয়ক পৰিয়ালবোৰৰ অতি কমেও এগৰাকীকৈ সদস্যই হয় সেনাবাহিনীত যোগ দিছিল, নহয় ভাৰতীয় প্রদেশবোৰৰ প্রশাসনীয় বিভাগত চাকৰি কৰিছিল। যিসকল খেতিয়কৰ নিজাকৈ অলপ মাটি আছিল তেওঁলোকে আন বহুতো কথাত ঘৰৰ ওচৰৰ হাবি-জংঘলৰ পৰা লাগতিয়াল সামগ্রী যোগাৰ কৰিছিল। কিন্তু নতুন চৰকাৰখনে বন বিভাগ খুলি সমগ্র পাহাৰ-পর্বত, ঊপত্যকা, পতিত মাটি আৰু চৰণীয়া পথাৰ নিজৰ অধীন কৰি লৈছিল। এইবোৰক নির্ভৰ কৰি চলা খেতিয়ক সমাজ সেয়েহে নানা অসুবিধাৰ সন্মুখীন হৈছিল। ধন ধাৰলৈ দিয়া সুতখোৰ আৰু ব্রাহ্মণ বিষয়াসকলেও খেতিয়কসকলক শোষণ কৰিছিল। চৰম দাৰিদ্র্য আৰু মাটিৰ সাৰুৱা গুণ নাইকিয়া হোৱাৰ বাবে খেতিয়কসকলৰ হাতত নিজকে ঋণমুক্ত কৰাৰ কোনো উপায় নাছিল। এনেকৈয়ে খেতিৰ মাটিবোৰ ধন ধাৰলৈ দিয়াসকলৰ হাতলৈ গুছি গৈছিল। দেশৰ গ্রাম্য অর্থনীতিয়ে সন্মুখীন হোৱা আন এটা সমস্যা আছিল বৃটেইনত নির্মিত সামগ্রীয়ে সৃষ্টি কৰা তীব্র প্রতিদ্বন্দ্বিতা। বৃটেইনৰ পৰা অহা কম দাম আৰু উৎকৃষ্ট মানৰ বস্তু ভাৰতীয় বজাৰবোৰত উভৈনদী হৈ পৰাৰ ফলত খিলঞ্জীয়া গঞ্জ আৰু স্থানীয় নগৰীয়া লোকে তৈয়াৰ কৰা সামগ্রীবোৰে বৃহৎ লোকচান ভৰিবলগীয়া হৈছিল। বহুতো ভাৰতীয় ব্যৱসায়ীয়ে বাধ্য হৈ বংশানুক্রমিকভাৱে কৰি অহা ব্যৱসায় বন্ধ কৰিছিল। কুটীৰ উদ্যোগত কাম কৰা বহুতেই কর্মসংস্থাপন হেৰুৱাইছিল। ইয়াৰ ফলত গ্রামাঞ্চলবোৰত নিবনুৱাৰ সংখ্যা বাঢ়িছিল।

৪.৬.১ কৃষিকেন্দ্রিক সমস্যাৰ সমাধান

তলত কৃষিকেন্দ্রিক সমস্যাৰ সমাধানৰ বাবে ফুলেই আগবঢ়োৱা পৰামৰ্শ কেইটামান উল্লেখ কৰা হ'ল-

ফুলেই দেশত মথাউৰি, খাল-পুখুৰী আৰু জলবান্ধ আদি নিৰ্মাণ কৰি কৃষিপামবোৰলৈ পৰ্যাপ্ত পানী যোগান ধৰাৰ পৰামৰ্শ দিছিল। দ্বিতীয়তে তেওঁ প্ৰতি বছৰে চৰকাৰে বিভিন্ন কৃষিকেন্দ্রিক আঁচনি ৰূপায়ণ কৰাটো বিচাৰিছিল। তৃতীয়তে তেওঁ খেতিয়কক জাপি দিয়া ৰাজহৰ পৰিমাণ কম কৰি কৃষিক অধিক লাভদায়ক কৰি তুলিবলৈ চৰকাৰৰ প্ৰতি গোহাৰি জনাইছিল। দেশৰ খেতিয়ক আৰু নিম্ন জাতিৰ লোকক সহায়-সমৰ্থন আগবঢ়াই থাকোঁতে ফুলেই আন এক ধৰণৰ সম্পদ প্ৰৱাহ লক্ষ্য কৰিছিল। দেশৰ সম্পদ গ্ৰাম্য খণ্ডৰ পৰা নগৰ খণ্ডলৈ আৰু খেতিয়ককেন্দ্রিক অৰ্থনীতিৰ পৰা ব্ৰাহ্মণকেন্দ্রিক অৰ্থনীতিলৈ প্ৰৱাহিত হৈছিল। তেওঁ ইয়াক সম্পূৰ্ণৰূপে খণ্ডন কৰিছিল আৰু সমাজত এটা সমতা তথা ন্যায়পূৰ্ণ পৰিৱেশ স্থাপন কৰিব বিচাৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ বি.আৰ. আম্বেডকাৰ জ্যোতিবা ফুলেৰ অনুগামী আছিল। (শুদ্ধ / অশুদ্ধ)

প্ৰশ্ন নং ১০ ঃ ফুলেই মনোনিৱেশ কৰা নিম্ন জাতি দুটাৰ নাম লিখক।

প্ৰশ্ন নং ১১ ঃ ফুলেই ধৰ্মীয় কথাত কোনো ধৰণৰ .....ক স্থান দিয়াৰ পক্ষপাতী নাছিল। (খালী ঠাই পূৰণ কৰক)

প্ৰশ্ন নং ১২ ঃ কৃষিকেন্দ্রিক সমস্যাৰ সমাধানৰ বাবে ফুলেই আগবঢ়োৱা পৰামৰ্শ কেইটামান ব্যাখ্যা কৰক। (৫০ টা মান শব্দৰ ভিতৰত)



৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৮২৭ চনৰ ১১ এপ্ৰিলত পুনাৰ এটা মালী পৰিয়ালত জ্যোতিৰাও গোবিন্দৰাও ফুলৰ জন্ম হৈছিল।
- ঊনবিংশ শতিকাৰ দাৰ্শনিকসকলৰ মাজত আসন লাভ কৰা ফুলেৰ আগ্ৰহৰ বিষয়বোৰ আছিল নীতিশাস্ত্ৰ, ধৰ্ম আৰু মানৱতাবাদ ।
- ফুলেই সকলো ব্যক্তিৰ চিন্তা আৰু অভিব্যক্তি প্ৰকাশৰ স্বাধীনতাত বিশ্বাস কৰিছিল।
- ঊনবিংশ শতিকাত মহাৰাষ্ট্ৰত এটা নিম্ন জাতিৰ পৰিয়ালত জন্মলাভ কৰা সমাজ সংস্কাৰক জ্যোতিবা ফুলেই ভাৰতীয় সামাজিক শৃংখলা আৰু হিন্দুত্বৰ ধাৰণা দুটাক সমালোচনা

কৰিছিল।

- প্ৰথম অৱস্থাত বৃটিছক সমৰ্থন কৰা ফুলেই ভাবিছিল যে এই শাসনে ভাৰতৰ সাধাৰণ জনগণক ব্ৰাহ্মণসকলৰ আধিপত্যৰ পৰা মুক্ত হোৱাৰ এটা সুযোগ দিব। কিন্তু পাছত উচ্চ শিক্ষা সমৰ্থনকাৰী বৃটিছ চৰকাৰৰ নীতি আৰু ব্ৰাহ্মণ কৰ্মচাৰীক ভাৰসা ক ৰাৰ চৰকাৰী প্ৰৱণতাক তেওঁ সমালোচনা কৰিছিল।
- ফুলেৰ মতে বৰ্ণ আৰু জাতি ব্যৱস্থা হ'ল নিষ্ঠুৰ তথা অমানৱীয় নীতি-নিয়মৰ সংহিতা। ব্ৰাহ্মণসকলে নিজে নিজৰ বাবে সকলো ধৰ্মীয় আচাৰ-অনুষ্ঠানত প্ৰাধান্য পাব পৰা ব্যৱস্থা এটা গঢ়ি তুলিছিল। জাতি ব্যৱস্থা আছিল চতুৰ ব্ৰাহ্মণসকলৰ সৃষ্টি।
- জ্যোতিবা ফুলেক থমাছ পাইনৰ বৈপ্লৱিক ধৰ্মীয় চিন্তাধাৰাই প্ৰভাৱিত কৰিছিল। তেওঁ একেশ্বৰ বাদত বিশ্বাসী আছিল। তেওঁ ঈশ্বৰক এই পৃথিৱী আৰু সকলো মানৱৰ স্ৰষ্টা বুলি গণ্য কৰিছিল। তেওঁ মূৰ্তিপূজা, ধৰ্মীয় আচাৰবাদ আৰু পুনৰ্জন্মৰ ধাৰণাটোক অগ্ৰাহ্য কৰিছিল। ফুলেই ধৰ্মীয় কথাত কোনো ধৰণৰ সাম্প্ৰদায়িকতাবাদক স্থান দিয়াৰ পক্ষপাতী নাছিল।
- জ্যোতিবা ফুলেই বৃটিছ শাসনৰ অধীনত প্ৰচলিত অৰ্থনৈতিক নীতিবোৰকো বিভিন্ন দিশেৰে সমালোচনা কৰিছিল। এই নীতিবোৰ দুখীয়া খেতিয়কৰ স্বাৰ্থৰ পৰিপন্থী আছিল। ভাৰতৰ কৃষি খণ্ডই অসংখ্য সমস্যাৰ সন্মুখীন হোৱালৈ চাই ফুলেই এই সমস্যাবোৰ সমাধানৰ বহুকেইটা উপায় আগবঢ়াইছিল।
- ফুলেই শোষণকাৰী প্ৰকৃতিৰ ভাৰতীয় সামাজিক শৃংখলাটোৰ স্থানত স্বাধীনতা আৰু সমতাৰ ভিত্তিত গঢ়ি উঠা সমাজ এখন তথা সাৰ্বজনীন ধৰ্ম এটা প্ৰতিষ্ঠা হোৱাটো বিচাৰিছিল।



৪.৮ অধিক জানিবলৈ

১) Gavasker, Mahesh (1999), Phule's Critique of Brahmin Power, in Michael, S.M. Untouchable, Dalits in Modern India, Boulder Colorado: Lynne Reiner Publishers.

২) Guha, Ramachandra, (eds) (2011), Makers of Modern India, Harvard : Harvard University Press.

৩) Keer, Dhananjay (1974), Mahatma Jotirao Phooley: Father of the Indian Social Revolution, Mumbai: Popular Prakashan Ltd.

৪) O'Hanlon, Rosalind (1985), Caste, Conflict and Ideology : Mahatma Jyoti Rao Phule and Low Caste Protest in Nineteenth Century Western India, Cambridge: Cambridge University Press.



৪.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ১৮২৭ চনৰ ১১ এপ্রিলত।

২ নং প্রশ্নৰ উত্তৰ ঃ ব্রাহ্মণানচে কচব (১৮৬৯), গুলামগিৰি (১৮৬৯), সার্বজনিক সত্য ধর্ম পুস্তক (১৮৯১)

৩ নং প্রশ্নৰ উত্তৰ ঃ বর্ণ আৰু জাতিৰ ভিত্তিত গঠিত হিন্দু সামাজিক শৃংখলাটোৰ বিৰুদ্ধে নিম্ন জাতিৰ লোকসকলক সংগঠিত কৰাৰ উদ্দেশ্যেৰে ১৮৭৩ চনত সত্য শোধক সমাজ গঠন কৰা হৈছিল।

৪ নং প্রশ্নৰ উত্তৰ ঃ প্রথম অৱস্থাত বৃটিছক সমর্থন কৰা ফুলেই বিশ্বাস কৰিছিল যে সকলো মানুহৰ সমতাৰ কথা কোৱা ঔপনিৱেশিক চৰকাৰে ব্রাহ্মণসকলৰ দমন-আধিপত্যৰ পৰা নিম্ন জাতিৰ লোকসকলক উদ্ধাৰ কৰিব। কিন্তু পাছত উচ্চ শিক্ষা সমর্থনকাৰী বৃটিছ চৰকাৰৰ নীতি আৰু ব্রাহ্মণ কর্মচাৰীক ভাৰসা ক ৰাৰ চৰকাৰী প্রৱণতাক তেওঁ সমালোচনা কৰিছিল। জ্যোতিবা ফুলেই বৃটিছ শাসনৰ অধীনত প্রচলিত অর্থনৈতিক নীতিবোৰকো বিভিন্ন দিশেৰে সমালোচনা কৰিছিল। এই নীতিবোৰ দুখীয়া খেতিয়কৰ স্বার্থৰ পৰিপন্থী আছিল।

৫ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৬ নং প্রশ্নৰ উত্তৰ ঃ পৰৱর্তী সময়ত বৃটিছ চৰকাৰৰ প্রতি ফুলেৰ মনোভাৱ সলনি হৈছিল। তেওঁ উপলব্ধি কৰিছিল যে চৰকাৰে সাধাৰণ দুখীয়া ভাৰতীয়ৰ স্বার্থৰ পৰিপন্থী কার্যকলাপ কৰিবলৈ লৈছিল আৰু চৰকাৰৰ কাম-কাজৰ প্রকৃতি আত্মকেন্দ্রিক হ'বলৈ ধৰিছিল। তেওঁৰ এনেবোৰ সমালোচনাৰ পৰা এই কথা অনুমান কৰিব পাৰি যে তেওঁ সদায় দেশৰ নিম্ন জাতিৰ লোকসকলৰ কল্যাণ সম্পর্কে চিন্তিত আছিল।

৭ নং প্রশ্নৰ উত্তৰ ঃ সমতা।

৮ নং প্রশ্নৰ উত্তৰ ঃ (ক) জ্যোতিবা ফুলেৰ মতে বর্ণ আৰু জাতি ব্যৱস্থা হ'ল নিষ্ঠুৰ তথা অমানৱীয় নীতি-নিয়মৰ সংহিতা। ব্রাহ্মণসকলে নিজে নিজৰ বাবে সকলো ধর্মীয় আচাৰ-অনুষ্ঠানত প্রাধান্য পাব পৰা ব্যৱস্থা এটা গঢ়ি তুলিছিল। জাতি ব্যৱস্থা আছিল চতুৰ ব্রাহ্মণসকলৰ সৃষ্টি। ব্রহ্মণসকল আছিল সর্বোচ্চ অধিকাৰ আৰু সা-সুবিধাৰ গৰাকী। আনহাতে, শূদ্র আৰু অতিশূদ্র (অস্পৃশ্য) সকল আছিল ঘৃণা তথা নিন্দাৰ পাত্র।

(খ) অস্পৃশ্যসকলৰ স্পর্শ অথবা ছাঁটোকো আনকি প্রদূষণ বুলি গণ্য কৰা হৈছিল। ব্রাহ্মণসকলে ভাৰতত চলাই থকা দাসত্ব প্রথাক ফুলেই আমেৰিকাৰ দাসত্ব প্রথাৰ সৈতে তুলনা কৰিছিল। তেওঁ উদাহৰণ সহকাৰে আঙুলিয়াই দেখুৱাইছিল যে শূদ্রসকলে আমেৰিকান কৃষ্ণাংগসকলতকৈও অধিক কষ্ট আৰু দুর্দশা ভোগ কৰি আছিল। তেওঁৰ

মতে আত্মকেন্দ্রিক অন্ধবিশ্বাসেৰে ভৰা এই ব্যৱস্থাটোৱেই হ'ল ভাৰতে শতিকাৰ পাছত শতিকা জুৰি ভূগি থকা স্থবিৰতাৰ মূল কাৰণ।

৯ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

১০ নং প্রশ্নৰ উত্তৰ ঃ (ক) শূদ্র আৰু (খ) অতিশূদ্র জাতি।

১১ নং প্রশ্নৰ উত্তৰ ঃ সাম্প্রদায়িকতাবাদ।

১২ নং প্রশ্নৰ উত্তৰ ঃ (ক) ফুলেই দেশত মথাউৰি, খাল-পুখুৰী আৰু জলবান্ধ আদি নির্মাণ কৰি কৃষিপামবোৰলৈ পর্যাপ্ত পানী যোগান ধৰাৰ পৰামর্শ দিছিল।

(খ) তেওঁ প্রতি বছৰে চৰকাৰে বিভিন্ন কৃষিকেন্দ্রিক আঁচনি ৰূপায়ণ কৰাটো বিচাৰিছিল।

(গ) তেওঁ খেতিয়কক জাপি দিয়া ৰাজহৰ পৰিমাণ কম কৰি কৃষিক অধিক লাভদায়ক কৰি তুলিবলৈ চৰকাৰৰ প্রতি গোহাৰি জনাইছিল। দেশৰ খেতিয়ক আৰু নিম্ন জাতিৰ লোকক সহায়-সমর্থন আগবঢ়াই থাকোঁতে ফুলেই আন এক ধৰণৰ সম্পদ প্রৱাহ লক্ষ্য কৰিছিল। দেশৰ সম্পদ গ্রাম্য খণ্ডৰ পৰা নগৰ খণ্ডলৈ আৰু খেতিয়ককেন্দ্রিক অর্থনীতিৰ পৰা ব্রাহ্মণকেন্দ্রিক অর্থনীতিলৈ প্রৱাহিত হৈছিল। তেওঁ ইয়াক সম্পূর্ণৰূপে খণ্ডন কৰিছিল আৰু সমাজত এটা সমতা তথা ন্যায়পূর্ণ পৰিৱেশ স্থাপন কৰিব বিচাৰিছিল।



৪.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ফুলেই ক'ৰ পৰা শিক্ষা গ্রহণ কৰিছিল?

প্রশ্ন ২ ঃ কোন চনত ফুলেৰ দেহাৱসান ঘটে?

প্রশ্ন ৩ ঃ কোনকেইটা বিষয়ৰ প্রতি ফুলেই সর্বাধিক আগ্রহী আছিল?

প্রশ্ন ৪ ঃ ফুলেৰ পত্নীৰ নাম কি আছিল?

প্রশ্ন ৫ ঃ ভাৰতৰ জাতি ব্যৱস্থাৰ বিষয়ে এটা চমুটোকা প্রস্তুত কৰক।

প্রশ্ন ৬ ঃ চমুটোকা লিখক- (ক) ফুলেৰ সার্বজনীন ধর্ম (খ) সত্য শোধক সমাজ

প্রশ্ন ৭ ঃ ফুলেৰ জীৱনকালত ভাৰতত প্রচলিত সামাজিক শৃংখলাটো পৰীক্ষা কৰক।

প্রশ্ন ৮ ঃ ফুলেৰ জীৱনকালত ভাৰতত উদ্ভৱ হোৱা কৃষি খণ্ডৰ সমস্যাবোৰ ব্যাখ্যা কৰক।

প্রশ্ন ৯ ঃ ভাৰতত বৃটিছ শাসন সন্দর্ভত জ্যোতিবা ফুলেই কেনে মনোভাৱ প্রদর্শন কৰিছিল আলোচনা কৰক।

প্রশ্ন ১০ ঃ ভাৰতৰ অর্থনৈতিক সমস্যা সমাধানৰ বাবে ফুলেই আগবঢ়োৱা পৰামর্শবোৰ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ মোহনদাস কৰমচান্দ গান্ধী

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ সত্য আৰু অহিংসা

৫.৪ সত্যাগ্রহ— পৰিসৰ আৰু তাৎপর্য্য

৫.৫ শান্তিৰ ওপৰত গান্ধীৰ দৃষ্টিভংগী

৫.৬ ৰাষ্ট্রৰ প্রকৃতিৰ ওপৰত গান্ধীৰ দৃষ্টিভংগী

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্রগতিৰ খতিয়ান

৫.১০ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- সত্য আৰু অহিংসাৰ অর্থ আৰু দুয়োৰে মাজৰ সম্পর্কৰ বিষয়ে জানিব পাৰিব।
- সত্যাগ্রহৰ পৰিসৰ আৰু তাৎপর্য্য বর্ণনা কৰিব পাৰিব।
- স্বৰাজ আৰু স্বদেশীৰ বিষয়ে বর্ণনা কৰিব পাৰিব।
- শান্তিৰ ওপৰত গান্ধীবাদী ধাৰণা বর্ণনা কৰিব পাৰিব।
- ৰাষ্ট্রৰ প্রকৃতিৰ বিষয়ে গান্ধীৰ ধাৰণা আলোচনা কৰিব পাৰিব।

৫.২ পৰিচয়

এই পাঠটোৰে আপোনালোকক 'মহাত্মা' নামেৰে জনপ্রিয় মোহনদাস কৰমচান্দ গান্ধীৰ সৈতে পৰিচয় কৰাই দিব। অহিংসাৰ পথ প্রদর্শক গান্ধীৰ জন্ম হৈছিল ১৮৬৯ চনৰ ২ অক্টোৱৰত গুজৰাটৰ পোৰবন্দৰ নামৰ ঠাইত। তেওঁৰ পিতৃ কৰমচান্দ গান্ধী আছিল ব্রিটিছ ভাৰতৰ এখন সৰু ৰাজ্য পোৰবন্দৰৰ দিৱান। তেওঁৰ মাতৃ পুতুলিবাই এগৰাকী ধর্মীয়প্রাণ মহিলা আছিল যিয়ে গান্ধীক যথেষ্ট প্রভাৱিত কৰিছিল। মোহনদাস কৰমচান্দ গান্ধী ১৯ বছৰ বয়সত কস্তুৰবা গান্ধীৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল।

তেওঁক বেৰিষ্টাৰ হিচাপে প্রশিক্ষণ দিবলৈ ইংলেণ্ডলৈ প্রেৰণ কৰা হৈছিল আৰু ১৮৯১ চনত ইংলেণ্ডৰ পৰা উভতি অহাৰ লগে লগে গান্ধীয়ে প্রথমে বোম্বাইত (১৮৯৩ চনত) আইনৰ অনুশীলন কৰিছিল আৰু দক্ষিণ আফ্রিকাৰ নাটাল কলোনিত (তেতিয়াৰ ব্রিটিছ সাম্রাজ্যৰ অংশ)

আইনী উপদেষ্টা হিচাপে যোগদান কৰিছিল (১৮৯৩-১৯১৪ চনৰ ভিতৰত)। দক্ষিণ আফ্রিকাৰ বৰ্ণবাদৰ অভিজ্ঞতাই তেওঁৰ জীৱনত এক পৰিৱৰ্তন আনিছিল, যিয়ে তেওঁক সামাজিক অন্যায়ৰ প্রতি জাগ্রত কৰি তুলিছিল আৰু পৰৱৰ্তী সময়ছোৱাত তেওঁৰ সামাজিক সক্রিয়তাক প্রভাৱিত কৰিছিল। দক্ষিণ আফ্রিকাত তেওঁ প্রথমবাৰৰ বাবে সত্যাগ্রহৰ পোষকতা কৰিছিল। ১৯১৫ চনত গান্ধী ভাৰতলৈ উভতি অহাৰ লগে লগে তেওঁ ভাৰতীয় জাতীয় কংগ্রেছৰ সৈতে ক্রমান্বয়ে ঘনিষ্ঠ হৈ পৰিছিল আৰু ভাৰতৰ স্বাধীনতা সংগ্রামত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। তেওঁ ব্রিটিছৰ বিৰুদ্ধে সংগ্রামত অসহযোগ আৰু অহিংসাক নিজৰ অস্ত্র হিচাপে ব্যৱহাৰ কৰিছিল।

দুর্ভাগ্যজনকভাৱে ১৮৪৮ চনৰ ৩০ জানুৱাৰীত নাথুৰাম গডছেৰ নিকট দূৰত্বৰ পৰা চলোৱা গুলীৰ আঘাতৰ ফলত গান্ধীৰ মৃত্যু হয়। "হে ৰাম" আছিল মহাত্মা গান্ধীৰ শেষ শব্দ। তেওঁক ভাৰতীয় স্বাধীনতা আন্দোলনৰ স্থপতি হিচাপে জনা যায়। ৰবীন্দ্রনাথ ঠাকুৰে গান্ধীক 'মহাত্মা' বুলি অভিহিত কৰিছিল। প্রতি বছৰে তেওঁৰ জন্মদিন ২ অক্টোৰৰ (গান্ধী জয়ন্তী) তাৰিখটো ভাৰতৰ ৰাষ্ট্রীয় বন্ধ হিচাপে পালন কৰা হয়। গান্ধীয়ে লিও টলষ্টয়ক তেওঁৰ আধ্যাত্মিক শিক্ষক হিচাপে গণ্য কৰিছিল। ১৯১৫-১৯৪৮ সময়ছোৱাক গান্ধীবাদী যুগ বুলি গণ্য কৰা হয়।

৫.৩ সত্য আৰু অহিংসা

'সত্য' এটা সংস্কৃত শব্দ। 'সত্য' শব্দটোৱে নিজৰ চিন্তাৰ কথা আৰু কর্মত সত্যবাদী হোৱাটো বুজায়। গান্ধীয়ে সদায় তেওঁৰ ধর্মক সত্যৰ ধর্ম বুলি বর্ণনা কৰিছিল। গান্ধীৰ মতে, "ঈশ্বৰ হৈছে সত্য আৰু সত্য হৈছে ঈশ্বৰ"। ইয়াৰ অর্থ হৈছে যে বাস্তৱত সত্যৰ বাহিৰে একোৱেই নাই। সেয়েহে, সত্য সম্ভৱতঃ ঈশ্বৰৰ আটাইতকৈ গুৰুত্বপূর্ণ নাম। ই গান্ধীবাদৰ এক অত্যাৱশ্যকীয় আৰু সংজ্ঞায়িত উপাদান।

দৰাচলতে গান্ধীয়ে উপলব্ধি কৰিছিল যে সত্য হৈছে ঈশ্বৰৰ প্রতীক বা নাম। তদুপৰি, শব্দটো চিত্ (জ্ঞান)ৰ সৈতে সম্পর্কিত কিয়নো কোৱা হয় যে সত্য চিৰন্তন। সেয়েহে য'ত প্রকৃত জ্ঞান আছে, তাত সদায় আনন্দ থাকে। দুখৰ কোনো স্থান নাই। সেয়েহে, গান্ধীৰ দর্শনত সত্য হৈছে ভগৱান অর্থাৎ সত-চিত-আনন্দ হিচাপে ঈশ্বৰ সত্য, জ্ঞান আৰু আনন্দৰ সংমিশ্রণ। চিন্তা, কথা আৰু কর্মত সত্যতা থাকিব লাগে।

গান্ধীৰ সৈতে, অহিংসাৰ ধাৰণাটোৱে এক বিশেষ মান লাভ কৰিছিল। গান্ধীয়ে অহিংসাক এক দর্শন আৰু এক আদর্শ জীৱনশৈলী হিচাপে গ্রহণ কৰিছিল। অহিংসা গান্ধীৰ উদ্ভাৱন নাছিল। তেওঁক অৱশ্যে অহিংসাৰ পিতৃ বুলি কোৱা হয় কাৰণ মার্ক শ্বেপার্ডৰ মতে "তেওঁ অহিংস কার্য্যক এনে এটা স্তৰলৈ উন্নীত কৰিছিল যিটো আগতে কেতিয়াও লাভ কৰা হোৱা নাছিল"। ৰাজনৈতিক উদ্দেশ্যৰ বাবে ইয়াক প্রয়োগ কৰা তেওঁ প্রথমজন ব্যক্তি আছিল। সেয়েহে প্রত্যক্ষ গণ কার্য্যসূচীৰ বাবে এক সফল কৌশল হিচাপে অহিংসাৰ ব্যৱহাৰেই হৈছে গান্ধীৰ সর্বশ্রেষ্ঠ অৱদান। অহিংসাৰ ধাৰণাটো নতুন নাছিল। গান্ধীৰ পূর্বে, অহিংসাৰ ধাৰণাটো গৌতম বুদ্ধ, প্রফেট মহম্মদকে আদি কৰি বিভিন্ন দার্শনিকৰ কর্মসমূহত এক গুৰুত্বপূর্ণ স্থান লাভ কৰিছিল। সামাজিক

আৰু ব্যক্তিগত পর্য্যায়ত অহিংসাৰ নীতিসমূহ কেৱল সংঘাত সমাধানৰ বাবে এক গুৰুত্বপূর্ণ শক্তি হোৱাৰ উপৰিও সমাজত পৰিৱর্তন অনাৰ দিশত নির্দেশিত কৰিব পাৰি। অৱশ্যে গান্ধীয়েহে ইয়াক এক সামাজিক আৰু ৰাজনৈতিক কৌশল আৰু সকলো ধৰণৰ সংকট আৰু সমস্যাৰ সমাধানৰ অতি মানৱীয় পদ্ধতিলৈ ৰূপান্তৰিত কৰিছিল। গান্ধীৰ বাবে, সত্য আৰু অহিংসা অবিচ্ছেদ্য আৰু তেওঁ অহিংসাক উপায় হিচাপে আৰু সত্যক পৰিণাম হিচাপে গণ্য কৰিছিল। গান্ধীৰ মতে, অহিংসা হৈছে মানৱজাতিৰ বাবে উপলব্ধ সর্বশ্রেষ্ঠ শক্তি। গান্ধীয়ে এই নীতি অনুসৰণ কৰিবলৈ প্রতিশ্রুতিবদ্ধ আছিল আৰু সেয়েহে, তেওঁ অহিংস পদক্ষেপৰ সহায়ত এই লক্ষ্য প্রাপ্তিৰ বাবে সকলো প্রচেষ্টা চলাইছিল। তেওঁ সকলো সামাজিক কু-আচৰণৰ বিৰুদ্ধে এক নিৰাময় হিচাপে ইয়াক অনুশীলন আৰু নির্ধাৰণ কৰিছিল আৰু লগতে এক শান্তিপূর্ণ সমাজ গঢ়ি তোলাত সহায় কৰিছিল। তেওঁৰ বাবে অহিংসা আছিল জীৱনৰ পৱিত্রতাৰ ওপৰত বিশ্বাস আৰু জীৱিত বস্তুৰ ক্ষতি নকৰা। ই প্রতিজন মানুহৰ অন্তর্নিহিত মূল্যক সন্মান জনোৱাৰ এক উপায়। অহিংস নীতিৰ মূল ভিত্তি হ'ল পৰস্পৰক বুজাৰ প্রয়াস, বন্ধুত্ব আৰু সমাজ গঢ়ি তোলাটো আৰু এই বিশ্বাস যে আমাৰ জীৱনসমূহ আন্তঃসংযোগী। এজনে কৰা কোনো কার্যই আনৰ জীৱনত প্রভাৱ পেলায়। অন্য অর্থত ক'বলৈ গ'লে, ইজনে সিজনৰ প্রতি দায়বদ্ধ হ'ব লাগে। এজনে আনজনক বিশ্বাস কৰিব লাগে আৰু সাধাৰণ কল্যাণৰ দিশত কাম কৰিব লাগে। অহিংসাৰ অর্থ হৈছে প্রতিজন মানুহৰ মৌলিক অধিকাৰ যেনে ন্যায়, আৰু সমতাৰ প্রতি নিজকে সমর্পিত কৰা। ই হৈছে সহসেৰে নিজৰ শত্রুৰ প্রতি সহানুভূতি প্রদর্শন কৰা আৰু অন্যায়ৰ বিৰোধিতা কৰা। প্রেমক অন্যায়, অসমতা, দুর্দশাৰ ওপৰত জয়লাভ কৰিবলৈ মানৱ আত্মাৰ শক্তি হিচাপে স্বীকৃতি দিব লাগে। গান্ধীয়ে অহিংসাক মানৱ জাতিৰ আইন হিচাপে গণ্য কৰিছিল। ই নিজৰ আত্মসন্মানক সম্পূর্ণ সুৰক্ষা প্রদান কৰে। অহিংসাৰ নীতিয়ে আনক সন্মান জনোৱাৰ কথা কয়। অহিংসা অনুশীলন কৰা ব্যক্তি বা ৰাষ্ট্রবোৰে সন্মানৰ বাহিৰে সকলো ত্যাগ কৰিবলৈ সাজু থাকিব লাগিব কাৰণ যদি ব্যক্তিগতভাৱে অনুশীলন কৰা হয়, তেন্তে ই সমাজত সংঘাতৰ সমাপ্তিৰ বাবে এক সঁজুলি হিচাপে অধিক গুৰুত্বপূর্ণ হ'ব পাৰে। অহিংসাৰ শক্তি বুদ্ধিৰ শক্তিতকৈ অধিক আৰু যিজনে অহিংসা অনুশীলন কৰে তেওঁ এক শক্তিশালী ইচ্ছাশক্তি বিকাশ কৰে আৰু সমগ্র বিশ্বতে শাসন কৰিব পাৰে। ই সকলো গুণৰ প্রাপ্তিৰ দিশে লৈ যায়।

সেয়েহে, অহিংসাক আধ্যাত্মিক খাদ্য বুলি কোৱা হয় যাক এজন ব্যক্তিয়ে নিৰন্তৰভাৱে গ্রহণ কৰিব লাগে আৰু লক্ষ্য প্রাপ্তিৰ বাবে প্রতিটো মুহূর্ততে ইয়াৰ বিষয়ে সচেতন হোৱাটো প্রয়োজনীয়। আমাৰ চাৰিওফালে হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ প্রতি লক্ষ্য ৰাখি ইয়াক অনুসৰণ কৰিব লাগিব। তেওঁ অহিংসাক অন্যায় আৰু বৈষম্যৰ বিৰুদ্ধে সংগ্রাম কৰাৰ এক ব্যৱহাৰিক উপায় হিচাপে আগবঢ়োৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে যি কেৱল ব্যক্তিগত পর্যায়তে নহয় বৰঞ্চ সামাজিক, ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় পর্যায়তো গঢ়ি তুলিব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ মহাত্মা গান্ধীৰ সম্পূর্ণ নাম কি?

.....

প্রশ্ন নং ২ ঃ গান্ধীক ভাৰতৰ ..... বুলি জনা যায়।

প্রশ্ন নং ৩ ঃ গান্ধীৰ মৃত্যু কেতিয়া হৈছিল?

.....

প্রশ্ন ৪ ঃ অহিংসাৰ ওপৰত এটা চমু টোকা লিখক। (৫০ শব্দৰ ভিতৰত)।

.....

৫.৪ সত্যাগ্রহ - পৰিসৰ আৰু তাৎপর্য্য

গান্ধীয়ে সত্যাগ্রহক সামাজিক পৰিৱর্তনৰ এক সঁজুলি হিচাপে তেওঁৰ আদর্শক কার্যকৰী কৰিবলৈ চেষ্টা কৰিছিল। তেওঁ সমাজৰ সকলো ধৰণৰ সংঘাতৰ বিৰুদ্ধে ইয়াক নৈতিক সমতুল্য হিচাপে প্রস্তাৱ দিছিল আৰু গ্রহণ কৰিছিল। সত্যাগ্রহ এটা ভাৰতীয় শব্দ যি গান্ধীয়ে ১৯০৬ চনত ট্রান্সভাল বিধান পৰিষদত প্রৱর্তন কৰা এছিয়াটিক আইন সংশোধনী অধ্যাদেশৰ বিৰুদ্ধে দক্ষিণ আফ্রিকাত তেওঁৰ প্রতিৰোধ আন্দোলনৰ সময়ত উদ্ভাৱন কৰিছিল। "সত্যাগ্রহ" শব্দটোৰ আক্ষৰিক অর্থ হৈছে 'সত্য'ৰ বাবে 'আগ্রহ'। 'আগ্রহ' শব্দটো 'গ্রহ' মূলৰ পৰা আহিছে যাৰ অর্থ হৈছে 'ধৰি ৰখা'। সেয়েহে 'সত্য'ৰ বাবে 'আগ্রহ' ৰ অর্থ হৈছে সত্যক ধৰি ৰখা। তেওঁ ইয়াক অহিংসাৰ এক পদ্ধতি আৰু প্রকৃত সামাজিক পৰিৱর্তন অনাৰ আটাইতকৈ সংস্কৃতিসম্পন্ন উপায় হিচাপে গণ্য কৰিছিল। তেওঁ প্রথমবাৰৰ বাবে ১৯১৭ চনত বিহাৰৰ চম্পাৰণত সত্যাগ্রহ ব্যৱহাৰ কৰিছিল।

সত্যাগ্রহ হৈছে সকলো অন্যায়, অশুদ্ধ, অসত্যক প্রতিহত কৰা আৰু প্রেম আৰু আত্ম-শুদ্ধিকৰণৰ দ্বাৰা মানৱ সম্পর্কৰ সকলো সমস্যা সমাধান কৰাৰ এক কৌশল। যদিও সামাজিক বৈষম্য আৰু অন্যায় প্রতিহত কৰাৰ এক পদ্ধতি হিচাপে সত্যাগ্রহৰ উৎপত্তি হৈছিল, ইয়াক গান্ধীয়ে ৰাজনৈতিক, অর্থনৈতিক আৰু ধর্মীয় দিশত ফলপ্রসূভাৱে ৰূপায়ণ কৰিছিল। গান্ধীৰ সত্যাগ্রহৰ লক্ষ্য হৈছে সত্যৰ সন্ধান কৰা। সত্য আৰু অহিংসা দুয়োটা গুণ গান্ধীবাদী সত্যাগ্রহৰ মূল বিষয়। সত্যাগ্রহ হৈছে সত্যৰ বাবে এক নিৰন্তৰ অন্বেষণ আৰু সত্যত উপনীত হোৱাৰ সংকল্প। গান্ধীৰ বাবে ই এটা নেতিবাচক শব্দ নহয়; ইয়াৰ অর্থ কেৱল কর্ম বা চিন্তাৰ দ্বাৰা জীৱত প্রাণীক শাৰীৰিক আঘাত কৰাৰ পৰা বিৰত থকাটো নহয় বৰঞ্চ ই আমাৰ অপকাৰ কৰোঁতাজনৰ বাবেও ভাল কাম কৰাটো বুজায়। ইয়াৰ অর্থ এইটো নহয় যে দুষ্ট কাম কৰোঁতাৰ ইচ্ছাৰ প্রতি মৃদুভাৱে আত্মসমর্পণ কৰা বা বেয়া কাম কৰাৰ ক্ষেত্রত তেওঁৰ সৈতে সহযোগিতা কৰা। অহিংস সত্যাগ্রহ সক্রিয় আৰু ফলপ্রসূ। মানৱ সংঘাতৰ প্রতি গান্ধীৰ দৃষ্টিভংগী এজন বিৰোধীৰ হৃদয় ৰূপান্তৰিত কৰাৰ তেওঁৰ বিশ্বাসৰ ওপৰত আধাৰিত। প্রতিপক্ষই সত্যাগ্রহীৰ ওপৰত শাৰীৰিক বল প্রয়োগ কৰিব পাৰে কিন্তু সহ্য শক্তিৰ জৰিয়তে সকলো দমন অতিক্রম কৰিব লাগে। নির্যাতনকাৰীৰ শক্তিৰ বিৰুদ্ধে

প্রয়োগ কৰা আত্মিক শক্তিৰ জৰিয়তে এয়া সম্ভৱ হয়।

সত্যাগ্রহ নিঃসন্দেহে সংঘাতৰ পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ এক শক্তিশালী অস্ত্ৰ। সত্যাগ্রহৰ কৌশল হৈচে সত্য, প্রেম আৰু অহিংসাৰ ওপৰত আধাৰিত এক কার্য্য যাক যিকোনো ধৰণৰ সংঘাত সমাধানত ৰূপায়ণ কৰিব পাৰি। সত্যাগ্রহৰ গান্ধীবাদী দর্শনে শান্তিৰ এক আধ্যাত্মিক ধাৰণাক স্পষ্ট কৰে। সত্যাগ্রহক এক ইতিবাচক শান্তি নির্মাণৰ কৌশল হিচাপে ব্যাখ্যা কৰা হৈছে, যাৰ লক্ষ্য হৈছে সকলোৰে বাবে কল্যাণ কৰা। সংঘাতপূর্ণ পৰিস্থিতিত সত্যাগ্রহ হৈছে সত্যাগ্রহীয়ে অনুসৰণ কৰা উপায়। সংঘাতৰ সমাধানৰ বাবে সত্যাগ্রহ কৰোঁতে কোনো ধৰণৰ ভাবুকি, বলপূর্বক ব্যৱহাৰ কৰা নহয়। প্রত্যক্ষ আন্দোলনমূলক কার্যসুচীৰ কৌশল হৈছে অসহযোগ, যি ব্যক্তিৰ প্রতি নহয়, বৰং দুষ্টতাৰ প্রতি নির্দেশিত হ'ব লাগে। অসহযোগৰ পদ্ধতিৰ ভিতৰত আছে হৰতাল, বয়কট, আৰু উপবাস কাৰণ সত্যাগ্রহে বিৰোধীক আহ্বান জনোৱা প্রক্রিয়াৰ দ্বাৰা বিবাদ সমাধান কৰাৰ চেষ্টা কৰে, সকলো প্রকাৰৰ হিংসা সম্পূর্ণৰূপে পৰিহাৰ কৰা সকলোৰে প্রতি প্রেমৰ বার্তা প্রদান কৰা। ইয়াৰ আঁৰৰ ধাৰণাটো প্রতিপক্ষক ধ্বংস কৰা নহয়, বৰঞ্চ সহানুভূতি, ধৈর্য্য আৰু আত্ম-কষ্টৰ দ্বাৰা এজনক ৰূপান্তৰ কৰা।

সেয়েহে, গান্ধীয়ে আলোচনা কৰা আৰু ব্যৱহাৰ কৰা সত্যাগ্রহক কমেও দুটা স্তৰত বুজিব পাৰি। প্রথমতে, ই যিকোনো পৰিস্থিতিৰ সৈতে জড়িত ব্যক্তিসকলৰ দৃষ্টিকোণৰ পৰা সেই পৰিস্থিতি বুজাপৰা কৰাৰ প্রক্রিয়াক বুজায়। দ্বিতীয়তে, সত্যাগ্রহক এক প্রক্রিয়া হিচাপে আনুবাদ কৰিব পাৰি যি হৈছে সত্যৰ বাবে নিৰন্তৰ অনুসন্ধান আৰু অহিংসভাৱে সত্যত উপনীত হোৱাৰ সংকল্প। গান্ধীৰ বাবে, এজন সত্যাগ্রহীয়ে প্রেম আৰু শান্তিৰ মনোভাৱেৰে অহিংসাৰ জৰিয়তে সত্য বিচাৰিবলৈ এক সঠিক অর্ন্তদৃষ্টি প্রাপ্ত কৰে ইয়াৰ জৰিয়তে নিখুঁত ধৰণে সত্যৰ মুখামুখি হয়। অধিক দার্শনিক পৰিভাষাত, ই হৈছে আত্মা-শক্তিৰ বিজয় য'ত লক্ষ্য হৈছে সম্প্রীতিৰ জৰিয়তে সকলোৰে বাবে লাভ অর্জন কৰা আৰু সমাজত শান্তি বজাই ৰখা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ গান্ধীক মৰমেৰে দেশবাসীয়ে 'বাপু' বুলি কয়। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ৬ ঃ ভাৰতত প্রথম কেতিয়া আৰু ক'ত সত্যাগ্রহ কৰা হৈছিল?

.....

প্রশ্ন নং ৭ ঃ ..... গান্ধীক 'মহাত্মা' বুলি কৈছিল (খালী ঠাই পূৰণ কৰক)

প্রশ্ন নং ৮ ঃ সত্যাগ্রহৰ যিকোনো দুটা বৈশিষ্ট্য উল্লেখ কৰক

.....

৫.৫ শান্তিৰ ওপৰত গান্ধীৰ দৃষ্টিভংগী

শান্তি শব্দটো বিভিন্ন ধৰণে সংজ্ঞায়িত কৰা হৈছে আৰু এনেদৰে শান্তিৰ বিভিন্ন অর্থ আছে যিবোৰ ব্যৱহাৰৰ প্রসংগ অনুসৰি পৃথক। ঐতিহাসিকভাৱে, শান্তি শব্দটো মূলতঃ যুদ্ধৰ অনুপস্থিতি হিচাপে সংজ্ঞায়িত কৰা হৈছিল। ইয়াক 'নেতিবাচক শান্তি' বোলা হয়। সময়ৰ লগে লগে দেখা গৈছে যে, নেতিবাচক শান্তিৰ সংজ্ঞা শান্তিৰ সঠিক অর্থ বুলিবলৈ পর্যাপ্ত নাছিল। সেয়েহে, পণ্ডিতসকলে শান্তিৰ আন এটা সংজ্ঞা দাঙি ধৰিছিল যাক তেওঁলোকে 'ইতিবাচক শান্তি' বুলি অভিহিত কৰিছিল। দেখা গৈছে যে ১৯৫০ চনৰ পৰা শান্তি অধ্যয়নত নেতিবাচক আৰু ইতিবাচক শান্তিৰ মাজৰ বিভাজন উদ্ভৱ হৈছিল। ইতিবাচক শান্তি নিঃস্বার্থতা আৰু মানৰ সমাজত সহযোগিতা আৰু একত্রীকৰণৰ এক আর্হি হিচাপে সংজ্ঞায়িত কৰা হৈছে। ইয়াৰ লক্ষ্য হৈছে এক শান্তিপূর্ণ বিশ্ব প্রতিষ্ঠা কৰা য'ত যুদ্ধৰ অৱসান ঘটায়। বিশ্বৰ জনসাধাৰণ এটা পৰিয়াল হিচাপে একেলগে থকাৰ কথা কয়।

গান্ধীৰ শান্তিৰ তত্ত্বত মানৰীয় মূল্যবোধ যথেষ্ট গুৰুত্ব লাভ কৰে। অহিংসা হৈছে এক জীৱনশৈলী, আৰু সত্যৰ সন্ধান (সত্যাগ্র) গান্ধীবাদী শান্তিৰ মূল নীতি। সত্যাগ্রহে শাৰীৰিক হিংসাক বাদ দিয়ে সহানুভূতিৰ ধাৰণাৰে সমাজখন বান্ধি লয়। সকলোৰে কল্যাণৰ ধাৰণা (সর্বোদয়) হৈছে গান্ধীবাদী শান্তিৰ এক মূল উপাদান। শান্তিক এক অবিৰত প্রক্রিয়া হিচাপে গণ্য কৰা হয়। গান্ধীয়ে বিশ্বাস কৰিছিল যে সমস্যাবোৰৰ নৈতিক সমাধানে এক শান্তিপূর্ণ সমাজ গঢ়ি তুলিব পাৰে। শান্তিৰ ওপৰত গান্ধীৰ দৃষ্টিভংগীৰ পৰা আমি বুজিব পাৰোঁ যে তেওঁ প্রাথমিকভাৱে ইতিবাচক শান্তি সৈতে জড়িত আছিল। আধুনিক বিশ্বত শান্তিৰ প্রতি গান্ধীবাদী দৃষ্টিভংগীৰ প্রাসংগিকতাক কেইবাজনো পণ্ডিত আৰু ৰাজনৈতিক নেতাৰ দ্বাৰা সমর্থন কৰা হৈছে। মার্টিন লুথাৰ কিঙে আমেৰিকা যুক্তৰাষ্ট্রত বর্ণগত বৈষম্যৰ বিৰুদ্ধে, ম্যানমাৰত আং চান ছুইকিই সামৰিকবাদৰ বিৰুদ্ধে, দালাই লামাই চীনে তিব্বত অবৈধভাৱে দখল কৰাৰ বিৰুদ্ধে আৰু ভাৰতত আন কেইবাটাও আন্দোলন যেনে— চিপকো আন্দোলন, নর্মদা বচাও আন্দোলন ইত্যাদিত তেওঁলোকে শান্তিৰ গান্ধীবাদী ধাৰণাসমূহ ব্যৱহাৰ কৰিছিল। এইবোৰ হৈছে গান্ধীবাদী শান্তিৰ ওপৰত আধাৰিত আন্দোলনৰ উদাহৰণ।

গান্ধীৰ বাবে, শান্তি হৈছে এক ইতিবাচক আৰু গঠনমূলক ব্যৱস্থাৰ অৱস্থা য'ত ব্যক্তি আৰু ৰাষ্ট্রই ইজনে সিজনক শোষণ বা আধিপত্য নকৰি, সহযোগিতা আৰু পাৰস্পৰিক সহায়ত বাস কৰে। শান্তি সদায়েই এক ইতিবাচক পৰিস্থিতি য'ত মানুহে ইজনে সিজনৰ বিৰুদ্ধে হিংসাত্মক উপায় ব্যৱহাৰ কৰাৰ পৰিবর্তে তেওঁলোকৰ মতানৈক্য শান্তিপূর্ণভাৱে সমাধান কৰিব পাৰে।

অৱশ্যে, গান্ধীৰ দর্শনক অবাস্তৱ, পলায়নবাদী, নেতিবাচক আৰু সম্পূর্ণৰূপে অপ্রাসঙ্গিক বুলি বর্ণনা কৰি বহু পণ্ডিতে শান্তিৰ গান্ধীবাদী ধাৰণাসমূহক সমালোচনা কৰিছে। আনকি গান্ধীৰ কিছুমান প্রশংসকে কৈছিল যে তেওঁৰ ধাৰণাসমূহ সীমিত আৰু একবিংশ শতিকাৰ বাবে ইয়াৰ বেছি প্রাসংগিকতা নাথাকিবও পাৰে। এই সমালোচনাসমূহৰ স্বত্বেও গান্ধীবাদী ধাৰণাসমূহৰ

প্রতি সমর্থন অব্যাহত আছে। উদাহৰণস্বৰূপে ডগলাছ এলেনে যুক্তি দিয়ে যে ধর্মীয়, অর্থনৈতিক, পৰিৱেশগত, সামাজিক আৰু নৈতিক প্রত্যাহ্বানৰ এই যুগত অহিংসা, সত্যাগ্রহ, আন্তঃধর্মীয়, সংলাপ, ধর্মীয় নৈতিকতা আৰু সাম্প্রদায়িক একতাৰ দর্শন আদি গান্ধীবাদী ধাৰণাসমূহ গ্রহণ কৰাটো প্রয়োজন।

৫.৬ ৰাষ্ট্ৰৰ প্রকৃতিৰ গান্ধীৰ দৃষ্টিভংগী

গান্ধীৰ ৰাজনৈতিক দর্শনত ৰাষ্ট্রখনৰ প্রকৃতিৰ এক সম্পূর্ণ পৃথক ৰূপৰেখা পোৱা যায়। এইটো সঁচা যে গান্ধী এগৰাকী নৈৰাজ্যবাদী আছিল যি ৰাষ্ট্র প্রতিষ্ঠানত বিশ্বাস নকৰিছিল। তেওঁৰ অভিমত আছিল যে ৰাষ্ট্র হৈছে এক শক্তিৰ প্রতিষ্ঠান আৰু এক প্রয়োজনীয় অশুভ অনুষ্ঠান।

- **গান্ধীবাদী দৃষ্টিভংগীৰ মৌলিক গাঁথনি ঃ** গান্ধীয়ে ৰাষ্ট্রৰ সৈতে সম্পর্কিত কোনো তত্ব আগবঢ়োৱা নাছিল, কিন্তু তেওঁ নিজৰ প্রকৃত অভিজ্ঞতাৰ পৰা আন্তৰিকতাৰে অনুভৱ কৰিছিল যে ৰাষ্ট্রখন আধ্যাত্মিক, ধর্মীয় আৰু মানৱীয় মূল্যবোধৰ বিৰুদ্ধে আছিল। সেয়েহে, তেওঁ প্রকৃত অভিজ্ঞতাৰ ওপৰত আধাৰিত এক ৰাজনৈতিক দর্শন আগবঢ়াইছিল য'ত তেওঁ ঘোষণা কৰিছিল যে ৰাষ্ট্র শক্তিৰ ওপৰত আধাৰিত। ইয়াৰ অর্থ হ'ল যে ৰাষ্ট্র শক্তি আৰু প্রভুত্বৰ ওপৰত আধাৰিত এক সংগঠন।
- **এক নৈতিক ৰাষ্ট্ৰৰ দৃষ্টিভংগী ঃ** গান্ধীয়ে বিশ্বাস কৰিছিল যে ৰাষ্ট্রৰ এক নৈতিক মাত্রা থাকিব লাগে কিন্তু বাস্তৱত ই হিংসা আৰু বল প্রয়োগৰ ওপৰত আধাৰিত। গান্ধীৰ দৃষ্টিভংগী আছিল যে য'তেই হিংসা হ'ব, তাত সাধাৰণ মানুহৰ ওপৰত তীব্র শোষণ আৰু নির্যাতন হ'ব। হিংসাত্মক ৰাষ্ট্রক নাকচ কৰি গান্ধীয়ে এক নৈতিক ৰাষ্ট্রৰ ভেটি গঢ়ি তুলিব বিচাৰিছিল।
- **ৰাষ্ট্র এক প্রয়োজনীয় অশুভ অনুষ্ঠান ঃ** ৰাষ্ট্রৰ গান্ধীবাদী দৃষ্টিকোণত, ৰাষ্ট্রক এক প্রয়োজনীয় অশুভ অনুষ্ঠান হিচাপে বিবেচনা কৰা হয়। গান্ধীয়ে হিংসাত্মক কার্যকলাপৰ জৰিয়তে ৰাষ্ট্রখন নির্মূল কৰাৰ পোষকতা কৰা নাছিল। তেওঁৰ অভিমত আছিল যে ৰাষ্ট্রখনে নূন্যতম সুৰক্ষামূলক কার্য্য সম্পাদন কৰিব। গান্ধীয়ে ৰাষ্ট্রখনক ৰাম ৰাজ্য বা কল্যাণমূলক ৰাজ্য হিচাপে গঢ়ি তোলাৰ পক্ষত আছিল। ৰাম ৰাজ্যত অহিংসাৰ নীতি আৰু জনসাধাৰণাৰ স্বাধীনতাৰ সম্পূর্ণ আধিপত্য থাকিব।
- **স্বেচ্ছামূলক সহযোগিতা ঃ** ৰাষ্ট্রখনৰ প্রতি তেওঁৰ দৃষ্টিভংগীৰ এক প্রধান উপাদান হিচাপে গান্ধীয়ে স্বেচ্ছামূলক সহযোগিতাক অন্তর্ভুক্ত কৰিব বিচাৰিছিল। গান্ধীৰ অহিংস সমাজৰ দৃষ্টিভংগী অনুসৰি গাঁৱত বাস কৰা গোট থাকিব। এই গোটবোৰে ইজনে সিজনক স্বেচ্ছামূলক সহযোগিতা আগবঢ়াব। ই এক আত্ম-নিয়ন্ত্রণকাৰী সমাজ হ'ব। ইয়াক সমতা, ন্যায়, অহিংসা আদিৰ দ্বাৰা চিহ্নিত কৰা হ'ব। আৰু এখন গণতান্ত্রিক চৰকাৰ গঠন হ'ব যি সকলো ধৰণৰ শোষণৰ পৰা মুক্ত হ'ব আৰু মানুহৰ আভ্যন্তৰীণ স্বাধীনতাৰ ওপৰত সম্পূর্ণ গুৰুত্ব দিব।

- **ক্ষমতাৰ বিকেন্দ্রীকৰণ ঃ** গান্ধীয়ে সদায় তেনে ৰাষ্ট্রৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল যি ক্ষমতাৰ বিকেন্দ্রীকৰণৰ পক্ষপাতী আছিল। সাধাৰণতে, ৰাষ্ট্রখনে সদায় কেন্দ্রীভূত ক্ষমতাৰ পক্ষপাতী হয় যাৰ দ্বাৰা ৰাষ্ট্রখনে কোনো পক্ষৰ পৰা কোনো প্রতিৰোধ অবিহনে নিজৰ ক্ষমতা প্রয়োগ কৰিব পাৰে। তদুপৰি, এই ব্যৱস্থাত জনসাধাৰণৰ স্বাধীনতাও ফলপ্রসূভাৱে প্রয়োগ কৰা হয়। এক অ-কেন্দ্রীভূত সমাজৰ গান্ধীবাদী ব্যৱস্থাত, পঞ্চায়তী ৰাজ প্রতিষ্ঠানসমূহে তৃণমূল পর্যায়ৰ কার্যকলাপ সম্পাদন কৰিব যি এক নিঁখুত অ-কেন্দ্রীভূত ব্যৱস্থাৰ দিশে লৈ যাব।
- **ৰাষ্ট্র স্বয়ং শেষ লক্ষ্য নহয় ঃ** গান্ধীবাদী দৃষ্টিকোণত ৰাষ্ট্র ৰাষ্ট্র স্বয়ং শেষ লক্ষ্য নহয়। ইয়াৰ অর্থ হৈছে ৰাষ্ট্রৰ কর্মৰাজীৰ ভিতৰত জনসাধাৰণৰ কল্যাণ নিশ্চিত কৰিব পৰা অন্যতম লক্ষ্য। কিন্তু ৰাষ্ট্রখনৰ অন্তর্নিহিত সীমাবদ্ধতাৰ বাবেই ই আকাংক্ষিত লক্ষ্যসমূহ প্রাপ্ত কৰাত ব্যর্থ হৈছিল। সেয়েহে, ৰাষ্ট্রখনৰ গান্ধীবাদী দৃষ্টিকোণত, ৰাষ্ট্রখনক সামগ্রিক স্বার্থৰ প্রচাৰৰ বাবে ব্যৱহাৰ কৰাৰ চেষ্টা কৰিব লাগে।
- **অহিংসাৰ নীতিৰ ব্যৱহাৰ ঃ** অহিংসাৰ সমর্থকসকলে বিশ্বাস কৰে যে অহিংসাই মানুহৰ মর্যদা আৰু স্বায়ত্তশাসন নিশ্চিত কৰে। সেয়েহে ইয়াক গান্ধীবাদী ৰাষ্ট্রত কাম কৰা এক নীতি হিচাপে গণ্য কৰা হয়।
- **ন্যাস ঃ** ৰাষ্ট্রৰ গান্ধীবাদী দৃষ্টিভংগীয়ে বিশ্বাস কৰে যে সম্পত্তিক এটা ন্যাসৰ দ্বাৰা নিয়ন্ত্রণ কৰা উচিত। কোনো ব্যক্তিয়ে নিজাববীয়াকৈ সম্পত্তিৰ অধিকাৰী হ'ব নালাগে। দৰাচলতে, সম্পত্তিক এক সামূহিক সত্তাৰ ৰূপত বিবেচনা কৰিব লাগে। এইটো উল্লেখ কৰিব পাৰি যে জনসাধাৰণৰ কল্যাণ নিশ্চিত কৰিবলৈ সম্পত্তিৰ এই ন্যাস ব্যৱহাৰ কৰা হ'ব।
- **গাঁও আৰু কুটিৰ উদ্যোগৰ ওপৰত গুৰুত্ব ঃ** গান্ধীয়ে জনসাধাৰণৰ কল্যাণ নিশ্চিত কৰিবলৈ গাঁও আৰু কুটিৰ উদ্যোগৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। যদি অর্থনীতিত বৃহৎ উদ্যোগৰ আধিপত্য থাকে, তেন্তে জনসাধাৰণ অর্থনৈতিক ব্যৱস্থাৰ পৰা বিচ্ছিন্ন হৈ পৰিব। গান্ধী আত্মবিশ্বাসী আছিল যে কেৱল গ্রাম্য অর্থনীতিৰ জৰিয়তেহে আত্মনির্ভৰশীলতা গঢ়ি তুলিব পাৰি। সেয়েহে, ৰাষ্ট্রখনৰ গান্ধীবাদী দৃষ্টিকোণত সাধাৰণ লোকসকলক অর্থনৈতিক কার্যকলাপত সক্রিয়ভাৱে জড়িত কৰিব লাগিব।
- **ৰাষ্ট্রৰ সম্পূর্ণ সার্বভৌমত্বৰ বিৰোধিতা ঃ** গান্ধীয়ে ৰাষ্ট্রৰ সম্পূর্ণ সার্বভৌমত্বৰ তত্ত্বৰ বিৰোধিতা কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে চূড়ান্ত সার্বভৌমত্ব জনসাধাৰণৰ ওপৰত ন্যস্ত। গান্ধীয় জনপ্রিয় সার্বভৌমত্বৰ পক্ষত আছিল। তদুপৰি গান্ধীৰ দৃষ্টিভংগীৰ ৰাম ৰাজ্যৰ ধাৰণাটোৱেও ৰাজনীতিত জনসাধাৰণৰ শক্তিৰ ইংগিত দিয়ে।
- **ৰাজনীতি আৰু নৈতিকতা ঃ** এজন নৈতিক দার্শনিক হিচাপে গান্ধীয়ে সদায় নৈতিকতাক ৰাজনীতিকে ধৰি সকলো মানৱ অচৰণৰ পথ প্রদর্শক নীতি হিচাপে গণ্য কৰিছল। গান্ধীৰ নৈতিকতা সকলো ধর্মৰ নেতিক শিক্ষাৰ ওপৰত আধাৰিত আছিল। তেওঁ ৰাজনৈতিক আধ্যাত্মিকতাৰ ওপৰত দৃঢ় বিশ্বাস প্রকাশ কৰিছিল। ৰাজনীতি সর্বোচ্চ নৈতিক আৰু

আধ্যাত্মিক নীতিৰ ওপৰত আধাৰিত হ'ব লাগে। অন্য অর্থত ক'বলৈ গ'লে, ৰাজনীতি উচ্চ নৈতিক মানদণ্ডৰ দ্বাৰা পৰিচালিত হ'ব লাগে, অভিজ্ঞ বিবেচনাৰ দ্বাৰা নহয়।

- **অস্পৃশ্যসকলৰ বাবে বিশেষ মর্যাদা ঃ** ৰাষ্ট্ৰখনৰ গান্ধীবাদী দৃষ্টিকোণত তথাকথিত অস্পৃশ্যসকলৰ বাবে এক বিশেষ মর্যদা থাকিব। গান্ধীয়ে লক্ষ্য কৰিছিল যে হিন্দু সমাজত হৰিজনসকলক অস্পৃশ্য বুলি গণ্য কৰা হৈছিল আৰু তেওঁলোকক অতি নিকৃষ্ট সামাজিক মর্যদা প্রদান কৰা হৈছিল। কিন্তু এই ব্যৱস্থাৰ বিপৰীতে গান্ধীয়ে নিপীড়িত শ্রেণীৰ উত্থানৰ বাবে বিশেষ ব্যৱস্থা কৰিছিল।



জানি থোৱা ভাল

- 'সত্য' শব্দটো এটা সংস্কৃত শব্দ।
- 'শান্তি' শব্দটো মূল লেটিন শব্দ 'পেক্স'ৰ পৰা উদ্ভৱ হৈছে যুদ্ধ শেষ কৰাৰ বা জনসাধাৰণৰ মাজত যিকোনো বিবাদ আৰু সংঘাত শেষ কৰাৰ চুক্তি।
- 'ৰাম ৰাজ্য' শব্দটোৱে ঈশ্বৰৰ ৰাজ্য বুজায়। ইয়াত গান্ধীয়ে সত্য আৰু ধার্মিকতাক একমাত্র ঈশ্বৰ বুলি স্বীকাৰ কৰিছিল।
- 'দ্য ষ্ট'ৰী অৱ মাই এক্সপেৰিমেন্টছ উইথ ট্রুথ' (মোৰ সত্য অন্বেষণৰ কাহিনী) হৈছে গান্ধীজীৰ আত্মজীৱনী। ইয়াক গুজৰাটী ভাষাত লিখা হৈছিল আৰু ১৯২৫-১৯২৯ চনৰ ভিতৰত নৱজীবন আলোচনীত প্রকাশিত হৈছিল। ইয়াৰ ইংৰাজী অনুবাদ আন এখন আলোচনী ইয়ং ইণ্ডিয়াত প্রকাশ পাইছিল।
- হৰিজন হৈছে গুজৰাটী কবি-সাধু নৰসিংহ মেহতাৰ দ্বাৰা উদ্ভাৱন কৰা এটা শব্দ কিন্তু ইয়াক মহাত্মা গান্ধীয়ে দলিতসকলক উল্লেখ কৰি জনপ্রিয় কৰিছিল, যাক পৰম্পৰাগতভাৱে অস্পৃশ্য বুলি গণ্য কৰা হৈছিল।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৯ ঃ গান্ধীয়ে অস্পৃশ্যসকলক হৰিজন বুলি অভিহিত কৰিছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ১০ ঃ গান্ধীবাদী শান্তিৰ যিকোনো দুটা উৎস উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ১১ ঃ সর্বোদয়ৰ অর্থ হ'ল ..... (খালী ঠাই পূৰণ কৰক)

প্রশ্ন ১২ ঃ 'ৰাম ৰাজ্য' শব্দটোৰে কি বুজায়?

.....

.....

.....



৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মহাত্মা গান্ধীৰ জন্ম হৈছিল ১৮৬৯ চনৰ ২ অক্টোৱৰত গুজৰাটৰ পোৰবন্দৰত। তেওঁৰ সম্পূর্ণ নাম আছিল মোহনদাস কৰমচান্দ গান্ধী।
- ১৮৯৩-১৯১৪ চনলৈকে গান্ধীয়ে তেওঁৰ বছৰবোৰ দক্ষিণ আফ্রিকাত অতিবাহিত কৰিছিল। ১৯০৬ চনত তেওঁ দক্ষিণ আফ্রিকাত এছিয়াটিক অধ্যাদেশৰ বিৰুদ্ধে প্রথমবাৰৰ বাবে প্রতিবাদ কৰিছিল। ১৯০৮ চনত দক্ষিণ আফ্রিকাৰ জোহান্সবর্গত তেওঁ প্রথমবাৰৰ বাবে কাৰাগাৰলৈ গৈছিল।
- গান্ধীয়ে ১৯১৫ চনৰ ৯ জানুৱাৰীত ভাৰতলৈ উভতি আহিছিল আৰু ১৯১৭ চনৰ বিহাৰৰ চম্পাৰণৰ প্রতিবাদ আছিল তেওঁৰ প্রথম সত্যাগ্রহ। তেওঁ ইয়ং ইণ্ডিয়া আৰু নৱজীৱন নামৰ এখন সাপ্তাহিক বাতৰি কাকত প্রতিষ্ঠা কৰিছিল। হৰিজন (১৯৩৩) আছিল তেওঁৰ সাপ্তাহিক আলোচনী।
- গান্ধীয়ে সদায় ভাৰতত 'ৰাম ৰাজ্য' ৰ এক আদর্শ ৰাজ্য সৃষ্টি কৰিব বিচাৰিছিল। তেওঁ বলপূর্বক আৰু বল প্রয়োগেৰ ওপৰত আধাৰিত এক প্রতিষ্ঠান হিচাপে এখন ৰাষ্ট্রৰ বিৰোধিতা কৰিছিল।
- তেওঁ সদায় সমাজৰ প্রতিটো উদ্দেশ্য সুৰক্ষিত কৰাৰ বাবে সত্য, শান্তি আৰু অহিংসৰ পক্ষত থিয় দিছিল।
- তেওঁৰ চিন্তা আৰু কর্ম অহিংসা আৰু সত্যাগ্রহ নামৰ দুটা মূল স্তম্ভৰ ওপৰত আধাৰিত আছিল।
- গান্ধীয়ে কেতিয়াও শান্তিৰ ওপৰত কোনো তত্ত্ব আগবঢ়োৱা নাছিল। তেওঁ এগৰাকী আধ্যাত্মিক ব্যক্তি আছিল যি হিংসাৰ বিৰোধী আছিল আৰু সমাজত অহিংসা, শান্তি স্থাপন কৰিব বিচাৰিছিল।
- তেওঁ আত্মনির্ভৰশীল আৰু স্ব-নিয়ন্ত্রিত গ্রাম্য সম্প্রদায়ৰ ওপৰত আধাৰিত বল প্রয়োগ, শোষণৰ পৰা মুক্ত এখন সমাজ বিচাৰিছিল।
- অৱশ্যে গান্ধীবাদী ধাৰণাসমূহক বহুতো পণ্ডিতে সমালোচনা কৰিছে যিয়ে গান্ধীৰ দর্শনক অবাস্তৱ, পলায়নবাদী, নেতিবাচক আৰু সম্পূর্ণৰূপে অপ্রাসঙ্গিক বুলি বর্ণনা কৰিছে। আনকি গান্ধীৰ কিছুমান প্রশংসকে কৈছিল যে তেওঁৰ ধাৰণাসমূহ সীমিত আৰু একবিংশ

শতিকাৰ বাবে ইয়াৰ বেছি প্ৰাসংগিকতা নাথাকিবও পাৰে।

- সমালোচনাৰ স্বত্ত্বেও, এই দৰ্শনৰ নিজস্ব গুৰুত্ব আছে আৰু ইয়াত সামাজিক জীৱনৰ এক আধ্যাত্মিক আৰু নৈতিক দৃষ্টিভংগী জড়িত হৈ আছে।



৫.৮ অধিক জানিবলৈ

১) Bharati, K.S., (1995): Thoughts of Mahantma. Vol. 1, Nagpur: Dattsons.

২) Gandhi, Mohandas K., (1957): Non-Violence in Peace and War. Vol. II, Ahmadabad: Navajivan Publishing House.

৩) Gandhi, Mohandas K., (1938) : Indian Home Rule and Hind Swaraj. Ahmedabad : Navajivan Publishing House.

৪) Gandhi, Mohandas K., (1932) : From Yerabda Mandir. Ahmedabad: Jitendra T. Desai Navajivan Mudranalaya.

৫) Karriem, Razack, Peace, (2010) : Its Indices and Implications for Swaraj. Los Angeles : Sage Publication.

৬) Kochhar, Sangeeta, (2007) : My Life, My Words : Remembering Mahatma Gandhi. New delhi : Natraj Publishers.

৭) Narayanasamy, S., (2003) : The Sarvodaya Movement : Gandhian Approach to Peace and Non-violence. New Delhi: MIttal Publications.

৮) Parekh, Bhikhu, (1997): Gandhi: A Very Short Introduction. New Delhi: Oxford University Press.

৯) Parel, Antony J. (ed.), (2011): Gandhi, Freedom and Self-Rule. New Delhi: Vistaar Publication.

১০) Raghavan N. Iyer, (1973), The Moral and Political Thought of Mahatma Gandhi. Delhi: Oxford University Press.



৫.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ মোহনদাস কৰমচান্দ গান্ধীজী।

২ নং প্ৰশ্নৰ উত্তৰ ঃ পিতৃ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ৩০ জানুৱাৰী, ১৯৪৮।

৪ নং প্রশ্নৰ উত্তৰ ঃ 'অহিংসা' ৰ ধাৰণাটো গান্ধীৰ দ্বাৰা উদ্ভৱ হোৱা নাছিল, কিন্তু ৰাজনৈতিক উদ্দেশ্যৰ বাবে ইয়াক প্রয়োগ কৰা তেওঁ প্রথম ব্যক্তি আছিল। প্রত্যক্ষ গণ কার্য্যৰ এক কৌশল হিচাপে অহিংসাক ব্যৱহাৰ কৰিছিল। তেওঁয়েই ইয়াক এক সামাজিক আৰু কৌশল আৰু সকলো ধৰণৰ সংকট আৰু সমস্যাৰ সমাধানৰ অতি মানৱীয় পদ্ধতিলৈ ৰূপান্তৰিত কৰিছিল। গান্ধীৰ বাবে, সত্য আৰু অহিংসা অবিচ্ছেদ্য। গান্ধীৰ মতে, অহিংসা হৈছে মানৱজাতিৰ বাবে উপলব্ধ সর্বশ্রেষ্ঠ শক্তি। গান্ধীয়ে এই নীতি অনুসৰণ কৰিবলৈ প্রতিশ্রুতিবদ্ধ আছিল আৰু সেয়েহে, তেওঁ অহিংস পদক্ষেপৰ সহায়ত এই লক্ষ্য প্রাপ্ত কৰাৰ বাবে সকলো সম্ভৱ প্রচেষ্টা চলাইছিল। সেয়েহে তেওঁ বিশ্বাস কৰে যে অহিংসাই মানুহৰ মর্যাদা আৰু স্বায়ত্তশাসন নিশ্চিত কৰে আৰু মানুহে ইয়াক অনুশীলন কৰা উচিত আৰু শান্তিপূর্ণ সমাজ গঢ়ি তোলাত সহায় কৰা সকলো সামাজিক কু-আচৰণৰ বিৰুদ্ধে এক নিৰাময় হিচাপে ইয়াক নির্ধাৰণ কৰা উচিত।

৫ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৬ নং প্রশ্নৰ উত্তৰ ঃ ১৯১৭, চম্পাৰণত।

৭ নং প্রশ্নৰ উত্তৰ ঃ ৰবীন্দ্রনাথ ঠাকুৰ।

৮ নং প্রশ্নৰ উত্তৰ ঃ (ক) গান্ধীৰ সত্যাগ্রহৰ লক্ষ্য হৈছে সত্যৰ সন্ধান কৰা। সত্য আৰু অহিংসা এই দুটা গুণ গান্ধীবাদী সত্যাগ্রহৰ মূল বিষয়। সত্যাগ্রহ হৈছে সত্যৰ বাবে এক নিৰন্তৰ অনুসন্ধান আৰু সত্যত উপনীত হোৱাৰ সংকল্প। গান্ধীৰ বাবে ই এটা নেতিবাচক শব্দ নহয়; ইয়াৰ অর্থ কেৱল কর্ম বা চিন্তাৰ দ্বাৰা জীৱিত প্রাণীক শাৰীৰিক আঘাত কৰাৰ পৰা বিৰত থকাটো নহয়।

(খ) গান্ধীৰ সত্যাগ্রহক কমেও দুটা স্তৰত বুজিব পাৰি, যিহেতু ই যিকোনো পৰিস্থিতিৰ সৈতে জড়িত ব্যক্তিসকলৰ সৈতে সকলো দৃষ্টিকোণৰ পৰা বুজাপৰা বিকশিত কৰাৰ প্রক্রিয়াক বুজায়। ইয়াক সত্যক প্রমাণ কৰাৰ এক প্রক্রিয়া হিচাপেও অনুবাদ কৰিব পাৰি যাৰ অর্থ হৈছে সত্যৰ বাবে নিৰন্তৰ অনুসন্ধান আৰু অহিংসভাৱে সত্যত উপনীত হোৱাৰ সংকল্প।

৯ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

১০ নং প্রশ্নৰ উত্তৰ ঃ (ক) শান্তিৰ গান্ধীবাদী দৃষ্টিভংগী বিভিন্ন উৎস আৰু পৰম্পৰাৰ পৰা ধাৰণা কৰা হৈছে য'ত হেনৰী থোৰো, লিও টলষ্টয়ৰ লিখনি আৰু ললগতে (খ) হিন্দু ধর্ম, জৈন ধর্ম আৰুৰ খ্রীষ্টান ধর্মৰ দার্শনিক পৰম্পৰা অন্তর্ভুক্ত আছে।

১১ নং প্রশ্নৰ উত্তৰ ঃ সকলোৰে উন্নতি।

১২ নং প্রশ্নৰ উত্তৰ ঃ 'ৰাম ৰাজ্য' শব্দটোৱে ঈশ্বৰৰ ৰাজ্য বুজায়। ইয়াত গান্ধীয়ে সমাজৰ সকলোৰে বাবে সমতাৰ উপস্থিতিৰ সৈতে সত্য আৰু ধার্মিকতাক একমাত্র ঈশ্বৰ বুলি স্বীকাৰ কৰিছিল।



৫.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ গান্ধীৰ জন্ম কোন স্থানত হৈছিল?

প্ৰশ্ন ২ ঃ গান্ধী কেতিয়া ভাৰতলৈ উভতি আহিছিল?

প্ৰশ্ন ৩ ঃ কোনটো যুগক 'গান্ধীৰ যুগ' বুলি গণ্য কৰা হৈছিল?

প্ৰশ্ন ৪ ঃ গান্ধীৰ শেষ কথা কি আছিল?

প্ৰশ্ন ৫ ঃ গান্ধীয়ে স্বৰাজ বুলি কি বুজাব বিচাৰিছিল?

প্ৰশ্ন ৬ ঃ (ক) সত্য (খ) অহিংসাৰ ওপৰত চমু টোকা লিখক।

প্ৰশ্ন ৭ ঃ গান্ধীয়ে খাদীক অৰ্থনৈতিক স্বাধীনতাৰ প্ৰতীক বুলি গণ্য কৰিছিল — বুজাই দিয়ক।

প্ৰশ্ন ৮ ঃ 'হৰিজন' ধাৰণাটোৰ ওপৰত এটা টোকা লিখক।

প্ৰশ্ন ৯ ঃ ৰাষ্ট্ৰৰ গান্ধীবাদী দৃষ্টিভংগীৰ ওপৰত এটা টোকা লিখক?

প্ৰশ্ন ১০ ঃ সত্যগ্ৰহৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৬ঃ জৱাহৰলাল নেহৰু

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ নেহৰু ঃ এটি চমু পৰিচয়

৬.৪ নেহৰুৰ ভাবধাৰা

৬.৪.১ জাতীয়তাবাদৰ বিষয়ে নেহৰুৰ মতামত

৬.৪.২ গণতন্ত্ৰৰ বিষয়ে নেহৰুৰ মতামত

৬.৪.৩ আন্তর্জাতিকতাবাদৰ বিষয়ে নেহৰুৰ ধাৰণা

৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৬ অধিক জানিবলৈ

৬.৭ অগ্রগতিৰ খতিয়ান

৬.৮ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- নেহৰুৰ ৰাজনৈতিক চিন্তাৰ দাৰ্শনিক ভেটি সম্পৰ্কে আলোচনা কৰিব পাৰিব
- নেহৰুৰ ৰাজনৈতিক ভাবনা আৰু আদৰ্শৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- আধুনিক চিন্তাবিদ হিচাপে নেহৰুৰ বিশ্লেষণ আগবঢ়াব পাৰিব।

৬.২ পৰিচয়

ভাৰতৰ স্বাধীনতা সংগ্রামৰ অন্যতম শ্রেষ্ঠ নেতা আছিল জৱাহৰলাল নেহৰু। ভাৰতীয় ৰাজনৈতিক চিন্তাধাৰাৰ বিকাশৰ দিশত তেওঁ বহুখিনি অৱদান আগবঢ়াইছিল। বিভিন্ন বিষয়ত তেওঁৰ মতামত আৰু ধাৰণাই ভাৰতৰ ৰাজনৈতিক জগত বাৰুকৈয়ে প্রভাৱান্বিত কৰিছিল। এই অধ্যায়ৰ সহায়ত ভাৰতৰ স্বাধীনতা সংগ্রামত নেহৰুৰ ভূমিকাকে ধৰি তেওঁৰ বিভিন্ন মতাদর্শৰ বিষয়ে জানিব পাৰিব।

৬.৩ নেহৰু ঃ এটি চমু পৰিচয়

জৱাহৰলাল নেহৰুৰ জন্ম হৈছিল এলাহাবাদত (বর্তমান ইয়াক প্রয়াগৰাজ বুলি জনা যায়) এজন অভিজাত আৰু পশ্চিমীয়া ধ্যান-ধাৰণাৰে পুষ্ট ব্রাহ্মণ অধিবক্তা মতিলাল নেহৰুৰ ঘৰত ১৮৮৯ চনৰ ১৪ নৱেম্বৰত। নেহৰুৱে বিশ্বৰ কেইখনমান শ্রেষ্ঠ বিদ্যালয় আৰু বিশ্ববিদ্যালয়ত

শিক্ষা লাভ কৰিছিল। তেওঁৰ পোন্ধৰ বছৰ বয়সত তেওঁক তেওঁৰ পিতৃ-মাতৃয়ে ইংলণ্ডলৈ লৈ যায় আৰু তাত তেওঁ হেৰ'ত (Harrow) অধ্যয়ন আৰম্ভ কৰে। ১৯০৭ চনত তেওঁ কেম্ব্রিজৰ ত্রিনিটি কলেজত যোগদান কৰে।

ইংলণ্ডত থকা প্রায় সাত বছৰকাল ব্রিটিছ মানৱতাবাদী উদাৰতাবাদৰ পৰম্পৰাই তেওঁক আত্মাভিভূত কৰিছিল। তেওঁ মিল, মর্লে আৰু গ্লেডষ্টোনৰ দার্শনিক নীতি সমর্থন কৰিছিল। বার্ণার্ড শ্ব' আৰু বার্টাণ্ড ৰাছেলৰ লেখনিয়ে নেহৰুৰ ওপৰত যথেষ্ট প্রভাৱ বিস্তাৰ কৰিছিল । নেহৰু আছিল এজন ভাৱবাদী ব্যক্তি। বিদ্যায়তনিক অর্থত তেওঁ ৰাজনৈতিক দার্শনিক নাছিল। ভাৰতৰ স্বাধীনতা সংগ্রামৰ সফল পৰিসমাপ্তি ঘটোৱা অন্যতম প্রধান ব্যক্তিত্ব আছিল। তেওঁ ভাৰতৰ স্বাধীনতা আন্দোলনৰ এক অপ্রতিৰোধ্য সংগ্রামী আছিল যি সমাজবাদ, পূর্ণ স্বাধীনতা আৰু ভাৰতীয় সংবিধান সভাৰ গঠনৰ আঁৰত থকা পুৰোধা ব্যক্তি আছিল। জৱাহৰলালৰ আত্মজীৱনী আৰু তেওঁৰ 'A Bunch of Old Letters' গ্রন্থখনত তেওঁৰ পিতৃৰ প্রতি থকা গভীৰ আৰু দৃঢ় আকর্ষণ প্রকাশ পাইছিল। তেওঁৰ বাবে মতিলাল নেহৰু বৈভৱৰ প্রতীক যি জীৱনৰ তুচ্চতাপূর্ণ দিশবোৰৰ পৰা বহু উর্দ্ধত অৱস্থান কৰে।

শ্রীমতী এনি বেছান্ত আৰু তিলকৰ দ্বাৰা প্রতিষ্ঠিত হোমৰুল লীগৰ সতে জড়িত হোৱাৰ পৰাই জৱাহৰলাল নেহৰুৰ ৰাজনৈতিক কাম কাজ আৰম্ভ হৈছিল। বিংশ দশকৰ শেষৰ ফালে নেহৰুৰ উল্লেখনীয় অৱদান আছিল ভাৰতৰ সম্পূর্ণ স্বাধীনতাৰ বাবে তেওঁৰ স্থিতি। মহাত্মা গান্ধীৰ আশীষত নেহৰুৱে লাহোৰত ভাৰতীয় জাতীয় কংগ্রেছৰ সভাপতি হয় য'ত ১৯২৯ চনৰ ৩১ ডিচেম্বৰৰ মাজনিশা ঐতিহাসিক স্বাধীনতাৰ প্রস্তাৱ গৃহীত হয়। ১৯৩৬, ১৯৩৭ আৰু ১৯৪৬ চনত তেওঁ পুনৰ কংগ্রেছৰ সভাপতি হয়।

ভাৰতীয় ইতিহাস আৰু ভাৰতীয় ৰাজনৈতিক চিন্তাধাৰাত শিক্ষাৰ ক্ষেত্রখনলৈ নেহৰুৰ উল্লেখনীয় অৱদান আছিল Glimpses of World History , An Autobiography আৰু The Discovery of India। আধুনিক ভাৰত গঢ়াত তেওঁ গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। তেওঁ ভাৰতৰ প্রথম গৰাকী প্রধানমন্ত্রী আছিল।

৬.৪ নেহৰুৰ ভাবধাৰা

৬.৪.১ জাতীয়তাবাদৰ বিষয়ে নেহৰুৰ মতামত

নেহৰুৱে জাতীয়তাবাদৰ কোনো নতুন তত্ত্ব আগবঢ়োৱা নাছিল। তেওঁৰ "ভাৰত ঐক্য" (Unity of India) প্রৱন্ধত সেই কথা প্রকাশিত হৈছে। তেওঁ ভাৰতৰ মৌলিক ঐক্যৰ বস্তুনিষ্ঠতাত বিশ্বাস কৰিছিল। তেওঁৰ মতামত আছিল যে বিভিন্ন বৈচিত্র্যৰ মাজতো ভাৰতীয় শিৰত এক ঐক্য প্রচলিত হৈ আছে। সাংস্কৃতিক বহুত্ববাদ আৰু সংশ্লেষণৰ ধাৰণাৰেও তেওঁ প্রভাৱিত আৰু অনুপ্রাণিত হৈছিল। তেওঁৰ বাবে জাতীয়তাবাদ আছিল আত্মবৃদ্ধিৰ এক পর্যায়। তেওঁ আত্মনিয়ন্ত্রণৰ ধাৰণাত দৃঢ় বিশ্বাসী

আছিল। তেওঁ লিখিছে - " জাতীয়তাবাদ মূলতঃ অতীতৰ সাফল্য, পৰম্পৰা আৰু অভিজ্ঞতাৰ এক গোষ্ঠীগত স্মৃতি আৰু জাতীয়তাবাদ আজি আগৰ তুলনাত অধিক শক্তিশালী। যেতিয়াই সংকটৰ সৃষ্টি হৈছে, তেতিয়াই জাতীয়তাবাদ পুনৰ উত্থিত হয় আৰু দৃশ্যপট আৰু মানুহৰ ওপৰত আধিপত্য বিস্তাৰ কৰে। বৰ্তমান যুগৰ অন্যতম উল্লেখযোগ্য বিকাশ হৈছে অতীত আৰু জাতিটোৰ পুনৰ আৱিষ্কাৰ। (The Discovery of India, পৃ: ৪৫৫)

ভাৰতীয় সংবিধান গঠনৰ বৈধ অংগ হিচাপে সাংবিধানিক সভাৰ ধাৰণাক জনপ্রিয় কৰি তোলাৰ দায়িত্ব জৱাহৰলাল নেহৰুৰ আছিল। লক্ষ্ণৌ কংগ্রেছত ৰাষ্ট্রপতিৰ ভাষণত নেহৰুৱে ১৯৩৬ চনৰ ১২ এপ্রিলত কৈছিল, 'আমাৰ ৰাজনৈতিক আৰু সাম্প্রদায়িক সমস্যাৰ একমাত্র সমাধান এনে এখন বিধানসভাৰ জড়িয়তে আহিব বুলি মই নিশ্চিত, যদিহে ইয়াক প্রাপ্তবয়স্ক গণভিত্তিত নির্বাচিত কৰা হয়। এই দেশত অন্ততঃ অর্ধবৈপ্লবিক পৰিস্থিতিৰ সৃষ্টি নোহোৱালৈকে সেই বিধানসভা অস্তিত্বত নাহে। ক্ষমতাৰ প্রকৃত সম্পর্ক কাগজৰ সংবিধানৰ বাহিৰেও জনসাধাৰণৰ ইচ্ছা অনুসৰি কার্যকৰী হ'ব।'

জাতীয়তাবাদ এনে এক বিষয় যিটোৰ ওপৰত ৰাজনৈতিক চিন্তাবিদ সকলে দীঘলীয়াকৈ আলোচনা কৰিছিল আৰু জাতীয়তাবাদৰ প্রতি থকা দৃষ্টিভংগীৰ উপস্থিতি স্পষ্টকৈ বিচাৰি পোৱা গৈছিল। কিন্তু জাতীয়তাবাদ আৰু ৰাজনীতিৰ ক্ষেত্রত ধর্মনিৰপেক্ষ দৃষ্টিভংগী গঢ়ি তোলা উচিত। তেওঁৰ ধর্মনিৰপেক্ষতা তেওঁৰ উদাৰ সাংস্কৃতিক লালন-পালনৰ পৰাই গঢ় লৈ উঠিছিল। তেওঁ বিভিন্ন ধর্মীয় গোটৰ মাজত ঐক্যৰ প্ররল সমর্থক আছিল আৰু জাতীয়তাবাদৰ সাম্প্রদায়িক ব্যাখ্যাৰ প্রচাৰৰ বাবে হিন্দু মহাসভাক তীব্র নিন্দা কৰিছিল। নেহৰুৰ মতে সকলো ধর্মৰ মাজত বিশেষকৈ হিন্দু আৰু মুছলমানৰ মাজত সমন্বয়ৰ অতি প্রয়োজনীয়তা আছে । তেওঁ অনুভৰ কৰিছিল যে, ভাৰতত সাম্রাজ্যবাদ বিৰোধী আন্দোলনৰ পোহৰত কেৱল ধর্মনিৰপেক্ষ আৰু জাতীয়তাবাদী দৃষ্টিভংগীয়েহে জাতীয়তাবাদৰ ধাৰণাক প্রচাৰ কৰা সাম্রাজ্যবাদৰ কর্তৃত্বক প্রত্যাহ্বান জনাব পাৰিব। নেহৰুৱে জীৱনৰ প্রতি নিজৰ জাতীয়তাবাদী আৰু আধুনিকতাবাদী অভিমূখীতা প্রদর্শন কৰিছিল।

নেহৰুৰ জাতীয়তাবাদৰ তত্ব আৰু অনুশীলনক তিনিটা ভেটিত লালন-পালন কৰা হৈছে। ইংৰাজ শাসক সকলৰ বর্ণবাদী অহংকাৰে তেওঁক দুখী কৰিছিল। নেহৰুৰ জাতীয়তাবাদৰ দ্বিতীয়টো উৎস আছিল অর্থনৈতিক। জৱাহৰলাল নেহৰুৱে দেশৰ অবাধ দৰিদ্রতা, শোষণৰ বাবে বৃটিছক দোষাৰোপ কৰে। নেহৰুৰ জাতীয়তাবাদৰ তৃতীয় শিপা আছিল ৰাজনৈতিক আৰু প্রশাসনিক। বিদেশী সাম্রাজ্যবাদী শাসকসকলৰ সিদ্ধান্ত গ্রহণৰ একচেটিয়া অধিকাৰ আছিল যিয়ে সকলো পদক্ষেপ আৰু নিয়ন্ত্রণ ব্যৱস্থা তেওঁলোকৰ হাতত কেন্দ্রীভূত কৰিছিল।

নেহৰুৰ ধর্মনিৰপেক্ষ দৃষ্টিভংগী তেওঁৰ উদাৰ সাংস্কৃতিক লালন-পালনৰ পৰাই আগবাঢ়িছে। তেওঁৰ আত্মজীৱনীত হিন্দু মহাসভাৰ নায়ক আৰু নেতাসকলক

উচ্চ শ্রেণীৰ স্বার্থৰ মুখপাত্র আৰু প্রতিক্রিয়াশীল বুলি গৰিহণা দিয়ে। তেওঁ হিন্দু মহাসভাৰ সমালোচক আছিল। প্রাক স্বাধীন ভাৰতৰ হিন্দু-মুছলমান সম্পর্কীয় ধর্মীয় ব্যাখ্যাক সামাজিক বাস্তৱবাদী হিচাপে সন্তুষ্ট হোৱা নাছিল। স্বাধীনতাৰ পিছৰ যুগত নেহৰুৱে ৰাষ্ট্রীয় সংহতিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

৬.৪.২ গণতন্ত্রৰ বিষয়ে নেহৰুৰ মতামত

সংসদীয় গণতন্ত্রৰ তত্ত্বত নেহৰুৰ দৃঢ় বিশ্বাস আছিল। মহাত্মা গান্ধীৰ ৰাজনৈতিক উত্তৰাধিকাৰী হিচাপে তেওঁ অভিজাত পন্থা ধর্মমতৰ উগ্রসমর্থক আছিল। তেওঁ বিচাৰিছিল ভাৰতে পশ্চিমৰ উন্নত উদ্যোগিক জাতিবোৰৰ লগত খোজ মিলাওক। গণতন্ত্রৰ প্রতি নেহৰুৰ বিশ্বাস আৰু দায়বদ্ধতাও তেওঁৰ আধুনিক ৰাজনৈতিক দৃষ্টিভংগীৰ ইংগিত। মহাত্মাগান্ধীৰ ৰাজনৈতিক উত্তৰাধিকাৰী হিচাপে সংসদীয় গণতন্ত্রৰ তত্ব আৰু অনুশীলনত নেহৰুৰ দৃঢ় বিশ্বাস আছিল, অভিজাত পন্থীয় গান্ধী দর্শনত তেওঁৰ সম্পূর্ণ বিশ্বাস আছিল। তেওঁ বিচাৰিছিল যে ভাৰতে পশ্চিমীয়া বিশ্বৰ সৈতে প্রতিযোগিতাত অৱতীর্ণ হওক আৰু গণতান্ত্রিক মনোভাৱেৰে সমস্যাসমূহ সমাধান কৰক। একে সময়তে ঔপনিবেশিক যুগৰ মাজতই সমাজবাদী ভাৰতৰ লক্ষ্যত উপনীত হ'বলৈ চেষ্টা কৰি থাকোঁতে নেহৰুৱে এনে লক্ষ্যত উপনীত হ'বলৈ গণতান্ত্রিক দৃষ্টিভংগীৰ লগতে নৈতিক উপায় অৱলম্বনৰ ওপৰত স্পষ্টকৈ আলোকপাত কৰিছিল। তেওঁ যে অগণতান্ত্রিক দৃষ্টিভংগীক সম্পূর্ণৰূপে একাষৰীয়া কৰি জনসাধাৰণৰ ফলপ্রসূ অংশগ্রহণেৰে উন্নয়নৰ পথ নিশ্চিত কৰিব বিচাৰিছিল সেয়া তেওঁৰ আধুনিকতাবোধৰ ইংগিত। এইবোৰে তেওঁক আধুনিক ৰাজনীতিকৰ মর্যাদা নিশ্চয় দিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ নেহৰুৰ কেতিয়া জন্ম হৈছিল?

.....

প্রশ্ন নং ২ ঃ নেহৰুৱে সংসদীয় গণতন্ত্র তত্ত্বত গভীৰভাৱে বিশ্বাস কৰিছিল। (শুদ্ধ/অশুদ্ধ) .....

প্রশ্ন নং ৩ ঃ ইজনে সিজনৰ কামৰ ক্ষেত্রত হস্তক্ষেপ ..... কার্যকৰী নকৰে। (খালী ঠাই পুৰ কৰা)

প্রশ্ন নং ৪ ঃ 'নেহৰুৰ জাতীয়তাবাদৰ তত্ব আৰু অনুশীলনক তিনিটা মূল ভাগত ভাগ কৰা হৈছে' সেইবোৰ কি? (৫০ শব্দৰ ভিতৰত)

.....

আধুনিকতাবাদৰ বিষয়ে নেহৰুৰ মতামত

জৱাহৰলাল নেহৰু আছিল এজন আধুনিক ৰাজনৈতিক চিন্তাবিদ আৰু আধুনিকতাৰ মূল্যায়ণ তেওঁৰ ৰাজনৈতিক দৰ্শনৰ অবিচ্ছেদ্য অংগ হিচাপে প্ৰাধান্য দিয়া ধাৰণা সমূহৰ মাজত পোৱা গৈছিল। ইয়াত আমি নেহৰুৰ ৰাজনৈতিক দৰ্শনৰ আধুনিকতাবাদী অভিমুখীতাৰ মূল্যায়ন কৰিব বিচাৰিম লগতে নেহৰুৰ ৰাজনৈতিক দৰ্শনত আধুনিকতাবাদী ধাৰণাৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত তেওঁৰ উদাৰপন্থী পৰিৱেশত হোৱা লালন-পালন বহুলাংশে দায়ী আছিল। নেহৰুৱে শিক্ষা তেওঁৰ গৃহ চহৰ এলাহাবাদত আৰু গ্ৰেট বৃটেইনৰ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত শিক্ষা অৰ্জন কৰিছিল আৰু উচ্চতম স্থান লাভ কৰিছিল। তেওঁ বৃটিছ মানৱতাবাদী উদাৰতাবাদৰ পৰম্পৰাৰ দ্বাৰাও অত্যন্ত প্ৰভাবিত হৈছিল। ই নেহৰুৰ ৰাজনৈতিক দৰ্শনত আধুনিক মনোভাৱ আৰু ধাৰণাসমূহৰ আন্তঃগাঁথনি যুগুতাইছিল। এই আধুনিকতাবাদ জীৱনৰ সংকীৰ্ণ আৰু সীমিত দৃষ্টিভংগীৰ পৰা মুক্ত আছিল।

৬.৪.৩ আন্তৰ্জাতিকতাবাদৰ বিষয়ে নেহৰুৰ মতামত

নেহৰুৰ আন্তৰ্জাতিকতাবাদৰ দৃষ্টিভংগীও তেওঁৰ দৰ্শনৰ এক অবিচ্ছেদ্য উপাদান স্বৰূপ তেওঁৰ আধুনিকতাবাদৰ ইংগিত আছিল। নেহৰুৱেই দ্বিপাক্ষিক আৰু বহুপক্ষীয় প্ৰেক্ষাপটত চীনৰ সৈতে সম্পৰ্ক বজাই ৰখাৰ কাঠামো হিচাপে 'পাঞ্চশীল'ৰ ধাৰণাটো বিকশিত কৰাৰ বাবে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। নেহৰুৱে ৰাষ্ট্ৰপতি টিটো আৰু নাছেৰ সৈতে অন্যতম প্ৰধান স্থপতিবিদ হিচাপে গোষ্ঠী নিৰপেক্ষতাবাদ ভাৱধাৰা আগবঢ়াইছিল। সমদূৰৱৰ্তী নীতিৰ ভিত্তিত মহাশক্তিৰ সৈতে সম্পৰ্ক বজাই ৰখাৰ ই এক প্ৰকাৰৰ অনন্য কৌশল আছিল। আৰম্ভণিৰে পৰা গোষ্ঠীনিৰপেক্ষ দৰ্শন ভাৰতৰ বৈদেশিক নীতিৰ এক প্ৰধান গুৰুত্বপূৰ্ণ বিষয় হিচাপে পৰিগণিত হৈ আহিছে। ওপৰত আলোচনা কৰা জৱাহৰলাল নেহৰুৰ দৃষ্টিভংগীয়ে স্পষ্টভাৱে ইংগিত দিয়ে যে নেহৰুৰ এটা বৈজ্ঞানিক, আধুনিক, বাস্তৱবাদী আৰু যুক্তিবাদী মনৰ কাঠামো আছিল যিয়ে তেওঁক ভাৰত উপমহাদেশৰ আটাইতকৈ আধুনিক ৰাজনৈতিক চিন্তাবিদ আৰু নেতা কৰি তুলিছিল।

এছিয়া আৰু আফ্ৰিকাৰ নিৰপেক্ষ অৰ্থনৈতিক আৰু ৰাজনৈতিক স্বাধীনতাৰ আকাংক্ষাৰ অন্যতম আগশাৰীৰ মুখপাত্ৰ আছিল নেহৰু । তেওঁ আছিল বৰ্ণবাদী শোষণবাদৰ বিপদৰ বিষয়ে সচেতন আন্তৰ্জাতিকতাবাদী। সংকীৰ্ণ, সম্প্ৰসাৰণবাদী আৰু অহংকাৰী জাতীয়তাবাদৰ প্ৰতি তেওঁৰ অতিপাত বিদ্বেষ আছিল। ভাৰতীয় জাতীয় সংগ্ৰামৰ পৰৱৰ্তী সময়ছোৱাত তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছক এক উদাৰ আন্তঃৰাষ্ট্ৰীয় দৃষ্টিভংগীৰ সৈতে জড়িত কৰিছিল। নেহৰুৰ মতামত আছিল যে বিশ্বৰ উত্তেজনা হ্ৰাস কৰিবলৈ আৰু আন্তঃৰাষ্ট্ৰীয় ভাৰসাম্য সৃষ্টি কৰিবলৈ জাতীয়তাবাদীৰ ধাৰণা আৰু সৰ্বহাৰাতাবাদৰ আৰু আন্তৰ্জাতিকতাবাদৰ আদৰ্শৰ মাজত এক প্ৰকাৰৰ সংযোজন হ'ব লাগিব। (Nationalism and Internationalism, The Discovery of India, পৃ.৩৩)

নেহৰু ৰাষ্ট্রসংঘৰ আদর্শৰ প্রতি দৃঢ় বিশ্বাসী আছিল আৰু বিশ্ব ৰাজনীতিৰ দ্বিমেৰুকৰণৰ তীব্র বিৰোধিতা কৰিছিল আৰু কোনো এটা খণ্ডতে যোগদান কৰিবলৈ অস্বীকাৰ কৰিছিল। বৈদেশিক ৰাজনীতিত নেহৰুৰ গোষ্ঠীনিৰপেক্ষ নীতিৰ তিনিটা মৌলিক বৈশিষ্ট্য আছে। প্রথমতে, ভাৰত এখন নৱ উদীয়মান জাতি ৰাষ্ট্র যিয়ে অর্থনৈতিক আৰু সামাজিক পুনর্গঠনত মনোনিৱেশ কৰিবলগীয়া হৈছে। ইয়াৰ ফলত প্রতিদ্বন্দ্বী শক্তি ব্যৱস্থাৰ সমস্যাজনক মিত্রতাত যোগদান কৰিবলৈ অপাৰগতা প্রকট হৈ পৰিছিল। এইদৰে গোষ্ঠীনিৰপেক্ষ নীতিৰ আছিল ভাৰতৰ দৰে নতুন জাতি ৰাষ্ট্রৰ বাবে স্বাভাবিক নীতি। গোষ্ঠীনিৰপেক্ষ ভাৰতৰ পৰম্পৰাগত শান্তি আৰু সকলোৰে বাবে সদিচ্ছাৰ নীতিৰ ৰাজনৈতিক প্রকাশ হিচাপে গণ্য কৰা হয়। দ্বিতীয়তে, গোষ্ঠীনিৰপেক্ষ ঐতিহাসিক ভিত্তিত সমর্থন কৰা হৈছে কাৰণ সমগ্র ইতিহাসত ভাৰতে কেতিয়াও সম্প্রসাৰণবাদী ক্ষমতাৰ ৰাজনীতিক অনুমোদন দিয়া নাই । তৃতীয়তে, আন্তঃৰাষ্ট্রীয় ক্ষমতাৰ ৰাজনীতিৰ প্রয়োজনীয়তাই গোষ্ঠী নিৰপেক্ষতাক সমর্থন কৰে। শান্ত অঞ্চলসমূহ শক্তিশালী কৰাটোৱে দুটা গোটৰ সংঘর্ষ ৰুধিবলৈ প্রয়োজনীয় প্রতিৰোধক হিচাপে কাম কৰিব। যেতিয়া স্বাধীনতাৰ প্রতি ভাবুকি আহিব আৰু ৰাষ্ট্রৰ নিৰাপত্তা বিপন্ন হ'ব তেতিয়া তেওঁ গোষ্ঠীনিৰপেক্ষ নীতিৰ ধাৰণাটো সংশোধন কৰিবলৈ কুণ্ঠাবোধ নকৰিব।

নেহৰুৰ আন্তর্জাতিকতাবাদৰ মৌলিক ধাৰণাসমূহ পঞ্চশীলৰ পাঁচটা নীতি বা আন্তর্জাতিক সৌহার্দ্য আৰু একমত হিচাপে গঠিত আছিল। ১৯৫৪ চনৰ ২৯ এপ্রিলত ভাৰত আৰু চীনৰ মাজত পঞ্চশীলত স্বাক্ষৰিত হৈছিল, যিয়ে নিজৰ প্রস্তাৱনাত উল্লেখ কৰিছিল যে, দুয়োখন চৰকাৰে তলৰ নীতিৰ ওপৰত ভিত্তি কৰি বর্তমানৰ চুক্তিখনত স্বাক্ষৰ কৰাৰ সংকল্প লৈছে। (উৎস ঃ mea.gov.in)

১) ইজনে সিজনৰ ভূখণ্ডৰ অখণ্ডতা আৰু সার্বভৌমত্বৰ প্রতি পাৰস্পৰিক সন্মান,
২) অ-অগ্রাসন
৩) ইজনে সিজনৰ আভ্যন্তৰীণ কামত হস্তক্ষেপ নকৰা
৪) সমতা আ ৰু পাৰস্পৰিক সুবিধা
৫) শান্তিপূর্ণ সহাৱস্থান আৰু অর্থনৈতিক সহযোগিতা।

পাঞ্চশীলৰ এই নীতি সমূহৰ দ্বাৰা নেহৰুৱে ভাৰতীয় বহু সমস্যা সমাধান আৰু আন্তঃৰাষ্ট্রীয় সমস্যা হ্রাস কৰাৰ বাবে তীব্র অনুৰোধ জনাইছিল। নেহৰুৱে গঠনমূলক সহযোগিতা নীতিৰ ওপৰত জোৰ দিছিল আৰু ভাৰত আৰু বিশ্ব উভয়ৰে বাবে শান্তিপূর্ণ সহাৱস্থান নীতিৰ ওপৰত জোৰ দিছিল।

ড° ৰাধাকৃষ্ণণৰ মতে, 'নেহৰু এজন মুক্ত মনোভাৱৰ মানুহ আৰু মহান মুক্তিদাতা আছিল, এজন গভীৰ মানৱতাবাদী ব্যক্তি, যিয়ে এক উৎসর্গিত জীৱন অতিবাহিত কৰিছিল আৰু নিজৰ স্মৃতিসৌধ হিচাপে আধুনিক ভাৰত গঢ়ি তুলিছিল।'

এছ গোপাল (নেহৰুৰ ৰাজনৈতিক জীৱনীকাৰ আৰু ড° ৰাধাকৃষ্ণণৰ পুত্ৰ)ৰ মতে , 'নেহৰুৱে কিছুমান উদ্দেশ্যক ভাৰতৰ সাধাৰণ চেতনাৰ গুৰুত্বপূৰ্ণ অংশ কৰি তুলিছিল যে আজি সেইবোৰক স্বাভাৱিক বুলি ধৰিব পাৰি, যদিও সেইবোৰ এতিয়াও সম্পূৰ্ণৰূপে লাভ কৰা হোৱা নাই - ঐক্য, গণতন্ত্ৰ, ধৰ্মনিৰপেক্ষ, এক বৈজ্ঞানিক আৰু আন্তঃৰাষ্ট্ৰীয় দৃষ্টিভংগী, সমাজবাদৰ দৃষ্টিভংগী বাস্তবায়িত কৰাৰ পৰিকল্পনা।' ড° ৰছিদুদ্দিন খানৰ মতে, 'নেহৰু কেৱল সাধাৰণ ব্যক্তি নাছিল। তেওঁৰ সন্ধিকৰণ, ৰাজনৈতিক প্ৰণয়ন আৰু জাতীয় লক্ষ্যৰ প্ৰক্ষেপন শৈলীত অন্তৰ্ভূক্ত কৰাৰ এক বিৰল ক্ষমতা আছিল গোখলেৰ সংসদীয়তাবাদ, তিলকৰ স্বৰাজৰ দৃষ্টিভংগী, গান্ধীৰ গণ আবেদন আৰু স্বদেশী বৈপ্লৱিক দেশপ্ৰেমৰ উত্তেজনা আৰু ভূমি সংস্কাৰৰ বাবে মাৰ্ক্সবাদী বিপ্লৱী সকলৰ আহ্বান আৰু উগ্ৰবাদ।

ড° ৰছিদুদ্দিন খানৰ মতে, 'নিজৰ জীৱন আৰু কৰ্মত নেহৰুৱে তিনিটা প্ৰধান ধাৰা আৰু যিটোক জ্ঞানপ্ৰাপ্ত মানুহৰ ঐতিহ্য বুলি ক'ব পাৰি তাৰ মাজত থকা মহান সংশ্লেষণ প্ৰতিফলিত কৰিছিল। এইবোৰক ইন্দ্ৰিয়ৰে ৰঞ্জিত বেদান্ত দৃষ্টিভংগী হিচাপে চিনাক্ত কৰিব পাৰি।' সত্যৰ বহু পথৰ প্ৰতি সহনশীলতা আৰু সন্মানৰ, ভাৰতীয় মুছলমানৰ আড়ম্বৰপূৰ্ণ নীতি-নিয়ম, জনজাতিৰ আবেগ, নগৰ সাংস্কৃতিক ধাৰা সমূহৰ বিশ্বজনীনতাবাদ আৰু স্বাধীনতাৰ সজীৱ প্ৰস্তাৱ ধৰ্মনিৰপেক্ষতাক অন্তৰ্ভুক্ত কৰা ভাৰতৰ সংমিশ্ৰিত সংস্কৃতি। তেওঁৰ ইতিহাসৰ জ্ঞান ভাৰতীয় জনসাধাৰণৰ সৈতে তেওঁৰ ৰহস্যময় মিলন, প্ৰাসংগিক যুক্তিবাদী আৰু প্ৰগতিশীলৰ প্ৰতি তেওঁৰ চিৰবৰ্তিত চিন্তা আৰু ৰূপান্তৰৰ বাবে অবিৰত আকাংক্ষা তেখেতে ভাৰতৰ আৰ্থসামাজিক বিপ্লৱ সম্পূৰ্ণ কৰাৰ বাবে আজীৱন অভিযান প্ৰতিষ্ঠা কৰিছিল। প্ৰধানমন্ত্ৰী হিচাপে নেহৰুৱে জাতীয় ঐক্য, ধৰ্মনিৰপেক্ষতা আৰু গণতন্ত্ৰৰ ভেটি সুদৃঢ় কৰাত যথেষ্ট অৰিহণা যোগাইছিল। তেওঁ আমাৰ মাজত এখন আধুনিক ঔদ্যোগিক সমাজৰ ভেটি স্থাপন কৰিছিল। স্বভাৱৰ ফালৰ পৰা তেওঁ বৈজ্ঞানিক, বিষয়বস্তুৰ ফালৰ পৰা সমাজবাদী আত্মাত গণতান্ত্ৰিক আৰু নীতিগতভাৱে ধৰ্মনিৰপেক্ষ। তেওঁ ভাৰতত পৰিকল্পিত উন্নয়নৰ পথ মুকলি কৰে। তেওঁ অৰ্থনৈতিক পৰিকল্পনাত আমাৰ ৰাজনৈতিক ব্যৱস্থাৰ অবিচ্ছেদ্য অংগ কৰি তুলিলে। ভাৰতত আধুনিক বিজ্ঞানৰ বিকাশ আন এক ক্ষেত্ৰ য'ত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। অধ্যাপক বিপন চন্দ্ৰৰ মতে, 'নেহৰু দল নিৰ্মাতা বা আৰু সংগঠক বা ৰাজনৈতিক কৌশলীও নাছিল ৰৰঞ্চ মতাদৰ্শবাদী প্ৰেৰণাদায়ক আৰু আন্দোলনকাৰী আছিল। তেওঁ দলটোক (কংগ্ৰেছ) শক্তিশালী প্ৰতিষ্ঠানিক গাঁথনিৰ সৈতে এক কাৰ্যক্ষম আধুনিক ৰাজনৈতিক দললৈ ৰূপান্তৰিত কৰিব কেনেকৈ লাগে তাকো নাজানিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ১৯৩৬ চনত নেহৰু কংগ্রেছৰ সভাপতি আছিল (সঁচা/মিছা)। .....

প্রশ্ন নং ৬ ঃ ১৯৫৪ চনৰ এক জুনত মৌলিক ধাৰণাসমূহৰ ..... নেহৰু আৰু চৌ এন লাইৰ যোগদান ঘোষণাৰ কালচোৱাত নির্ধাৰণ কৰা হৈছিল। (খালী ঠাই পুৰ কৰা)

প্রশ্ন নং ৭ ঃ পঞ্চশীলৰ পাঁচটা নীতি লিখা।

.....



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জৱাহৰলাল নেহৰুৱে ১৮৮৯ চনৰ ১৪ নৱেম্বৰত জন্ম লাভ কৰিছিল।
- নেহৰুৱে বিশ্বৰ কেইখনমান উন্নত বিদ্যালয় আৰু বিশ্ববিদ্যালয়ত শিক্ষা লাভ কৰিছিল।
- তেওঁ এলাহাবাদৰ হেৰ'ত আৰু কেম্ব্রিজত শিক্ষা গ্রহণ কৰে।
- বার্ণার্ড শ্ব' আৰু বার্টাণ্ড ৰাছেলৰ লেখাই নেহৰুৰ ওপৰত যথেষ্ট প্রভাৱ পেলাইছিল।
- জৱাহৰলাল নেহৰুৰ আত্মজীৱনী আৰু তেওঁৰ গ্রন্থ "এ বান্স অফ অ'ল্ড লেটাৰচ" গ্রন্থখনে তেওঁৰ পিতৃৰ প্রতি থকা গভীৰ আৰু দৃঢ় আকর্ষণ দেখুৱাইছে।
- শ্রীমতী এনি বেছান্ত আৰু তিলকে আৰম্ভ কৰা হোম ৰুল লীগৰ সৈতে জড়িত হোৱাৰ পাছতেই নেহৰুৰ ৰাজনৈতিক জীৱন আৰম্ভ হৈছিল।
- মহাত্মা গান্ধীৰ আশীর্বাদত নেহৰুৱে লাহোৰত ভাৰতীয় জাতীয় কংগ্রেছৰ সভাপতি হয় য'ত ১৯২৯ চনৰ ডিচেম্বৰ মাহৰ ৩১ তাৰিখে ঐতিহাসিক স্বাধীনতাৰ প্রস্তাৱ গৃহীত হৈছিল।
- তেওঁ আকৌ ১৯৩৬,১৯৩৭ আৰু ১৯৪৬ চনত কংগ্রেছৰ সভাপতি হৈছিল।
- ভাৰতীয় ইতিহাস আৰু ভাৰতীয় ৰাজনৈতিক শিক্ষাৰ ক্ষেত্রলৈ নেহৰুৰ অৱদান আছিল Glimpses of World HistoryAutobiography আৰু The Discovery of India ই আধুনিক ভাৰত গঢ়াত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল।
- তেওঁ ভাৰতৰ প্রথম প্রধানমন্ত্রী হিচাপে পৰিগণিত হয় ।
- সংসদীয় গণতন্ত্রৰ তত্ত্বত নেহৰুৰ দৃঢ় বিশ্বাস আছিল ।
- নেহৰুৱে ৰাষ্ট্রসংঘৰ আদর্শত দৃঢ় বিশ্বাসী আছিল আৰু বিশ্ব ৰাজনীতিৰ দ্বিমেৰুকৰণৰ তীব্র বিৰোধিতা কৰিছিল আৰু কোনো এটা খণ্ডত যোগদান কৰিবলৈ অস্বীকাৰ কৰিছিল ।

- আন্তর্জাতিকতাবাদৰ প্রতি নেহৰুৰ দৃষ্টিভংগীও তেওঁৰ দর্শনৰ এক অবিচ্ছেদ্য উপাদান হিচাপে তেওঁৰ আধুনিকতাবাদৰ ইংগিত।
- **পাঁচটা পঞ্চশীলৰ নীতি হ'ল ঃ**

  ১- ইজনে সিজনৰ ভূখণ্ডৰ অখণ্ডতা আৰু সার্বভৌমত্বৰ প্রতি পাৰস্পৰিক সন্মান।

  ২- অ-আগ্রাসন

  ৩- ইজনে সিজনৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ নকৰা

  ৪- সমতা আৰু পাৰস্পৰিক সুবিধা আৰু

  ৫- শান্তিপূর্ণ সহাৱস্থান আৰু অর্থনৈতিক সহযোগিতা।



৬.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ

১) নেহৰু, *ডিচকভাৰী অফ ইণ্ডিয়া*, পেংগুইন বুকচ, ২০০৪।

২) প্রকাশ, চন্দ্র, *মডার্ণ ইণ্ডিয়ান পলিটিকেল থট*, বিকাশ পাব্লিকেচনচ প্রাইভেট লিমিটেড, নতুন দিল্লী, ১৯৯৮।

৩) বর্মা, ভি পি, *মডার্ণ পলিটিকেল থট*, লক্ষ্মী নাৰায়ণ আগৰৱালা, এডুকেচনেল পাব্লিচার্ছ, আগ্রা, ২০১০।



৬.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ জৱাহৰলাল নেহৰুৰ জন্ম হৈছিল ১৮৮৯ চনৰ ১৪ নৱেম্বৰত।

২ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৩ নং প্রশ্নৰ উত্তৰ ঃ ইখনে আনখনৰ আভ্যন্তৰীণ কামত হস্তক্ষেপ নকৰা।

৪ নং প্রশ্নৰ উত্তৰ ঃ নেহৰুৰ জাতীয়তাবাদৰ তত্ত্ব তিনিটা ধাৰাৰ ওপৰত লালন পালন কৰা হৈছে ব্রিটিছ শাসকসকলৰ বর্ণবাদী অহংকাৰে তেওঁক চুই গৈছিল। দ্বিতীয়তে নেহৰুৰ আন্তর্জাতিকতাবাদৰ উৎস আছিল অর্থনৈতিক। নেহৰুৱে দেশৰ অবাধ দৰিদ্রতা আৰু শোষণৰ বাবে ব্রিটিছক দোষাৰোপ কৰিছিল। নেহৰুৰ জাতীয়তাবাদৰ তৃতীয় শিপা আছিল ৰাজনৈতিক আৰু প্রশাসনিক। বিদেশী সাম্রাজ্যবাদী শাসকসকলৰ সিদ্ধান্ত গ্রহণৰ একচেটিয়া অধিকাৰ যিয়ে সকলো পদক্ষেপ আৰু নিয়ন্ত্রণ ব্যৱস্থা তেওঁলোকৰ হাতত কেন্দ্রীভূত কৰি ৰাখিছিল।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ পঞ্চশীল।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ

১) ইজনে সিজনৰ ভূখণ্ডৰ অখণ্ডতা আৰু সাৰ্বভৌমত্বৰ প্ৰতি পাৰস্পৰিক সন্মান,

২) অনাগ্ৰাসীতা,

৩) ইজনে সিজনৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ নকৰা ,

৪) সমতা আৰু পাৰস্পৰিক সুবিধা আৰু

৫) শান্তিপূৰ্ণ সহাৱস্থান আৰু অৰ্থনৈতিক সহযোগিতা।



৬.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ পঞ্চশীলৰ দুটা নীতিৰ নাম লিখক।

প্ৰশ্ন ২ ঃ নেহৰুৰ দুখন কিতাপৰ নাম লিখক।

প্ৰশ্ন ৩ ঃ পঞ্চশীলৰ নীতিৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ গণতান্ত্ৰিক সমাজবাদৰ ওপৰত নেহৰুৰ মতামত সমলোচনাত্মকভাৱে ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ এম এন ৰয়

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ শৈশৰ আৰু প্ৰাৰম্ভিক জীৱন

৭.৪ সাম্যবাদী আন্দোলন

৭.৫ মানৱতাবাদী দৰ্শন

৭.৬ ৰয়ৰ বস্তুবাদ

৭.৭ চৰম মতামত

৭.৮ জাতীয় আন্দোলনত ৰয়ৰ অৱদান

৭.৯ দল বিহীন গণতন্ত্ৰ

৭.১০ সমালোচনা

৭.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.১২ অধিক জানিবলৈ

৭.১৩ অগ্ৰগতিৰ খতিয়ান

৭.১৪ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিব

- এম এন ৰয় আৰু তেওঁৰ জীৱন
- ৰয়ৰ মাৰ্ক্সবাদীৰ পৰা উগ্ৰ মানৱতাবাদীলৈ পৰিৱৰ্তন
- সাম্যবাদৰ বিকাশৰ দিশত ৰয়ৰ অৱদান
- জাতীয় সংগ্ৰামত ৰয়ৰ ভূমিকা
- দলবিহীন গণতন্ত্ৰৰ ওপৰত ৰয়ৰ মতামত।

৭.২ পৰিচয়

এম এন ৰয় বিংশ শতিকাৰ এজন বিশিষ্ট ভাৰতীয় দাৰ্শনিক আছিল। তেওঁ ভাৰতীয় সাম্যবাদৰ পিতৃ হিচাপে প্ৰখ্যাত আছিল আৰু তেওঁক ভাৰতৰ প্ৰথম বিপ্লৱী নেতা হিচাপে গণ্য কৰা হৈছিল। তেওঁ আছিল এজন ভাৰতীয় দাৰ্শনিক।

৭.৩ শৈশৱ আৰু প্ৰাৰম্ভিক জীৱন

মানৱেন্দ্ৰ নাথ ৰয়ৰ জন্ম হৈছিল নৱেন্দ্ৰ নাথ ভট্টাচাৰ্য হিচাপে আৰু তেওঁ আছিল এজন বিপ্লৱী কৰ্মী আৰু ৰাজনৈতিক তত্ত্ববিদ। লগতে কুৰি শতিকাৰ ভাৰতৰ এজন বিখ্যাত দাৰ্শনিক। কলিকতাৰ ২৪ পৰগনা জিলাৰ সমীপৰ আৰেবেলিয়া গাৱঁত ১৮৮৫ চনত তেওঁ জন্ম গ্ৰহণ কৰিছিল। তেওঁৰ পিতৃ দীনবন্ধু ভট্টাচাৰ্য গাঁৱৰে দেৱী ক্ষেপুতেশ্বৰী মন্দিৰৰ পুৰোহিত আছিল। তেওঁ বিবেকানন্দৰ প্ৰখৰ অনুগামী আছিল। বিবেকানন্দৰ জীৱন দৰ্শন আৰু জাতিৰ প্ৰতি ভক্তিৰে অনুপ্ৰাণিত হৈছিল। নৰেন ভট্টাচাৰ্যৰ স্কুলীয়া শিক্ষা আৰম্ভ হৈছিল আৰেবেলিয়াত আৰু তাৰ পাছত তেওঁৰ পিতৃ-মাতৃ কোডালিয়া নামৰ আন এখন গাঁৱলৈ যোৱাত তেওঁ হৰিনাভি ইংগ-সংস্কৃত বিদ্যালয়ত স্কুলীয়া জীৱন আৰম্ভ কৰে। আন বঙালী ব্ৰাহ্মণৰ দৰে তেওঁ কৈশোৰ কালতেই ৰাজনীতিৰ প্ৰতি আকৰ্ষিত হৈছিল। তেওঁ ২০ বছৰ বয়সৰ আগতেই স্বাধীনতা সংগ্ৰামত গভীৰভাৱে জড়িত হৈ পৰিছিল। বংগ বিভাজনৰ বিৰোধিতা কৰা প্ৰতিবাদী আন্দোলনত যুৱ নৰেন সম্পূৰ্ণৰূপে জড়িত হোৱাৰ বাবেই অৱশেষত তেওঁক স্কুলৰ পৰা বহিষ্কাৰ কৰা হৈছিল। তাৰ কিছু দিন পিছতেই নৰেনে স্থানীয় বিপ্লৱী গোটৰ সৈতে যোগাযোগ গঢ়ি তুলি ৰাজনীতিত সম্পূৰ্ণৰূপে জড়িত হৈ পৰে। উচ্চ শিক্ষাৰ বাবে নৰেনে বংগৰ ৰাষ্ট্ৰীয় মহাবিদ্যালয়ত যোগদান কৰে আৰু প্ৰৱেশ পৰীক্ষাত উৰ্ত্তীণ হোৱাৰ পাছতেই তেওঁ দুবছৰ বংগৰ কাৰিকৰী প্ৰতিষ্ঠানত অভিযান্ত্ৰিক আৰু ৰসায়ন বিজ্ঞানৰ অধ্যয়ন কৰে ।

৭.৪ সাম্যবাদী আন্দোলন

ৰয় মেক্সিকান সাম্যবাদী দল আৰু ভাৰতীয় সাম্যবাদী দলৰ এজন প্ৰতিষ্ঠাপক আছিল। কংগ্ৰেছৰ অন্তৰ্ভূক্ত হৈ তেওঁ আন্তৰিকতাৰে আৰু নিখুঁতভাবে সাম্যবাদ জগতৰ সৈতে যোগাযোগ স্থাপন কৰিছিল আৰু আন্তৰাষ্ট্ৰীয় সাম্যবাদী মহাসভাৰ প্ৰতিনিধিত্ব কৰিছিল আৰু চীনত ৰাছিয়াৰ সহায়কাৰী আছিল। ৰয়ে ষ্টেলীনৰ উত্থানৰ পাছতেই সাম্যবাদৰ মূল সুতি এৰি স্বতন্ত্ৰ উগ্ৰ ৰাজনীতি অনুসৰণ কৰিছিল। তেওঁ উগ্ৰ গণতান্ত্ৰিক দল গঠন কৰাত অগ্ৰণী ভূমিকা পালন কৰিছিল, আৰু একুৰা জুইৰ দৰে ভাৰতীয় বিপ্লৱী সকলৰ দৃষ্টি আকৰ্ষণ কৰি সাম্যবাদীলৈ ৰূপান্তৰিত কৰিছিল। এম এন ৰয়ে দেশৰ বিভিন্ন প্ৰান্তলৈ নিজৰ প্ৰশিক্ষিত প্ৰতিনিধি পঠিয়াই ভাৰতত সাম্যবাদক প্ৰতিষ্ঠা কৰা প্ৰক্ৰিয়াৰ চিনাক্ত কৰিছিল। তেওঁ স্পষ্টকৈ কৈছিল যে সাম্যবাদী আন্দোলনৰ পথ আঁকোৱালি লৈ তেওঁলোকে নিজৰ লক্ষ্য নিৰ্ধাৰণ কৰি ভাৰতক মুক্ত কৰিব পাৰে।

ৰয় মেক্সিকান সাম্যবাদী দল আৰু ভাৰতীয় সাম্যবাদী দলৰ সৃষ্টিকৰ্তা আছিল। ভাৰতৰ সাম্যবাদী দলৰ মূলসুঁতি দেশৰ ৰাজনৈতিক জীৱনত তাৎপৰ্যপূৰ্ণ আছিল আৰু শ্ৰমিক আৰু কৃষকক জাতীয় আন্দোলনৰ কামত সংগঠিত কৰি ভাৰতৰ জনসাধাৰণৰ জাতীয় স্বাধীনতা আৰু সামাজিক উন্নতিৰ সংগ্ৰামক উৎসাহিত কৰাত অপৰিসীম ভূমিকা পালন কৰিছিল। এম এন ৰয়ে

ভাৰতৰ সাম্যবাদী দলটোক কংগ্রেছ আৰু স্বৰাজ দলৰ দৰে আইনী আৰু জাতীয় ৰাজনৈতিক দল হিচাপে গঢ়ি তুলিব বিচাৰিছিল। এইদৰে ভাৰতৰ সাম্যবাদী দলৰ প্রতিষ্ঠা দেশৰ ৰাজনৈতিক জীৱনৰ এক গুৰুত্বপূর্ণ পৰিঘটনা আছিল।

৭.৫ মানৱতাবাদী মতাদর্শ

মানৱতাবাদৰ ধাৰণাটো নতুন নহয়। মানুহৰ চুড়ান্ত পূর্ণতা হিচাপে সজোৱা ৰয়ৰ মূল কর্মৰ সর্বোচ্চ অৱদান হ'ল নতুন মানৱতাবাদ। ৰয়ৰ নতুন মানৱতাবাদৰ তত্ত্বৰ মূল লক্ষ্য হৈছে মূল্যবোধৰ প্রাধান্যবোধ আৰু চিৰন্তন স্বাধীনতা লাভৰ হেপাঁহ জগাই তোলা। মানৱতাবাদৰ মূল নীতি আছিল যুক্তিবাদ, নৈতিকতাবাদ আৰু স্বাধীনতা। নতুন মানৱতাবাদী মতাদর্শই নিজা জীৱনত স্বাধীনতা জ্ঞান আৰু সত্যৰ গুৰুত্বৰ কথা উল্লেখ কৰিছে। ৰাজনীতি আৰু সমাজৰ মূল্যবোধৰ ভেটিৰ পুনৰ দৃঢ়তা আধুনিক ৰাজনৈতিক চিন্তা আৰু আচৰণগত ৰাজনৈতিক বিশ্লেষণৰ বাবে আদৰণীয় অৱদান। ৰয়ে তেওঁৰ সুপৰিচিত গ্রন্থ *ৰি'জন, ৰোমাণ্টিচিজিম* আৰু *ৰিভলিউচন* (Reason, Romanticism and Revolution)ত লিখিছে যে 'নতুন মানৱতাবাদ হ'ল বিশ্বজনীন। ই বিশ্বস্বীকৃত আধ্যাত্মিকভাৱে মুক্ত মানৱৰ স্থিতি ৰাষ্ট্রীয় সীমা, পুঁজিপতি, বর্ণবৈষম্যবাদ, সমাজবাদ, সাম্যবাদ নাইবা আন কোনো ধৰণৰ সীমাৰেখাৰে সীমিত নহ'ব যিবোৰ বিংশ শতিকাৰ নৱজাগৰণৰ প্রভাৱত ক্রমাৎ নোহোৱা হৈ যাব।' কিন্তু ৰয়ৰ দর্শন ৰয়ে কোৱাৰ দৰেই সকলো জীৱৰ উৎপত্তি পদার্থৰ পৰাই হৈছে আৰু মনটো হ'ল পদার্থৰ উৎপাদন। তেওঁ ধর্মক স্বাধীনতাৰ বিকাশত বাধা হিচাপে ব্যৱহাৰ কৰাৰ বাবেও সমালোচিত হৈছিল যাৰ বিৰোধী সকলে যুক্তি দিছিল যে আমাৰ সাংস্কৃতিক আৰু বৌদ্ধিক বিকাশত ধর্মই গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

৭.৬ ৰয়ৰ বস্তুবাদ

এজন বস্তুবাদী হিচাপে তেওঁ জীৱনক নিজৰ মাজতে শেষ হোৱা এটা পৰিক্রমা বুলি মত পোষণ কৰে। তেওঁৰ মতে, জীৱনৰ মূল উদ্দেশ্য হ'ল জীয়াই থকা আৰু জীয়াই থাকিবলৈ সম্পদ আৰু শক্তিৰ প্রয়োজন, যিয়ে হ'ল মানুহৰ মনত স্বাভাবিকভাৱে উৎপন্ন হোৱা কামনাবোৰ পূৰণ কৰি সুখী কৰি তুলিব। এইদৰে ৰয় আছিল দার্শনিক বেনথামৰ এগৰাকী প্রৱল অনুৰাগী আৰু ভাৰতীয়সকলক তেওঁ আত্ম-অস্বীকাৰ আৰু সৰলতা আৰু নিজৰ ইচ্ছা পুৰণৰ আনন্দৰ দৰে ধাৰণাত বিশ্বাস কৰিবলৈ আহ্বান কৰিছিল। প্রকৃততে ৰয়ৰ বস্তুবাদী ধাৰণাটো সমসাময়িক বৈজ্ঞানিক জ্ঞানৰ পোহৰত পৰম্পৰাগত বস্তুবাদৰ সংশোধিত ধাৰণা ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ক'ত আৰু কেতিয়া এম এন ৰয়ৰ জন্ম আৰু ডাঙৰ দীঘল হৈছিল ?

প্রশ্ন নং ২ ঃ ৰয়ৰ মানৱতাবাদ কি মূল নীতিৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে? এম এন ৰয়ৰ মানৱতাবাদৰ বিষয়ে বুজাই লিখক।

প্রশ্ন নং ৩ ঃ ভাৰতৰ স্বাধীনতা আন্দোলনৰ লগত ডেকা নৰেন কেনেদৰে জড়িত আছিল চমুকৈ লিখক ।

৭.৭ চৰম দৃষ্টিভংগী (Radical view)

এম এন ৰয় আৰু তেওঁৰ পত্নী ইভেলিনে মেক্সিকো সাম্যবাদী দল প্রতিষ্ঠা কৰিছিল, যিটো ৰাছিয়াৰ বাহিৰত গঠন হোৱা প্রথম এনে দল আছিল। মেক্সিকান ৰাজনীতিত ৰয়ে এক বিশেষ ভূমিকা পালন কৰিছিল আৰু উচ্চ ক্ষমতা সম্পন্ন মহলৰ মাজত জনপ্রিয় আছিল। তেওঁ স্পেনিছ ভাষাত কেইবাটাও তাত্ত্বিক প্রৱন্ধ লিখিছিল আৰু *ই এল হেৰাল্ডো দি মেক্সিকো* আলোচনীত লিখিছিল, যিটোৰ ইংৰাজী খণ্ডও আছিল।

জীৱনৰ শেষৰ সময়চোৱাত তেওঁ চৰম মানৱতাবাদৰ প্রতি প্রৱলভাৱে আকৃষ্ট হৈছিল আৰু বিজ্ঞান আৰু প্রযুক্তিৰ প্রগতিৰ ফলত মানুহৰ সৃষ্টিশীল শক্তি মুক্ত হোৱা বুলি মতামত আগবঢ়াইছিল। তেওঁ বিশ্বাস কৰিছিল - ৰাজনীতি নির্বাচনতকৈ বহু বেছি ঊর্ধত আৰু ই গণতন্ত্রৰ উৎথান ঘটায়। তেওঁৰ মতে, তেতিয়াহে গণতন্ত্র সফল হয় যেতিয়া আধ্যাত্মিকভাৱে মুক্ত ব্যক্তিয়ে ৰাজহুৱা কাম কাজৰ পৰিচালনা কৰে। তেওঁৰ দৃঢ় বিশ্বাস আছিল যে যেতিয়া চৰকাৰৰ সদস্য সকল নিজৰ বিবেকৰ দ্বাৰা পৰিচালিত হ'ব তেতিয়াহে অধিক সংখ্যকৰ মংগল সাধন কৰিব পাৰিব।

তেওঁ মার্ক্সবাদৰ সমালোচক আছিল আৰু সামগ্রিকভাৱে ব্যক্তিতকৈ সমাজখনক অধিক গুৰুত্বপূর্ণ বুলি মূল্যায়ন কৰিছিল। তেওঁৰ মতে, সামাজিক সংগঠনৰ অস্তিত্ব ব্যক্তিৰ অস্তিত্বৰ ওপৰত নির্ভৰশীল। মার্ক্সবাদী বিপ্লৱৰ আৰ্হিকো তেওঁ অপ্রয়োজনীয় বুলি গণ্য কৰিছিল।

৭.৮ জাতীয় সংগ্রামত ৰয়ৰ ভূমিকা

১৯ শতিকাৰ শেষৰ ফালে বংকিম আৰু বিবেকানন্দৰ লেখাৰ দ্বাৰা অনুপ্রাণিত হৈ বংগৰ শিক্ষিত মধ্যবিত্তৰ মাজত বিপ্লৱী জাতীয়তাবাদৰ প্রসাৰ আৰম্ভ হয়। নৰেন ভট্টাচার্যও এই আন্দোলনৰ দ্বাৰা প্রভাৱিত হৈছিল আৰু দুয়োটা আগশাৰীৰ দৃষ্টিভংগীক অধ্যৱসায়ীতাৰে ব্যাপকভাৱে অনুসৰণ কৰিছিল। এম এন ৰয় বংকিমৰ এটা কথাত উৎসাহিত হৈছিল যে জনহিতকৰ বাবে সক্রিয়তাৰে কাম কৰাৰ প্রয়োজনীয়তাই প্রকৃত ধর্ম, যাৰ বিপৰীতে

বিবেকানন্দই সমাজসেৱাৰ এই ধাৰণাটোক আৰু অধিক আগুৱাই লৈ গৈছিল আৰু হিন্দু ধর্ম আৰু ভাৰতীয় সংস্কৃতি পশ্চিমৰ যিকোনো ধর্মতকৈ শ্রেষ্ঠ বুলি প্রতিপন্ন কৰিব বিচাৰিছিল। তেওঁৰ খুলশালিয়েক আৰু শৈশৱৰ কেইজনমান বন্ধুৰ স'তে তেওঁ মুক্ত চিন্তাবিদৰ এটা দল গঠন কৰিছিল। বংগ বিভাজনৰ বিৰুদ্ধে এখন সভা আৰু পদযাত্রাৰ আয়োজন কৰাৰ বাবে হাইস্কুলৰ পৰা বহিষ্কাৰ হোৱাৰ পিছত ভট্টাচার্য কলিকতালৈ গুচি যায় আৰু জাতীয় স্বাধীনতা সংগ্রামত সক্রিয় কামত যোগদান কৰে।

ইণ্ডো জার্মান ষড়যন্ত্র

ৰয়কে ধৰি বহু ভাৰতীয় জাতীয়তাবাদী নিশ্চিত হৈছিল যে ব্রিটিছ ৰাজৰ বিৰুদ্ধে সশস্ত্র সংগ্রামেহে ইংৰাজ সাম্রাজ্যৰ পৰা ভাৰতক পৃথক কৰিবলৈ সমর্থ হ'ব। তেওঁলোকে শান্তিপূর্ণ পদ্ধতিত বিশ্বাস কৰা নাছিল আৰু উগ্রপন্থী পদ্ধতি অনুসৰণ কৰিছিল। তেওঁলোকৰ কার্যক সমর্থন কৰিবলৈ তেওঁলোকে প্রতিদ্বন্দ্বী সাম্রাজ্যবাদী শক্তি জার্মানী কাইজাৰ উইলহেমক ধন আৰু অস্ত্র-শস্ত্রৰ উৎস হিচাপে বিবেচনা কৰিছিল। ১৯১৪ চনৰ আগষ্ট মাহত ব্রিটেইন আৰু জার্মানৰ মাজত এক বৃহৎ ইউৰোপীয় যুদ্ধৰ সুচনা হয় য'ত বার্লিনত ভাৰতীয় ৰাষ্ট্রবাদীয়ে বার্লিনত 'Indian Revolutionary Committee' গঠন কৰিছিল। তেওঁলোকে ব্রিটিছ বিৰোধী সশস্ত্র সংগ্রামৰ কার্য্যত সাহার্য্যৰ সমর্থনত জার্মান চৰকাৰক অনানুষ্ঠানিকভাৱে যোগাযোগ কৰিছিল। আগন্তুক সংগ্রামৰ বাবে পুঁজি আৰু অস্ত্র-শস্ত্র আহৰণৰ কাম নৰেন ভট্টাচার্যৰ ওপৰত ন্যস্ত কৰা হৈছিল। ফলত ভট্টাচার্যক প্রথমে জাভালৈ প্রেৰণ কৰা হয় আৰু তাৰ পাছৰ দুমাহত তেওঁ কিছু সীমিত ধন লাভ কৰিবলৈ সক্ষম হয়। তাৰ পৰাই তেওঁ জার্মান অস্ত্র-শস্ত্র সুৰক্ষিত কৰাৰ প্রয়াসত ভু�ৱা পাছপর্ট আৰু বিভিন্ন নাম ব্যৱহাৰ কৰি দেশৰ পৰা দেশলৈ ঘূৰি ফুৰিছিল। অৱশেষত মালয়, ইণ্ডোনেছিয়া, ইণ্ডো চীন, ফিলিপাইনছ, জাপান, কোৰিয়া, চীনৰ মাজত ঘূৰি ফুৰি তেওঁ আমেৰিকাৰ চান ফ্রেন্সিস্কোত অৱতৰণ কৰে। কিন্তু তেওঁৰ অস্ত্র-শস্ত্র সুৰক্ষিত কৰাৰ প্রচেষ্টা ব্যর্থ হয়। ছান ফ্রান্সিস্কোত তেওঁৰ আগমনৰ বাতৰি স্থানীয় কাকত এখনত প্রকাশ পাইছিল আৰু তাৰ বাবে তেওঁ ষ্টেনফর্ড বিশ্ববিদ্যালয়ৰ ওচৰৰ কেলিফর্ণিয়াৰ পালো আল্টোলৈ যাবলগীয়া হৈছিল। তাতেই তেওঁ নিজৰ নাম নৰেন্দ্র নাথ ভট্টাচার্যৰ পৰা মানবেন্দ্র নাথ ৰয়লৈ সলনি কৰিছিল। ভাৰতলৈ আহি থাকোতে আৰক্ষী বাহিনীয়ে ৰয়ে এৰি থৈ যোৱা ভূগর্ভস্থ সংগঠনটোক ছিন্ন ভিন্ন কৰি পেলায়। প্রায় দুমাহ পালো আল্টোত থকাৰ কালচোৱাত ৰয়ে তেওঁৰ ভাবী পত্নীক লগ পায় যিগৰাকী ষ্টেনফর্ড বিশ্ববিদ্যালয়ৰ স্নাতক যুৱতী ইভলিন ট্রেণ্ট আছিল। নিউইয়র্ক চহৰৰ ৰাজহুৱা পুথিভঁৰালত অধ্যয়ন কৰি ৰয়ে মার্ক্সবাদৰ প্রতি আগ্রহী হৈ উঠে। ১৯৩০ চনৰ ডিচেম্বৰ মাহত প্রথমবাৰৰ বাবে ভাৰতলৈ উভতি অহাৰ পাছত ৰয়ে 'সমালোচক মার্ক্সবাদী' হিচাপে নিজৰ কাম আৰম্ভ কৰে। কিন্তু ভাৰতত তেওঁৰ ৰাজনৈতিক কার্যকলাপ যথেষ্ট চুটি বুলি প্রমাণিত হ'ল কাৰণ ১৯২৪ চনত তেওঁক গ্রেপ্তাৰী পাৰোৱানা জাৰি কৰি ব'ম্বেত গ্রেপ্তাৰ কৰা হয়। ভাৰতীয় দণ্ডবিধিৰ ১২১-এ ধাৰাৰ অধীনত 'ভাৰতৰ সার্বভৌমত্বৰ পৰা সম্রাটক বঞ্চিত কৰাৰ ষড়যন্ত্রত' তেওঁক অভিযুক্ত কৰি কানপুৰলৈ লৈ যোৱা

হয়। মুকলি আদালতত কোনো বিচাৰ হোৱা নাছিল বৰঞ্চ কার্যবিধি চলোৱা হৈছিল ৰয়ক ৰখা জেলৰ ভিতৰত। জুৰী বা প্রতিৰক্ষা সমিতিয়েও তেওঁক কোনো বিচাৰৰ অনুমতি দিয়া নাছিল। আত্মৰক্ষাৰ বক্তব্যও তেওঁক দিবলৈ দিয়া নাছিল। কিন্তু কাৰাগাৰত থকাৰ পাছতো ভাৰতৰ স্বাধীনতা আন্দোলনত ৰয়ে অৰিহনা যোগাবলৈ সক্ষম হয় য'ত তেওঁ ৩০০০ পৃষ্ঠাৰ "The Philosophical Consequence of Modern Science" নামৰ এখন খচৰা প্রস্তুত কৰে।

৭.৯ দলবিহীন গণতন্ত্র

ৰয়ে দলবিহীন গণতন্ত্রৰ ধাৰণাক বিশ্বাস কৰিছিল। ক্ষমতাৰ লক্ষ্যক ৰাজনীতিৰ মূল অগ্রাধিকাৰ হিচাপে তেওঁ অগ্রাহ্য কৰিছিল। তেওঁ লগতে বিশ্বাস কৰিছিল যে দলীয় ব্যৱস্থা জনসাধাৰণক প্রতিনিধিত্ব কৰিবলৈ অপর্যাপ্ত মাধ্যম। তেওঁ কয় যে ৰাজনৈতিক অংশগ্রহণ কেৱল ভোটদানৰ ভিতৰতে সীমাবদ্ধ নহয়, ৰাজনৈতিক দলসমূহে অৱশেষত দুর্নীতি আৰু অসৎ কার্যৰ সুচনা কৰে। সংসদীয় গণতন্ত্রৰ আসোঁৱাহসমূহ দূৰ কৰিবলৈ তেওঁ সংগঠিত গণতন্ত্র আৰু অংশগ্রহণকাৰী নাগৰিকত্বৰ ধাৰণাটো প্রণয়ন কৰিছিল। ইয়াৰ বাবেই তেওঁ এক নতুন সামাজিক ব্যৱস্থাৰ দৃষ্টিভংগী আগবঢ়াইছিল। এই নতুন সামাজিক ব্যৱস্থাৰ অর্থনৈতিক কার্যকলাপ তলত উল্লেখ কৰা বিষয়সমূহৰ দ্বাৰা গঠিত হ'ব -

ক) সহযোগী পৰিকল্পনা (Co-operative planning)

খ) কেন্দ্রীভূত পৰিকল্পনা (Centralized planning)

গ) বিজ্ঞান আৰু প্রযুক্তি বিদ্যা (Science & planning)

৭.১০ সমালোচনা

এম এন ৰয়ক যদিও পৰম্পৰাগত দৃষ্টিভংগীক প্রত্যাহ্বান জনোৱা অন্যতম আধুনিক ভাৰতীয় ৰাজনৈতিক চিন্তাবিদ হিচাপে স্মৰণ কৰা হয় তথাপিও তেওঁক কিছু বিশেষ ক্ষেত্রত সমালোচনাও কৰা হয়। ভাৰতীয় সমাজৰ প্রতি তেওঁৰ মার্ক্সবাদী দৃষ্টিভংগী সেই সময়ত প্রযোজ্য নহয় বুলি সমালোচনা কৰা হৈছিল। তদুপৰি তেওঁৰ ৰাজনৈতিক দল, নির্বাচন আৰু সংসদৰ দৰে উদাৰ ৰাজনৈতিক প্রতিষ্ঠানৰ কঠোৰ বিৰোধী আছিল আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰে সৈতে এটা নতুন সমন্বিত পন্থাৰ সমর্থন কৰিছিল। আনকি তেওঁ ভাৰতীয় সমাজৰ ছবিখন অসামঞ্জস্যপূর্ণ আৰু নিম্নগামী কৰি অংকন কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ ৰাজনীতি আৰু দলবিহীন গণতন্ত্র বিষয়ত নৰেনৰ ধাৰণাৰ বিষয়ে এটি চমু টোকা লিখক।

প্রশ্ন নং ৫ ঃ চৰম ৰাজনীতিৰ বিষয়ে নৰেনৰ মতামত কি আছিল ? ব্যাখ্যা কৰক।

প্রশ্ন নং ৬ ঃ কি ভিত্তিত এম এন ৰয়ৰ মতামতক সমালোচনা কৰা হৈছে ?



৭.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নৰেন্দ্র নাথ ভট্টাচার্য নামেৰে জন্মগ্রহণ কৰা মানবেন্দ্র নাথ ৰয় আছিল এজন বিপ্লৱী উগ্রবাদী আৰু ৰাজনৈতিক তত্ত্ববিদ লগতে ২০ শতিকাৰ ভাৰতৰ এজন বিখ্যাত দার্শনিক আছিল। ১৮৮৭ চনত ২৪ পৰগনা জিলাৰ কলিকতাৰ ওচৰৰ আৰেবেলিয়া নামৰ এখন গাৱঁত জন্মগ্রহণ কৰিছিল।
- এম এন ৰয় বিংশ শতিকাৰ এগৰাকী বিশিষ্ট দার্শনিক আছিল। তেওঁ ভাৰতীয় সাম্যবাদৰ পিতৃ হিচাপে প্রখ্যাত আছিল। তেওঁক ভাৰতৰ প্রথম বিপ্লৱী নেতা হিচাপে গণ্য কৰা হয়।
- ৰয় মেক্সিকান সাম্যবাদী দল আৰু ভাৰতীয় সাম্যবাদী দলৰো এজন প্রতিষ্ঠাপক আছিল। তেওঁ দার্শনিক ৰেনথামৰ এজন প্রখৰ অনুগামী আছিল আৰু ভাৰতীয়সকলক আত্ম অস্বীকাৰ আৰু সৰলতাৰ দৰে ধাৰণাত বিশ্বাস কৰি আনন্দেৰে নিজৰ ইচ্ছা পূর্ণ কৰিবলৈ আহ্বান কৰিছিল। তেওঁৰ দৃঢ় বিশ্বাস আছিল যে যেতিয়া চৰকাৰৰ সদস্যসকলে নিজৰ নিজৰ বিবেকৰ দ্বাৰা পৰিচালিত হ'ব তেতিয়াহে অধিক সংখ্যকৰ মংগল সাধন কৰিব পাৰিব।
- ৰয়ে দলবিহীন গণতন্ত্রৰ ধাৰণাক বিশ্বাস কৰিছিল। ক্ষমতাৰ লক্ষ্যক ৰাজনীতিৰ মূল লক্ষ্য হিচাপে তেওঁ অগ্রাহ্য কৰিছিল। তেওঁ লগতে বিশ্বাস কৰিছিল যে দলীয় ব্যৱস্থা জনসাধাৰণক প্রতিনিধিত্ব কৰিবলৈ অপর্যাপ্ত মাধ্যম।
- যদিও এম এন ৰয়ক পৰম্পৰাগত দৃষ্টিভংগীক প্রত্যাহ্বান জনোৱা অন্যতম আধুনিক ভাৰতীয় ৰাজনৈতিক চিন্তাবিদ হিচাপে স্মৰণ কৰা হয় তেওঁক কিছুমান বিশেষ ক্ষেত্রত সমালোচনাও কৰা হৈছে।



৭.১২ অধিক জানিবলৈ

১) জোহাৰি, জে চি এম এন ৰয় দ্য গ্রেট ৰেডিকেল হিউমেনিষ্ট।

২) পান্থম থমাছ আৰু দিউৰেচ কেনেথ এল এড পলিটিকেল থট ইন মদার্ণ ইণ্ডিয়া।

৭.১৩ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ এম এন ৰয়ৰ জন্ম হৈছিল ১৮৮৭ চনত কলিকতাৰ সমীপৰ ২৪ পৰগনা জিলাৰ আৰেবেলীয়া নামৰ গাঁৱত। তেওঁৰ পিতৃ দীনবন্ধু ভট্টাচার্য গাঁৱৰ ক্ষেপুতেশ্বৰী মন্দিৰৰ প্রধান পুৰোহিত আছিল। তেওঁ স্বামী বিবেকানন্দৰ জীৱন দর্শন আৰু জাতীয় ভক্তিৰ প্রখৰ অনুগামী আছিল। নৰেন ভট্টাচার্যৰ প্রাথমিক বিদ্যালয়ৰ শিক্ষা আৰম্ভ হৈছিল আৰেবেলিয়াত আৰু তাৰ পাছত পিতৃ-মাতৃ কোডালিয়া নামৰ ঠাইখনলৈ যোৱাৰ পাছত তেওঁ হৰিনাভি এংল' সংস্কৃত বিদ্যালয়ত বিদ্যা আৰম্ভ কৰিছিল।

২ নং প্রশ্নৰ উত্তৰ ঃ মানৱতাবাদৰ মূল নীতি আছিল যুক্তিবাদ, নৈতিকতাবাদ আৰু স্বাধীনতা। ৰয়ৰ নতুন মানৱতাবাদ তত্ত্বৰ লক্ষ্য হৈছে মূল্যবোধৰ প্রাধান্যবোধ আৰু চিৰন্তন স্বাধীনতা লাভৰ হেপাঁহ জগাই তোলা। নতুন মানৱতাবাদী মতাদর্শই নিজৰ জীৱনত স্বাধীনতা, জ্ঞান আৰু সত্যৰ গুৰুত্বৰ কথা উল্লেখ কৰিছে। ৰাজনীতি আৰু সমাজৰ মূল্যবোধৰ ভেটিৰ পুনৰ দৃঢ়তা আধুনিক ৰাজনৈতিক চিন্তা আৰু আচৰণগত ৰাজনৈতিক বিশ্লেষণৰ বাবে ই এক আদৰণীয় অৱদান।

৩ নং প্রশ্নৰ উত্তৰ ঃ কলিকতাত জন্মগ্রহণ কৰা যিকোনো বঙালী ব্রাহ্মণৰ দৰে ৰয়ে কিশোৰ বয়সতে ৰাজনীতিৰ প্রতি আকর্ষিত হৈছিল আৰু বিশ বছৰ বয়সৰ আগতেই তেওঁ স্বাধীনতা সংগ্রামৰ সৈতে গভীৰভাৱে জড়িত হৈ পৰিছিল। বংগ বিভাজনৰ বিৰোধিতা কৰা প্রতিবাদী আন্দোলনত যুৱ নৰেন সম্পূর্ণৰূপে জড়িত হৈছিল। অৱশেষত তেনে কৰাৰ বাবে তেওঁক বিদ্যালয়ৰ পৰা বহিষ্কাৰ কৰা হয়। তাৰ কিছুদিন পিছতেই নৰেনে স্থানীয় বিপ্লৱী গোটৰ লগত যোগাযোগ স্থাপন কৰি সম্পূর্ণৰূপে ৰাজনীতিৰ লগত জড়িত হৈ পৰে। ১৯ শতিকাৰ শেষত বংকিম আৰু বিবেকানন্দৰ লেখনিৰ দ্বাৰা প্রভাৱিত হৈ বিপ্লৱী জাতীয়তাবাদৰ ধাৰণাটো বংগৰ শিক্ষিত মধ্যবিত্ত শ্রেণীটোৰ মাজত বিয়পিবলৈ আৰম্ভ কৰিছিল। নৰেন ভট্টাচার্য্যও এই আন্দোলনৰ দ্বাৰা প্রভাবিত হৈছিল আৰু এই দুয়োজন মহান নেতাক নিষ্ঠাৰে অনুসৰণ কৰিছিল। ৰয়ে বংকিমচন্দ্রৰ পৰা এবাৰ প্রশংসা লাভ কৰিছিল যে প্রকৃত ধর্মই জনসাধাৰণৰ মংগলৰ বাবে কাম কৰাটো প্রয়োজনীয় আৰু বিবেকানন্দয়ো সমাজসেৱাৰ এই ধাৰণাটোক অধিক শক্তিশালী কৰি তুলিছিল। ইয়াৰ পৰাইপশ্চিমৰ যি কোনো ধর্মতকৈ হিন্দু ধর্ম আৰু ভাৰতীয় সংস্কৃতি উচ্চ বুলি পোষণ কৰা ধাৰণাটোক আগুৱাই লৈ গৈছিল। খুলশালীয়েক আৰু শৈশৱৰ কেইজনমান বন্ধুৰ সৈতে তেওঁ মুক্ত চিন্তাবিদৰ এটা দল গঠন কৰিছিল। বংগ বিভাজনৰ বাবে এখন সভা আৰু পদযাত্রাৰ আয়োজন কৰাৰ বাবে হাইস্কুলৰ পৰা বহিষ্কাৰ হোৱা ভট্টাচার্য কলিকতালৈ গুচি আহি জাতীয় স্বাধীনতা সংগ্রামত সক্রিয়ভাৱে যোগদান কৰিছিল।

৪ নং প্রশ্নৰ উত্তৰ ঃ ৰয়ে দলবিহীন গণতন্ত্ৰৰ ধাৰণাত বিশ্বাস কৰিছিল। ৰাজনীতিৰ মূল অগ্ৰাধিকাৰ হিচাপে ক্ষমতাৰ লক্ষ্যক অগ্ৰাহ্য কৰিছিল। তেওঁ লগতে বিশ্বাস কৰিছিল যে দলীয় ব্যৱস্থা জনসাধাৰণক প্ৰতিনিধিত্ব কৰিবলৈ অপৰ্যাপ্ত মাধ্যম। তেওঁ কয় যে ৰাজনৈতিক অংশগ্ৰহণ কেৱল ভোটদানৰ ভিতৰতে সীমাবদ্ধ নহয় ৰাজনৈতিক দলসমূহে অৱশেষত দুৰ্নীতি আৰু অসৎ কাৰ্যৰ সুচনা কৰে। সংসদীয় গণতন্ত্ৰৰ আসোঁৱাহ দূৰ কৰিবলৈ তেওঁ সংগঠিত গণতন্ত্ৰ আৰু অংশগ্ৰহণকাৰী নাগৰিকত্বৰ ধাৰণাটো প্ৰণয়ন কৰিছিল। ইয়াৰ বাবেই তেওঁ এক নতুন সামাজিক ব্যৱস্থাৰ দৃষ্টিভংগী আগবঢ়াইছিল। এই নতুন সামাজিক ব্যৱস্থাৰ অৰ্থনৈতিক কাৰ্যকলাপ তলত উল্লেখ কৰা বিষয়সমূহৰ দ্বাৰা গঠিত হ'ব।

ক) সহযোগী পৰিকল্পনা

খ) কেন্দ্ৰীভূত পৰিকল্পনা

গ) বিজ্ঞান আৰু প্ৰযুক্তি

৫ নং প্রশ্নৰ উত্তৰ ঃ জীৱনৰ শেষৰ সময়চোৱাত তেওঁ চৰম মানৱতাবাদৰ প্ৰতি প্ৰৱলভাৱে আকৃষ্ট হৈছিল আৰু বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰগতিৰ ফলত মানুহৰ সৃষ্টিশীল শক্তি মুক্ত হোৱা বুলি মতামত আগবঢ়াইছিল। তেওঁ বিশ্বাস কৰিছিল - ৰাজনীতি নিৰ্বাচনতকৈ বহু বেছি ঊৰ্ধত আৰু ই গণতন্ত্ৰৰ উৎত্থান ঘটায়। তেওঁৰ মতে, তেতিয়াহে গণতন্ত্ৰ সফল হয় যেতিয়া আধ্যাত্মিকভাৱে মুক্ত ব্যক্তিয়ে ৰাজহুৱা কাম কাজৰ পৰিচালনা কৰে। তেওঁৰ দৃঢ় বিশ্বাস আছিল যে যেতিয়া চৰকাৰৰ সদস্যসকল নিজৰ বিবেকৰ দ্বাৰা পৰিচালিত হ'ব তেতিয়াহে অধিক সংখ্যকৰ মংগল সাধন কৰিব পাৰিব।

তেওঁ মাৰ্ক্সবাদৰ সমালোচক আছিল আৰু সামগ্ৰিকভাৱে ব্যক্তিতকৈ সমাজখনক অধিক গুৰুত্বপূৰ্ণ বুলি মূল্যায়ন কৰিছিল। তেওঁৰ মতে, সামাজিক সংগঠনৰ অস্তিত্ব ব্যক্তিৰ অস্তিত্বৰ ওপৰত নিৰ্ভৰশীল । মাৰ্ক্সবাদী বিপ্লৱৰ আৰ্হিকো তেওঁ অপ্ৰয়োজনীয় বুলি গণ্য কৰিছিল।

৬ নং প্রশ্নৰ উত্তৰ ঃ যদিও পৰম্পৰাগত দৃষ্টিভংগীক প্ৰত্যাহ্বান জনাবলৈ এম এন ৰয়ক অন্যতম আধুনিক ভাৰতীয় চিন্তাবিদ হিচাপ স্মৰণ কৰা হয় তথাপি তেওঁক কিছুমান বিশেষ ক্ষেত্ৰত সমালোচনাও কৰা হৈছিল। ভাৰতীয় সমাজৰ প্ৰতি মাৰ্ক্সবাদী দৃষ্টিভংগী সেই সময়ত প্ৰযোজ্য নহয় বুলি সমালোচনা কৰা হৈছিল। তদুপৰি তেওঁ ৰাজনৈতিক দল, নিৰ্বাচন আৰু সংসদ আদি উদাৰ ৰাজনৈতিক প্ৰতিষ্ঠানৰ কঠোৰ বিৰোধী আছিল। আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰে এক নতুন সমন্বিত দৃষ্টিভংগীক সমৰ্থন কৰিছিল। তেওঁ অংকন কৰা ভাৰতীয় সমাজৰ ছবিখন অসামঞ্জস্যপূৰ্ণ আৰু নিম্নগামী আছিল।



৭.১৪ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ এম এন ৰয়ৰ এখন সাহিত্য কৃতিৰ নাম লিখক।

প্ৰশ্ন ২ ঃ ৰয়ে যিজন পশ্চিমীয়া দাৰ্শনিকক উগ্ৰভাৱে অনুসৰণ কৰিছিল আৰু তেওঁৰ চিন্তাধাৰাক নিজৰ কৰ্মসমূহত অন্তৰ্ভুক্ত কৰিছিল তেওঁ কোন ?

প্ৰশ্ন ৩ ঃ অৰ্থনৈতিক কাৰ্যকলাপৰ বাবে ৰয়ৰ ধাৰণাটোৰ তিনিটা বৈশিষ্ট্য কি কি ?

প্ৰশ্ন ৪ ঃ ৰয়ৰ বস্তুবাদৰ ধাৰণাৰ চমু আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ এম এন ৰয়ে মাৰ্ক্সবাদক কিয় সমৰ্থন কৰা নাছিল? ব্যাখ্যা কৰক।

প্ৰশ্ন ৬ ঃ ৰয়ে গ্ৰহণ কৰা ভাৰত জাৰ্মান ষড়যন্ত্ৰ কি?

প্ৰশ্ন ৭ ঃ ভাৰতৰ সাম্যবাদৰ পিতৃ হিচাপে ৰয়ক কিয় নামাকৰণ কৰা হৈছে সেই সম্পৰ্কে এটি চমু টোকা লিখক ।

*** ***** ***

অধ্যায় ৮ ঃ বি. আৰ. আম্বেদকাৰ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ বাল্যকাল আৰু জীৱনৰ আৰম্ভণি
৮.৪ শিক্ষাজীৱন
৮.৫ ৰাজনৈতিক জীৱন
৮.৬ শ্রেণী বৈষম্যৰ বিৰুদ্ধে আন্দোলন
৮.৭ ভাৰতীয় সংবিধানৰ প্রণেতা
৮.৮ আম্বেদকাৰৰ অন্যান্য বৰঙণি
৮.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.১০ অধিক জানিবলৈ
৮.১১ অগ্রগতিৰ খতিয়ান
৮.১২ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বি. আৰ. আম্বেদকাৰ আৰু তেওঁৰ জীৱন সম্পর্কে জানিব পাৰিব
- ভাৰতীয় সমাজখনক উন্নততৰ কৰি তোলাৰ প্রয়াস হিচাপে আম্বেদকাৰে কৰা বিভিন্ন কাম সম্পর্কে অৱগত হ'ব
- আম্বেদকাৰৰ ৰচনাৰাজিৰ বিষয়ে জানিব পাৰিব
- ভাৰতীয় ৰাজনৈতিক চিন্তাৰ বিকাশত আম্বেদকাৰে আগবঢ়োৱা অৱদানৰ বিষয়ে জানিব পাৰিব।

৮.২ পৰিচয়

ডঃ ভীমৰাও ৰামজী আম্বেদকাৰ বাবাচাহেব আম্বেদকাৰ নামেৰে জনাজাত আছিল। তেওঁ একেধাৰে এগৰাকী ন্যায়জ্ঞ, সমাজ সংস্কাৰক আৰু ৰাজনীতিক আছিল। ভাৰতীয় সংবিধানৰ জনক নামেৰেও পৰিচিত আম্বেদকাৰে অস্পৃশ্যতা আৰু জাতিভিত্তিক বাধা-নিষেধৰ দৰে সামাজিক কুপ্রথাবোৰ আঁতৰাবলৈ তাৎপর্যপূর্ণ বৰঙণি আগবঢ়াইছিল। তেওঁ সমগ্র জীৱন দলিত আৰু সামাজিকভাৱে পিছপৰা অন্য সম্প্রদায়বোৰৰ অধিকাৰ ৰক্ষাৰ হকে নিৰন্তৰ প্রয়াস কৰি গৈছিল। জৱাহৰলাল নেহৰুৰ কেবিনেটত তেওঁ স্বাধীন ভাৰতৰ প্রথমগৰাকী আইন মন্ত্রীৰ আসন শুৱনি

কৰিছিল। ১৯৯০ চনত আম্বেদকাৰক মৰণোত্তৰ ভাৱে ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান 'ভাৰত ৰত্ন' প্রদান কৰা হৈছিল।

সমাজ সংস্কাৰক আম্বেদকাৰে 'দলিত বুদ্ধিষ্ট আন্দোলন'ক উদ্বুদ্ধ কৰিছিল আৰু অস্পৃশ্য (দলিত)সকলৰ বিৰুদ্ধে প্রচলিত সামাজিক বৈষম্যৰ প্রতিবাদত অভিযান চলাইছিল। তেওঁ মহিলা আৰু শ্রমিকৰ অধিকাৰকো সমর্থন কৰিছিল। আম্বেদকাৰক ভাৰতীয় সংবিধানৰ কেন্দ্রীয় প্রণেতাৰ সন্মান প্রদান কৰা হৈছিল।

৮.৩ বাল্যকাল আৰু জীৱনৰ আৰম্ভণি

মধ্যপ্রদেশৰ মাউত অৱস্থিত সেনা চাউনীত ১৮৯১ চনৰ ১৪ এপ্রিলত আম্বেদকাৰৰ জন্ম হৈছিল। সেনা বাহিনীত চুবেদাৰ পদত কর্মৰত ৰামজী মালোজী চাক্পাল আৰু ভীমবাঈ মূৰবাদকাৰ চাক্পালৰ চৌধ্য নম্বৰ আৰু নুমলীয়া সন্তান আছিল ভীমৰাও। পৰিয়ালটোৰ আচল ঘৰ আছিল বর্তমানৰ মহাৰাষ্ট্রৰ ৰত্নাগিৰি জিলাৰ অম্বাভাদে চহৰত। চাক্ পাল সকল আছিল দৰিদ্র মহাৰ (দলিত) শ্রেণীৰ লোক। সমাজত তেওঁলোক আছিল অস্পৃশ্য আৰু অবর্ণীয় আর্থ-সামাজিক বৈষম্যৰ লক্ষ্য।

বিদ্যালয়ত শিক্ষা গ্রহণৰ সুযোগ পাইছিল যদিও আম্বেদকাৰ আৰু তেওঁৰ আন দলিত সমনীয়াসকল শ্রেণীকোঠাৰ বাহিৰত আছুতীয়াকৈ বহিব লাগিছিল। পিয়াহ লাগিলে উচ্চবর্ণৰ সহপাঠীয়ে তেওঁলোকক স্পর্শ নকৰাকৈ বহু ওপৰৰ পৰা পানী ঢালি দিছিল। পানীৰ পাত্র আৰু পানী স্পর্শ কৰাৰ অধিকাৰ তেওঁলোকৰ নাছিল। আম্বেদকাৰৰ পিয়াহ লাগিলে তেওঁক সাধাৰণতে বিদ্যালয়ৰ পিয়নগৰাকীয়ে পানী খুৱাইছিল। এবাৰ তেওঁৰ অনুপস্থিতিত আম্বেদকাৰে নিজে কুঁৱাৰ পৰা পানী তুলি খাবলগীয়া হৈছিল। এই কথাটোৱে শিশু আম্বেদকাৰৰ মনত গভীৰ প্রভাৱ পেলাইছিল।

৮.৪ শিক্ষাজীৱন

অর্থনীতি বিজ্ঞান আৰু ৰাজনীতি বিজ্ঞানৰ ডিগ্রীধাৰী আম্বেদকাৰে এলফিন্ষ্টোন মহাবিদ্যালয় আৰু বোম্বে বিশ্ববিদ্যালয়ৰ পৰা উচ্চশিক্ষা গ্রহণ কৰিছিল। মেধাৰী ছাত্র ৰূপে পৰিচিত হোৱা আম্বেদকাৰে আমেৰিকা যুক্তৰাষ্ট্রত পঢ়াৰ সুযোগ পাইছিল। ১৯১৬ চনত তেওঁ লণ্ডন স্কুল অব্ ইক'নমিক্সত নামভর্তি কৰি নিজৰ 'The Problem of the Rupee : Its Origin and its Solution' শীর্ষক গৱেষণা পত্রখনৰ কামত হাত দিছিল। এইখিনি সময়ত তেওঁ চিডেনহাম ক'লেজ অব্ কমার্ছ এণ্ড আর্টচ্ত ৰাজনৈতিক অর্থনীতিৰ প্রবক্তা হিচাপে কাম কৰিছিল। লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা ডক্তৰেট অব্ চায়েন্স ডিগ্রী লাভ কৰা আম্বেদকাৰ আমেৰিকাৰ পৰা ঘুৰি অহাৰ পাছতেই বৰোদাৰ মহাৰাজৰ প্রতিৰক্ষা সচিব হৈছিল। কিন্তু তাতো তেওঁ অস্পৃশ্য সম্প্রদায়ৰ হোৱা বাবে বহু ক্ষেত্রত অপদস্থ হ'বলগীয়া হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বি. আৰ আম্বেদকাৰে ক'ত জন্মগ্রহণ কৰিছিল আৰু ডাঙৰ দীঘল হৈছিল?

প্রশ্ন নং ২ ঃ আম্বেদকাৰে কোনটো সামাজিক কুপ্রথাৰ তীব্র বিৰোধিতা কৰিছিল?

প্রশ্ন নং ৩ ঃ আম্বেদকাৰৰ গৱেষণা পত্রখনৰ শিৰোনাম কি?

৮.৫ ৰাজনৈতিক জীৱন

১৯৩৬ চনত আম্বেদকাৰে স্বতন্ত্র শ্রমিক দল (Independent Labor Party) গঠন কৰিছিল। ১৯৩৭ চনত অনুষ্ঠিত হোৱা কেন্দ্রীয় বিধানসভা নির্বাচনত এই দলটোৱে ১৫ খন আসন লাভ কৰিবলৈ সক্ষম হৈছিল। কালক্রমত দলটোৱে নাম সলনি কৰি অল ইণ্ডিয়া শ্বেডিউলড্ কাষ্টচ্ ফেডাৰেশ্যন বুলি নতুন নাম গ্রহণ কৰিছিল।

১৯৩৬ চনৰ ১৫ মে' তাৰিখে আম্বেদকাৰৰ Annihilation of Caste শীর্ষক গ্রন্থখন প্রকাশ পাইছিল। তাত তেওঁ বিশেষভাৱে গোড়া হিন্দু ধর্মীয় নেতাসকলক আৰু সাধাৰণভাৱে ভাৰতীয় জাতিভেদ প্রথাটোক তীব্র সমালোচনা কৰিছিল। Who were the Sudras? শীর্ষক ৰচনাত আম্বেদকাৰে অস্পৃশ্যসকলৰ উৎপত্তি ব্যাখ্যা কৰাৰ চেষ্টা কৰিছিল। কংগ্রেছ দল আৰু মহাত্মা গান্ধীয়ে অস্পৃশ্যসকলক 'হৰিজন' বুলি সম্বোধন কৰিবলৈ লোৱা সিদ্ধান্তৰো তেওঁ বিৰোধিতা কৰিছিল। তেওঁ এটা কথাই কৈছিল যে অস্পৃশ্য সম্প্রদায়ৰ লোকসকলো সমাজৰ অন্য সদস্যৰ দৰে একে।

আম্বেদকাৰে প্রতিৰক্ষা উপদেষ্টা সমিতি আৰু ভাইচৰয়ৰ কার্যবাহী পৰিষদতশ্রম মন্ত্রীৰ বাব পাইছিল। এগৰাকী পণ্ডিত হিচাপে তেওঁ অর্জন কৰা সুখ্যাতিৰ বাবে আম্বেদকাৰক স্বাধীন ভাৰতৰ প্রথমগৰাকী আইন মন্ত্রীৰ পদ যঁচা হৈছিল। তেওঁক স্বাধীন ভাৰতৰ সংবিধান প্রস্তুত কৰাৰ বাবে গঠিত খছৰা সমিতিৰো অধ্যক্ষৰ পদত বহুওৱা হৈছিল। আম্বেদকাৰে দক্ষিণ এচিয়াত চলি থকা ইচলামীয় অনুশীলনবোৰৰো সমালোচনা কৰিছিল। ভাৰত বিভাজনৰ সিদ্ধান্তক যুক্তিসংগত বুলি কোৱা আম্বেদকাৰে বাল্য বিবাহ আৰু মুছলমান সমাজে মহিলাক কৰা দুর্ব্যৱহাৰৰ তীব্র বিৰোধিতা কৰিছিল।

৮.৬ শ্রেণী বৈষম্যৰ বিৰুদ্ধে আন্দোলন

নিম্ন জাতিৰ পৰিয়ালত জন্মগ্রহণ কৰাৰ বাবে অন্যৰ পৰা পোৱা অসন্মান আৰু অৱজ্ঞাৰ ব্যক্তিগত অভিজ্ঞতাই আম্বেদকাৰক এই সামাজিক কুপ্রথাটোৰ বিৰুদ্ধে আজীৱন যুঁজি যাবলৈ সাহস যোগাইছিল। তেওঁ কৈছিল যে কৰমর্দন কৰিলে, টকা-পইচা যোগান ধৰিলে, নিম্ন জাতিৰ লোকক দয়াৰ চকুৰে চালে নাইবা তেওঁলোকৰ প্রতি সৌজন্যতা প্রদর্শন কৰিলেই এই কুপ্রথাটোৰ ওৰ নপৰে। এই কুপ্রথা নাইকিয়া কৰিবলৈ দেশৰ নাগৰিকৰ মানসিকতা আৰু মনোভাৰ সম্পূর্ণ

সলনি কৰিব লাগিব। তেওঁ পৃষ্ঠপোষকতা কৰা আৰু দুটামান গুৰুত্বপূৰ্ণ বিষয় আছিল বিধি-বিধান প্ৰণয়ন কৰি দেশৰ পৰা জাতিপ্ৰথা উৎখাত কৰা; কেৱল ব্ৰাহ্মণ সম্প্ৰদায়ৰ নিয়ন্ত্ৰণত থকা পুৰোহিতালি প্ৰথা বিলোপ কৰা; ধৰ্মগ্ৰন্থ, সকাম-নিকাম, ধৰ্মীয় অনুশীলন আদিক একোটা স্বীকৃতমান নিৰূপণ কৰা আদি। তেতিয়াহে দেশৰ পৰা চিৰদিনলৈ অস্পৃশ্যতাৰ কুপ্ৰথা আঁতৰিব বুলি তেওঁ বিশ্বাস কৰিছিল। গান্ধী আৰু আম্বেদকাৰ দুয়ো দেশৰ পৰা অস্পৃশ্যতা আঁতৰোৱাৰ প্ৰয়াস কৰিছিল যদিও দুয়োৰে পন্থা বেলেগ বেলেগ আছিল।

আম্বেদকাৰে অস্পৃশ্যসকলৰ বাবে 'বহিষ্কৃত ভাৰত' নামৰ এখন মাৰাঠী পখেকীয়া আলোচনী প্ৰকাশ কৰিছিল। আলোচনীখনৰ উদ্দেশ্য আছিল দেশৰ সাম্প্ৰতিক ঘটনাৱলীৰ বিষয়ে দলিত সম্প্ৰদায়ক সজাগ কৰি ৰখা। আলোচনীখনৰ জৰিয়তে তেওঁ নিজৰ ভাৱ-চিন্তাবোৰ দেশৰ উচ্চ জাতিৰ উদাৰমনা লোকসকলক জানিবলৈ দিছিল। তেওঁ খাতিখোৱা শ্ৰেণীটোৰ হকেও কাম কৰি গৈছিল।

১৯১৯ চনৰ ভাৰত চৰকাৰ আইন প্ৰস্তুত কৰাৰ বাবে নিযুক্ত চাউথ ব'ৰ' সমিতিৰ আগত দাখিল কৰা শপতনামাত আম্বেদকাৰে দেশৰ অস্পৃশ্য আৰু অন্য উপান্তকৃত সম্প্ৰদায়বোৰৰ বাবে পৃথক নিৰ্বাচন প্ৰক্ৰিয়া প্ৰচলন কৰাৰ কথা কৈছিল। তেওঁ দলিত তথা আন ধৰ্মীয়ভাৱে সমাজচ্যুত সম্প্ৰদায়্বাৰৰ বাবে আসন সংৰক্ষণৰ চিন্তটোলৈ পূৰ্ণ সমৰ্থন আগবঢ়াইছিল আৰু এই সম্প্ৰদায়বোৰৰ সৈতে সম্পৰ্ক ৰক্ষা কৰাৰ যথাসম্ভৱ চেষ্টা কৰিছিল। আম্বেদকাৰে দেশৰ বিভিন্ন প্ৰান্তৰ অস্পৃশ্য আখ্যা পোৱা সম্প্ৰদায়বোৰক লগ ধৰিছিল আৰু এই প্ৰচলিত সামাজিক কুপ্ৰথাটোৰ আসোঁৱাহবোৰ বুজাই দিয়াৰ চেষ্টা কৰিছিল। এই কামত সহায়ক হোৱাকৈ তেওঁ ১৯২০ চনত 'মূকনায়ক' (কণ্ঠহীনসকলৰ নেতা) নামৰ এখন বাতৰি কাকত প্ৰকাশ কৰিছিল। আইনৰ শিক্ষা সাং কৰি আম্বেদকাৰে ওকালতিআৰম্ভ কৰিছিল আৰু জাতি বৈষম্যৰ বিৰুদ্ধে চনা গোচৰবোৰত নিজৰ আইনী দক্ষতাৰ পৰিচয় দাঙি ধৰিছিল। ১৯২৭ চনত আম্বেদকাৰৰ নেতৃত্বত দলিতৰ অধিকাৰ বিচাৰি এক পূৰ্ণাংগ আন্দোলনৰ সূচনা হৈছিল। এই আন্দোলনৰ দাবী আছিল খোৱাপানীৰ ৰাজহুৱা উৎসবোৰ সকলোৰে বাবে মুকলি কৰা আৰু সকলো জাতিৰ লোককে মন্দিৰত প্ৰৱেশ কৰিবলৈ দিয়া। বৈষম্যৰ পোষকতা কৰা হিন্দু ধৰ্মগ্ৰন্থবোৰক তেওঁ কঠোৰ ভাষাৰে সমালোচনা কৰিছিল আৰু নাচিকৰ কলাৰাম মন্দিৰত প্ৰৱেশৰ অধিকাৰ বিচাৰি প্ৰতীকি প্ৰতিবাদৰ আয়োজন কৰিছিল। ১৯৩২ চনত আম্বেদকাৰ আৰু পণ্ডিত মদন মোহন মালৱীয়ই পুনা সন্ধিত চহী কৰিছিল। মালৱীয় আছিল সেইসকল হিন্দু ব্ৰাহ্মণৰ প্ৰতিনিধি যিসকলে প্ৰাদেশিক বিধানসভা নিৰ্বাচনত সাধাৰণ নিৰ্বাচনী প্ৰক্ৰিয়াৰ ভিতৰতে অস্পৃশ্য শ্ৰেণীটোৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা কৰাৰ কথাটোক সমৰ্থন কৰিছিল। পৰৱৰ্তী সময়ত এই শ্ৰেণীটোক অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি শিতানত ভাগ কৰা হৈছিল।

৮.৭ ভাৰতীয় সংবিধানৰ প্ৰণেতা

১৯৪৭ চনৰ ২৯ আগষ্টত ডঃ আম্বেদকাৰক খছৰা সংবিধান সমিতিৰ অধ্যক্ষ নিযুক্ত

কৰা হৈছিল। তেওঁ সংবিধানখনৰ জৰিয়তে সমাজৰ সকলো শ্ৰেণীৰ মাজত এখন কার্যকৰী ক্ষমতাসম্পন্ন সাঁকো গঢ়াৰ পৃষ্ঠপোষকতা কৰিছিল। তেওঁৰ মতে দেশৰ বিভিন্ন শ্ৰেণীৰ মাজৰ প্ৰভেদবোৰ নাইকিয়া কৰি ল'ব নোৱাৰিলে একতা বৰ্তাই ৰখাটো দুৰূহ কার্য হৈ ৰ'ব। আম্বেদকাৰে ধৰ্মীয়, লিংগভিত্তিক আৰু জাতিভিত্তিক সমতা স্থাপনত জোৰ দিছিল। তেওঁ শিক্ষা, চৰকাৰী চাকৰি আৰু লোকসেৱা খণ্ডত অনুসূচিত জাতি তথা জনজাতিৰ লোকৰ বাবে আসন সংৰক্ষণৰ বিষয়টো বিধান সভাত উপস্থাপন কৰিবলৈ প্ৰয়োজন হোৱা সমর্থন সংগ্ৰহত সফলতা লাভ কৰিছিল।

আম্বেদকাৰে প্ৰস্তুত কৰা সংবিধানৰ খছৰাক গ্ৰেনভিল্ আষ্টিনে 'সর্বপ্রথম সামাজিক নথি' আখ্যা দিছে। তেওঁ নিৰূপণ কৰা নীতি-নিয়মবোৰে ভাৰতৰ প্ৰতিগৰাকী নাগৰিককে বিস্তৃত পৰিসৰৰ নাগৰিক স্বতন্ত্ৰতা উপভোগ কৰাৰ সাংবিধানিক নিশ্চিতি তথা সুৰক্ষা প্ৰদান কৰিছে। সংবিধানে নাগৰিকক ধৰ্মীয় স্বাধীনতা দিয়াৰ লগতে অস্পৃশ্যতাৰ প্ৰথা বিলুপ্তি আৰু সকলো ধৰণৰ বৈষম্য বর্জন কৰাৰ কথা কৈছে। আম্বেদকাৰে লোকসেৱা খণ্ডৰ লগতে বিদ্যালয় আৰু মহাবিদ্যালয়বোৰত অনুসূচিত জাতি, জনজাতি আৰু অন্য পিছপৰা সম্প্ৰদায়ৰ সদস্যৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা ৰখাৰ প্ৰস্তাৱ বিধান সভাত উপস্থাপন কৰিবলৈ সভাৰ সদস্যসকলৰ সমর্থন লাভ কৰিছিল। সংবিধান সভাই ১৯৪৯ চনৰ ২৬ নৱেম্বৰত সংবিধানখন চূড়ান্তভাৱে গ্ৰহণ কৰিছিল।

৮.৮ আম্বেদকাৰৰ অন্যান্য বৰঙণি

- **আম্বেদকাৰ আৰু বৌদ্ধধর্ম ঃ** ১৯৫০ চনত আম্বেদকাৰে শ্ৰীলংকাত অনুষ্ঠিত বৌদ্ধ পণ্ডিত আৰু ভিক্ষুসকলৰ সভা এখনত ভাগ লৈছিল। বৌদ্ধ সংস্কৃতিয়ে তেওঁক গভীৰভাৱে প্ৰভাৱিত কৰিছিল। উভতি অহাৰ কিছুদিনৰ পাছতেই তেওঁ বৌদ্ধধর্মৰ বিষয়ে এখন কিতাপ লিখিছিল। তাৰপাছতেই নিজেও বৌদ্ধধর্ম গ্ৰহণ কৰিছিল। আম্বেদকাৰ হ'ল ভাৰতীয় বৌদ্ধ মহাসভাৰ প্ৰতিষ্ঠাপক। The Buddha and His Dhamma নামৰ গ্ৰন্থখন তেওঁৰ মৃত্যুৰ পাছত প্ৰকাশিত হৈছিল। ১৯৫৬ চনৰ ১৪ অক্টোবৰত আম্বেদকাৰে আয়োজন কৰা এক বিশেষ অনুষ্ঠানত তেওঁৰ প্ৰায় পাঁচ লাখ সমর্থকে বৌদ্ধধর্মত শৰণ লৈছিল।
- **সমান নাগৰিক সংহিতাৰ প্ৰতি সমর্থন ঃ** সংবিধান সভাত চলা এক বিতর্কৰ সময়ত আম্বেদকাৰে ভাৰতীয় সমাজখনৰ সংস্কাৰ সাধন কৰিবলৈ থকা তেওঁৰ আগ্ৰহ প্ৰদর্শন কৰিছিল। তেওঁ দেশৰ বাবে এক সমান নাগৰিক সংহিতা গ্ৰহণৰ প্ৰস্তাৱ আগবঢ়াইছিল। সংসদে তেওঁৰ হিন্দু সংহিতা বিধেয়কৰ খছৰাখন বহুদিন আলোচনা নকৰাকৈ পেলাই থোৱাৰ প্ৰতিবাদত আম্বেদকাৰে কেবিনেটৰ পৰা পদত্যাগ কৰিছিল। বিধেয়কখনত উত্তৰাধিকাৰ আৰু বিবাহৰ নিয়ম-কানুনবোৰত লৈংগিক সমতা স্থাপনৰ কথা কোৱা হৈছিল।
- **অর্থনৈতিক পৰিকল্পনা ঃ** আম্বেদকাৰ হ'ল বিদেশৰ বিশ্ববিদ্যালয়ৰ পৰা অর্থনীতি বিজ্ঞান বিষয়ত ডক্তৰেট ডিগ্ৰী লাভ কৰা প্ৰথমগৰাকী ভাৰতীয়। তেওঁ ঔদ্যোগিকীকৰণ আৰু

কৃষিখণ্ডৰ বিকাশে ভাৰতীয় অৰ্থনীতি সবল কৰিব বুলি মত পোষণ কৰিছিল। তেওঁ দেশৰ প্ৰধান উদ্যোগ হিচাপে কৃষিত পুঁজি বিনিয়োগ কৰাৰ কথা কৈছিল। আম্বেদকাৰে ৰাষ্ট্ৰীয় পৰ্যায়ত অৰ্থনৈতিক আৰু সামাজিক উন্নয়নত জোৰ দিছিল। ইয়াৰ বাবে তেওঁ শিক্ষা, ৰাজহুৱা পৰিচ্ছন্নতা, সামূহিক স্বাস্থ্য আৰু আবাসিক সা-সুবিধাবোৰক মৌলিক সুবিধাৰূপে বিকশাই তোলাত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ নিজৰ গৱেষণা পত্ৰ The Problem of the Rupee : Its Origin and its Solution (১৯২৩ চন)ত টকাৰ মূল্য অৱনমিত হোৱাৰ কাৰণবোৰ পৰীক্ষা কৰি চাইছিল। গৱেষণাৰ দ্বাৰা তেওঁ প্ৰমাণ কৰি দেখুৱাইছিল যে বিনিময় সুস্থিৰতাতকৈ দাম সুস্থিৰতা অধিক গুৰুত্বপূৰ্ণ। তেওঁ সোণ আৰু ৰূপৰ বিনিময় দৰ আৰু অৰ্থনীতিত ইয়াৰ প্ৰভাৱো বিশ্লেষণ কৰি দেখুৱাইছিল।

১৯৫১ চনত আম্বেদকাৰে ভাৰতীয় বিত্ত আয়োগ গঠন কৰিছিল। নিম্ন আয়ৰ পৰিয়ালবোৰক আয়কৰ জাপি দিয়া কথাটোৰ তেওঁ বিৰোধিতা কৰিছিল। স্বাধীন ভাৰতৰ অৰ্থনীতি সুস্থিৰ কৰিবলৈ তেওঁ ভূমি ৰাজহ আৰু আৱকাৰী শুল্ক নীতি নিৰ্ধাৰণতো গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই থৈ গৈছে। ৰাষ্ট্ৰীয় অৰ্থনীতিৰ বিকাশ আৰু ভূমি সংস্কাৰৰ ক্ষেত্ৰত আম্বেদকাৰৰ বৰঙণি প্ৰাতঃস্মৰণীয়। জাতি প্ৰথাই দেশৰ শ্ৰমিকসকলৰ মাজত বিভাজনৰ সৃষ্টি কৰিছে আৰু অৰ্থনৈতিক উন্নতিত বাধা দিছে। তেওঁ সুস্থিৰ টকাৰে সৈতে এক মুক্ত অৰ্থনীতিৰ পোষকতা কৰিছিল। তেওঁৰ মতে ভাৰতীয় অৰ্থনীতিৰ উন্নয়ন সাধন কৰিবলৈ জন্ম নিয়ন্ত্ৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আম্বেদকাৰৰ পৰামৰ্শক মূৰ্ত ৰূপ দি ভাৰত চৰকাৰে পৰিয়াল কল্যাণৰ ৰাষ্ট্ৰীয় নীতি গ্ৰহণ কৰিছে। তেওঁৰ মতে অৰ্থনৈতিক উন্নয়নৰ আন এটা চৰ্ত হ'ল মহিলাৰ সম অধিকাৰ।

- **সাহিত্যিক অৱদান ঃ** মহাৰাষ্ট্ৰ চৰকাৰৰ শিক্ষা বিভাগে আম্বেদকাৰৰ বিভিন্ন ৰচনা আৰু ভাষণৰ কেইবাটাও সংকলন প্ৰকাশ কৰিছে। ইয়াৰে কেইখনমান সংকলনৰ নাম তলত দিয়া হ'ল-
  - ক) ভাৰতত জাতি ঃ এইবোৰৰ প্ৰণালী, উৎপত্তি আৰু বিকাশ তথা আন ১১ খন ৰচনা
  - খ) বোম্বে বিধান সভা, চাইমন কমিছন আৰু ঘূৰণীয়া মেজমেলত আম্বেদকাৰ, ১৯২৭-১৯৩৯ চন
  - গ) হিন্দুত্বৰ দৰ্শন, ভাৰত আৰু সাম্যবাদ, বিপ্লৱ তথা প্ৰতি-বিপ্লৱৰ পূৰ্বচৰ্ত
  - ঘ) বুদ্ধ অথবা কাৰ্ল মাৰ্ক্স
  - ঙ) হিন্দুত্বত সাঁথৰ
  - চ) অস্পৃশ্য আৰু অস্পৃশ্যতা বিষয়ক ৰচনা
  - ছ) বৃটিছ ভাৰতত প্ৰাদেশিক বিত্ত ব্যৱস্থাৰ ক্ৰমবিকাশ
  - জ) অস্পৃশ্যসকল-তেওঁলোক কোন আছিল আৰু তেওঁলোক কিয় অস্পৃশ্য হ'ল?
  - ঝ) জাতিৰ বিনাশ (১৯৩৮)

ঞ) পাকিস্তান নাইবা ভাৰতৰ বিভাজন, ১৯৪৮

ট) কংগ্রেছ আৰু গান্ধীয়ে অস্পৃশ্যসকলৰ প্রতি কি কৰিলে, ১৯৪৫

ঠ) গান্ধী ডাণ্ডৰীয়া আৰু অস্পৃশ্যসকলৰ মুক্তি, ১৯৪৩

ড) বুদ্ধ আৰু তেওঁৰ ধর্ম, ১৯৫৭

এইবোৰৰ উপৰি আম্বেদকাৰৰ আন কেইখনমান প্রসিদ্ধ ৰচনা হ'ল- প্রাচীন ভাৰতীয় বাণিজ্য, আইন বিষয়ক টোকা, ভিচাৰ বাবে অপেক্ষা, ভাৰতীয় সংবিধানৰ প্রধান স্থপতিবিদ ৰূপে আম্বেদকাৰ (২ টা খণ্ড), ডঃ আম্বেদকাৰ আৰু হিন্দু সংহিতা বিধেয়ক, স্বাধীন ভাৰতৰ প্রথমগৰাকী আইন মন্ত্রী আৰু ভাৰতীয় সংসদৰ বিৰোধী দলৰ সদস্য ৰূপে আম্বেদকাৰ, পালি ব্যাকৰণ, আম্বেদকাৰ আৰু তেওঁৰ সমতাবাদী বিপ্লৱ-মানৰ অধিকাৰৰ সংগ্রাম, ১৯২৭ চনৰ মার্চ মাহৰ পৰা ১৯৫৬ চনৰ ১৭ নৱেম্বৰলৈ ঘটা ঘটনাৱলীৰ ক্রমিক উল্লেখ, আম্বেদকাৰ আৰু তেওঁৰ সমতাবাদী বিপ্লৱ-সমাজ ৰাজনৈতিক আৰু ধর্মীয় কার্যকলাপ, ১৯২৯ চনৰ নৱেম্বৰ মাহৰ পৰা ১৯৫৬ চনৰ ৮ মে'লৈ ঘটা ঘটনাৱলীৰ ক্রমিক উল্লেখ, আম্বেদকাৰ আৰু তেওঁৰ সমতাবাদী বিপ্লৱ- ভাষণ (১৯৫৬ চনৰ ১ জানুৱাৰীৰ পৰা ২০ নৱেম্বৰলৈ ঘটা ঘটনাৱলীৰ ক্রমিক উল্লেখ)।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ কোনটো কথাত গান্ধী আৰু আম্বেদকাৰৰ মাজত পার্থক্য আছিল?

প্রশ্ন নং ৫ ঃ অস্পৃশ্যতা বোলা সমাজিক কুপ্রথাটো আঁতৰাবলৈ আম্বেদকাৰে কৰা সংগ্রামৰ বিষয়ে এটা টোকা লিখক।

প্রশ্ন নং ৬ ঃ বৌদ্ধধর্মই আম্বেদকাৰক কেনেদৰে প্রভাৱিত কৰিছিল তাৰ এটা টোকা লিখক।



৮.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ডঃ ভীমৰাও ৰামজী আম্বেদকাৰ বাবাচাহেব আম্বেদকাৰ নামেৰে জনাজাত আছিল। তেওঁ একেধাৰে এগৰাকী ন্যায়জ্ঞ, সমাজ সংস্কাৰক আৰু ৰাজনীতিক আছিল। **ভাৰতীয় সংবিধানৰ জনক** নামেৰেও পৰিচিত আম্বেদকাৰে অস্পৃশ্যতা আৰু জাতিভিত্তিক বাধা-নিষেধৰ দৰে সামাজিক কুপ্রথাবোৰ আঁতৰাবলৈ তাৎপর্যপূর্ণ বৰঙণি আগবঢ়াইছিল। জৱাহৰলাল নেহৰুৰ কেবিনেটত তেওঁ স্বাধীন ভাৰতৰ প্রথমগৰাকী আইন মন্ত্রীৰ আসন শুৱনি কৰিছিল। ১৯৯০ চনত আম্বেদকাৰক মৰণোত্তৰ ভাৰে ভাৰতৰ সর্বোচ্চ অসামৰিক সন্মান 'ভাৰত ৰত্ন' প্রদান কৰা হৈছিল।

- মধ্যপ্রদেশৰ মাউত অৱস্থিত সেনা চাউনীত ১৮৯১ চনৰ ১৪ এপ্রিলত আম্বেদকাৰৰ জন্ম হৈছিল। সেনা বাহিনীত চুবেদাৰ পদত কর্মৰত ৰামজী মালোজী চাক্পাল আৰু ভীমবাঈ মূৰবাদকাৰ চাক্পালৰ চৌধ্য নম্বৰ আৰু নুমলীয়া সন্তান আছিল ভীমৰাও। পৰিয়ালটোৰ আচল ঘৰ আছিল বর্তমানৰ মহাৰাষ্ট্রৰ ৰত্নাগিৰি জিলাৰ অম্বাভাদে চহৰত। চাক্পাল সকল আছিল দৰিদ্র মহাৰ (দলিত) শ্রেণীৰ লোক। সমাজত তেওঁলোক আছিল অস্পৃশ্য আৰু অবর্ণণীয় আর্থ-সামাজিক বৈষম্যৰ লক্ষ্য।
- অর্থনীতি বিজ্ঞান আৰু ৰাজনীতি বিজ্ঞানৰ ডিগ্রীধাৰী আম্বেদকাৰে এলফিন্ষ্টোন মহাবিদ্যালয় আৰু বোম্বে বিশ্ববিদ্যালয়ৰ পৰা উচ্চশিক্ষা গ্রহণ কৰিছিল। মেধাৰী ছাত্র ৰূপে পৰিচিত হোৱা আম্বেদকাৰে আমেৰিকা যুক্তৰাষ্ট্রত পঢ়াৰ সুযোগ পাইছিল। ১৯১৬ চনত তেওঁ লণ্ডন স্কুল অব্ ইক'নমিক্সত নামভর্তি কৰি নিজৰ The Problem of the Rupee : Its Origin and its Solution শীর্ষক গৱেষণা পত্রখনৰ কামত হাত দিছিল।
- ১৯৩৬ চনত আম্বেদকাৰে স্বতন্ত্র শ্রমিক দল (Independent Labor Party) গঠন কৰিছিল। ১৯৩৭ চনত অনুস্থিত হোৱা কেন্দ্রীয় বিধানসভা নির্বাচনত এই দলটোৱে ১৫ খন আসন লাভ কৰিবলৈ সক্ষম হৈছিল।
- আম্বেদকাৰে প্রতিৰক্ষা উপদেষ্টা সমিতি আৰু ভাইচৰয়ৰ কার্যবাহী পৰিষদত শ্রম মন্ত্রীৰ বাব পাইছিল।
- আম্বেদকাৰে পৃষ্ঠপোষকতা কৰা দুটামান গুৰুত্বপূর্ণ বিষয় আছিল বিধি-বিধান প্রণয়ন কৰি দেশৰ পৰা জাতিপ্রথা উৎখাত কৰা; কেৱল ব্রাহ্মণ সম্প্রদায়ৰ নিয়ন্ত্রণত থকা পুৰোহিতালি প্রথা বিলোপ কৰা; ধর্মগ্রন্থ, সকাম-নিকাম, ধর্মীয় অনুশীলন আদিক একোটা স্বীকৃতমান নিৰূপণ কৰা আদি। তেতিয়াহে দেশৰ পৰা চিৰদিনলৈ অস্পৃশ্যতাৰ কুপ্রথা আঁতৰিব বুলি তেওঁ বিশ্বাস কৰিছিল।
- আম্বেদকাৰে অস্পৃশ্যসকলৰ বাবে 'বহিষ্কৃত ভাৰত' নামৰ এখন মাৰাঠী পযেকীয়া আলোচনী প্রকাশ কৰিছিল। ১৯২৭ চনত আম্বেদকাৰৰ নেতৃত্বত দলিতৰ অধিকাৰ বিচাৰি এক পূর্ণাংগ আন্দোলনৰ সূচনা হৈছিল। এই আন্দোলনৰ দাবী আছিল খোৱাপানীৰ ৰাজহুৱা উৎসবোৰ সকলোৰে বাবে মুকলি কৰা আৰু সকলো জাতিৰ লোককে মন্দিৰত প্রৱেশ কৰিবলৈ দিয়া। বৈষম্যৰ পোষকতা কৰা হিন্দু ধর্মগ্রন্থবোৰক তেওঁ কঠোৰ ভাষাৰে সমালোচনা কৰিছিল আৰু নাচিকৰ কলাৰাম মন্দিৰত প্রৱেশৰ অধিকাৰ বিচাৰি প্রতীকি প্রতিবাদৰ আয়োজন কৰিছিল।
- ১৯৪৭ চনৰ ২৯ আগষ্টত ডঃ আম্বেদকাৰক খছৰা সংবিধান সমিতিৰ অধ্যক্ষ নিযুক্ত কৰা হৈছিল। তেওঁ সংবিধানখনৰ জৰিয়তে সমাজৰ সকলো শ্রেণীৰ মাজত এখন কার্যকৰী ক্ষমতাসম্পন্ন সাঁকো গঢ়াৰ পৃষ্ঠপোষকতা কৰিছিল। সংবিধান সভাই ১৯৪৯ চনৰ ২৬ নৱেম্বৰত সংবিধানখন চূড়ান্তভাৱে গ্রহণ কৰিছিল।
- ১৯৫০ চনত আম্বেদকাৰে শ্রীলংকাত অনুস্থিত বৌদ্ধ পণ্ডিত আৰু ভিক্ষুসকলৰ সভা

এখনত ভাগ লৈছিল। বৌদ্ধ সংস্কৃতিয়ে তেওঁক গভীৰভাৱে প্ৰভাৱিত কৰিছিল। উভতি অহাৰ কিছুদিনৰ পাছতেই তেওঁ বৌদ্ধধৰ্মৰ বিষয়ে এখন কিতাপ লিখিছিল। তাৰপাছতেই নিজেও বৌদ্ধধৰ্ম গ্ৰহণ কৰিছিল। আম্বেদকাৰ হ'ল ভাৰতীয় বৌদ্ধ মহাসভাৰ প্ৰতিষ্ঠাপক। The Buddha and His Dhamma নামৰ গ্ৰন্থখন তেওঁৰ মৃত্যুৰ পাছত প্ৰকাশিত হৈছিল।

- আম্বেদকাৰ হ'ল বিদেশৰ বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি বিজ্ঞান বিষয়ত ডক্তৰেট ডিগ্ৰী লাভ কৰা প্ৰথমগৰাকী ভাৰতীয়। তেওঁ ঔদ্যোগিকীকৰণ আৰু কৃষিখণ্ডৰ বিকাশে ভাৰতীয় অৰ্থনীতি সবল কৰিব বুলি মত পোষণ কৰিছিল। তেওঁ দেশৰ প্ৰধান উদ্যোগ হিচাপে কৃষিত পুঁজি বিনিয়োগ কৰাৰ কথা কৈছিল। আম্বেদকাৰে ৰাষ্ট্ৰীয় পৰ্যায়ত অৰ্থনৈতিক আৰু সামাজিক উন্নয়নত জোৰ দিছিল। ইয়াৰ বাবে তেওঁ শিক্ষা, ৰাজহুৱা পৰিচ্ছন্নতা, সামূহিক স্বাস্থ্য আৰু আবাসিক সা-সুবিধাবোৰক মৌলিক সুবিধাৰূপে বিকশাই তোলাত গুৰুত্ব আৰোপ কৰিছিল।
- ১৯৫১ চনত আম্বেদকাৰে ভাৰতীয় বিত্ত আয়োগ গঠন কৰিছিল। নিম্ন আয়ৰ পৰিয়ালবোৰক আয়কৰ জাপি দিয়া কথাটোৰ তেওঁ বিৰোধিতা কৰিছিল। স্বাধীন ভাৰতৰ অৰ্থনীতি সুস্থিৰ কৰিবলৈ তেওঁ ভূমি ৰাজহ আৰু আৰকাৰী শুল্ক নীতি নিৰ্ধাৰণতো গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই থৈ গৈছে। ৰাষ্ট্ৰীয় অৰ্থনীতিৰ বিকাশ আৰু ভূমি সংস্কাৰৰ ক্ষেত্ৰত আম্বেদকাৰৰ বৰঙণি প্ৰাতঃস্মৰণীয়। জাতি প্ৰথাই দেশৰ শ্ৰমিকসকলৰ মাজত বিভাজনৰ সৃষ্টি কৰিছে আৰু অৰ্থনৈতিক উন্নতিত বাধা দিছে। তেওঁ সুস্থিৰ টকাৰে সৈতে এক মুক্ত অৰ্থনীতিৰ পোষকতা কৰিছিল। তেওঁৰ মতে ভাৰতীয় অৰ্থনীতিৰ উন্নয়ন সাধন কৰিবলৈ জন্ম নিয়ন্ত্ৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আম্বেদকাৰৰ পৰামৰ্শক মূৰ্ত ৰূপ দি ভাৰত চৰকাৰে পৰিয়াল কল্যাণৰ ৰাষ্ট্ৰীয় নীতি গ্ৰহণ কৰিছে। তেওঁৰ মতে অৰ্থনৈতিক উন্নয়নৰ আন এটা চৰ্ত হ'ল মহিলাৰ সম অধিকাৰ।
- মহাৰাষ্ট্ৰ চৰকাৰৰ শিক্ষা বিভাগে আম্বেদকাৰৰ বিভিন্ন ৰচনা আৰু ভাষণৰ কেইবাটাও সংকলন প্ৰকাশ কৰিছে।



৮.১০ অধিক জানিবলৈ

১) Dr. B.R.Ambedker, His Life and Work by M.L.Shahare (NCERT).

২) Dr. Babasaheb Ambedker: Writings and Speeches. Vol.1 (First Edition by Education Department, Govt.of Maharashtra : 14 April, 1979).

৩) Omvedt, G. (2008) Ambedker : Towards an Enlightened India. New Delhi, New York : Penguin.

৮.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ মধ্যপ্রদেশৰ মাউত অৱস্থিত সেনা চাউনীত ১৮৯১ চনৰ ১৪ এপ্রিলত আম্বেদকাৰৰ জন্ম হৈছিল। সেনা বাহিনীত চুবেদাৰ পদত কর্মৰত ৰামজী মালোজী চাক্পাল আৰু ভীমবাঈ মূৰবাদকাৰ চাক্পালৰ চৌধ্য নম্বৰ আৰু নুমলীয়া সন্তান আছিল ভীমৰাও। পৰিয়ালটোৰ আচল ঘৰ আছিল বর্তমানৰ মহাৰাষ্ট্রৰ ৰত্নাগিৰি জিলাৰ অম্বাভাদে চহৰত।

২ নং প্রশ্নৰ উত্তৰ ঃ অস্পৃশ্যতাৰ কুপ্রথাটোৰ।

৩ নং প্রশ্নৰ উত্তৰ ঃ The Problem of the Rupee : Its Origin and its Solution.

৪ নং প্রশ্নৰ উত্তৰ ঃ গান্ধী আৰু আম্বেদকাৰ দুয়ো দেশৰ পৰা অস্পৃশ্যতা আঁতৰোৱাৰ প্রয়াস কৰিছিল যদিও দুয়োৰে পন্থা বেলেগ বেলেগ আছিল। কংগ্রেছ দল আৰু মহাত্মা গান্ধীয়ে অস্পৃশ্যসকলক 'হৰিজন' বুলি সম্বোধন কৰিবলৈ লোৱা সিদ্ধান্তৰ আম্বেদকাৰে বিৰোধিতা কৰিছিল। নিম্ন জাতিৰ পৰিয়ালত জন্মগ্রহণ কৰাৰ বাবে অন্যৰ পৰা পোৱা অসন্মান আৰু অৱজ্ঞাৰ ব্যক্তিগত অভিজ্ঞতাই আম্বেদকাৰক এই সামাজিক কুপ্রথাটোৰ বিৰুদ্ধে আজীৱন যুঁজি যাবলৈ সাহস যোগাইছিল। আম্বেদকাৰে পৃষ্ঠপোষকতা কৰা দুটামান গুৰুত্বপূর্ণ বিষয় আছিল বিধি-বিধান প্রণয়ন কৰি দেশৰ পৰা জাতিপ্রথা উৎখাত কৰা; কেৱল ব্রাহ্মণ সম্প্রদায়ৰ নিয়ন্ত্রণত থকা পুৰোহিতালি প্রথা বিলোপ কৰা; ধর্মগ্রন্থ, সকাম-নিকাম, ধর্মীয় অনুশীলন আদিক একোটা স্বীকৃতমান নিৰূপণ কৰা আদি। তেতিয়াহে দেশৰ পৰা চিৰদিনলৈ অস্পৃশ্যতাৰ কুপ্রথা আঁতৰিব বুলি তেওঁ বিশ্বাস কৰিছিল। আম্বেদকাৰে অস্পৃশ্যসকলৰ বাবে 'বহিষ্কৃত ভাৰত' নামৰ এখন মাৰাঠী পখেকীয়া আলোচনী প্রকাশ কৰিছিল। আলোচনীখনৰ উদ্দেশ্য আছিল দেশৰ সাম্প্রতিক ঘটনাৱলীৰ বিষয়ে দলিত সম্প্রদায়ক সজাগ কৰি ৰখা। আলোচনীখনৰ জৰিয়তে তেওঁ নিজৰ ভাৱ-চিন্তাবোৰ দেশৰ উচ্চ জাতিৰ উদাৰমনা লোকসকলক জানিবলৈ দিছিল। তেওঁ খাতিখোৱা শ্রেণীটোৰ হকেও কাম কৰি গৈছিল।

৫ নং প্রশ্নৰ উত্তৰ ঃ আম্বেদকাৰে লোকসেৱা খণ্ডৰ লগতে বিদ্যালয় আৰু মহাবিদ্যালয়বোৰত অনুসূচিত জাতি, জনজাতি আৰু অন্য পিছপৰা সম্প্রদায়ৰ সদস্যৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা ৰখাৰ প্রস্তাৱ বিধান সভাত উপস্থাপন কৰিবলৈ সভাৰ সদস্যসকলৰ সমর্থন লাভ কৰিছিল।

৬ নং প্রশ্নৰ উত্তৰ ঃ ১৯৫০ চনত আম্বেদকাৰে শ্রীলংকাত অনুস্থিত বৌদ্ধ পণ্ডিত আৰু ভিক্ষুসকলৰ সভা এখনত ভাগ লৈছিল। বৌদ্ধ সংস্কৃতিয়ে তেওঁক গভীৰভাৱে প্রভাৱিত কৰিছিল। উভতি অহাৰ কিছুদিনৰ পাছতেই তেওঁ বৌদ্ধধর্মৰ বিষয়ে এখন কিতাপ লিখিছিল। তাৰপাছতেই নিজেও বৌদ্ধধর্ম গ্রহণ কৰিছিল। আম্বেদকাৰ হ'ল ভাৰতীয় বৌদ্ধ মহাসভাৰ

প্রতিষ্ঠাপক। The Buddha and His Dhamma নামৰ গ্রন্থখন তেওঁৰ মৃত্যুৰ পাছত প্রকাশিত হৈছিল। ১৯৫৬ চনৰ ১৪ অক্টোবৰত আম্বেদকাৰে আয়োজন কৰা এক বিশেষ অনুষ্ঠানত তেওঁৰ প্রায় পাঁচ লাখ সমর্থকে বৌদ্ধধর্মত শৰণ লৈছিল।



৮.১২ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ আম্বেদকাৰে কিয় বৌদ্ধ ধর্ম গ্রহণ কৰিছিল?

প্রশ্ন ২ ঃ আম্বেদকাৰে লিখা দুখন কিতাপৰ নাম উল্লেখ কৰক।

প্রশ্ন ৩ ঃ অর্থনৈতিক পৰিকল্পনা সন্দর্ভত আম্বেদকাৰৰ দৃষ্টিভংগী বর্ণনাকাৰী টোকা এটা লিখক।

প্রশ্ন ৪ ঃ অস্পৃশ্যসকলৰ হকে আম্বেদকাৰে অহৰহ যুঁজ দি যোৱাৰ মূল কাৰণ কি আছিল?

প্রশ্ন ৫ ঃ অস্পৃশ্যসকলৰ সুবিধা হোৱাকৈ আম্বেদকাৰে ভাৰতীয় সংবিধানত কি কি নীতি-নিয়ম সন্নিৱিষ্ট কৰি থৈ গৈছে?

প্রশ্ন ৬ ঃ আম্বেদকাৰৰ অর্থলৈতিক আৰু ৰাজনৈতিক ধাৰণাবোৰৰ বিষয়ে এটা টোকা প্রস্তুত কৰক।

*** ***** ***

অধ্যায় ৯ ঃ মৌলানা আবুল কালাম আজাদ

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ আজাদৰ ৰাজনৈতিক চিন্তাধাৰাৰ ভেটি-কোৱান

৯.৪ আজাদৰ ৰাজনৈতিক চিন্তাধাৰা

- ৯.৪.১ হিন্দু-মুছলমানৰ একতা সন্দর্ভত আজাদৰ দৃষ্টিভংগী
- ৯.৪.২ জাতীয়তাবাদ সম্পর্কে আজাদৰ দৃষ্টিভংগী
- ৯.৪.৩ অহিংসা সম্পর্কে আজাদৰ দৃষ্টিভংগী
- ৯.৪.৪ গণতন্ত্র সম্পর্কে আজাদৰ দৃষ্টিভংগী
- ৯.৪.৫ ভাৰত বিভাজন সন্দর্ভত আজাদৰ দৃষ্টিভংগী

৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৬ অধিক জানিবলৈ

৯.৭ অগ্রগতিৰ খতিয়ান

৯.৮ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- আজাদৰ জীৱনৰ বিষয়ে জানিব পাৰিব
- কোৱানক ভিত্তি কৰি আজাদে গঢ় দি লোৱা চিন্তাধাৰাৰ উমান পাব
- আজাদৰ ৰাজনৈতিক চিন্তাধাৰা আলোচনা কৰিব পাৰিব।

৯.২ পৰিচয়

১৮৮৮ চনৰ ১১ নৱেম্বৰত মক্কাত মৌলানা আবুল কালাম আজাদৰ জন্ম হৈছিল। তেওঁৰ আচল নামটো হ'ল আবুল কালাম গুলাম মুহিয়ুদ্দিন। তেওঁ মৌলানা আজাদ নামেৰে জনপ্রিয় হৈ পৰিছিল। মৌলানা আজাদৰ মাতৃ আছিল আৰব আৰু পিতৃ মৌলানা খাইৰুদ্দিন আছিল আফগান মূলৰ বাঙালি মুছলমান।

সৰু হৈ থাকোঁতেই মৌলানা আজাদে একাধিক ভাষা আয়ত্ব কৰিছিল। তেওঁ উর্দু, বাংলা, পার্চিয়ান, ইংৰাজী আৰু আৰবী ভাষাত অনায়াসে কথা পাতিব পাৰিছিল। আজাদে দর্শন, বিশ্ব ইতিহাস, হানবালি ফিক্, শ্ববিয়ত, গণিত আৰু বিজ্ঞানৰ শিক্ষা লাভ কৰিছিল। মেধাৱী ছাত্রৰূপে পৰিচয় লাভ কৰা আজাদ অফুৰন্ত জ্ঞানস্পৃহাৰ অধিকাৰী আছিল। এইটো কাৰণতে

তেওঁ সমনীয়াসকলতকৈ সকলো দিশতে আগবঢ়া আছিল। সৰু কালছোৱাতেই আজাদে বিভিন্ন ধৰণৰ আলোচনী আদি প্ৰকাশ কৰিছিল আৰু কম বয়সতে 'আল-মিচবাহ্' নামৰ সাপ্তাহিক কাকত এখনৰ সম্পাদক হৈছিল। তেওঁ কোৰান আৰু হদিথ্ পুনঃব্যাখ্যা কৰাৰ উপৰি ফিক্ আৰু কলমৰ নীতিবোৰ বহলাই আলোচনা কৰিছিল।

আজাদ আছিল একেধাৰে এগৰাকী বুদ্ধিজীৱি, সুবক্তা, লেখক, কবি, খ্যাতনামা পণ্ডিত আৰু নামজ্বলা ৰাজনীতিবিদ। তেওঁ আছিল ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ অগ্ৰণী নেতাবোৰৰ এজন। তেওঁ ভাৰতীয় জাতীয়তাবাদী আন্দোলনৰ সৈতে খাপ খাই পৰা বৈপ্লৱিক ৰাজনৈতিক দৃষ্টি ভংগী কিছুমান বিকশাই তুলিছিল। আজাদে বৃটিছ ৰাজৰ তীব্ৰ সমালোচনা কৰিছিল। তেওঁ মুছলমানসকলৰ সাম্প্ৰদায়িক সমস্যাটোকো সমালোচনা কৰিছিল। আফগানিস্তান, ইজিপ্ত,ইৰাক, চিৰিয়া আৰু তুৰ্কী ভ্ৰমণে আজাদৰ বিশ্বাস আৰু প্ৰত্যয়ৰ সংশোধন ঘটাইছিল। ইয়ে পাছলৈ তেওঁক এগৰাকী জাতীয়তাবাদী বিপ্লৱীৰূপে এক নতুন পৰিচয় দিছিল। ভাৰতলৈ উভতি অহাৰ পাছত আজাদে শ্ৰীঅৰবিন্দ আৰু শ্যামসুন্দৰ চক্ৰৱৰ্তীৰ দৰে আগশাৰীৰ হিন্দু বিপ্লৱীসকলৰ কাম-কাজৰ পৰা অনুপ্ৰেৰণা লৈছিল। তেওঁ কালক্ৰমত ভাৰতীয. স্বাধীনতা সংগ্ৰামখনৰ এগৰাকী সক্ৰিয় আৰু আগশাৰীৰ নেতাত পৰিণত হৈছিল। অন্য মুছলমান নেতাতকৈ সম্পূৰ্ণ পৃথক আজাদে বংগ বিভাজনৰ বিৰোধিতা কৰাৰ লগতে সাম্প্ৰদায়িকতাৰ ভিত্তিত পৃথক হ'বলৈ সৰ্ব ভাৰতীয় মুছলিম লীগে কৰা সকলোবোৰ গোহাৰি অগ্ৰাহ্য কৰিছিল। ভাৰতৰ সকলো ধৰণৰ নাগৰিকে বিভিন্ন পৰিস্থিতিত মুখামুখী হৈ অহা সকলো ধৰণৰ জাতিগত বৈষম্যৰ তেওঁ তীব্ৰ প্ৰতিবাদ কৰিছিল।

আজাদক গান্ধীযুগৰ এগৰাকী গুৰুত্বপূৰ্ণ ৰাজনৈতিক নেতা বুলি গণ্য কৰা হয়। আজাদৰ প্ৰাৰম্ভিক ৰাজনৈতিক ধাৰণাবোৰ তেওঁৰ দ্বাৰা প্ৰকাশিত উৰ্দূ বাৰ্তালোচনী 'আল-হিলাল' আৰু 'লিচানুচ চিদাহ্'ত প্ৰকাশিত হৈছিল। 'তাজকিৰা' আৰু 'ঘোৱৰ খাটিৰ' আদিৰ দৰে লেখনীবোৰতো তেওঁৰ ভাৱধাৰাৰ প্ৰকাশ ঘটিছে। এইবোৰৰ আলম লৈ ক'ব পাৰি যে প্ৰথম অৱস্থাত আজাদ এগৰাকী গোড়া ধাৰ্মিক ব্যক্তি আছিল।

৯.৩ আজাদৰ ৰাজনৈতিক চিন্তাধাৰাৰ ভেটি-কোৰান

আবুল কালামে কোৰান সন্দৰ্ভত এক সংস্কাৰমুখী আৰু যৌক্তিক মত পোষণ কৰিছিল। তেওঁৰ মতে কোৰানত সাৰ্বজনীন সত্য সম্পৰ্কে হজৰত মহম্মদে কৰা সকলোবোৰ চিন্তা আৰু পূৰ্বানুমান লিপিৱদ্ধ কৰা আছে। কোৰানৰ আটাইবোৰ শিকনিয়ে এক ঈশ্বৰক উপাসনা কৰাৰ কথা কোৱাৰ লগতে বিশ্বাসৰ আধাৰত নৈতিক আচৰণ কৰাত জোৰ দিয়ে। কোৰানে সুখ-সম্ভোগক প্ৰাধান্য দিয়া আসক্তিৰে ভৰা জীৱন যাপনৰ বিৰোধিতা কৰে। কোৰানৰ মতে নাম আৰু ভাষা বেলেগ বেলেগ হ'লেও সকলো মানুহ সমান। কোৰানে ইয়াকো কয় যে সকলো পাৰ্থিৱ সমস্যা সমাধান কৰাৰ একমাত্ৰ উপায় হ'ল ঈশ্বৰৰ ওচৰত আত্মসমৰ্পণ।

আবুল কালামৰ মতে কোৰানে ঘোষণা কৰিছে যে মানুহে উপাসনাৰ বাহ্যিক প্রকাৰবোৰক লৈ কেতিয়াও কাজিয়াত লিপ্ত হ'ব নালাগে (২২-৬৭)। ধর্মগ্রন্থখনে কেৱল ধর্মপৰায়ণতাতহে জোৰ দিছে। কোৰানে ইয়াকো কৈছে যে অন্য ধর্মত বিশ্বাসীসকলে মোক্ষ লাভ নকৰে বুলি কোৱাটো হ'ল ধর্মৰ পৰিপন্থী কথা। এইবোৰৰ পৰা গম পোৱা যায় যে আজাদে কোৰানৰ শিকনিবোৰৰ উদাৰ ব্যাখ্যা আগবঢ়াইছিল। এই কথাটোৱে সাধাৰণতে চৰম গোড়ামি আৰু ধর্মান্ধতাৰ অন্য নাম বুলি সাধাৰণ লোকৰ মনত কোৰান সম্পর্কে থকা প্রচলিত ধাৰণাটো যথেষ্টখিনি সলনি কৰিছিল।

আজাদে ধর্মৰ আধ্যাত্মিক আৰু নৈতিক দিশ দুটাত জোৰ দিছিল। ধর্মৰ গূঢ়ার্থ এটাই। কেৱল ধর্ম মানি চলাৰ উপায় আৰু উপাসনাৰ পন্থাহে বেলেগ বেলেগ। কোৰানৰ মতে ইছলামে অখণ্ড ভ্রাতৃত্ববোধৰ ভেটি স্থাপন কৰিছে আৰু ঈশ্বৰ হ'ল সকলোৰে ভৱিষ্যবক্তা। আবুল কালামৰ ব্যাখ্যা অনুসৰি কোৰানত ঘোষণা কৰা হৈছে যে ধর্ম এটাই। সকলো মানুহ ঈশ্বৰৰ সুৰক্ষা আৰু বিশুদ্ধ পথ-নির্দেশনা (হিদায়ৎ)ৰ অধীনত এক অখণ্ড মানৱীয় ভ্রাতৃত্ববোধৰ সম্পর্কেৰে বান্ধ খাই আছে। মানুহেহে নিজাকৈ ধর্মীয় শাখা-প্রশাখাবোৰ গঠন কৰিছে, যাৰ ফলত পৰস্পৰে পৰস্পৰৰ পৰা বিচ্ছিন্ন হৈ পৰিছে আৰু নিজৰ মাজতে গা কৰি উঠা বিভিন্ন ধৰণৰ প্রভেদ তথা আন্তঃসংঘাতৰ বলি হৈছে। কিন্তু এই আটাইবোৰ বিভাজন থকা সত্বেও মানৱ ভ্রাতৃত্ববোধৰ ধাৰণাটো অখণ্ডৰূপতেই বর্তি আছে।

আজাদৰ মতে কোৰানে এই কথা জোৰ দি দোহাৰিছে যে ঈশ্বৰত বিশ্বাস ৰখা আৰু ধর্মপৰায়ণতাৰে আচৰণ কৰি যোৱা যিকোনো ব্যক্তিয়েই ঈশ্বৰৰ কৰুণা লাভ কৰে। সকলো নৈতিকতাপূর্ণ কামৰ বাবে ঈশ্বৰে যোগ্য পুৰস্কাৰ দিয়ে। এই কথাবোৰৰ পৰা গম পোৱা যায় যে আজাদৰ কোৰান ব্যাখ্যা গোড়া মৌলবাদী আৰু সাম্প্রদায়িক ধর্মশাস্ত্রজ্ঞসকলৰ ব্যাখ্যাতকৈ বহুগুণে উদাৰ আছিল। কোৰামৰ মতে ব্যক্তিৰ ইচ্ছামতে নহয়, ব্যক্তিৰ ঈশ্বৰৰ প্রতি থকা বিশ্বাস আৰু সজ আচৰণ অনুসৰিহে ব্যক্তিয়ে মোক্ষলাভ কৰে। আধ্যাত্মিক জগতত প্রত্যেকেই কর্ম অনুসৰি ফল ভোগ কৰে। ক'ব পাৰি যে আজাদৰ কোৰান ব্যাখ্যাৰ ৱিবেকানন্দ আৰু গান্ধীৰ নৈতিক তথা ধর্মীয় দর্শনৰ সৈতে কিছুমান দিশত সাদৃশ্য আছে।

আজাদে এই মত পোষণ কৰিছিল যে ইছলামে সত্য স্বীকাৰ আৰু কার্য সম্পাদনৰ দাবী কৰে। ইছলাম ধর্মত সেয়েহে সার্বভৌমত্ব মানে হ'ল সেইসকল ব্যক্তিৰ সার্বভৌমত্ব যিসকলে চিন্তা, কথা আৰু কার্যৰে নিজকে সম্পূর্ণৰূপে ঈশ্বৰৰ ওচৰত সমর্পণ কৰিছে। আজাদৰ মতে ইছলাম হ'ল এটা নতুন ধর্মীয় পন্থা যিটোৱে ঈশ্বৰক অনুসৰণ কৰাৰ পথ গ্রহণ কৰিবলৈ আহ্বান জনায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কেতিয়া আবুল কালাম আজাদৰ জন্ম হৈছিল?

প্রশ্ন নং ২ ঃ আবুল কালাম আজাদৰ প্রকৃত নাম কি আছিল?

প্রশ্ন নং ৩ ঃ আজাদৰ মতে নৈতিকতাপূর্ণ কামৰ বাবে ঈশ্বৰে পুৰস্কাৰ নিদিয়ে।
(শুদ্ধ/ অশুদ্ধ)

প্রশ্ন নং ৪ ঃ ইছলাম সম্পর্কে আজাদৰ দৃষ্টিভংগী কেনে আছিল?

৯.৪ আজাদৰ ৰাজনৈতিক চিন্তাধাৰা

আবুল কালাম আজাদে তেওঁৰ দ্বাৰা প্রকাশিত উর্দূ বার্তালোচনী 'আল-হিলাল' (কাঁচিজোন)ৰ বাবে লিখা লেখনীবোৰৰ মাধ্যমেৰে চৈয়দ আহমেদ খানৰ ৰাজনৈতিক দর্শন আৰু আলিগড় শৈলীৰ চিন্তাধাৰাক প্রত্যাহ্বান জনাইছিল। আজাদৰ প্রধান প্রচেষ্টা আছিল মুছলমানসকলৰ মনত বৃটিছ শাসনৰ বিৰুদ্ধে বিদ্রোহ কৰাৰ ভাৱনা জগাই তোলা। তেওঁৰ দ্বিতীয় প্রয়াস আছিল ভাৰতৰ ৰাজনৈতিক আন্দোলনত মুছলমানসকলক নিজ ভূমিকা পালন কৰিবলৈ উলিয়াই অনা। যিকোনো ৰাজনৈতিক শাসনতন্ত্রই প্রজাদমনৰ বিষয়টো যুক্তিসংগত বুলি প্রতিপন্ন কৰিব খোজে। কিন্তু স্বাধীনতা হ'ল মানুহৰ মৌলিক অধিকাৰ। কাৰো ইয়াক সীমিত অথবা ধ্বংস কৰাৰ ব্যক্তিগত অধিকাৰ নাই। এটা জাতিক আন এটা জাতিয়ে ৰাজনৈতিকভাৱে দমন কৰা কার্যক কোনো কাৰণতে যুক্তিসংগত বুলি ক'ব নোৱাৰি। এনে অন্যায়ৰ বিৰুদ্ধে যুঁজাটো প্রতিগৰাকী ব্যক্তিৰে কর্তব্য। ইছলাম ধর্মৰ মতে কেৱল ঈশ্বৰৰ সার্বভৌমত্বৰ যুক্তিযুক্ততাহে মান্য। ইছলাম ধর্মই স্বাধীনতা আৰু গণতন্ত্রৰ এক প্রণালী গঠন কৰিছে। কেৱল ঈশ্বৰেহে কোনো ব্যক্তিৰ স্বাধীনতা অগ্রাহ্য কৰিব পাৰে। সকলো মানুহ সমান আৰু সকলো সমান অধিকাৰৰ গৰাকী। ইছলাম আৰু হজৰত মহম্মদ উভয়ে গণতান্ত্রিক উৎকর্ষৰ ধাৰণা এটাৰ পৃষ্ঠপোষকতা কৰে। এটা জাতিয়ে যেতিয়া মুক্ত ইচ্ছাৰে আৰু একতাৰ ভাৱেৰে জীৱন যাপন কৰে তেতেয়াই এই ধাৰণাটোৰ শুদ্ধ অনুশীলন হোৱা বুলি ক'ব পাৰি। ব্যক্তিৰ ভোট দিয়াৰ অধিকাৰ আৰু নির্বাচন হ'ল এই অনুশীলনৰে অংশ। 'খিলাফৎ' মানে হ'ল প্রতিনিধিত্ব। ইছলামীয় শাসক খলিফাৰ কর্তৃত্ব আছিল এক প্রকাৰৰ প্রতিনিধিত্বমূলক কর্তৃপক্ষ। সেয়েহে, যদি কোনো ইছলামীয় চৰকাৰে জাতিটোৰ স্বাধীনতা আৰু ইচ্ছাক স্বীকৃতি নিদিয়ে, তেন্তে ই নৈতিক যুক্তি দর্শোৱাৰ অধিকাৰ হেৰুৱায়। আবুল কালাম আজাদে ঈশ্বৰৰ সার্বভৌমত্ব আৰু মানুহৰ সম অধিকাৰৰ ধাৰণা দুটা প্রয়োগ কৰি ৰাজনৈতিক অধিকাৰৰ মঞ্জুৰী বিচাৰি চলা সংগ্রামৰ ন্যায্যতা প্রতিপন্ন কৰিছিল। অসহযোগ আন্দোলনৰ মাধ্যমেৰে এই সংগ্রামখনো আগবাঢ়ি গৈ আছিল। আজাদে কৈছিল বৃটিছৰ অত্যাচাৰ যে এক অন্যায় সেয়া মুকলিকৈ কোৱাটো তেওঁৰ কর্তব্য। তেওঁ ঘোষণা কৰিছিল যে তেওঁৰ ৰাজনৈতিক অভিযানটো হ'ল মুছলমান সম্প্রদায়ৰ অধিকাৰ আৰু স্বাধীনতা দৃঢ়তাৰে দাবী কৰা। তেওঁ এয়াও কৈছিল যে তেওঁৰ বার্তালোচনী 'আল-হিলাল' এই ৰাজনৈতিক দর্শনৰ

দ্বাৰা পৰিচালিত। বৃটিছ সাম্ৰাজ্যবাদী প্ৰণালীটো অৱদমনৰ সকলো ব্যৱস্থা আৰু কৌশলেৰে সমৃদ্ধ আছিল যদিও আজাদে নিৰ্ভীকভাৱে তেওঁৰ ইশ্বৰ আৰু বলিদানৰ শক্তিত থকা বিশ্বাসৰ কথা সদৰি কৰিছিল।

গণতন্ত্ৰৰ ৰাজনৈতিক আন্দোনলক প্ৰতিৰক্ষা প্ৰদান কৰিবলৈ আবুল কালামে ইছলাম ধৰ্মৰ সমৰ্থন আৰু তাত্বিক ভেটিটোক ইয়াৰ সৈতে যুক্ত কৰিছিল। তেওঁ দৃঢ়তাৰে কৈছিল যে স্বাধীলতা হ'ল মানুহক ঈশ্বৰে প্ৰদান কৰা প্ৰাকৃতিক অধিকাৰ। জগতৰ কোনো শক্তিয়ে মানুহৰ এই অধিকাৰ অস্বীকাৰ কৰিব নোৱাৰে। তেওঁৰ মতে ৰাজনৈতিক স্বাধীনতা লাভৰ প্ৰচেষ্টা সেয়েহে কেৱল এটা ৰাজনৈতিক কৰ্তব্যই নহয়, ই এটা ধৰ্মীয় কাৰ্যও । আজাদৰ এই উক্তিক ইছলাম ধৰ্মত নিহিত ৰাজনৈতিক তত্ত্বৰ প্ৰকাশ বুলিব পাৰি।

অসহযোগ আন্দোলনে খৰ্বিত অধিকাৰ আৰু অস্বীকাৰ কৰা স্বাধীনতা পুনৰুদ্ধাৰৰ চেষ্টা কৰিছিল। আজাদে এই আন্দোলনলৈ পূৰ্ণ সমৰ্থন আগবঢ়াইছিল যদিও এয়াও স্পষ্ট কৰি দিছিল যে হিংসা সম্পৰ্কত তেওঁৰ মত মহাত্মা গান্ধীৰ সৈতে নিমিলে।

৯.৪.১ হিন্দু-মুছলমানৰ একতা সন্দৰ্ভত আজাদৰ দৃষ্টিভংগী

১৯২৩ চনৰ কংগ্ৰেছ অধিৱেশনক সম্বোধি দিয়া ভাষণত আজাদে কৈছিল, " যদি স্বৰাজ প্ৰাপ্তিত বিলম্ব ঘটে তেন্তে ভাৰতৰ বাবে ই এক লোকচানৰ কথা হ'ব। কিন্তু যদি হিন্দু-মুছলমানৰ মাজৰ একতা নাইকিয়া হয়, তেন্তে ই সমগ্ৰ মানৱ জাতিৰ ক্ষতি কৰিব।" পুনৰ ১৯৪০ চনত তেওঁ কৈছিল, " মই এজন মুছলমান আৰু ইয়াকে লৈ মই গৰ্বিত। ১৩০০ বছৰ পুৰণি সমৃদ্ধ ইছলামীয় পৰম্পৰাৰ ময়ো এজন উত্তৰাধিকাৰী। মই লগতে ভাৰতীয় জাতীয়তাবাদ বুলি কোৱা অবিভাজ্য একতাৰো এটা অংশ। দেশৰ সকলোতে আমাৰ যুটীয়া অভিযানৰ মোহৰ মৰা আছে। আমাৰ ভাষা বেলেগ বেলেগ, কিন্তু আমি এটা উমৈহতীয়া ভাষা ব্যৱহাৰ কৰি (হিন্দুস্তানী) ডাঙৰ হৈছোঁ। আমাৰ আচাৰ-আচৰণ, ৰীতি-নীতি বেলেগ বেলেগ, কোনো সাদৃশ্য নাথাকিলেও ইয়াৰ পৰাই এক নতুন সংশ্লেষণৰ উৎপত্তি হৈছে। পৃথকতাবাদী নাইবা বিভাজনকামী কোনো অলীক সপোন নাইবা কৃত্ৰিম পৰিকল্পনাই এই একতা খণ্ডিত কৰিব নোৱাৰে।"

আবুল কালাম আছিল হিন্দু-মুছলমানৰ মাজৰ একতা বৰ্তাই ৰখাৰ এগৰাকী প্ৰধান পৃষ্ঠপোষক। তেওঁ মুছলমানসকলে এটা সংস্কাৰকামী মনোভাৱ গ্ৰহণ কৰাতো বিচাৰিছিল। মুছলিম লীগে প্ৰচাৰ চলোৱা বিচ্ছিন্নতাবাদী আৰু সাম্প্ৰদায়িক জাতীয়তাবাদৰ আজাদে তীব্ৰ বিৰোধিতা কৰিছিল। তেওঁ এই কথাটোলৈ আঙুলিয়াই দিছিল যে অধিকাংশ ভাৰতীয় হিন্দু আৰু মুছলমানৰ পূৰ্বপুৰুষ একেই আছিল। মানুহ একেটা জাতিৰে সদস্য। সেয়েহে, প্ৰায় হাজাৰ বছৰ ধৰি একেলগে বসবাস কৰি অহা হিন্দু আৰু মুছলমান উভয়ে উচ্চ তথা নীচ জাতিৰ অমূলক ধাৰণাবোৰ নাকচ কৰি শান্তিৰে জীৱন যাপন কৰা উচিত।

৯.৪.২ জাতীয়তাবাদ সম্পর্কে আজাদৰ দৃষ্টিভংগী

ৰাজনীতি আৰু ধর্মক যুক্ত কৰাৰ প্রশ্নটোত আজাদে গান্ধীৰ সৈতে সহমত পোষণ কৰিছিল। তেওঁ কোনো কাৰণতে দুয়োটা কথা পৃথকভাৱে বিবেচনা কৰাৰ পক্ষপাতী নাছিল। আজাদে কৈছিল, "যদি ধর্মক ৰাজনীতিৰ পৰা পৃথক কৰা হয়, তেন্তে আমাৰ সৈতে একো নাথাকিব।" নিজে এগৰাকী ধর্মপৰায়ণ ব্যক্তি আছিল যদিও ভাৰতৰ দৰে বৈচিত্রময় দেশ এখনৰ ক্ষেত্রত বিশেষকৈ ধর্মৰ ভিত্তিত জাতীয়তাবাদে গা কৰি উঠা কথাটোক আজাদে কোনোপধ্যে সমর্থন কৰা নাছিল। কাৰণ, বহল অর্থত এই কথাটোৱে একতা গঢ়ি তোলাৰ পৰিৱর্তে বিভাজন সৃষ্টিকাৰী শক্তিৰ ৰূপ ল'ব। আন এক প্রসংগত তেওঁ আৰু কৈছিল, "অর্থনৈতিক, সাংস্কৃতিক আৰু ভাষিক দিশেৰে ভিন্ন অঞ্চলবোৰক ধর্মই একত্রিত কৰিব পাৰে বুলি কোৱাসকল প্ররঞ্চকৰ বাহিৰে আন একো নহয়।" সেইবাবেই তেওঁ মুছলিম লীগে পোষকতা কৰা সাম্প্রদায়িক জাতীয়তাবাদৰ বিৰোধিতা কৰিছিল।

৯.৪.৩ অহিংসা সম্পর্কে আজাদৰ দৃষ্টিভংগী

আজাদে অহিংসাক এক নীতি ৰূপে পালন কৰিবলৈ বদ্ধপৰিকৰ আছিল। তেওঁ ইয়াক এটা পন্থা হিচাপে গ্রহণ কৰা নাছিল। তেওঁ এনে এটা অহিংস আৰু অনা-শোষণকাৰী আর্থ-সামাজিক শৃংখলা প্রতিষ্ঠাৰ পোষকতা কৰিছিল যিটোৰ অন্তর্নিহিত নীতিবোৰৰ আধাৰ হ'ব মানৱতাবাদ, ধর্মীয় সহিষ্ণুতা, আন্তঃধর্মীয় একতা, সামাজিক প্রগতি, শৈক্ষিক সংস্কাৰ আৰু বিজ্ঞানসন্মত জ্ঞানৰ প্রসাৰ।

৯.৪.৪ গণতন্ত্র সম্পর্কে আজাদৰ দৃষ্টিভংগী

ৰাজনৈতিক ব্যৱস্থা সম্পর্কে থকা আজাদৰ দৃষ্টিভংগীক কেৱল কোৱানেই প্রভাৱিত কৰা নাছিল। এই বিষয়ত তেওঁ পাশ্চাত্যৰ দেশবোৰৰ চিন্তা-চর্চাৰ দ্বাৰাও অনুপ্রণিত হৈছিল। তেওঁ কৈছিল, " আমাৰ যুগটো মূলতঃ গণতান্ত্রিক। সমতা, ভ্রাতৃত্ববোধ আৰু স্বাধীনতাৰ ভাৱে পৃথিৱীৰ সকলো মানুহকে স্পর্শ কৰিছে।" আজাদে পোষকতা কৰা সংশ্লেষণৰ বহল ধাৰণাটোৰ মতে ই অভিজাততন্ত্র আৰু গণতন্ত্রৰ দৰে আপাততঃ বিপৰীত ধাৰণা দুটাৰ মাজতো সন্ধি স্থাপন কৰিব পাৰে। আজাদৰ মতে, " অভিজাততন্ত্রই ব্যাপ্ত প্রকৃতিৰ ভৱিষ্য দর্শন আৰু সুদূৰপ্রসাৰী পৰিকল্পনা বিকশিত কৰিব পাৰে। এই কথাটোৱে গণতন্ত্রক সমৃদ্ধ কৰি তুলিব পাৰে।"

৯.৪.৫ ভাৰত বিভাজন সন্দর্ভত আজাদৰ দৃষ্টিভংগী

আজাদ ভাৰত বিভাজনৰ সম্পূর্ণ বিৰোধী আছিল। তেওঁৰ মতে, " বিভাজনৰ আঁচনি সামগ্রিকভাৱে গোটেই ভাৰতৰ বাবে আৰু বিশেষকৈ মুছলমানসকলৰ বাবে ক্ষতিকাৰক। ই সমস্যা সমাধান কৰাৰ সলনি অধিক সমস্যাৰ সৃষ্টিহে কৰিব।" কংগ্রেছ দলৰ সভাপতি হিচাপে তেওঁ এই সঁকিয়নি দিছিল।

ভাৰত বিভাজিত হোৱাৰ পাছতো আজাদে দুয়োখন দেশ পুনৰ একত্রিত হ'ব বুলি আশা প্রকাশ কৰিছিল। তেওঁ কৈছিল, "এই বিভাজন কেৱল মানচিত্রতেই সীমিত হৈ থাকিব। মানুহৰ মনত কোনো বিভাজনৰ ভাৱনা নাহে । মই নিশ্চিত, ই এক স্বল্পায়ু বিভাজন।"

ভি.এন. দত্তৰ মতে, " আজাদ এক জটিল ব্যক্তিত্বৰ নাম। অল্পভাষী আৰু অন্তর্মুখী আজাদে এটা সম্পূর্ণ ব্যক্তিগত জীৱন যাপন কৰিছিল। তেওঁ সহজে নিজৰ মনৰ ভাৱ ব্যক্ত নকৰিছিল। তেওঁ ঘোৰ বৈৰী জিন্নাৰ দৰেই নিলগে নিলগে থকা, উদাসীন আৰু বিচ্ছিন্ন প্রকৃতিৰ ব্যক্তি আছিল। ৰাভেলৰ উদ্ধৃতি দি আজাদক 'এটা অনুসন্ধিৎসু মনৰ নীৰৱ চৰাইৰ সৈতে তুলনা কৰিব পাৰি।"

মৌলানা আজাদ আছিল ৰাষ্ট্রীয় একতা আৰু সাম্প্রদায়িক সমন্বয়ৰ একাগ্র পৃষ্ঠপোষক। তেওঁ আছিল হিন্দু-মুছলমানৰ একতা আৰু এক 'সংমিশ্রিত সংস্কৃতি'ৰ প্রতীক। জীৱনৰ অন্তিম মূহুর্তলৈকে তেওঁ ভাৰত বিভাজনৰ বিৰোধিতা কৰিছিল। অখণ্ড ভাৰতৰ হকে তেওঁ নিজৰ মতত অলৰ-অচৰ হৈ ৰৈছিল। আজাদৰ নিজৰ ভাষাৰে সজোৱা স্মৃতিবাণীত লিখা আছে- "এজন ভাৰতীয় হ'বলৈ পাই মই গৌৰৱান্বিত। মই লগতে ভাৰতীয় জাতীয়তাবাদ বুলি কোৱা অবিভাজ্য একতাৰো এটা অংশ। মোৰ অনুপস্থিতিত ভাৰতৰ উৎকৃষ্ট গাঁথনিটো অসম্পূর্ণ।"

আজাদ আছিল আধুনিক ভাৰতৰ এগৰাকী বিশিষ্ট মুছলমান বুদ্ধিজীৱি। তেওঁৰ মানসিক জগতৰ ব্যাপ্তি আছিল বিশ্বকোষৰ সমপর্যায়ৰ। তেওঁ আছিল এগৰাকী সুনিপুণ লেখক। এক কথাত আজাদ আছিল বহুমুখী ব্যক্তিত্বৰ গৰাকী। এগৰাকী স্বনামধন্য লেখক হিচাপে তেওঁ উৎকৃষ্ট মানৰ ৰুচি আৰু বিৰল নান্দনিক সংবেদনশীলতাৰ অধিকাৰী আছিল। আজাদ আছিল প্রাচ্য আৰু পাশ্চাত্যৰ সংশ্লেষণৰ প্রতিভূ। জৱাহৰলাল নেহৰুৰ ভাষাত, " আজাদ আছিল মধ্যযুগীয় মতবাদ, অষ্টাদশ শতিকাৰ যুক্তিবাদ আৰু আধুনিক দৃষ্টিভংগীৰ আজব মিশ্রণ।"



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ খলিফা আছিল এক প্রকাৰৰ প্রতিনিধিত্বমূলক কর্তৃপক্ষ। (শুদ্ধ/ অশুদ্ধ))

প্রশ্ন নং ৬ ঃ ভি.এন. দত্তৰ মতে, "আজাদ এক জটিল .....। (খালী ঠাই পূৰণ কৰক)

প্রশ্ন নং ৭ ঃ 'খিলাফৎ' মানে হ'ল .....। (খালী ঠাই পূৰণ কৰক)

প্রশ্ন নং ৮ ঃ হিন্দু-মুছলমানৰ একতা সন্দর্ভত আজাদৰ দৃষ্টিভংগী বর্ণনা কৰক।

প্রশ্ন নং ৯ ঃ ভাৰত বিভাজন সন্দর্ভত আজাদৰ দৃষ্টিভংগী বর্ণনা কৰক।



৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৮৮৮ চনৰ ১১ নৱেম্বৰত মক্কাত মৌলানা আবুল কালাম আজাদৰ জন্ম হৈছিল।
- তেওঁৰ আচল নামটো হ'ল আবুল কালাম গুলাম মুহিয়ুদ্দিন।
- তেওঁ মৌলানা আজাদ নামেৰে জনপ্রিয় হৈ পৰিছিল।
- মৌলানা আজাদৰ মাতৃ আছিল আৰব আৰু পিতৃ মৌলানা খাইৰুদ্দিন আছিল আফগান মূলৰ বাঙালি মুছলমান।
- সৰু হৈ থাকোঁতেই মৌলানা আজাদে একাধিক ভাষা আয়ত্ব কৰিছিল। তেওঁ উর্দূ, বাংলা, পার্চিয়ান, ইংৰাজী আৰু আৰবী ভাষাত অনায়াসে কথা পাতিব পাৰিছিল।
- আজাদে দর্শন, বিশ্ব ইতিহাস, হানবালি ফিক্, শ্বৰিয়ত, গণিত আৰু বিজ্ঞানৰ শিক্ষা লাভ কৰিছিল। মেধাৱী ছাত্র ৰূপে পৰিচয় লাভ কৰা আজাদ অফুৰন্ত জ্ঞানস্পৃহাৰ অধিকাৰী আছিল। এইটো কাৰণতে তেওঁ সমনীয়াসকলতকৈ সকলো দিশতে আগবঢ়া আছিল।
- সৰু কালছোৱাতেই আজাদে বিভিন্ন ধৰণৰ আলোচনী আদি প্রকাশ কৰিছিল আৰু কম বয়সতে 'আল-মিচবাহ্' নামৰ সাপ্তাহিক কাকত এখনৰ সম্পাদক হৈছিল। তেওঁ কোৰান আৰু হদিথ্ পুনঃব্যাখ্যা কৰাৰ উপৰি ফিক্ আৰু কলমৰ নীতিবোৰ বহলাই আলোচনা কৰিছিল।
- আজাদ আছিল একেধাৰে এগৰাকী বুদ্ধিজীৱি, সুবক্তা, লেখক, কবি, খ্যাতনামা পণ্ডিত আৰু নামজ্বলা ৰাজনীতিবিদ।
- আজাদ আছিল আছিল ভাৰতীয় স্বাধীনতা সংগ্রামৰ অগ্রণী নেতাবোৰৰ এজন। আজাদক গান্ধীযুগৰ এগৰাকী গুৰুত্বপূর্ণ ৰাজনৈতিক নেতা বুলি গণ্য কৰা হয়।
- আজাদৰ প্রাৰম্ভিক ৰাজনৈতিক ধাৰণাবোৰ তেওঁৰ দ্বাৰা প্রকাশিত উর্দূ বার্তালোচনী 'আল-হিলাল' আৰু 'লিচানুচ চিদাহ্'ত প্রকাশিত হৈছিল। 'তাজকিৰা' আৰু 'ঘোৰৰ খাটিৰ' আদিৰ দৰে লেখনীবোৰতো তেওঁৰ ভাৰধাৰাৰ প্রকাশ ঘটিছে।

- এইবোৰৰ আলম লৈ ক'ব পাৰি যে প্ৰথম অৱস্থাত আজাদ এগৰাকী গোড়া ধাৰ্মিক ব্যক্তি আছিল।
- আবুল কালামে কোৰান সন্দৰ্ভত এক সংস্কাৰমুখী আৰু যৌক্তিক মত পোষণ কৰিছিল।
- আবুল কালামৰ ব্যাখ্যা অনুসৰি কোৰানত ঘোষণা কৰা হৈছে যে ধৰ্ম এটাই। সকলো মানুহ ঈশ্বৰৰ সুৰক্ষা আৰু বিশুদ্ধ পথ-নিৰ্দেশনা (হিদায়ৎ)ৰ অধীনত এক অখণ্ড মানৱীয় ভ্ৰাতৃত্ববোধৰ সম্পৰ্কেৰে বান্ধ খাই আছে।
- আবুল কালাম আজাদে তেওঁৰ দ্বাৰা প্ৰকাশিত উৰ্দূ বাৰ্তালোচনী 'আল-হিলাল' (কাঁচিজোন)ৰ বাবে লিখা লেখনীবোৰৰ মাধ্যমেৰে চৈয়দ আহমেদ খানৰ ৰাজনৈতিক দৰ্শন আৰু আলিগড় শৈলীৰ চিন্তাধাৰাক প্ৰত্যাহ্বান জনাইছিল।
- 'খিলাফৎ' মানে হ'ল প্ৰতিনিধিত্ব। ইছলামীয় শাসক খলিফাৰ কৰ্তৃত্ব আছিল এক প্ৰকাৰৰ প্ৰতিনিধিত্বমূলক কৰ্তৃপক্ষ।
- আজাদে কৈছিল বৃটিছৰ অত্যাচাৰ যে এক অন্যায় সেয়া মুকলিকৈ কোৱাটো তেওঁৰ কৰ্তব্য।
- আবুল কালাম আছিল হিন্দু-মুছলমানৰ মাজৰ একতা বৰ্তাই ৰখাৰ এগৰাকী প্ৰধান পৃষ্ঠপোষক। তেওঁ মুছলমানসকলে এটা সংস্কাৰকামী মনোভাৱ গ্ৰহণ কৰাতো বিচাৰিছিল।
- মুছলিম লীগে প্ৰচাৰ চলোৱা বিচ্ছিন্নতাবাদী আৰু সাম্প্ৰদায়িক জাতীয়তাবাদৰ আজাদে তীব্ৰ বিৰোধিতা কৰিছিল।
- আজাদৰ মতে, " অভিজাততন্ত্ৰই ব্যাপ্ত প্ৰকৃতিৰ ভৱিষ্য দৰ্শন আৰু সুদূৰপ্ৰসাৰী পৰিকল্পনা বিকশিত কৰিব পাৰে। এই কথাটোৱে গণতন্ত্ৰক সমৃদ্ধ কৰি তুলিব পাৰে।"



৯.৬ অধিক জানিবলৈ

১) Chandra Prakash, Modern Indian Political Thoughts, Vikas Publications Pvt.Ltd. New Delhi, 1998.

২) Varma, V.P., Modern Political Thought, Lakshmi Narayn Agarwal Educational Publishers, Agra, 2013.



৯.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ১৮৮৮ চনৰ ১১ নৱেম্বৰত মক্কাত মৌলানা আবুল কালাম আজাদৰ জন্ম হৈছিল।

২ নং প্রশ্নৰ উত্তৰ ঃ মৌলানা আবুল কালাম আজাদৰ আচল নামটো হ'ল আবুল কালাম গুলাম মুহিয়ুদ্দিন।

৩ নং প্রশ্নৰ উত্তৰ ঃ অশুদ্ধ।

৪ নং প্রশ্নৰ উত্তৰ ঃ আজাদে এই মত পোষণ কৰিছিল যে ইছলামে সত্য স্বীকাৰ আৰু কার্য সম্পাদনৰ দাবী কৰে। ইছলাম ধর্মত সেয়েহে সার্বভৌমত্ব মানে হ'ল সেইসকল ব্যক্তিৰ সার্বভৌমত্ব যিসকলে চিন্তা, কথা আৰু কার্যৰে নিজকে সম্পূর্ণৰূপে ঈশ্বৰৰ ওচৰত সমর্পণ কৰিছে। আজাদৰ মতে ইছলাম হ'ল এটা নতুন ধর্মীয় পন্থা যিটোৱে ঈশ্বৰক অনুসৰণ কৰাৰ পথ গ্রহণ কৰিবলৈ আহ্বান জনায়।

৫ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৬ নং প্রশ্নৰ উত্তৰ ঃ ভি.এন. দত্তৰ মতে, " আজাদ এক জটিল ব্যক্তিত্বৰ নাম।"

৭ নং প্রশ্নৰ উত্তৰ ঃ 'খিলাফৎ' মানে হ'ল প্রতিনিধিত্ব।

৮ নং প্রশ্নৰ উত্তৰ ঃ ১৯২৩ চনৰ কংগ্রেছ অধিৱেশনক সম্বোধি দিয়া ভাষণত আজাদে কৈছিল, " যদি স্বৰাজ প্রাপ্তিত বিলম্ব ঘটে তেন্তে ভাৰতৰ বাবে ই এক লোকচানৰ কথা হ'ব। কিন্তু যদি হিন্দু-মুছলমানৰ মাজৰ একতা নাইকিয়া হয়, তেন্তে ই সমগ্র মানৱ জাতিৰ ক্ষতি কৰিব।" পুনৰ ১৯৪০ চনত তেওঁ কৈছিল, " মই এজন মুছলমান আৰু ইয়াকে লৈ মই গর্বিত। ১৩০০ বছৰ পুৰণি সমৃদ্ধ ইছলামীয় পৰম্পৰাৰ ময়ো এজন উত্তৰাধিকাৰী। মই লগতে ভাৰতীয় জাতীয়তাবাদ বুলি কোৱা অবিভাজ্য একতাৰো এটা অংশ। দেশৰ সকলোতে আমাৰ যুটীয়া অভিযানৰ মোহৰ মৰা আছে। আমাৰ ভাষা বেলেগ বেলেগ, কিন্তু আমি এটা উমৈহতীয়া ভাষা ব্যৱহাৰ কৰি (হিন্দুস্তানী) ডাঙৰ হৈছোঁ। আমাৰ আচাৰ-আচৰণ, ৰীতি-নীতি বেলেগ বেলেগ, কোনো সাদৃশ্য নাথাকিলেও ইয়াৰ পৰাই এক নতুন সংশ্লেষণৰ উৎপত্তি হৈছে। পৃথকতাবাদী নাইবা বিভাজনকামী কোনো অলীক সপোন নাইবা কৃত্রিম পৰিকল্পনাই এই একতা খণ্ডিত কৰিব নোৱাৰে।"

আবুল কালাম আছিল হিন্দু-মুছলমানৰ মাজৰ একতা বর্তাই ৰখাৰ এগৰাকী প্রধান পৃষ্ঠপোষক। তেওঁ মুছলমানসকলে এটা সংস্কাৰকামী মনোভাৱ গ্রহণ কৰাতো বিচাৰিছিল। মুছলিম লীগে প্রচাৰ চলোৱা বিচ্ছিন্নতাবাদী আৰু সাম্প্রদায়িক জাতীয়তাবাদৰ আজাদে তীব্র বিৰোধিতা কৰিছিল। তেওঁ এই কথাটোলৈ আঙুলিয়াই দিছিল যে অধিকাংশ ভাৰতীয় হিন্দু আৰু মুছলমানৰ পূর্বপুৰুষ একেই আছিল। মানুহ একেটা জাতিৰে সদস্য। সেয়েহে, প্রায় হাজাৰ বছৰ ধৰি একেলগে বসবাস কৰি অহা হিন্দু আৰু মুছলমান উভয়ে উচ্চ তথা নীচ জাতিৰ অমূলক ধাৰণাবোৰ নাকচ কৰি শান্তিৰে জীৱন যাপন কৰা উচিত।

৯ নং প্রশ্নৰ উত্তৰ ঃ আজাদ ভাৰত বিভাজনৰ সম্পূর্ণ বিৰোধী আছিল। তেওঁৰ মতে, " বিভাজনৰ আঁচনি সামগ্রিকভাৱে গোটেই ভাৰতৰ বাবে আৰু বিশেষকৈ মুছলমানসকলৰ বাবে ক্ষতিকাৰক। ই সমস্যা সমাধান কৰাৰ সলনি অধিক সমস্যাৰ সৃষ্টিহে কৰিব।" কংগ্রেছ দলৰ সভাপতি হিচাপে তেওঁ এই সঁকিয়নি দিছিল।

ভাৰত বিভাজিত হোৱাৰ পাছতো আজাদে দুয়োখন দেশ পুনৰ একত্রিত হ'ব বুলি আশা প্রকাশ কৰিছিল। তেওঁ কৈছিল, "এই বিভাজন কেৱল মানচিত্রতেই সীমিত হৈ থাকিব। মানুহৰ মনত কোনো বিভাজনৰ ভাৱনা নাহে । মই নিশ্চিত, ই এক স্বল্পায়ু বিভাজন।"



৯.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ মৌলানা আবুল কালামৰ জন্ম ক'ত হৈছিল?

প্রশ্ন ২ ঃ আজাদৰ আচল নামটো কি আছিল?

প্রশ্ন ৩ ঃ খিলাফৎ শব্দটোৰ অর্থ কি?

প্রশ্ন ৪ ঃ 'আল-হিলাল' কি?

প্রশ্ন ৫ ঃ আজাদৰ ৰাজনৈতিক ধাৰণাবোৰ আলোচনা কৰক।

প্রশ্ন ৬ ঃ 'আবুল কালাম আছিল হিন্দু-মুছলমানৰ মাজৰ একতা বর্তাই ৰখাৰ এগৰাকী প্রধান পৃষ্ঠপোষক।'- উক্তিটো বহলাই ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ জয়প্রকাশ নাৰায়ণ

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ জয়প্রকাশ নাৰায়ণৰ জীৱনত মার্ক্সবাদৰ প্রভাৱ
১০.৪ গান্ধীবাদী চিন্তাৰ প্রভাৱ ঃ সমাজবাদ এৰি সর্বোদয়ৰ আদর্শ গ্রহণ
১০.৫ সর্বাত্মক বিপ্লৱৰ চিন্তা
১০.৬ অগ্রগতি নিৰীক্ষণ
১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৮ অধিক জানিবলৈ
১০.৯ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- এগৰাকী সমাজবাদী হিচাপে জয়প্রকাশ নাৰায়ণে পোষণ কৰা দৃষ্টিভংগীবোৰৰ বিষয়ে জানিব পাৰিব
- নাৰায়ণৰ জীৱনত গান্ধীৰ প্রভাৱ আৰু পৰৱর্তী সময়ত তেওঁ কিয় সর্বোদয়ৰ ধাৰণাটোৰ প্রতি আকৃষ্ট হৈছিল সেয়া বিশ্লেষণ কৰি চাব পাৰিব
- নাৰায়ণৰ সর্বাত্মক বিপ্লৱৰ চিন্তাটোৰ প্রকৃতি বুজি পাব
- তেওঁৰ চিন্তা আৰু ধাৰণাবোৰৰ সমালোচনাত্মক মূল্যায়ন কৰিব পাৰিব।

১০.২ পৰিচয়

লোকনায়ক জয়প্রকাশ নাৰায়ণ অনুৰাগীসকলৰ মাজত ‘জেপি’ নামেৰে জনাজাত আছিল। তেওঁ গান্ধীয়ে আৰম্ভ কৰা আইন অমান্য আন্দোলনত সক্রিয়ভাৱে অংশগ্রহণ কৰিছিল আৰু পাছত নিজে বিকশিত কৰা ‘সর্বাত্মক বিপ্লৱ’(Total Revolution)ৰ ধাৰণাটোক বাস্তৱ ৰূপ দিয়াৰ প্রয়াস আৰম্ভ কৰিছিল। এম.কে.গান্ধীৰ দ্বাৰা গভীৰভাৱে প্রভাৱিত জয়প্রকাশ নাৰায়ণ লাহে লাহে সমাজবাদৰ প্রতি আকর্ষিত হৈছিল। ১৯৩৪ চনত কংগ্রেছ চোছিয়েলিষ্ট পার্টি গঠন কৰাৰ পাছত তেওঁ পুনৰবাৰ গান্ধীৰ মতাদর্শৰ প্রতি আকৃষ্ট হৈছিল।

১৯০২ চনৰ ১১ অক্টোবৰত চিতাবদৰিয়া (বর্তমান উত্তৰ প্রদেশৰ বালিয়া অঞ্চলৰ অন্তর্গত)ৰ এটা মধ্যবিত্ত পৰিয়ালত জয়প্রকাশ নাৰায়ণৰ জন্ম হৈছিল। নাৰায়ণ আছিল হর্ষুদয়াল আৰু ফুলৰাণীৰ চতুর্থ সন্তান। চৰকাৰী চাকৰিয়াল হর্ষুদয়ালে নাৰায়ণক গাঁৱৰে চৰকাৰী প্রাথমিক

বিদ্যালয়খনত নামভর্তি কৰাই দিছিল। ষষ্ঠ শ্রেণীৰ পঢ়া শেষ কৰি উচ্চ শিক্ষা লাভৰ বাবে নাৰায়ণ পাটনালৈ গৈছিল। পাটনাৰ সৰস্বতী ভৱন আছিল জাতীয়তাবাদী নেতাসকলৰ মিলনস্থলী। তাত উপস্থিত থকাৰ সুবাদতে নাৰায়ণ লাহে লাহে জাতীয়তাবাদী কাম-কাজত জড়িত হৈ পৰিছিল। তেওঁক এম.কে.গান্ধীৰ ভাৰধাৰাই গভীৰভাৱে প্রভাৱিত কৰিছিল। তেওঁ বিশেষকৈ গান্ধীৰ অহিংসা নীতি আৰু অসহযোগ আন্দোলনৰ সমর্থক আছিল। গান্ধীৰ অসহযোগিতাৰ আহ্বানৰ দ্বাৰা প্রভাৱিত হৈ তেওঁ চৰকাৰৰ দ্বাৰা পৰিচালিত পাটনা মহাবিদ্যালয়ৰ অধ্যয়ন আধাতে সামৰিছিল। পাছত তেওঁ ডঃ ৰাজেন্দ্র প্রসাদে স্থাপন কৰা বিহাৰ বিদ্যাপীঠত নামভর্তি কৰিছিল।

১৯২২ চনত পাটনাৰ শিক্ষা সাং কৰি নাৰায়ণ আমেৰিকা যুক্তৰাষ্ট্রলৈ গৈছিল। তেওঁ তাৰে ৰিচ্‌ক'নচিনত আৰু অ'হায়'ত থকা য়ুনিভার্চিটি অব্‌ কেলিফ'র্ণিয়াত বিজ্ঞান শাখাত নামভর্তি কৰিছিল। আমেৰিকাত থকা সাত বছৰৰ ভিতৰতে নাৰায়ণৰ মনত সমাজবাদৰ বীজে পোখা মেলিছিল। তাত তেওঁ পূৰ ইউৰোপীয় দেশবোৰৰ বহুকেইজন বুদ্ধিজীৰিৰ সংস্পর্শলৈ আহিছিল আৰু তেওঁলোকৰ মার্ক্সবাদী চিন্তাধাৰাৰ দ্বাৰা প্রভাৱিত হৈছিল। ভাৰতলৈ উভতি অহাৰ পাছত তেওঁ আন এগৰাকী মার্ক্সবাদী এম.এন.ৰয়ৰ চিন্তাধাৰাৰে প্রভাৱিত হৈছিল। ৰয়ৰ আদর্শই নাৰায়ণক সমাজবাদৰ পথ গ্রহণ কৰিবলৈ উদ্বুদ্ধ কৰিছিল। এই সময়ছোৱাত নাৰায়ণে ভাবিছিল যে কেৱল মার্ক্সবাদৰ দ্বাৰাহে দৰিদ্রতা আঁতৰাব পৰা যাব। অৱশ্যে তেওঁ ৰাছিয়ান সাম্যবাদৰ ঘোৰ বিৰোধী আছিল। ৰাছিয়াত বলছেভিক পার্টীয়ে সমাজবাদ প্রতিষ্ঠা কৰাৰ নামত গ্রহণ কৰা পদ্ধতিবোৰৰ তেওঁ তীব্র সমালোচনা কৰিছিল। নাৰায়ণে তিব্বতত চীনে চলাই থকা সাম্রাজ্যবাদী নীতিবোৰৰো তীব্র বিৰোধিতা কৰিছিল। অর্থাৎ, নাৰায়ণে পুঁজিপতি শ্রেণীটোক উৎখাত কৰি সমাজত সর্বহাৰাৰ একনায়কত্ববাদ প্রতিষ্ঠা কৰিবলৈ সমগ্র বিশ্বৰ শ্রমজীৰিসকল ঐক্যৰদ্ধ হ'ব লাগিব বুলি গা কৰি উঠা মনোভাৱটোক সমর্থন নকৰিছিল। চোভিয়েট ইউনিয়নত অনুশীলন কৰা মার্ক্সবাদৰ দুর্বলতাবোৰ চিনাক্ত কৰি ভাৰতৰ সমস্যা সমাধানৰ বাবে জয়প্রকাশ নাৰায়ণে সর্বোদয়ৰ ধাৰণাটো গ্রহণ কৰিছিল। তলত নাৰায়ণৰ এই ৰূপান্তৰৰ বিষয়ে আলোচনা কৰা হ'ল। পৰৱর্তী সময়ত ইয়েই তেওঁক সর্বাত্মক বিপ্লৱৰ সূচনা কৰাত সহায় কৰিছিল।

১২.৩ জয়প্রকাশ নাৰায়ণৰ জীৱনত মার্ক্সবাদৰ প্রভাৱ

আগতেই উল্লেখ কৰা হৈছে যে আমেৰিকাত অধ্যয়ন কৰি থকা সাত বছৰৰ ভিতৰতে নাৰায়ণৰ মনত সমাজবাদৰ বীজে পোখা মেলিছিল। তাত তেওঁৰ সহপাঠী ৰাছিয়ান, ফৰাছী, জার্মান, ডাটচ্ছ, পোলিচ আৰু আমেৰিকান বন্ধুসকলৰ মাজৰে বহুতেই মার্ক্সবাদী চিন্তাধাৰাৰ সমর্থক আছিল। ইয়াৰ উপৰি নাৰায়ণে মার্ক্সবাদ সম্পর্কীয় বহুতো কিতাপ পঢ়িছিল আৰু দর্শনটোৰ সমগ্র বৈশিষ্ট্য আয়ত্ব কৰিছিল। তেওঁৰ বন্ধুবর্গৰ মাজত পোলেণ্ডৰ ইহুদি বন্ধু আব্রাহাম লেণ্ডিৰ প্রভাৱ আছিল সুগভীৰ। লেণ্ডি আছিল কমিউনিষ্ট পার্টীৰ সদস্য। ইয়াৰ উপৰি তেওঁ বিশ্ববিদ্যালয়ত সক্রিয় হৈ থকা আত্মগোপনকাৰী কমিউনিষ্ট গোটটোৰো সক্রিয় অংশ আছিল। আমেৰিকাত থকাৰ সময়তে নাৰায়ণে ভাৰতীয় মার্ক্সবাদী এম.এন.ৰয়ৰ লেখনীবোৰ পঢ়াৰ সুযোগ পাইছিল।

এনেকৈয়ে এটা সময়ত তেওঁ মার্ক্সবাদী হৈছিল।

জীৱনৰ এই কালছোৱাত জয়প্রকাশ নাৰায়ণে গভীৰভাৱে বিশ্বাস কৰিছিল যে ভাৰতে মুখামুখি হৈ থকা সকলো সমস্যাৰ ওৰ পেলোৱাৰ একমাত্র পথ হ'ল মার্ক্সবাদ। বৃটিছ শাসনৰ অন্ত পেলাই দেশৰ আর্থ-সামাজিক উন্নয়নৰ সপোন বাস্তৱায়িত কৰালৈ সকলো সমস্যা মার্ক্সবাদে সমাধান কৰিব পাৰিব বুলি তেওঁ মত পোষণ কৰিছিল। প্রথম অৱস্থাত আধিপত্য বিস্তাৰ কৰি থকা শ্রেণীটোক ওফৰাবলৈ তেওঁ গান্ধীৰ অহিংসা আৰু অসহযোগ নীতিতকৈ বিপ্লৱৰ মার্ক্সবাদী ধাৰণাটো অধিক শক্তিশালী বুলি বিশ্বাস কৰিছিল। তেওঁৰ মতে ৰাছিয়াত লেনিনৰ সফলতাই মার্ক্সবাদী পদ্ধতিটো যে গান্ধীবাদী পদ্ধতিতকৈ অধিক সুফলদায়ক সেয়া প্রমাণ কৰিছে। তেওঁ ইয়াকো কৈছিল যে ১৯৩০ চনৰ মহামন্দাৰ সময়ছোৱাত শ্রমিক শ্রেণীটোৱে ভূগিবলগীয়া হোৱা দুর্ভোগবোৰ মার্ক্সে কৰা ভৱিষ্যতবাণীৰ সৈতে মিলে। মার্ক্সে বুর্জোৱা আৰু সর্বহাৰা শ্রেণী দুটাৰ মাজত থকা শোষক-শোষিতৰ সম্পর্কৰ যিবোৰ বৈশিষ্ট্য ভৱিষ্যতবাণী কৰিছিল মহা মন্দাৱস্থাত সেইবোৰৰ মাজৰে নিবনুৱা সমস্যা, নিম্ন মজুৰি, অন্যান্য সা-সুবিধাৰ অভাৱ আৰু ইয়াৰ ফলত সৃষ্টি হোৱা অগণন সমস্যাই সর্বত্র সকলোকে জুৰুলা কৰিছিল। এইবোৰ কাৰণতে পুঁজিবাদ আঁতৰাই সমাজবাদ প্রতিষ্ঠা কৰিবলৈ এক বিপ্লৱৰ প্রয়োজন বুলি জয়প্রকাশ নাৰায়ণ পতিয়ন গৈছিল। তেওঁ বুজিছিল যে মাত্র এমুঠিমান মানুহে উৎপাদনৰ উপায়বোৰ নিয়ন্ত্রণ কৰি থকাৰ ফলত সমাজত আর্থ-সামাজিক অসমতাৰ সৃষ্টি হয়। সেয়েহে অসমতা আৰু অন্যায় আঁতৰাবলৈ উৎপাদনৰ উপায়বোৰ সামাজিক মালিকিস্বত্বৰ অধীন হোৱা উচিত বুলি নাৰায়ণে মত পোষণ কৰিছিল।

মার্ক্সৰ বৈজ্ঞানিক সমাজবাদৰ ধাৰণাটোৱে নাৰায়ণৰ মনোযোগ আকর্ষণ কৰিছিল। তেওঁ ইয়াক সত্য উন্মোচনৰ সহায়ক হ'ব পৰা এক তত্ত্ব বুলি বিবেচনা কৰিছিল। অৱশ্যে তেওঁ এই কথাও কৈছিল যে মাত্র এটা তত্ত্বই সত্যক সম্পূর্ণভাৱে উন্মোচিত কৰিব নোৱাৰে। কাৰণ, সত্য আপেক্ষিক আৰু সময় বাগৰাৰ লগে লগে সত্যৰ কাষহে চাপিব পৰা যায়। নাৰায়ণে তেওঁৰ গ্রন্থ 'From Socialism to Sarvodaya'ত কৈছে যে 'মানুহ অবিৰতভাৱে সত্যৰ কাষ চাপি গৈ আছে। কাৰণ, মানুহ হ'ল অনুসন্ধানকাৰী প্রকৃতিৰ। কিন্তু মানুহে কেতিয়াও চৰম সত্যত উপনীত হ'ব নোৱাৰে, কেৱল ক্রমে ক্রমে অসত্যবোৰ নাইকিয়া কৰি গৈ থাকিব। আৰু এনেকৈয়ে এসময়ত গৈ সত্যৰ একেবাৰে ওচৰ পাবগৈ' (Das,2005,p.3)। নাৰায়ণৰ এই দর্শনে তেওঁক বিভিন্ন সময়ত মার্ক্সবাদৰ বিপৰীতে থিয় কৰাইছিল। যেনে- মার্ক্সবাদী দর্শন আনুসৰি ৰাষ্ট্র হ'ল খাটি খোৱা শ্রেণীটোক শোষণ কৰিবলৈ পুঁজিপতিৰ হাতত থকা এবিধ আহিলা। আনহাতে জয়প্রকাশ নাৰায়ণৰ মতে ৰাষ্ট্রই দুখীয়াসকলৰ উপকাৰ হোৱাকৈ কল্যাণমূলক কাম-কাজ সমাধা কৰে আৰু ইয়াৰ বাবে প্রয়োজন হোৱা পুঁজি সাধাৰণতে ধনী শ্রেণীটোৰ পৰা কৰ হিচাপে সংগ্রহ কৰা হয়। অর্থাৎ, মার্ক্সবাদে কোৱাৰ দৰে নাৰায়ণে ৰাষ্ট্রক এটা কু-অনুষ্ঠান বুলি গণ্য নকৰাটোৱে ইয়াকে বুজায় যে তেওঁ মার্ক্সবাদক সম্পূর্ণৰূপে সমর্থন নকৰিছিল।

এইবোৰৰ লগতে ১৯২৯ চনৰ শেষৰফালে ভাৰতত ঘটা বহুকেইটা ঘটনায়ো নাৰায়ণক

মার্ক্সবাদত থকা বিশ্বাস পুনৰ বিবেচনা কৰি চাবলৈ বাধ্য কৰাইছিল। এই সময়ছোৱাত গান্ধী-ইৰউইনৰ মাজত চলা আলোচনা বিফল হৈছিল। গান্ধীয়ে ভাৰতৰ বাবে সম্পূৰ্ণ 'অধিৰাজ্য মর্যাদা' বিচাৰিছিল। ল'র্ড ইৰউইনে এই প্রস্তাৱটো প্রত্যাখ্যান কৰিছিল। এই কথাত অসন্তুষ্ট হৈ পৰা দেশে সম্পূৰ্ণ স্বাধীনতা বিচাৰিছিল আৰু গান্ধীয়ে লোণ আইন ভংগকাৰী সত্যাগ্রহৰ দ্বাৰা এই দাবী বাস্তৱ কৰাৰ আন্দোলনৰ পাতনি মেলিছিল। ভাৰতীয় সাম্যবাদীসকলক বাদ দি আন সকলোৱে এই কথাক সমর্থন কৰিছিল। এই কথাই নাৰায়ণক ভবাই তুলিছিল। তেওঁ উপলব্ধি কৰিছিল যে 'ভাৰতীয় কমিউনিষ্টসকলে কেৱল দ্য থার্ড অথবা কমিউনিষ্ট ইণ্টাৰনেশ্যনেলকহে অনুসৰণ কৰিছিল। এই শাখাটো সেই সময়ছোৱাত সম্পূৰ্ণৰূপে ষ্টেলিনৰ নেতৃত্বাধীন আছিল। তেওঁলোকে স্বাধীনতা সংগ্রামখনক বুর্জোৱাৰ সংগ্রাম বুলি কোৱাৰ লগতে গান্ধীক ভাৰতীয় বুর্জোৱা শ্রেণীটোৰ দাস বুলি কৈছিল। এই কথাটোৱে জয়প্রকাশ নাৰায়ণক চিন্তিত কৰি তুলিছিল' (Dandavate, 2002, p.137)। ১৯২৮ চনৰ পাছত 'দ্য কমিনটার্ণ'-এ অনুসৰণ কৰা নীতিবোৰে উপনিৱেশ বিৰোধী জাতীয় আন্দোলনটোক বিচ্ছিন্ন ৰূপত চাইছিল আৰু এই কথাটোৱে সমগ্র বিশ্বৰ শ্রমিক আন্দোলনটোৰ মাজলৈ এক বিভাজন আনিছিল বুলি নাৰায়ণে মত প্রকাশ কৰিছিল। এয়া মার্ক্স আৰু লেনিনে পোষকতা কৰা নীতিৰ সম্পূৰ্ণ বিপৰীত আছিল। এইবোৰ কাৰণতে নাৰায়ণে ৰাছিয়ান আৰু ভাৰতীয় সাম্যবাদীসকলৰ পৰা নিজকে 'বিচ্ছিন্ন' যেন অনুভৱ কৰিছিল। ভাৰতীয় সাম্যবাদীসকলক ৰাছিয়াৰ দ্বাৰা নিয়ন্ত্রিত হৈ থকা কথাটোৱে নাৰায়ণক দুখ দিছিল। তেওঁলোক ৰাছিয়াই দমন কৰি ৰখা আৰু দেশখনৰ আঙুলিৰ ঠাঁৰত নচা পুতলা হৈ পৰিছিল। এই কথাবোৰৰ বাবে তেওঁ ভাৰতীয় স্বাধীনতা সংগ্রামত যোগদান কৰি নিজকে এজন 'স্বাধীনতাৰ সেনানী'ত পৰিণত কৰিছিল।

এইখিনিতে মনত ৰাখি থোৱা ভাল হ'ব যে সাম্যবাদীসকলৰ পৰা বিচ্ছিন্ন হৈ পৰাৰ বাবে জয়প্রকাশ নাৰায়ণে সমাজবাদৰ প্রতি থকা সমর্থন পৰিহাৰ কৰা অথবা কংগ্রেছ দলত যোগদান কৰা নাছিল। নাৰায়ণৰ বাবে স্বাধীনতা মানে আছিল এখন 'সমাজবাদী ভাৰত'ৰ জন্ম আৰু 'স্বৰাজ' মানে আছিল 'দৰিদ্র তথা নিম্নশ্রেণীৰ শাসন'। কিন্তু ইয়াৰ বাবে কংগ্রেছ দলে গ্রহণ কৰা নীতিবোৰ তেওঁ 'অস্পষ্ট আৰু পর্যাপ্ত নহয়' বুলি মত পোষণ কৰিছিল। সেয়েহে তেওঁ নিজৰ আদর্শৰ সৈতে মিলা মনোভাৱ পোষণ কৰা আন কেইগৰাকীমানৰ সৈতে লগ লাগি কংগ্রেছ চোছিয়েলিষ্ট পার্টী গঠন কৰিছিল। তেওঁ স্বাধীনতা সংগ্রামক জনসাধাৰণৰ আর্থ-সামাজিক প্রত্যাশা পূৰণৰ সংগ্রামখনৰ সৈতে সংযোজিত কৰিব খুজিছিল (Dandavate,2002,p.138)। এই সন্ধিক্ষণতহে জয়প্রকাশ নাৰায়ণে মার্ক্সবাদৰ প্রতি থকা নিজৰ সমর্থন পুনৰ বিবেচনা কৰি চাইছিল। কাৰণ, লক্ষ্য যিমানেই মহান নহওক কিয় লক্ষ্যত উপনীত হ'বলৈ কোনো ধৰণৰ হিংসাত্মক পন্থা অৱলম্বন কৰাৰ তেওঁ বিৰোধী আছিল। নাৰায়ণে হিংসাত্মক বিপ্লৱৰ জৰিয়তে সমাজবাদ প্রতিষ্ঠা কৰি সর্বহাৰা শ্রেণীটোৰ একনায়কত্ববাদৰ প্রচলন ঘটিবলৈ দিয়াৰ ধাৰণাটো কোনোদিনে মানি লোৱা নাছিল। তেওঁ কৈছিল যে সকলো ধৰণৰ হিংসা আৰু একনায়কত্ববাদেই হ'ল মানুহৰ স্বাধীনতা আৰু সুৰক্ষাৰ পৰিপন্থী কথা। সর্বহাৰাৰ একনায়কত্ববাদ অল্পতান্ত্রিক আমোলাতন্ত্রৰ

অন্য নাম। ই এটা সময়ত সমাজবাদক বিকৃত ৰূপ দিব। যিকোনো প্রকাৰৰ প্রতি-বিপ্লৱী প্রৱণতা প্রতিহত কৰিবলৈ হিংসা এৰাই চলিব লাগিব। নাৰায়ণে কৈছিল, "যিখন সমাজত মানুহে গণতান্ত্রিক উপায়েৰে সামাজিক পৰিৱর্তন সাধন কৰিব পাৰে সেইখন সমাজত হিংসাত্মক পদ্ধতিৰ আশ্রয় লোৱাটো এক প্রতি-বিপ্লৱী কার্য হ'ব (Das,2005,p.9)।" লগতে তেওঁ এই মতো দাঙি ধৰিছিল যে গণতান্ত্রিক স্বাধীনতা অবিহনে সমাজবাদ প্রতিষ্ঠা কৰিব নোৱাৰি। অর্থাৎ, জয়প্রকাশ নাৰায়ণ যদিও সমাজৱাদত বিশ্বাসী আছিল বিত্তৱান শ্রেণীটোৰে সমাজৰ দুখীয়া শ্রেণীটোক শোষণ কৰে বুলি কোৱা মার্ক্সবাদী তত্ত্বটোক বিশ্বাস কৰিছিল, তথাপিও তেওঁ সমাজবাদ প্রতিষ্ঠা কৰিবলৈ মার্ক্সবাদে লোৱা পদ্ধতিবোৰৰ কঠোৰ সমালোচনা কৰিছিল। সমাজত ৰাজনৈতিক ক্ষমতাতকৈ অর্থনৈতিক ক্ষমতাৰ আধিপত্য সন্দর্ভত তেওঁ কার্ল মার্ক্সৰ সৈতে সহমত পোষণ কৰিছিল যদিও সমাজবাদ প্রতিষ্ঠাৰ বাবে হিংসাত্মক পথ গ্রহণৰ কথাত দুয়ো পৃথক মত পোষণ কৰিছিল।

জয়প্রকাশ নাৰায়ণৰ ভাষাত, " স্বাভাৱিক প্রৱণতাৰে মানুহে স্বাধীনতা আৰু গণতন্ত্রক সমর্থন কৰে আৰু উদ্দেশ্য প্রণোদিতভাৱে একনায়কত্ববাদৰ অধীন হোৱাটো মানুহৰ বাবে কাহানিও স্বাভাৱিক কথা হ'ব নোৱাৰে" (Das,2005,p.10)। এই দিশেৰে ৰাছিয়াত চলি থকা কমিউনিষ্ট শাসনক খাটি খোৱা শ্রেণীৰ শাসন বুলিব নোৱাৰি। ই হ'ল 'চালাকিপূর্ণ পদ্ধতি' অৱলম্বন কৰি লেনিনে জাপি দিয়া সংখ্যালঘুৰ একনায়কত্ববাদ। চীনত চলি থকা একনায়কত্ববাদ পৃথক পদ্ধতিৰ। তাত সংখ্যাগৰিষ্ঠই সংখ্যালঘুসকলক শাসন কৰি আছে। মার্ক্সবাদৰ পৰা আঁতৰি গ'লেও নাৰায়ণে সমাজবাদত থকা বিশ্বাস পৰিহাৰ কৰা নাছিল। তেওঁৰ যুক্তি অনুসৰি ৰাছিয়াত দেখা দিয়া অধিকাংশ সমস্যাৰে মূল হ'ল স্বাভাৱিকভাৱে বিপ্লৱ ঘটালৈ বাট চাব নোখোজা এচাম 'ধৈর্যহীন' মার্ক্সবাদীৰ কার্য-কলাপ। মার্ক্সে কৈছিল যে যেতিয়া সমাজ এখনে ঔদ্যোগিক বিকাশৰ সর্বোচ্চ স্তৰ আৰু পুঁজিবাদৰ সোণালী যুগত উপনীত হয়, তেতিয়াই শ্রমিক শ্রেণীটোৰে পুঁজিপতিৰ বিৰুদ্ধে যুক্তিসংগতভাৱে বিদ্রোহ কৰিবলৈ ধৰে। লেনিন আৰু তেওঁৰ উত্তৰাধিকাৰী ষ্টেলিনে ৰাছিয়া এই স্তৰত উপনীত হোৱালৈ বাট নাচালে। তেওঁলোকে প্রায় সামৰিক ৰূপ লোৱা এটা নিৰন্ধ্র কেন্দ্রীভূত দলৰ সহায়ত ঔদ্যোগিকভাৱে অনগ্রসৰ ৰাছিয়াত বলেৰে বিপ্লৱৰ সূচনা কৰিছিল। জয়প্রকাশ নাৰায়ণৰ মতে মার্ক্স আৰু এংগেল্চে একোটা শন্তিপূর্ণ তথা গণতান্ত্রিক পট পৰিৱর্তনত অধিক বিশ্বাস কৰিছিল, যিটো তেওঁলোকৰ অনুগামীসকলত কম দেখা যায়। অর্থাৎ, সমাজবাদী আদর্শ সমস্যাৰ কাৰণ নহয়। অধ্যাপক প'ল এ. বাৰানৰ উদ্ধৃতি দি নাৰায়ণে কৈছিল যে বিদেশী আগ্রাসন তথা আভ্যন্তৰীণ বিদ্রোহে জুৰুলা কৰা অনগ্রসৰ দেশ ৰাছিয়াত তাৎক্ষণিক উন্নয়ন সাধন কৰিবলৈ লেনিনৰ দৰে নেতাবোৰে দেখুওৱা উচ্চাকাংক্ষাহে এই সমস্যাবোৰৰ মূল আছিল (Dandavate, 2002, p.144)।

এইবোৰ কথাৰ পৰা 'ভাৰতে ল'ব পৰা শিক্ষা'টো হ'ল তড়িৎ গতিত ঔদ্যোগিকীকৰণ ঘটোৱাৰ বাবে বলপ্রয়োগ নকৰি সমাজবাদ আৰু ঔদ্যোগিকীকৰণৰ উপযুক্ত উপায় ব্যৱহাৰ কৰি থলুৱা পদ্ধতিক আহিলা হিচাপে লৈ আগবঢ়া। এই কথাক বাস্তৱ ৰূপ দিবলৈ নাৰায়ণে ৰাষ্ট্রৰ ক্ষমতাৰ বিকেন্দ্রীকৰণ তথা ক্রমহ্রাসকৰণৰ পোষকতা কৰিছিল। এই ক্ষেত্রত তেওঁ মার্ক্সবাদীসকলে

কোৱাৰ দৰে লক্ষ্যত উপনীত হোৱাত সহায় কৰা সকলো ধৰণৰ পন্থাৰে ন্যায্যতা আছে বোলা দৃষ্টিভংগীটোৰ বিপৰীতে গৈ লক্ষ্যত উপনীত হোৱাত সহায় কৰিব পৰা পন্থাবোৰৰ প্ৰকৃতি বিচাৰ কৰি চোৱাত গুৰুত্ব দিছিল। এই চিন্তাবোৰে তেওঁক গান্ধীবাদৰ ওচৰ চপাইছিল যদিও তেওঁ সম্পূৰ্ণৰূপে গান্ধীবাদী হৈ পৰা নাছিল। ইয়াৰ সলনি তেওঁ গণতান্ত্ৰিক সমাজবাদ প্ৰতিষ্ঠাৰ দিশত অৰ্দ্ধ দূৰত্ব অতিক্ৰম কৰিছিল বুলি ক'ব পৰা যায়। নাৰায়ণে দাবী কৰিছিল যে এই সমাজবাদ ইউৰোপীয়ান সমাজবাদ নাইবা বৃটিছ ফেবিয়ান সমাজবাজতকৈ পৃথক। সমাজবাদৰ উক্ত ভাগ দুটাক 'সংস্কাৰবাদ আৰু পুনৰীক্ষণবাদৰ পিটনি' বুলি কোৱা হৈছিল। ইয়াকো কোৱা হৈছিল যে এই সমাজবাদক সৰ্বসাধাৰণৰ সমস্যাবোৰৰ প্ৰকৃত সমাধান উলিওৱাৰ ক্ষেত্ৰত বিশ্বাসত ল'ব পৰা নাযায় (Das,2005,p.12)। জয়প্ৰকাশ নাৰায়ণে সমাজবাদৰ এক নিজস্ব ধাৰণাৰ বিকশাই তুলিছিল। ইয়াক 'বৈপ্লৱিক' আখ্যা দিয়া হৈছিল। তথাপি ই মানুহৰ স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্ববোধক মৰ্যাদা দিব। নাৰায়ণৰ ভাষাত এচিয়াৰ সমাজবাদে সকলো সময়তে ইউৰোপীয় সমাজবাদৰ নকল নকৰাই ভাল। কাৰণ, দুয়োখন মহাদেশৰ পৰিস্থিতিৰ মাজত সকলো দিশতে বৃহৎ পাৰ্থক্য আছে। ইউৰোপীয় সমাজবাদৰ সপোন হ'ল এখন ঔদ্যোগীকৃত সমাজ প্ৰতিষ্ঠা কৰা। এই সমাজ পুঁজিবাদী নাইবা সমাজবাদী যিকোনো প্ৰকৃতিৰ হ'ব পাৰে। কিন্তু এচিয়া হ'ল সম্পূৰ্ণ গ্ৰাম্য আৰু কৃষিজীৱি বাসিন্দাৰ মহাদেশ। ইয়াত ঔদ্যোগীকিকৰণ প্ৰক্ৰিয়াটো তেনেই চালুকীয়া অৱস্থাত আছে। এইখিনিতে কোনোবাই বাছিয়া আৰু চীনৰ উদাহৰণ দিব পাৰে। দুয়োখন দেশেই অনগ্ৰসৰ আৰু কৃষিপ্ৰধান হোৱা সত্বেও সাম্যবাদী চৰকাৰক শাসন কৰাৰ সুবিধা দিছে। কিন্তু এই চৰকাৰ দুখনে সমাজবাদৰ প্ৰধান উপাদান সমতা আৰু স্বাধীনতাৰ কথা কেতিয়াও বিবেচনা কৰা নাই। নাৰায়ণে সেয়েহে এচিয়াৰ সমাজবাদীসকলক মহাদেশখনত সমাজবাদ স্থাপন কৰিবলৈ অনুকূল পন্থা বিচাৰি উলিয়াবলৈ 'চিন্তা, সম্পৰীক্ষা আৰু উদ্ভাৱন' কৰিবলৈ গোহাৰি জনাইছিল।

১০.৪ গান্ধীবাদী চিন্তাৰ প্ৰভাৱ ঃ সমাজবাদ এৰি সৰ্বোদয়ৰ আদৰ্শ গ্ৰহণ

জয়প্ৰকাশ নাৰায়ণ যিমানেই মাৰ্ক্সবাদৰ পৰা আঁতৰি গ'ল সিমানেই গান্ধীবাদী চিন্তাধাৰাৰ কাষ চাপিল। অৱশ্যে এইখিনিতে এটা কথা মনত ৰাখি থোৱা ভাল হ'ব যে নাৰায়ণে মাৰ্ক্সবাদী আদৰ্শৰ প্ৰতি আকৃষ্ট হোৱাৰ বহু আগতেই গান্ধীবাদী প্ৰমূল্যবোৰৰ সৈতে পৰিচিত হৈছিল। ১৯১৪ ৰ পৰা ১৯২২ চনৰ ভিতৰত গান্ধীৰ সৰলতা আৰু অহিংসা তথা অসহযোগ আদিৰ দৰে তেওঁ প্ৰয়োগ কৰিবলৈ লোৱা পদ্ধতিবোৰে নাৰায়ণক বাৰুকৈ প্ৰভাৱিত কৰিছিল। এই প্ৰভাৱ ইমানেই গভীৰ আছিল যে ১৯১৯ চনত গান্ধীয়ে পাতনি মেলা অসহযোগ আন্দোলনৰ প্ৰতি সঁহাৰি জনাই নাৰায়ণে অধ্যয়ন আধাতে বাদ দিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰত থকা সময়খিনিয়েহে তেওঁক সমাজবাদৰ প্ৰতি ঢাল খুৱাইছিল। কিন্তু তথাপিও তেওঁ উপায় আৰু লক্ষ্য সন্দৰ্ভত গান্ধীয়ে বিকশাই তোলা দৰ্শনটোকে প্ৰাধান্য দিছিল। ১৯২৯ চনত আমেৰিকাৰ পৰা ঘূৰি অহাৰ পাছত তেওঁ ভাৰতীয় সাম্যবাদীসকলৰ ফোঁপোলা দিশটো উপলব্ধি কৰিছিল। এই কথাই লাহে

লাহে তেওঁক গণতান্ত্রিক সমাজবাদৰ ফালে আগবঢ়াই নিছিল।

নাৰায়ণক সমগ্র জীৱন প্রভাৱিত কৰা আদর্শবোৰ আছিল স্বাধীনতা, সমতা আৰু ভ্রাতৃত্ববোধ। সর্বোদয়ৰ ধাৰণাটো গ্রহণ কৰাৰ সময়তো তেওঁক একেবোৰ আদর্শই পথ দেখুৱাইছিল। সর্বহাৰাৰ একনায়কত্ববাদ আৰু হিংসাৰ পথ অৱলম্বনৰ চিন্তাক অগ্রাহ্য কৰিলেও তেওঁ মার্ক্সবাদক সমর্থন কৰি আছিল। নাৰায়ণে কেৱল সামাজিক ৰূপান্তৰৰ বাবে ই আগবঢ়োৱা পদ্ধতিবোৰকহে সমর্থন কৰা নাছিল। তেওঁৰ গণতান্ত্রিক সমাজবাদক সেয়েহে মার্ক্সবাদ, গান্ধীবাদী প্রমূল্য আৰু পশ্চিমীয়া গণতন্ত্রৰ এক সংমিশ্রিত ৰূপ বুলি ক'ব পাৰি। গণতন্ত্র অবিহনে সমাজবাদ এক প্রহসন মাথোন। সেয়েহে তেওঁ সমাজবাদৰ সৈতে পাশ্চাত্যৰ গণতন্ত্রৰ আদর্শবোৰৰ সংহতি স্থাপনৰ প্রয়োজনীয়তাক গুৰুত্ব দিছিল।

সময় বাগৰাৰ লগে লগে নাৰায়ণৰ মার্ক্সবাদী চিন্তাধাৰা ধূসৰ হৈ গৈ থাকিল আৰু তেওঁ গান্ধীবাদী দর্শনৰ অধিক কাষ চাপিল। তেওঁ নিজেই কৈছিল যে এবাৰ পুনেত তিনি সপ্তাহ জোৰা অনশন কৰাৰ পাছতেই মার্ক্সবাদৰ প্রতি থকা শেষ আকর্ষণখিনিও নাইকিয়া হৈছিল। তেওঁ উপলব্ধি কৰিছিল যে বস্তুবাদে কোনো নীতি নামানে। বস্তুবাদী জগত এখনত মানুহে ভাল হৈ থকাৰ কোনো কাৰণ বিচাৰি নাপায়। মানুহে অইনৰ সৈতে বুজাবুজিৰে চলিব নোৱাৰে অথবা অইনক সহানুভূতি দেখুৱাব নোৱাৰে। এই জগতখনৰ সদস্যসকল কেৱল ক্ষমতাশালী, ধনী আৰু বিখ্যাত হোৱাৰ হাবিয়াস কৰে। মানুহক এই কথাবোৰে কাম কৰি যাবলৈ উদ্বুদ্ধ কৰে।

মার্ক্সবাদৰ প্রতি মোহভংগ হোৱা নাৰায়ণক ১৯৫২ চনৰ সাধাৰণ নির্বাচনৰ ফলাফলেও হতাশ কৰিছিল। নির্বাচনত কংগ্রেছ চোছিয়েলিষ্ট দল পৰাজিত হৈছিল। ইয়াৰ পাছত নাৰায়ণে ৰাজনীতিৰ পৰা সন্ন্যাস লোৱাৰ সিদ্ধান্ত লৈছিল। তেওঁ জীৱনৰ বাকী সময়ছোৱা সর্বোদয় আৰু ৰিনোবা ভাৱেৰ 'ভূদান আন্দোলন' (ভূমিহীনৰ মাজত ভূমি বিতৰণ)ৰ নামত উছর্গা কৰিছিল। জয়প্রকাশ নাৰায়ণে নিজৰ এই সিদ্ধান্তক 'জীৱনদান' বুলি অভিহিত কৰিছিল। তেওঁ বুজি পাইছিল যে ইমানদিনে সমাজবাদৰ সৈতে যুক্ত কৰি চোৱা স্বাধীনতা, সমতা, শান্তি আৰু ভ্রাতৃত্ববোধৰ দৰে লক্ষ্যবোৰক ৰাজনীতিৰ সহায়ত বাস্তৱায়িত কৰিব পৰা নাযাব। ইয়াৰ একমাত্র বিকল্প হ'ল তেওঁ ইমানদিনে আওকাণ কৰি অহা গান্ধীৰ সর্বোদয়ৰ ধাৰণাটো। নিজৰ ৰাজনীতি এৰাৰ সিদ্ধান্তটোৰ যুক্তিযুক্ততা প্রদান কৰি নাৰায়ণে কৈছিল, "মই কোনো বিৰক্তি নাইবা ব্যক্তিগত হতাশাৰ বলি হৈ দল আৰু ক্ষমতাৰ ৰাজনীতিৰ পৰা আঁতৰি যাব খোজা নাই। মই আঁতৰিব খোজাৰ কাৰণ হ'ল মোৰ বাবে এয়া স্পষ্ট হৈ পৰিছে যে ৰাজনীতিয়ে একো ভাল ফল দিব নোৱাৰে। ভাল ফল মানে হ'ল সমতা, স্বাধীনতা, ভ্রাতৃত্ববোধ আৰু শান্তিৰ দৰে একেবোৰ পুৰণি লক্ষ্যক বাস্তৱ কৰা" (Das,2005,p.19)।

অর্থাৎ, এসময়ত জয়প্রকাশ নাৰায়ণে কার্ল মার্ক্সৰ দ্বন্দ্বাত্মক বস্তুবাদতকৈ গান্ধীৰ সর্বোদয়ত অধিক বিশ্বাস স্থাপন কৰিছিল। তেওঁক গান্ধীবাদৰ তিনিটা বৈশিষ্ট্যই বিশেষভাৱে আকৃষ্ট কৰিছিল। প্রথমটো আছিল নৈতিকতা আৰু ন্যায়নিষ্ঠতাত আৰোপ কৰা গুৰুত্ব। এই বৈশিষ্ট্যটো মার্ক্সবাদত নাই। দ্বিতীয়টো আছিল আইন অমান্য আৰু সত্যাগ্রহৰ দৰে বিপ্লৱৰ অভূতপূর্ব

কৌশলৰ প্ৰচলন আৰু তৃতীয় বৈশিষ্ট্যটো হ'ল বিকেন্দ্ৰীকৰণত প্ৰদান কৰা গুৰুত্ব। নাৰায়ণৰ মতে সৰ্বোদয়ৰ তাৎপৰ্য সকলো ব্যক্তিৰে সুখ আৰু বিকাশৰ আকাংক্ষাত লুকাই আছে। ইয়াৰ দ্বাৰা বুজিব পাৰি যে ধাৰণাটোত কোনো শ্ৰেণী সংগ্ৰামৰ অৱকাশ ৰখা হোৱা নাই। সংখ্যাগুৰু-সংখ্যালঘূ নিৰ্বিশেষে প্ৰত্যেকেই সমানে গুৰুত্বপূৰ্ণ। সৰ্বোদয়ৰ লক্ষ্য হ'ল সমগ্ৰ সম্প্ৰদায়ৰ স্বাৰ্থ ৰক্ষাৰ প্ৰতি মনোযোগ দিয়া। ইয়াত অহংভাৰ নাইবা ক্ষমতা লাভৰ হাবিয়াসৰ কোনো স্থান নাই। সৰ্বোদয় মানে হ'ল সম্প্ৰদায়ৰ প্ৰতি নিঃস্বাৰ্থ সেৱা আগবঢ়াই যোৱা। ইয়াৰ দ্বাৰা উমৈহতীয়া কল্যাণ সাধন আৰু সামাজিক সমন্বয় বৰ্তাই ৰখাত জো�ৰ দিয়া হয়। ইয়াত সকলো ভাল কথা অইনৰ সৈতে স্বৈচ্ছিকভাৱে ভাগ-বাটোৰাৰা কৰা হয়। এইবোৰ কাৰণতে ইয়াত সমতা স্থাপনৰ নামত এটা শ্ৰেণীয়ে আন এটা শ্ৰেণীক ওফৰোৱাৰ নাইবা এটা শ্ৰেণীয়ে বলপূৰ্বকভাৱে আন এটা শ্ৰেণীৰ সম্পত্তি বাজেয়াপ্ত কৰাৰ কোনো সুযোগ নাথাকে। সৰ্বোদয়ত স্বৈচ্ছিক সেৱাই এক গুৰুত্বপূৰ্ণ ভূমিকা লয়। সৰ্বোদয়ে কেতিয়াও সামন্তবাদী প্ৰভুসকলৰ দ্বাৰা সৃষ্ট অসমতা আৰু শোষণ অব্যাহত ৰখাৰ অনুমতি নিদিয়ে। ই কেৱল মৰম-চেনেহেৰে শোষক তথা অসমতাৰ পৃষ্ঠপোষকতাকাৰী সকলৰ অন্তৰ সলনি কৰি সমাজত শান্তি. সমন্বয় আৰু সমতা স্থাপন কৰিব খোজে।

সৰ্বোদয়ে বাস্তৱ ৰূপ দিব খোজা এটা প্ৰধান নীতি হ'ল সকলোৰে বাবে সমতা স্থাপন। সেয়েহে ই সংখ্যালঘূ সকলতকৈ সংখ্যাগুৰু সকলৰ মতামতক অধিক গুৰুত্ব নিদিয়ে। অন্য অৰ্থত, সৰ্বোদয়ে সংখ্যাগুৰুতাবাদক অগ্ৰাহ্য কৰে। এই কথাত জয়প্ৰকাশ নাৰায়ণ আৰু জে.এচ.মিলৰ দৃষ্টিভংগীৰ সাদৃশ্য আছে। মিলেও সংখ্যালঘূৰ মতামতৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰিছিল। নাৰায়ণৰ মতে মানুহৰ বিভিন্ন ভাগ নাইবা শ্ৰেণীৰ মাজত সংঘাতপূৰ্ণ সম্পৰ্ক থাকিলে সমস্যা সমাধান কৰিব পৰা নাযায়। সমস্যা সমাধানৰ বাবে মানুহৰ মাজত সহমতৰ সৃষ্টি হ'ব লাগে। যদি সত্যই চৰম লক্ষ্য আৰু সমাজৰ প্ৰতিগৰাকী সদস্যই সমানে গুৰুত্বপূৰ্ণ, তেনেহ'লে সমস্যা সমাধান কৰিবলৈ কেৱল সংখ্যগৰিষ্ঠৰ দৃষ্টিভংগীৰ আধাৰত কোনো সিদ্ধান্ত গ্ৰহণ কৰাৰ সলনি সমাজে সহমতৰ ভিত্তিত বুজাপৰাত উপনীত হ'ব লাগিব। ইয়াৰ বাবে আমি যুক্তি আৰু প্ৰতি-যুক্তিৰ দ্বন্দ্বাত্মক যুক্তিবাদক ভাৰসা কৰিব লাগিব। কাৰণ, ইয়াৰ পৰাহে এটা ভাল আৰু সৰ্বগ্ৰহণযোগ্য সমাধান বাহিৰ হ'ব।

গান্ধীৰ অহিংস নীতিয়ে কেনেকৈ সামাজিক বিপ্লৱৰ সূচনা কৰিব সেই সম্পৰ্কে জয়প্ৰকাশ নাৰায়ণৰ প্ৰথম অৱস্থাত কিছু সন্দেহ আছিল। অহিংস নীতিৰে দেশখনত চলা স্বাধীনতা সংগ্ৰামখন তেওঁ প্ৰত্যক্ষ কৰিছিল যদিও দেশৰ পৰা সামন্ত আৰু পুঁজিবাদ উৎখাত কৰাত ই কেনেদৰে সহায় কৰিব সেয়া তেওঁ ধৰিব পৰা নাছিল। গান্ধীৰ ন্যাসৰক্ষীবাদ আৰু ইয়াৰ ভৰসাযোগ্যতা সম্পৰ্কেও নাৰায়ণ সিমান নিশ্চিত নাছিল। তেওঁ গান্ধীৰ কৌশলবোৰ মনতে পাগুলি থকাৰ সময়তে ৰিনোবা ভাৱেই তেলেংগানাত ভূদান আন্দোলনৰ সূচনা কৰিছিল। প্ৰথম অৱস্থাত নাৰায়ণে ভাবিছিল যে এই কৌশল ব্যৱহাৰ কৰি ভূমি পুনৰ বিতৰণ প্ৰক্ৰিয়াটো শেষ কৰিবলৈ শ শ বছৰৰ প্ৰয়োজন হ'ব। কিন্তু তেওঁক আচৰিত কৰি এই আন্দোলনটোৱে অনতিপলমে ইয়াৰ সুফল

প্রদর্শন কৰিছিল। নাৰায়ণেও প্রায় লগে লগে আন্দোলনটোত সক্রিয়ভাৱে যোগ দিয়াৰ সিদ্ধান্ত লৈছিল।

একেদৰে নাৰায়ণে সর্বোদয়ৰ অন্য প্রকাশবোৰলৈও তাৎক্ষণিকভাৱে সমর্থন আগবঢ়াইছিল। তেওঁ গ্রামদান (গাওঁবাসীৰ দ্বাৰা মাটিৰ ন্যায়সংগত ভাগ-বাটোৱাৰা কৰাৰ আন্দোলন), সম্পত্তিদান (ন্যাসৰক্ষীবাদৰ নিয়ম অনুসৰি সকলো সম্পত্তিৰ সংপৰিৱর্তন ঘটোৱা), সাধনদান (ভূদান হিতাধিকাৰীসকলক পথাৰ চহোৱাত সহায় কৰিব পৰাকৈ বলদ গৰু আদিৰ দৰে উৎপাদনৰ বিভিন্ন আহিলা উপহাৰ হিচাপে প্রদান কৰা) আৰু বুদ্ধিদান আদিৰ দৰে উদ্যমত হাত উজান দিছিল। নাৰায়ণৰ মতে এক ন্যায়সংগত সামাজিক শৃংখলা গঢ়ি তোলাত সহায়ক হ'ব পৰা এইবোৰেই হ'ল শান্তিপূর্ণ আৰু নৈতিকভাৱে শুদ্ধ উপায়। এইখিনিতে মনত ৰাখি থোৱাতো ভাল হ'ব যে গান্ধীৰ দৰে নাৰায়ণেও ভাবিছিল যে কেৱল এটা নৈতিকভাৱে শুদ্ধ পন্থাৰেহে এক নৈতিক লক্ষ্যত উপনীত হ'ব পৰা যায়। তেওঁ গান্ধীৰ লক্ষ্যপ্রাপ্তি-উপায়ৰ যুগ্মক ধাৰণাটোৰ দ্বাৰা গভীৰভাৱে প্রভাৱিত হৈছিল। গান্ধীৰ চিন্তা অনুসৰি লক্ষ্যৰ সমানেই লক্ষ্যত উপনীত হ'বলৈ গ্রহণ কৰা উপায়বোৰো গুৰুত্বপূর্ণ। নাৰায়ণে যুক্তি দর্শাই কৈছিল, "লক্ষ্যত উপনীত হোৱাৰ উপায়বোৰৰ সেয়েহে লক্ষ্যৰ সৈতে নৈতিক সামঞ্জস্য থাকিব লাগিব"(Das,2005,p.14)। মার্ক্সবাদী তত্ত্বই সমাজবাদৰ লক্ষ্যত উপনীত হোৱাত ব্যর্থতা প্রদর্শন কৰাৰ ই হ'ল এটা প্রধান কাৰণ। ই নৈতিকতাবিহীন উপায়, যেনে-হিংসা অৱলম্বন কৰি এখন নৈতিকভাৱে নিখুঁত সমাজবাদী সমাজ স্থাপন কৰিব বিচাৰিছিল। অৱশ্যে নাৰায়ণে বিনাদ্বিধাই এই কথা মানি লৈছিল যে এখন সমতাপূর্ণ, শান্তিপূর্ণ আৰু মুক্ত সমাজ গঢ়িবলৈ সমাজবাদৰ দর্শনেই হ'ল নৈতিক তথা ন্যায়নিষ্ঠতাৰ দিশেৰে শুদ্ধ দর্শন। কিন্তু এই সামাজিক শৃংখলাটো স্থাপন কৰিবলৈ গ্রহণ কৰা উপায়বোৰ তেওঁ পছন্দ কৰা নাছিল। তেওঁ সেয়েহে এই মত পোষণ কৰিছিল যে সমাজবাদক সর্বোদয়লৈ ৰূপান্তৰ কৰিব নোৱাৰা পর্যন্ত লক্ষ্যপ্রাপ্তি-উপায়ৰ ক্ষেত্রত থকা অসামঞ্জস্যতাবোৰ আঁতৰাব পৰা নাযাব। আৰু এইটো কাৰণতে এখন আদর্শ সমাজ গঠনৰ সপোনটোক বাস্তৱ ৰূপ দিব পৰা নাযাব। নাৰায়ণৰ বাবে সর্বোদয় আছিল সমাজবাদৰ এক উন্নততৰ ৰূপ।

১০.৫ সর্বাত্মক বিপ্লৱৰ চিন্তা

বিভিন্ন সামাজিক সমস্যা সমাধানৰ উপায় হিচাপে জয়প্রকাশ নাৰায়ণে সর্বাত্মক বিপ্লৱ (Total Revolution)ৰ ধাৰণাটো বিকশিত কৰিছিল। ধাৰণাটো সম্পর্কে তেওঁ বহু আগৰেপৰা গুণা-গথা কৰি আছিল যদিও ১৯৭৭ চনত প্রকাশিত The Prison Diary নামৰ গ্রন্থখনত প্রথমবাৰৰ বাবে ইয়াক এটা স্পষ্ট ৰূপত উপস্থাপন কৰিছিল। স্বাধীনতা সংগ্রাম তুংগত উঠা সময়ত ১৯৪২ চনত নাৰায়ণে এখন পত্রৰ জৰিয়তে স্বাধীনতাৰ লক্ষ্যত উপনীত হ'বলৈ সকলো স্বাধীনতা সংগ্রামীকে জনগণৰ সর্বাত্মক বিপ্লৱৰ সূচনা কৰিবলৈ গোহাৰি জনাইছিল। এই কথাটোলৈ মনত ৰাখি ক'ব পৰা যায় যে ইয়াৰ বহুবছৰ পাছত ১৯৭০ ৰ দশকত নাৰায়ণে জনোৱা সর্বাত্মক

বিপ্লৱৰ আহ্বানৰ প্ৰকৃতি নিশ্চয় অলপ পৃথক। কাৰণ, বৃটিছ শাসিত ভাৰত আৰু মুক্ত গণতান্ত্ৰিক দেশ ভাৰতৰ চলিত অৱস্থাৰ মাজত যথেষ্ট পাৰ্থক্য আছে। পৰৱৰ্তী সময়ত নাৰায়ণে জনোৱা সৰ্বাত্মক বিপ্লৱৰ আহ্বানৰ আঁৰৰ কাৰণ আছিল ইন্দিৰা গান্ধীৰ শাসনকালত দেশত উদ্ভৱ হোৱা সমস্যাবোৰ। এই সময়ছোৱাত দেশক দূৰ্নীতি, মন্থৰ অৰ্থনৈতিক বিকাশ, মুদ্ৰাস্ফীতি, দুৰ্বল শিক্ষা ব্যৱস্থা আৰু সমাজৰ অধোগামী নৈতিক শৃংখলা আদি এশ এবুৰি সমস্যাই ভাৰাক্ৰান্ত কৰি তুলিছিল। বিপ্লৱেই আছিল এই সমস্যাবোৰৰ পৰা মুক্ত হোৱাৰ একমাত্ৰ উপায়।

১৯৭৩ চনত শিক্ষাৰ্থীসকলে আৰম্ভ কৰা গুজৰাট আন্দোলনৰ ফলত শাসনাধিস্থ গুজৰাট চৰকাৰখনে পদত্যাগ কৰিবলৈ বাধ্য হৈছিল। এই কথাৰ দ্বাৰা অনুপ্ৰাণিত হৈ জয়প্ৰকাশ নাৰায়ণে বিহাৰৰ ছাত্ৰ আন্দোলনলৈ সমৰ্থন আগবঢ়াইছিল। এই আন্দোনত শান্তিপূৰ্ণ হ'ব বুলি বান্ধি দিয়া চৰ্ত শিক্ষাৰ্থীসকলে মানি লোৱাৰ পাছত নাৰায়ণে আনকি তেওঁলোকৰ অনুৰোধত বিহাৰ আন্দোলনৰ নেতৃত্বও বহন কৰিছিল। বিহাৰৰ এই গণ উত্থানত শংকিত হৈ পৰা ইন্দিৰা গান্ধীয়ে আন্দোলন দমন কৰাৰ কৌশল হিচাপে নাৰায়ণক কাৰাবন্দী কৰিছিল আৰু দেশত জৰুৰী অৱস্থা ঘোষণা কৰিছিল। কিন্তু এই সকলো কথাকে অসাৰ প্ৰতিপন্ন কৰি পৰৱৰ্তী সাধাৰণ নিৰ্বাচনত জয়প্ৰকাশ নাৰায়ণে গঠন কৰা জনতা দলে গৰিষ্ঠ ভোট লাভ কৰি কেন্দ্ৰত চৰকাৰ গঠন কৰিছিল। অৱশ্যে ৰাজনীতিৰ পৰা ইতিপূৰ্বে সন্ন্যাস গ্ৰহণ কৰা নাৰায়ণে এই চৰকাৰৰ নেতৃত্ব নিদি ক্ষমতাৰ ৰাজনীতিৰ পৰাও নিজকে আঁতৰাই ৰাখিছিল।

জয়প্ৰকাশ নাৰায়ণে অৱশ্যে সৰ্বাত্মক বিপ্লৱৰ কোনো স্পষ্ট সংজ্ঞা আগবঢ়োৱা নাছিল। তেওঁ এই দায়িত্ব দেশৰ বুদ্ধিজীৱি সমাজক অৰ্পণ কৰিছিল আৰু এটা স্পষ্ট সংজ্ঞা নিৰূপণ কৰিব ইয়াৰ আধাৰত তেওঁৰ সপোন বাস্তৱ কৰি তুলিবলৈ আহ্বান জনাইছিল। এ.আপ্পাডুৰাইৰ ব্যাখ্যা অনুসৰি সৰ্বাত্মক বিপ্লৱ হ'ল এটা সকলো দিশ সামৰি লোৱা সামাজিক বিপ্লৱ। ই সমাজৰ পৰা দূৰ্নীতি, নিম্ন শ্ৰেণীৰ বুলি গণ্য কৰা জাতি-সম্প্ৰদায় তথা মহিলাসকলে সন্মুখীন হোৱা সামাজিক বৰ্জন আৰু বৈষম্য, কৰ্মসংস্থাপনহীনতা আদিৰ দৰে সকলো সামাজিক কুব্যৱস্থা উৎখাত কৰাৰ প্ৰয়াস চলোৱাৰ কথা কৈছিল। আপ্পাডুৰায়ে এয়াও কৈছিল যে সকলো কুব্যৱস্থাৰ পৰা মুক্ত এক ন্যায়সংগত সামাজিক শৃংখলা প্ৰতিষ্ঠা কৰিবলৈ প্ৰচলিত সামাজিক গাঁথনিবোৰৰ সংস্কাৰ সাধনতকৈ বৈপ্লৱিক পৰিৱৰ্তন কৰাত সৰ্বাত্মক বিপ্লৱে অধিক গুৰুত্ব দিছিল (Sinha, 1990)।

সৰ্বাত্মক বিপ্লৱৰ অধীনত মুঠ সাতটা দিশত বিপ্লৱৰ সূচনা কৰাৰ কথা কোৱা হৈছে। এই দিশ সাতটা হ'ল-সামাজিক, অৰ্থলৈতিক, ৰাজনৈতিক, সাংস্কৃতিক, আদৰ্শভিত্তিক আৰু বৌদ্ধিক, শৈক্ষিক তথা আধ্যাত্মিক জীৱন। এয়া কোনো ধৰাবন্ধা দিশ নহয়। সমাজে নিজ প্ৰয়োজন অনুসৰি এই দিশকেইটাৰ যুটী ঠিক কৰি ল'ব পাৰে। যেনে- শৈক্ষিক আৰু আদৰ্শভিত্তিক বিপ্লৱক সাংস্কৃতিক বিপ্লৱৰ অংশ কৰিব নাইবা অৰ্থনৈতিক বিপ্লৱক ঔদ্যোগিক, কৃষি অথবা প্ৰযুক্তিভিত্তিক বিপ্লৱত ভগাই ল'ব পৰা যায়।

জয়প্ৰকাশ নাৰায়ণৰ সৰ্বাত্মক বিপ্লৱৰ কেইটামান বৈশিষ্ট্য আছে। প্ৰথম বৈশিষ্ট্যটো হ'ল ই এক অবিৰত প্ৰক্ৰিয়া। কোনো এটা নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হোৱাৰ পাছতেই এই বিপ্লৱ

শেষ নহয়। এই সংগ্রামৰ এটা শক্তিশালী নৈতিক ভেটি আছে আৰু ই কেতিয়াও হিংসাৰ দৰে নৈতিকতাহীন আৰু ন্যায়হীন পদ্ধতি অনুসৰণ কৰাৰ অনুমতি নিদিয়ে। এই বিপ্লৱৰ দ্বিতীয় বৈশিষ্ট্যটো হ'ল ইয়াৰ মূল লক্ষ্য। এই লক্ষ্যই কেৱল ক্ষমতা হস্তান্তৰ নাইবা চৰকাৰ সলনি কৰাৰ পৰিৱর্তে সমাজ আৰু সামাজিক গাঁথনিবোৰৰ আমূল ৰূপান্তৰৰ কথা কয়। জনগণৰ সক্রিয় অংশগ্রহণৰ দ্বাৰা সকলো সামাজিক কুব্যৱস্থা নাইকিয়া কৰাই হ'ল এই বৈপ্লৱিক ৰূপান্তৰৰ লক্ষ্য। সর্বাত্মক বিপ্লৱৰ আন এক বৈশিষ্ট্য হ'ল বিকেন্দ্রীকৰণৰ ভিত্তিত প্রতিষ্ঠিত গণতন্ত্র।

সর্বাত্মক বিপ্লৱৰ জৰিয়তে জয়প্রকাশ নাৰায়ণে গান্ধীৰ আদর্শ সমাজৰ সপোনক বাস্তৱ ৰূপ দিব খুজিছিল। এই সমাজৰ বৈশিষ্ট্য আছিল অর্থনৈতিক সমতা, প্রকৃত গণতন্ত্র আৰু এটা নৈতিক সামাজিক শৃংখলা। এই আদর্শ সমাজখনক বাস্তৱ ৰূপ দিবলৈ জয়প্রকাশ নাৰায়ণে ব্যক্তিৰ আধ্যাত্মিক বিশুদ্ধিকৰণৰ কথা কৈছিল আৰু অর্থনৈতিক, সামাজিক,সাংস্কৃতিক তথা শৈক্ষিক ক্ষেত্রত সংৰচনাত্মক পৰিৱর্তন সাধনৰ কথা কৈছিল। আধ্যাত্মিক বিশুদ্ধিকৰণত নৈতিক আৰু ন্যায়নিষ্ঠ নীতিৰ আধাৰত একোটা প্রমূল্য ব্যৱস্থা অনুশীলনৰ অভ্যাস গঢ়ি তোলাৰ কথা কথা কোৱা হৈছিল। গান্ধীৰ দৰে নাৰায়ণেও মানৱ জীৱনৰ এই দিশটোক যথেষ্ট গুৰুত্ব দিছিল। দুয়োৰে মতে আভ্যন্তৰীণ প্রমূল্যবোৰৰ পৰিৱর্তন অবিহনে বাহ্যিক পৰিৱর্তন অসাৰ আৰু অবাস্তৱ। অর্থনৈতিক ব্যৱস্থাত বিপ্লৱ মানে হ'ল দৰিদ্রতা আৰু অসমতা নির্মূল, দৰিদ্রক কৰা শোষণৰ অৱসান, নিবনুৱা সমস্যাৰ সমাধান, দূর্নীতিপূর্ণ অনুশীলন বন্ধ কৰা, মূল্য নিয়ন্ত্রণ, অর্থনৈতিক উন্নয়ন সাধন কৰা আৰু অত্যাৱশ্যকীয় সামগ্রীৰ চাহিদা-যোগান নিয়ন্ত্রণ কৰা। সামগ্রিকভাৱে ব্যক্তিৰ কল্যাণ সাধন কৰাটো অর্থনৈতিক ব্যৱস্থাৰ প্রধান লক্ষ্য হোৱা উচিত। ৰাজনৈতিক বিপ্লৱে এনে এটা ৰাজনৈতিক ব্যৱস্থা গঢ়ি তোলাৰ হকে কাম কৰিব যিটোৱে ব্যক্তিৰ মূল্য বুজি পাব। ব্যক্তিক কোনো লক্ষ্যত উপনীত হোৱাৰ উপায় হিচাপে ব্যৱহাৰ কৰাৰ সলনি লক্ষ্য বুলি ধৰি লৈ কাম কৰা হ'ব । এনে ব্যৱস্থাত ক্ষমতাৰ বিকেন্দ্রীকৰণ হ'ব শাসনৰ পন্থা।

সমাজ-সাংস্কৃতিক দিশত এই বিপ্লৱৰ সহায়ত এখন অন্ধবিশ্বাসহীন আৰু বিভিন্ন সামাজিক অসমতাৰ পৰা মুক্ত সমাজ গঠনৰ লক্ষ্যত উপনীত হোৱাৰ চেষ্টা চলোৱা হ'ব। সর্বাত্মক বিপ্লৱে দিঠক কৰিবলৈ চেষ্টা কৰা আন দুটামান লক্ষ্য হ'ব মহিলাৰ সামাজিক স্থিতি উন্নত কৰা, অস্পৃশ্যতাৰ প্রথা নাইকিয়া কৰা, জাতিভেদ প্রথাৰ সৈতে জড়িত বৈষম্যমূলক অনুশীলনবোৰ নাইকিয়া কৰা। শৈক্ষিক ক্ষেত্রত সূচনা হোৱা বিপ্লৱৰ প্রধান লক্ষ্য হ'ল ব্যক্তিৰ সবলীকৰণ যাতে ব্যক্তিয়ে নিজে নিজৰ জীৱন পৰিচালনা কৰিব পাৰে। শৈক্ষিক বিপ্লৱে মানুহক গণতান্ত্রিক পদ্ধতি আৰু ইয়াৰ বিভিন্ন অনুষ্ঠানত দেখা দিব পৰা আসোঁৱাহবোৰত সতর্ক দৃষ্টি ৰাখিব পৰাকৈ সজাগ কৰি তুলিব।

সর্বাত্মক বিপ্লৱৰ এই লক্ষ্যসমূহ তেতিয়াহে বাস্তৱ হ'ব যেতিয়া এইবোৰ অবিৰতভাৱে কৰি যাবলৈ কিছুমান প্রতিভূ থাকিব। সেয়েহে এই বিপ্লৱত নেতাই সবাতোকৈ গুৰুত্বপূর্ণ ভূমিকা এটা পালন কৰিব লাগিব। নেতাই এই আন্দোলনক পথ প্রদর্শন কৰিব লাগিব। জয়প্রকাশ নাৰায়ণে এই কথা দৃঢ়তাৰে কৈছিল যে নেতাই বিপ্লৱ সৃষ্টি নকৰে। বিপ্লৱ হ'ল ঐতিহাসিক পৰিস্থিতিৰ ফল। নেতাই বিপ্লৱটোক কেৱল এটা নির্দ্ধাৰিত পথেৰে আগবঢ়াৰ নির্দেশনা দিয়ে আৰু নিয়ন্ত্রকৰ

ভূমিকা পালন কৰে। নেতাৰ অভাৱত যিকোনো আন্দোলন পথভ্রষ্ট আৰু বেমেজালিপূর্ণ হৈ পৰিব পাৰে। ইয়াৰ ফলত আনকি একনায়কত্ববাদী শাসনৰো প্রচলন ঘটিব পাৰে।

বিপ্লৱৰ আন এটা গুৰুত্বপূর্ণ প্রতিভূ হ'ল সর্বসাধাৰণ নাইবা জনগণ, দেশ এখনৰ যুৱাসমাজ আৰু শিক্ষার্থীসকল, স্বেচ্ছাসেৱী আৰু শ্রেণীবিভক্ত সংগঠনবোৰ তথা আনুষ্ঠানিক প্রতিষ্ঠানসমূহ। এইবোৰৰ ভিতৰত নাৰায়ণে যুৱাসমাজ আৰু শিক্ষার্থীসকলক সবাতোকৈ অধিক বিশ্বাস কৰিছিল, তেওঁলোকক লৈ আশা কৰিছিল। এই বিশ্বাসৰ আধাৰ আছিল যুৱাসমাজৰ মুক্ত আৰু অবাধ জীৱন। সমাজৰ বাকী দলবোৰ হয় ক্ষমতা আৰু খ্যাতিৰ দৌৰত ব্যস্ত, নহয় পৰিয়ালৰ বাবে উপার্জন কৰাৰ কামত ব্যস্ত। শিক্ষার্থী আৰু যুৱাসমাজ এনেবোৰ বাধাৰ পৰা মুক্ত। সেয়েহে অন্য দলবোৰে নিজৰ যি আছে সেয়া হেৰুওৱাৰ চিন্তাৰে দোমোজাত পৰাৰ সময়ত যুৱাসকলে বিপ্লৱত অংশগ্রহণ কৰি যিকোনো ধৰণৰ সম্ভাব্য বিপদসংকুল পৰিস্থিতিৰ মুখামুখি হ'বলৈ আগবাঢ়ি আহিব পাৰে। সেয়োহে নাৰায়ণে সমাজলৈ বৈপ্লৱিক পৰিৱর্তন অনাৰ ভাৰ যুৱাসমাজক অর্পণ কৰিছিল।

জয়প্রকাশ নাৰায়ণে বিপ্লৱ আগবঢ়াই নিয়াৰ কেইটামান পদ্ধতিৰ কথা কৈছিল। পদ্ধতিকেইটা হ'ল-

- **সচেতনতা ঃ** শিক্ষাৰ সহায়ত জনগণক সচেতন কৰি তুলিব পৰা যায়। সচেতন জনগণে বৈপ্লৱিক আন্দোলনত সজাগভাৱে আৰু সম্পূর্ণভাৱে অংশগ্রহণ কৰিব পাৰে।
- **সংগঠন ঃ** জয়প্রকাশ নাৰায়ণে তৃণমূল পর্যায়ত ৰাইজৰ সমিতিৰ ৰূপত কিছুমান স্থায়ী সংগঠন গঢ়ি তোলাৰ কথা কৈছিল। এই সমিতিবোৰৰ কাম হ'ব সাধাৰণ লোকৰ সমস্যাবোৰ সমাধানৰ চেষ্টা কৰা আৰু উন্নয়নৰ পৰিকল্পনা কৰা। ইয়াৰ দ্বাৰা তেওঁ এক দলবিহীন গণতন্ত্র প্রচলন কৰাৰ পৰামর্শ দিছিল। অৱশ্যে তেওঁ ইয়াকো কৈছিল যে ই প্রকৃত গণতন্ত্র সুনিশ্চিত কৰিব নোৱাৰে।
- **সংগ্রাম ঃ** আইন অমান্য আৰু অসহযোগ আদি পন্থাৰ সহায়ত অবিৰত সংগ্রাম চলা উচিত। নাৰায়ণে কেৱল শান্তিপূর্ণ সংগ্রামৰ কথাহে কৈছিল আৰু সংগ্রাম কোনোপধ্যে হিংসাত্মক হৈ পৰিব নালাগে বুলি মত পোষণ কৰিছিল। ঘেৰাও, বন্ধ আৰু হৰতাল আদি হ'ল শান্তিপূর্ণ সংগ্রামৰ উদাহৰণ।
- **গঠনমূলক কার্য ঃ** বিপ্লৱীসকলে আন্দোলনৰ সমান্তৰালকৈ গঠনমূলক কাম-কাজো কৰি যাব লাগে। যিহেতু বিপ্লৱৰ ৰূপ 'সর্বাত্মক' সেয়েহে এক নতুন সামাজিক শৃংখলা গঢ়ি তুলিবলৈ গঠনমূলক কাম-কাজ কৰি যোৱাটো আৱশ্যক।

জয়প্রকাশ নাৰায়ণে সর্বাত্মক বিপ্লৱৰ প্রধান দিশ তিনিটা উল্লেখ কৰি কৈছে, "সামৰণিত আন্দোলনৰ তিনিটা প্রধান দিশ উল্লেখ কৰিব খুজিছোঁ ঃ (১) জনগণৰ ক্ষমতা সৃষ্টি আৰু সংগঠিতকৰণ, (২) সর্বাত্মক বিপ্লৱক আন্দোলনৰ লক্ষ্য হিচাপে গ্রহণ আৰু (৩) তৃণমূল পর্যায়ৰ পৰা গ্রাম স্বৰাজ্য অথবা জনতাৰ চৰকাৰ গঠন(Das,2005,p.55)।

১০.৬ অগ্রগতিৰ খতিয়ান

জয়প্রকাশ নাৰায়ণৰ চিন্তা, ধাৰণা আৰু আদর্শবোৰৰ বিষয়ে আলোচনা কৰাৰ পাছত এইবাৰ তেওঁৰ চিন্তাবোৰক সমালোচনামূলক দৃষ্টিভংগীৰে জুখি চোৱাৰ প্রয়াস কৰোঁ আহক।

সমালোচনাৰ বাবে লোৱা প্রথম বিষয়টো হ'ল মার্ক্সবাদী সমাজবাদৰ প্রতি নাৰায়ণৰ ধাৰণা। এটা সময়ত তেওঁ এই দর্শনৰ সমালোচক হৈ পৰিছিল। তেওঁ পৰামর্শ আগবঢ়াইছিল যে ঔপনিৱেশিক শাসনৰ অধীন হৈ থকা ভাৰতৰ দৰে দেশবোৰত খাপ খাব পৰাকৈ এই আদর্শবাদত সাল-সলনি ঘটোৱা উচিত। এই ক্ষেত্রত থকা সমস্যাটো হ'ল নাৰায়ণে মার্ক্সবাদৰ পুনঃঅভিবিন্যাস কৰাৰ চিন্তা ব্যক্ত কৰিছে যদিও ইয়াৰ উপযুক্ত পদ্ধতি উপস্থাপন কৰাত ব্যর্থ হৈছে। সহজ অর্থত, নাৰায়ণৰ পৰামর্শ ব্যৱহাৰিক স্তৰ নোপোৱাকৈ চিন্তাৰ স্তৰতে সীমাৱদ্ধ হৈ ৰ'ল।

দ্বিতীয়তে, নাৰায়ণৰ 'সর্বাত্মক বিপ্লৱ'ক এটা অবাস্তৱ আৰু কাল্পনিক ধাৰণা বুলি সমালোচনা কৰা হয়। তেওঁ অর্থনৈতিক, সামাজিক-সাংস্কৃতিক, শৈক্ষিক আৰু ৰাজনৈতিক আদিৰ দৰে বিভিন্ন ক্ষেত্রত 'অবিৰত' বিপ্লৱ চলিব লাগে বুলি মত পোষণ কৰিছিল। কিন্তু তেওঁ ইমানবোৰ ভিন্ন দিশত দীঘলীয়া বিপ্লৱ চলাই যাব পৰাকৈ জনসাধাৰণৰ সামর্থ আছেনে নাই সেয়া জুখি চোৱাত ব্যর্থতা প্রদর্শন কৰিছিল। ইয়াৰ উপৰি তেওঁৰ আন্দোলনৰ ধাৰণাত প্রতিভূ অথবা কার্যকর্তাসকলৰ প্রশিক্ষণৰ দিশটোৰ কোনো উল্লেখ নাছিল। এটা সুসংগঠিত আৰু প্রশিক্ষণপ্রাপ্ত দলৰ অনুপস্থিতিত সর্বাত্মক বিপ্লৱ সুদীর্ঘ কাল ফলৱতী নোহোৱা সপোন হৈয়েই ৰ'ব।

তৃতীয়তে, জয়প্রকাশ নাৰায়ণে জীৱন কালত বিভিন্ন সময়ত চিন্তাধাৰা বহুবাৰ সলনি কৰিছিল। জীৱনৰ প্রথম অৱস্থাত গান্ধীৰ দর্শনেৰে অনুপ্রাণিত হোৱা নাৰায়ণে আমেৰিকাত থকা সময়ছোৱাত মার্ক্সবাদী হৈছিল। ভৱতত মার্ক্সবাদ প্রযোজ্য কৰিব নোৱাৰি বুলি উপলব্ধি কৰাৰ পাছত তেওঁ পুনৰ গান্ধীবাদৰ পিনে ঢাল খাইছিল। এই স্থিতি সলনিকাৰী দর্শনৰ বাবে বহুতে তেওঁক এগৰাকী অস্থিৰমনা চিন্তাবিদ বুলি অভিহিত কৰিছে। অৱশ্যে গভীৰ বিশ্লেষণ কৰিলে গম পোৱা যাব যে নাৰায়ণক প্রয়োজনাধিক কঠোৰ সমালোচনা কৰা হৈছে। জীৱনত মুখামুখি হোৱা বিভিন্ন বাস্তৱ অনুসৰিহে তেওঁ নিজ চিন্তা সলনি কৰিছিল।

জয়প্রকাশ নাৰায়ণে আগবঢ়োৱা সবাতোকৈ তাৎপর্যপূর্ণ অৱদাৱটো হ'ল বিপ্লৱত সাধাৰণ ৰাইজৰ অংশগ্রহণৰ প্রয়োজনীয়তা সম্পর্কে তেওঁৰ উপলব্ধি। তেওঁ সর্বাত্মক বিপ্লৱক কোনো এটা বিশেষ শ্রেণীৰ বিপ্লৱ হিচাপে সীমাৱদ্ধ কৰা নাছিল। ইয়াত তেওঁ সমাজৰ সকলোকে সাঙুৰি লৈছিল। তেওঁৰ দর্শনক প্রতিক্রিয়াশীল দর্শন বুলিও ক'ব পৰা যায়। কাৰণ সমাজত চলি থকা দুর্নীতি, নেতৃত্বৰ হাতত মাত্রাধিক ক্ষমতা কেন্দ্রীভূত হৈ থকা ব্যৱস্থা, দুখীয়া আৰু দুর্বল সকলৰ ওপৰত চলা শোষণ, অসমতা আদিৰ দৰে বিভিন্ন কুব্যৱস্থাৰ প্রতিক্রিয়া ৰূপেহে তেওঁৰ দর্শনৰ বিকাশ ঘটিছিল। ভৱিষ্যদর্শী জয়প্রকাশ নাৰায়ণে গভীৰভাৱে আশা কৰিছিল যে এদিন দেশৰ যুৱাসমাজে সকলো দোষৰ পৰা মুক্ত এখন আদর্শ সমাজ প্রতিষ্ঠা কৰিবলৈ সমর্থ হ'ব।



১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টিৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে জীৱনৰ বিভিন্ন সময়ত জয়প্রকাশ নাৰায়ণ সমাজবাদ আৰু গান্ধীবাদ উভয়ৰ দ্বাৰা প্রভাৱিত হৈছিল। সমালোচকসকলে কোৱাৰ দৰে নাৰায়ণৰ চিন্তা অস্থিৰ আছিল বাবে তেওঁ মার্ক্সবাদী সমাজবাদৰ পৰা আঁতৰি যোৱা নাছিল। তেওঁ এই দর্শনৰ পৰা আঁতৰি যোৱাৰ কাৰণ আছিল লক্ষ্যত উপনীত হ'বলৈ ই হিংসাৰ পথ অৱলম্বন কৰিছিল আৰু ভাৰতৰ পটভূমিত এই দর্শন প্রয়োগসাধ্য নাছিল।
- নাৰায়ণে গান্ধীবাদী প্রমূল্য আৰু সর্বোদয়ৰ ধাৰণাটো গ্রহণ কৰাৰ কাৰণ আছিল তেওঁ গান্ধীয়ে কোৱা নৈতিক প্রমূল্য গঢ়াৰ ধাৰণাটোৰ দ্বাৰা অনুপ্রাণিত হৈছিল।
- নাৰায়ণক গান্ধীৰ অসহযোগ আৰু সত্যাগ্রহৰ দৰে আন্দোলন কৌশলবোৰে আকৃষ্ট কৰিছিল। কাৰণ, এইবোৰ আছিল প্রতিবাদৰ অহিংস পদ্ধতি।
- এখন আদর্শ সমাজ প্রতিষ্ঠা কৰাত গান্ধীবাদী কৌশলবোৰ প্রয়োগ কৰিবলৈ নাৰায়ণে সর্বাত্মক বিপ্লৱৰ ধাৰণাটো আগবঢ়াইছিল। এই বিপ্লৱে ভাৰতীয় সমাজৰ গাঁথনিটোলৈ আমূল পৰিৱর্তন আনিব বুলি কোৱা হৈছিল। এই পন্থাৰেহে সর্বোদয়ক বাস্তৱ ৰূপ দিব পৰা যাব।
- সর্বাত্মক বিপ্লৱ গাওঁ স্তৰত আৰম্ভ হৈ নগৰ এলেকাবোৰলৈ বিয়পিব বুলি কোৱা হৈছিল। ইয়াৰ দ্বাৰা জনগণৰ সম্পূর্ণ অংশগ্রহণ সুনিশ্চিত কৰিব পৰা যাব। নাৰায়ণে এখন দলবিহীন আদর্শ গণতান্ত্রিক সমাজ সৃষ্টি কৰিব খুজিছিল। এই সমাজে প্রত্যেক ব্যক্তিক গুৰুত্ব দিব। নৈতিকতা, স্বাধীনতা আৰু সমতাৰ বৈশিষ্ট্য বহনকাৰী এখন সমাজ গঠন কৰাটো আছিল জয়প্রকাশ নাৰায়ণৰ প্রধান লক্ষ্য।



১০.৮ অধিক জানিবলৈ

১) Das,Sandip (ed) (2005), Jayaprakash Narayan : Centenary Volume, Mittal Publications: New Delhi.

২) Dandavate, Madhu, (2002) Jayaprakash Narayan: Struggle with Values, A Centenary Tribute, Allied Publishers: New Delhi.

৩) Sinha, Nilima, (1990) 'Jayaprakash Narayan' in Remembering Our Leaders, Children's Book Trust: New Delhi.



১০.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ জয়প্রকাশ নাৰায়ণৰ জীৱনত মাৰ্ক্সবাদৰ প্রভাৱ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ সর্বাত্মক বিপ্লৱ সম্পর্কে জয়প্রকাশ নাৰায়ণে আগবঢ়োৱা দৃষ্টিভংগীৰ সমালোচনামূলক পৰীক্ষা কৰক।

প্ৰশ্ন ৩ ঃ নাৰায়ণৰ সমাজ-সাংস্কৃতিক ধাৰণাবোৰ বর্ণনা কৰক।

প্ৰশ্ন ৪ ঃ নাৰায়ণৰ জীৱনত গান্ধীৰ প্রভাৱ বিশ্লেষণ কৰক।

*** ***** ***

অধ্যায় ১১ ঃ আচার্য বিনোবা ভাবে

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১৩.৩ শৈশৱ আৰু জীৱনৰ আদিকাল
১৩.৪ ধর্মীয় আৰু সামাজিক কর্ম
১৩.৫ ভূদান আন্দোলন
১৩.৬ ব্রহ্ম বিদ্যা মন্দিৰ
১৩.৭ ভাৱে আৰু গান্ধী
১৩.৮ সাহিত্যিক জীৱন
১৩.৯ সমালোচনা
১৩.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.১১ অধিক জানিবলৈ
১৩.১২ অগ্রগতিৰ খতিয়ান
১৩.১৩ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ৱিনোবা ভাৱে আৰু তেওঁৰ জীৱনৰ বিষয়ে জানিব পাৰিব
- ভূদান আন্দোলনৰ বিষয়ে জানিব পাৰিব
- ভাৱেৰ গান্ধীৰ সৈতে থকা সম্পর্কৰ বিষয়ে জানিব পাৰিব
- ভাৱেৰ সমাজ সেৱা আৰু ভাৰতৰ উন্নয়ন সাধনত তেওঁ আগবঢ়োৱা অৱদানৰ বিষয়ে গম পাব।

১১.২ পৰিচয়

আচার্য ৱিনোবা ভাৱেক ভাৰতৰ এগৰাকী মহান ৰাজনৈতিক চিন্তাবিদ বুলি গণ্য কৰা হয়। ভূদান আন্দোলনৰ জনক ভাৱে আছিল এগৰাকী সক্রিয় স্বাধীনতা সংগ্রামী আৰু আধ্যাত্মিক নেতা। ১৮৯৫ চনৰ ১১ ছেপ্তেম্বৰত মহাৰাষ্ট্রৰ কোলাবা জিলাৰ গাগোড়েত ৱিনোবা ভাৱেৰ জন্ম হৈছিল। জন্মৰ পাছত ভিনায়ক নৰহৰি ভাৱে নামেৰে নামকৰণ কৰা এইগৰাকী মহান আত্মা আছিল অহিংসা আৰু মানৱ অধিকাৰৰ ঘোৰ সমর্থক। পাছলৈ ৰাইজে তেওঁক 'আচার্য' উপাধিৰে বিভূষিত কৰিছিল।

১১.৩ শৈশৱ আৰু জীৱনৰ আদিকাল

ৰিনোবা আছিল নৰহৰি শম্ভূ ৰাও আৰু ৰুক্মিণী দেৱীৰ জ্যেষ্ঠ সন্তান। চাৰিটা ল'ৰা আৰু এজনী ছোৱালীকে ধৰি পৰিয়ালটোত মুঠ পাঁচটা সন্তান আছিল। ভিনায়ক (মৰমতে সকলোৱে ভিন্যা বুলি মাতিছিল)ৰ পিছত ক্ৰমে বালকৃষ্ণ, শিৱাজী, দত্তাত্ৰেয় আৰু বালকোবা। শিৱাজী আৰু বালকোবা ভাৱেই বিয়া-বাৰু নকৰাই সমাজ সেৱাত জীৱন উছৰ্গা কৰিছিল। পৰিয়ালৰ মুৰব্বী নৰহৰি ৰাও আছিল এগৰাকী প্ৰশিক্ষণপ্ৰাপ্ত তাঁতশাল চালক। এক যুক্তিবাদী আধুনিক দৃষ্টিভংগীৰ গৰাকী ৰাও কৰ্মসূত্ৰে আছিল বৰোদাত। ককাদেউতাক শম্ভূৰাও ভাৱেই ভিনায়কক ডাঙৰ-দীঘল কৰিছিল। তেওঁৰ জীৱনত মাতৃ ৰুক্মিণী দেৱীৰ প্ৰভাৱ সুগভীৰ। আত্মজীৱনীত ভাৱেই লিখিছে - "মোৰ মনটো গঢ়াত মাই লোৱা ভূমিকা অতুলনীয়।" সৰুতেই পঢ়া ভাগৱত গীতা, মহাভাৰত আৰু ৰামায়ণ আদি গ্ৰন্থই ভাৱেক যথেষ্ট প্ৰভাৱিত কৰিছিল।

সৰুহৈ থাকোতে ৰিনোবাই গণিতবিষয়টো ভাল পাইছিল। ১৯১৬ চনত ইণ্টাৰমেডিয়েট পৰীক্ষা দিবলৈ মুম্বাইলৈ যোৱা ৰিনোবাই পাছত তেওঁৰ সকলোবোৰ শৈক্ষিক প্ৰমাণপত্ৰ জুইত জাপি দিছিল। কোৱা হয় যে তেওঁ সেই সময়ত মহাত্মা গান্ধীয়ে বাতৰি-কাকতত লিখা এটা প্ৰৱন্ধ পঢ়ি তেনে সিদ্ধান্ত লৈছিল। ইয়াৰ পাছত গান্ধী আৰু ভাৱেৰ মাজত চিঠিৰ আদান-প্ৰদান আৰম্ভ হৈছিল। গান্ধীয়ে তেওঁক আহমেদাবাদত থকা কোছৰাব্ আশ্ৰমলৈ গৈ ব্যক্তিগতভাৱে সাক্ষাৎ কৰাৰ কথা কৈছিল। সেইমৰ্মে ১৯১৬ চনৰ ৭ জুনত ভাৱেই গান্ধীক লগ ধৰিবলৈ গৈছিল আৰু তা ৰ পাছতেই শিক্ষাজীৱনৰ সামৰণি মাৰিছিল। ৰিনোবাই গান্ধীৰ আশ্ৰমৰ সকলো কাৰ্য-কলাপত আগ্ৰহেৰে ভাগ লৈছিল। তেওঁ শিকাইছিল, অধ্যয়ন কৰিছিল, চৰ্খা চলাইছিল আৰু সামূহিক জীৱন উন্নত কৰাত নিজ অৱদান আগবঢ়াইছিল। ৰাৰ্ধাত থকা সময়ছোৱাত ভাৱেই 'মহাৰাষ্ট্ৰ ধৰ্ম' নামৰ এখন মাহেকীয়া মাৰাঠী আলোচনী প্ৰকাশ কৰিছিল। আলোচনীখনত তেওঁ উপনিষদ বিষয়ক ৰচনা প্ৰকাশিত কৰিছিল। সময় বাগৰাৰ লগে লগে গান্ধী আৰু ভাৱেৰ মাজৰ সম্পৰ্ক সুদৃঢ় হৈ পৰিছিল। খাদী, গ্ৰাম্য উদ্যোগ, নতুন শিক্ষা, অনাময় আৰু পৰিচ্ছন্নতাৰ দৰে গঠনমূলক কাৰ্যসূচীবোৰত ভাৱেৰ অংশগ্ৰহণৰ মাত্ৰা ক্ৰমে বৃদ্ধি পাইছিল। ১৯২৫ চনত তেওঁ গান্ধীৰ পৰামৰ্শ অনুসৰি কেৰালাৰ ভাইকোম নামৰ ঠাইডোখৰলৈ গৈছিল আৰু তাত থকা হৰিজনসকলক মন্দিৰত প্ৰৱেশ কৰাৰ অনুমতি দিয়াবলৈ চলি থকা কাৰ্য-কলাপবোৰৰ তদাৰক কৰিছিল।

১১.৪ ধৰ্মীয় আৰু সামাজিক কৰ্ম

ৰিনোবা ভাৱেৰ ধৰ্মীয় দৃষ্টিভংগী যথেষ্ট বহল আছিল। তেওঁৰ ধৰ্মীয় দৰ্শনত ভিন্ন ধৰ্মত নিহিত সত্যৰ সংশ্লেষণ ঘটিছিল। তেওঁ লিখা 'ওম তৎ' শীৰ্ষক স্তুতিগীতটোত এই কথাৰ প্ৰতিফলন দেখা পোৱা যায়। গীতটোত বিভিন্ন ধৰ্মৰ প্ৰতীকৰ উল্লেখ আছে। ৰিনোবাই গাঁৱত বাস কৰা সাধাৰণ ভাৰতীয়সকলৰ জীৱন বুজাৰ চেষ্টা কৰিছিল আৰু এক দৃঢ় আধ্যাত্মিক ভেটিত নিজ

জীৱনত মুখামুখি হোৱা সমস্যাবোৰৰ সমাধান কৰাৰ প্ৰয়াস কৰিছিল। এয়াই হ'ল ভাৱেৰ সর্বোদয় আন্দোলনৰ মূল। তেওঁৰ শ্লোগান 'জয় জগতি' (জগতৰ জয় হওক)ত সমগ্ৰ জগতখন সম্পর্কে থকা তেওঁৰ ধাৰণাৰ প্ৰতিফলন ঘটিছে। ভাৱে আছিল সমগ্ৰতাৰ কথা চিন্তা কৰা ব্যক্তি। তেওঁ আধ্যাত্মিকতাক সাৰ কৰি জগতৰ সকলো সমস্যা সমাধানৰ পথ বিচৰাৰ পোষকতা কৰিছিল।

১১.৫ ভূদান আন্দোলন

১৯৫১ চনত তেলেংগানাৰ পোছামপল্লী গাওঁত ৰিনোবা ভাৱেই ভূদান নাইবা ভূমি উপহাৰ দিয়া আন্দোলনটোৰ পাতনি মেলিছিল। গাওঁখনত থকা ৪০ ঘৰ দৰিদ্ৰ হৰিজন পৰিয়ালৰ সৈতে কথা পতাৰ অন্তত তেওঁ এই আন্দোলনটোৰ সূত্ৰপাত কৰাৰ প্ৰেৰণা পাইছিল। এই অভিযানৰ লক্ষ্য আছিল ধনৱান মাটিৰ মালিকসকলক নিজ মাটিৰ কিবা এটা অংশ নিম্ন জাতিৰ ভূমিহীন পৰিয়ালবোৰক স্ব-ইচ্ছাৰে দান দিবলৈ সৈমান কৰোৱা। এই অভিযান সফল কৰি তোলাৰ উদ্দেশ্যেৰে ভাৱেই সমগ্ৰ ভাৰত পদব্ৰজে ভ্ৰমণ কৰিছিল। তেওঁ গোহত্যাৰ বিৰুদ্ধেও অভিযান চলাইছিল।

স্বেচ্ছিক সামাজিক ন্যায় প্ৰতিষ্ঠাকাৰী সম্পৰীক্ষামূলক কার্য হিচাপে ভূদান আন্দোলনে সমগ্ৰ বিশ্বৰ দৃষ্টি আকর্ষণ কৰিছিল। এই আন্দোলনটোৱে সৃষ্টি কৰা সামাজিক পৰিৱেশৰ বাবেই সমগ্ৰ ভাৰততে ভূমি সংস্কাৰ বিষয়ক বিধি-বিধান প্ৰস্তুতকাৰী কার্য-কলাপ আৰম্ভ কৰাৰ জোৰদাৰ দাবী উত্থাপিত হৈছিল। ভাৱেই সমগ্ৰ ভাৰতৰ ২০,০০০ কিলোমিটাৰতকৈও অধিক দূৰত্ব খোজকাঢ়ি অতিক্ৰম কৰিছিল। এই ভ্ৰমণকালত তেওঁ প্ৰায় ৫ মিলিয়ন একৰতকৈও অধিক মাটি দান হিচাপে সংগ্ৰহ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰে এক মিলিয়ন একৰতকৈও অধিক মাটি দেশৰ ভূমিহীন পৰিয়ালবোৰক পুনৰ দান কৰা হৈছিল। এই আন্দোলনটোৰ ফলত দেশৰ প্ৰায় আধা মিলিয়ন দুখীয়া পৰিয়াল উপকৃত হৈছিল।

এই প্ৰক্ৰিয়াটোৰ যোগেদি ৰিনোবা ভাৱেই ভাৰতৰ নাগৰিকৰ মানসিকতা সলনি কৰাৰ চেষ্টা চলাইছিল। ভূমিহীনসকলক যাতে শান্তিপূর্ণ উপায়েৰে মাটিৰ মালিকীস্বত্ব হস্তান্তৰ কৰিব পৰা যায় তাৰেই চেষ্টা কৰা এই আন্দোলনটোৰ বাবেই আন এক ৰক্তাক্ত বিপ্লৱ সংঘটিত নহ'ল বুলি ক'ব পৰা যায়। ভাৱেই এবাৰ কৈছিল যে দেশত এক ত্ৰিমাত্ৰিক বিপ্লৱৰ সূচনা কৰাটোৱেই হ'ল তেওঁৰ লক্ষ্য। এই বিপ্লৱে দেশৰ নাগৰিকৰ অন্তৰ সলনি কৰিব, নাগৰিকৰ জীৱনলৈ পৰিৱর্তন কঢ়িয়াই আনিব আৰু দেশৰ সামাজিক গাঁথনিটো সলনি কৰিব। তেওঁ সেয়েহে বিশ্বাস কৰিছিল যে ভূদান আন্দোলন হ'ল মুখ্যতঃ এক নৈতিক আন্দোলন। ই মানুহক পুনৰুজ্জীৱিত কৰি তুলিব আৰু জীৱনৰ সৈতে জড়িত হৈ পৰা সামাজিক তথা অর্থনৈতিক প্ৰমূল্যবোৰৰ পুনঃঅভিবিন্যাস ঘটাব। এইবোৰ কাৰণতে ভাৱেই দেশৰ গাৱেঁ গাৱেঁ পদব্ৰজে ভ্ৰমি ফুৰিছিল আৰু মানুহক সর্বোদয় তথা ভূদানৰ আদর্শ অনুসৰণ কৰিবলৈ আহ্বান জনাইছিল। ভূমি সমস্যাৰ শান্তিপূর্ণ সমাধান আৰু কৃষি খণ্ডৰ উন্নয়নতেই ভাৰতৰ ভৰিষ্যৎ শান্তি তথা সমৃদ্ধি লুকাই আছে বুলি তেওঁ বিশ্বাস কৰিছিল। ভূদান যজ্ঞক অৱশ্যে ভাৰতৰ সর্বত্ৰ বিয়পি থকা কৃষি সমস্যাৰ

সর্বোত্তম সমাধান উপায় বুলি ক'ব পৰা নাযায়। কিন্তু তথাপিও এই আন্দোলনে সমাজত এই নতুন সচেতনতাৰ সৃষ্টি কৰিছিল আৰু লাখ লাখ মানুহৰ মনত নতুন আশাৰ সঞ্চাৰ কৰিছিল। ভূদানৰ লগতে ৰিনোবা ভাৱেই কৰা আন কেইটামান উল্লেখযোগ্য সামাজিক কাম আছিল সম্পত্তিদান (নগদ ধনৰ উপহাৰ অথবা নিজ উপার্জনেৰে ভূদান মাটি লাভ কৰা সকলক খেতিৰ সঁজুলি, জন্তু আৰু শস্য বীজ আদি ক্রয় কৰি দিয়াৰ শপত লোৱা), সাধনদান (খেতিৰ সঁজুলি আদিৰ দৰে বিভিন্ন সামগ্রী উপহাৰ দিয়া), গ্রামদান (গাওঁ উপহাৰ দিয়া), শ্রমদান (কাম কৰি দিয়া), বুদ্ধিদান (উদ্দেশ্যধর্মী প্রচাৰ অথবা প্রশাসনীয় কাম-কাজ আগবঢ়াই নিবলৈ সুবিবেচনাপূর্ণ পৰামর্শ প্রদান), জীৱনদান (জীৱন উপহাৰ দিয়া) ইত্যাদি। এনেবোৰ কামৰ সৈতে শেহতীয়াভাৱে তেওঁ যোগ কৰিছিল শান্তিসেনাৰ দল আৰু সর্বোদয়পাত্র (য'ত পৰিয়াল এটাৰ সর্বকণিষ্ঠ সদস্যজনে সামাজিক কামৰ বাবে দান দিবলৈ পাত্র এটাত সদায় এমুঠি অন্ন জমা কৰি গৈছিল। এই কামে সৰুবোৰৰ মনত ভাগ-বাটোৰাৰা কৰাৰ সংস্কৃতি গঢ় দিব বুলি ভাৱেই বিশ্বাস কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ৰিনোবা ভাৱেৰ কেতিয়া আৰু ক'ত জন্ম হৈছিল?

প্রশ্ন নং ২ ঃ ভূদান আন্দোলনৰ সৈতে জড়িত মৌলিক ধাৰণাটো কি আছিল?

প্রশ্ন নং ৩ ঃ ভাৱেৰ সামাজিক আৰু ধর্মীয় কর্মৰ বিষয়ে এটা চমুটোকা প্রস্তুত কৰক।

১১.৬ ব্রহ্ম বিদ্যা মন্দিৰ

মহিলাসকলক আত্মনির্ভৰশীল আৰু স্বাধীন কৰি তোলাৰ উদ্দেশ্যেৰে ৰিনোবা ভাৱেই ব্রহ্ম বিদ্যা মন্দিৰ নামৰ আশ্রম প্রতিষ্ঠা কৰিছিল। আশ্রমবাসিনীসকলে খাদ্য উৎপাদনৰ ক্ষেত্রত গান্ধীৰ দর্শন মানি চলিছিল। বহনক্ষমতা আৰু সামাজিক ন্যায় আছিল ইয়াৰ দুটা অভিন্ন উপাদান। আশ্রম সম্প্রদায়টোক ভাগৱদ্ গীতাই গভীৰভাৱে প্রভাৱিত কৰিছিল। আশ্রমত উপনিষদ আৰু ভাগৱদ্ গীতাৰ শ্লোক পাঠেৰে নিতৌ প্রার্থনা কৰা হৈছিল।

বর্তমান প্রায় ২৫ গৰাকী মহিলা এই আশ্রমৰ সদস্যা হৈ আছে। সময় বাগৰাৰ লগে লগে পুৰুষকো আশ্রমৰ সদস্য হোৱাৰ অনুমতি দিয়া হৈছে। ১৯৫৯ চনত প্রতিষ্ঠা কৰা আশ্রমখনে অবিৰতভাৱে গান্ধীবাদী প্রমূল্যক বাস্তৱ ৰূপ দিয়াৰ চেষ্টা চলাই আহিছে। আত্মনির্ভৰশীলতা, অহিংসা আৰু খাদ্য উৎপাদন তথা উপভোগৰ কিছুমান বিশেষ অনুশীলন সম্পর্কে ৰাজহুৱা সেৱা আগবঢ়োৱাতো হ'ল আশ্রমে মানি চলা কেইটামান গান্ধীবাদী প্রমূল্য। আশ্রমৰ সদস্য সম্প্রদায় আৰু খেতিয়ক সম্প্রদায়ে একেমুখে মানি লোৱা কথা এটা হ'ল বৃহৎ পৰিসৰত খেতি কৰাৰ বাহিৰে আন বিকল্প নাই আৰু এই কামৰ যোগেদি সমগ্র বিশ্বক খুৱাব পৰাৰ একমাত্র সম্ভাৱনীয়তা আছে, সেই কথাটোৰ গুৰুত্বক আমি পাহৰিব নালাগে। ব্যয়বহুল প্রযুক্তি ব্যৱহাৰ

কৰিলেহে কৃষিকার্যলৈ সফলতা আহিব বুলি কোৱা কথাষাৰ তেওঁলোকে মানি লোৱা নাছিল। এই কথাৰ অসাৰতা প্রমাণ কৰিবলৈ তেওঁলোকে বিকল্প কৃষি আৰু সামাজিক পদ্ধতি কিছুমান অনুশীলন কৰি প্রযুক্তিৰ এক বিপৰীত বর্ণন আগবঢ়াইছিল। এই অনুশীলনবোৰক ১৯৬০ৰ দশকৰ মহিলাসকলে বিশ্বাস কৰিছিল।

১১.৭ ভাৱে আৰু গান্ধী

ৰিনোবা ভাৱে আছিল গান্ধী আৰু তেওঁৰ শিকনিবোৰৰ ঘোৰ সমর্থক। ভাৱেই গান্ধীয়ে কোৱা অহিংসা, সর্বোদয় আৰু আত্ম-সেৱাৰ দর্শন অনুসৰণ কৰিছিল। আগতেই উল্লেখ কৰা হৈছে যে মানুহে কয় গান্ধীয়ে বাতৰি কাকতত লিখা এটা প্রৱন্ধ পঢ়িয়েই ৰিনোবাই উচ্চ শিক্ষা আধৰুৱা কৰাৰ সিদ্ধান্ত লৈছিল। ইয়াৰ পাছত গান্ধী আৰু ভাৱেৰ মাজত চিঠিৰ আদান-প্রদান আৰম্ভ হৈছিল। গান্ধীয়ে তেওঁক আহমেদাবাদত থকা কোছৰাব্ আশ্রমলৈ গৈ ব্যক্তিগতভাৱে সাক্ষাৎ কৰাৰ কথা কৈছিল। সেইমর্মে ১৯১৬ চনৰ ৭ জুনত ভাৱেই গান্ধীক লগ ধৰিবলৈ গৈছিল আৰু তা ৰ পাছতেই শিক্ষাজীৱনৰ সামৰণি মাৰিছিল। ৰিনোবাই গান্ধীৰ আশ্রমৰ সকলো কার্য-কলাপত আগ্রহেৰে ভাগ লৈছিল। সময় বাগৰাৰ লগে লগে গান্ধী আৰু ভাৱেৰ মাজৰ সম্পর্ক সুদৃঢ় হৈ পৰিছিল। খাদী, গ্রাম্য উদ্যোগ, নতুন শিক্ষা, অনাময় আৰু পৰিচ্ছন্নতাৰ দৰে গঠনমূলক কার্যসূচীবোৰত ভাৱেৰ অংশগ্রহণৰ মাত্রা ক্রমে বৃদ্ধি পাইছিল। ১৯২৫ চনত তেওঁ গান্ধীৰ পৰামর্শ অনুসৰি কেৰালাৰ ভাইকোম নামৰ ঠাইডোখৰলৈ গৈছিল আৰু তাত থকা হৰিজনসকলক মন্দিৰত প্রৱেশ কৰাৰ অনুমতি দিয়াবলৈ চলি থকা কার্য-কলাপবোৰৰ তদাৰক কৰিছিল। অৱশ্যে এচামে গান্ধীৰ প্রতি থকা অন্ধ আনুগত্যৰ উদাহৰণ দি ভাৱেৰ কঠোৰ সমালোচনাও কৰিছিল।

১১.৮ সাহিত্যিক জীৱন

বহুতো গ্রন্থ প্রণয়নকাৰী ৰিনোবা ভাৱে আছিল একেধাৰে এজন স্বনামধন্য পণ্ডিত, চিন্তাবিদ আৰু লেখক। ভাষণ দিয়াত পটু ভাৱে আছিল এজন ভাষাতত্ত্ববিদ। তেওঁৰ কেইবাটাও ভাষাত দখল আছিল। ভাগৱদ্ গীতা, আদি শংকৰাচার্যৰ বিভিন্ন ৰচনা, বাইবেল আৰু কোৰানৰ দৰে ভালেকেইখন ধর্মীয় আৰু দার্শনিক গ্রন্থৰ সংস্কৰণবোৰৰ ৰিনোবা ভাৱেই পৰিচয় দাঙি ধৰিছিল নাইবা সমালোচনা কৰিছিল। মাৰাঠী সন্তসকলৰ কবিতা আৰু ৰচনাৰাজিৰ লগতে কবি জ্ঞানেশ্বৰৰ ৰচনাবোৰৰ বিষয়ে ভাৱেই কৰি যোৱা সমালোচনাক সকলোৱে উৎকৃষ্ট মানৰ বুলি গণ্য কৰিছে। ই তেওঁৰ সুগভীৰ মেধাৰ পৰিচয় দাঙি ধৰে। তেওঁ ভাগৱদ্ গীতাখন মাৰাঠী ভাষালৈ অনুবাদ কৰিছিল। ভাৱেই লিখা গ্রন্থ কেইখনমান হ'ল-

The Essence of Quran

The Essence of Christian Teaching

Thoughts on Education

Swarajya Sastra.

১১.৯ সমালোচনা

ৰিনোবা ভাৰেৰ কঠোৰ সমালোচনা কৰোতাসকলৰ অন্যতম হ'ল লেখক ভি.এচ. নাইপ'ল। তেওঁ ভাৰেৰ চিন্তা-চর্চাত যুক্তিযুক্ততাৰ অভাৱ বুলি কৈছিল আৰু ভাৰেই সকলোতে গান্ধীৰ মাত্রাধিক নকল কৰিছিল বুলি অভিযোগ কৰিছিল। ভাৰেৰ অনুগামী সকলৰ মাজৰেই বহুতে গান্ধীৰ প্রতি থকা তেওঁৰ আনুগত্যৰ প্রৱলতাত ত্রুটি বিচাৰি পাইছিল। কংগ্রেছ দলক অন্ধভাৱে অনুসৰণ কৰা কথাটোৰ বাবেও ভাৰে কঠোৰ সমালোচনাৰ সন্মুখীন হৈছিল। সেই সময়ৰ প্রধানমন্ত্রী ইন্দিৰা গান্ধীয়ে দেশত জাৰি কৰা জৰুৰীকলীন অৱস্থাৰো তেওঁ প্রশংসক আছিল আৰু ইয়াক এক অনুশাসন পর্ব বুলি অভিহিত কৰিছিল। ইয়াৰ দ্বাৰা তেওঁ সকলোকে প্রচলিত আইন-কানুনৰ লগতে অন্য আইন-কানুনবোৰ মানি চলাৰ কথা কৈছিল। অনুশাসন পর্ব চলি থকা কালছোৱাত ৰজাই সমসাময়িক মহান ব্যক্তিসকলৰ পৰা অনুমতি বিচাৰিব লাগে। ইয়াৰ দ্বাৰা তেওঁ ক'ব বিচাৰিছিল যে চৰকাৰখন জ্ঞানী লোকৰ দিহা-পৰামর্শ অনুসৰি চলিব লাগে। কিন্তু কংগ্রেছ দলৰ বিৰোধীসকলে সেই সময়ত তেওঁক বিদ্রুপ কৰিবলৈ 'চৰকাৰী সন্ত' শব্দটোৰ ব্যৱহাৰ কৰিছিল। স্বনামধন্য মাৰাঠী লেখক পুৰুষোত্তম লক্ষ্মণ দেশপাণ্ডেই ৰাজহুৱাভাৱে ৰিনোবা ভাৰেৰ সমালোচনা কৰিছিল আৰু 'ৰানৰোবা' শীর্ষক লেখনী এটাৰ জৰিয়তে তেওঁক উপলুঙা কৰিছিল। ৰিনোবা নামটোক উপলুঙা কৰিয়েই লিখনীটোৰ নাম 'ৰানৰোৱা' দিয়া হৈছিল আৰু ইয়াৰ আক্ষৰিক অর্থ হৈছে 'বান্দৰ'।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ ভাৰে আৰু গান্ধীৰ মাজৰ সম্পর্কৰ বিষয়ে এটা চমুটোকা প্রস্তুত কৰক।

প্রশ্ন নং ৫ ঃ কেনেধৰণৰ কথাৰ বাবে ভাৰেই বিভিন্ন সমালোচনাৰ মুখামুখি হ'বলগীয়া হৈছিল?

প্রশ্ন নং ৬ ঃ ৰিনোবা ভাৰেই স্থাপন কৰা ব্রহ্ম বিদ্যা মন্দিৰৰ ধাৰণাটো ব্যাখ্যা কৰক।



১১.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৮৯৫ চনৰ ১১ ছেপ্তেম্বৰত মহাৰাষ্ট্রৰ কোলাবা জিলাৰ গাগোড়েত ৰিনোবা ভাৰেৰ জন্ম হৈছিল। ভূদান আন্দোলনৰ জনক ভাৰে আছিল এগৰাকী সক্রিয় স্বাধীনতা সংগ্রামী

আৰু আধ্যাত্মিক নেতা।

- জন্মৰ পাছত ভিনায়ক নৰহৰি ভাৱে নামেৰে নামকৰণ কৰা এইগৰাকী মহান আত্মা আছিল অহিংসা আৰু মানৰ অধিকাৰৰ ঘোৰ সমর্থক। পাছলৈ ৰাইজে তেওঁক 'আচার্য' উপাধিৰে বিভূষিত কৰিছিল।
- ৰিনোবা ভাৱেৰ ধর্মীয় দৃষ্টিভংগী যথেষ্ট বহল আছিল। তেওঁৰ ধর্মীয় দর্শনত ভিন্ন ধর্মত নিহিত সত্যৰ সংশ্লেষণ ঘটিছিল। তেওঁ লিখা 'ওম তৎ' শীর্ষক স্তুতিগীতটোত এই কথাৰ প্রতিফলন দেখা পোৱা যায়। গীতটোত বিভিন্ন ধর্মৰ প্রতীকৰ উল্লেখ আছে। ভাৱে আছিল সমগ্রতাৰ কথা চিন্তা কৰা ব্যক্তি।
- ১৯৫১ চনত তেলেংগানাৰ পোছামপল্লী গাওঁত ৰিনোবা ভাৱেই ভূদান নাইবা ভূমি উপহাৰ দিয়া আন্দোলনটোৰ পাতনি মেলিছিল। তেওঁ বিশ্বাস কৰিছিল যে ভূদান আন্দোলন হ'ল মুখ্যতঃ এক নৈতিক আন্দোলন। ই মানুহক পুনৰুজ্জীৱিত কৰি তুলিব আৰু জীৱনৰ সৈতে জড়িত হৈ পৰা সামাজিক তথা অর্থনৈতিক প্রমূল্যবোৰৰ পুনঃঅভিবিন্যাস ঘটাব।
- মহিলাসকলক আত্মনির্ভৰশীল আৰু স্বাধীন কৰি তোলাৰ উদ্দেশ্যেৰে ৰিনোবা ভাৱেই ব্রহ্ম বিদ্যা মন্দিৰ নামৰ আশ্রম প্রতিষ্ঠা কৰিছিল। আশ্রমবাসিনীসকলে খাদ্য উৎপাদনৰ ক্ষেত্রত গান্ধীৰ দর্শন মানি চলিছিল।
- ৰিনোবা ভাৱে আছিল গান্ধী আৰু তেওঁৰ শিকনিবোৰৰ ঘোৰ সমর্থক। ভাৱেই গান্ধীয়ে কোৱা অহিংসা, সর্বোদয় আৰু আত্ম-সেৱাৰ দর্শন অনুসৰণ কৰিছিল। অৱশ্যে এচামে গান্ধীৰ প্রতি থকা অন্ধ আনুগত্যৰ উদাহৰণ দি ভাৱেৰ কঠোৰ সমালোচনাও কৰিছিল।
- বহুতো গ্রন্থ প্রণয়নকাৰী ৰিনোবা ভাৱে আছিল একেধাৰে এজন স্বনামধন্য পণ্ডিত, চিন্তাবিদ আৰু লেখক। তেওঁ ভাগৱদ্ গীতাখন মাৰাঠী ভাষালৈ অনুবাদ কৰিছিল।
- ৰিনোবা ভাৱেৰ কঠোৰ সমালোচনা কৰোতাসকলৰ অন্যতম হ'ল লেখক ভি.এচ. নাইপ'ল। তেওঁ ভাৱেৰ চিন্তা-চর্চাত যুক্তিযুক্ততাৰ অভাৰ বুলি কৈছিল আৰু ভাৱেই সকলোতে গান্ধীৰ মাত্রাধিক নকল কৰিছিল বুলি অভিযোগ কৰিছিল। ভাৱেৰ অনুগামী সকলৰ মাজৰেই বহুতে গান্ধীৰ প্রতি থকা তেওঁৰ আনুগত্যৰ প্রৱলতাত ত্রুটি বিচাৰি পাইছিল।



১১.৭ অধিক জানিবলৈ

১) Indian Political Thought, Urmile Sharma, S.K. Sharma; 2001

২) Indian Political Thought, Prof. Mahendra P.Singh; Pearson; 2001



১১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ৰিনোবা আছিল নৰহৰি শম্ভূ ৰাও আৰু ৰুক্মিণী দেৱীৰ জ্যেষ্ঠ সন্তান। চাৰিটা ল'ৰা আৰু এজনী ছোৱালীকে ধৰি পৰিয়ালটোত মুঠ পাঁচটা সন্তান আছিল। ভিনায়ক (মৰমতে সকলোৱে ভিন্যা বুলি মাতিছিল)ৰ পিছত আছিল ক্ৰমে বালকৃষ্ণ, শিৱাজী, দত্তাত্রেয় আৰু বালকোবা। শিৱাজী আৰু বালকোবা ভাৱেই বিয়া-বাৰু নকৰাই সমাজ সেৱাত জীৱন উছৰ্গা কৰিছিল। পৰিয়ালৰ মুৰব্বী নৰহৰি ৰাও আছিল এগৰাকী প্রশিক্ষণপ্রাপ্ত তাঁতশাল চালক। এক যুক্তিবাদী আধুনিক দৃষ্টিভংগীৰ গৰাকী ৰাও কৰ্মসূত্রে আছিল বৰোদাত। ককাদেউতাক শম্ভূৰাও ভাৱেই ভিনায়কক ডাঙৰ-দীঘল কৰিছিল। তেওঁৰ জীৱনত মাতৃ ৰুক্মিণী দেৱীৰ প্রভাৱ সুগভীৰ।

২ নং প্রশ্নৰ উত্তৰ ঃ ১৯৫১ চনত তেলেংগানাৰ পোছামপল্লী গাওঁত ৰিনোবা ভাৱেই ভূদান নাইবা ভূমি উপহাৰ দিয়া আন্দোলনটোৰ পাতনি মেলিছিল। গাওঁখনত থকা ৪০ ঘৰ দৰিদ্র হৰিজন পৰিয়ালৰ সৈতে কথা পতাৰ অন্তত তেওঁ এই আন্দোলনটোৰ সূত্রপাত কৰাৰ প্রেৰণা পাইছিল। এই অভিযানৰ লক্ষ্য আছিল ধনৱান মাটিৰ মালিকসকলক নিজ মাটিৰ কিবা এটা অংশ নিম্ন জাতিৰ ভূমিহীন পৰিয়ালবোৰক স্ব-ইচ্ছাৰে দান দিবলৈ সৈমান কৰোৱা। এই অভিযান সফল কৰি তোলাৰ উদ্দেশ্যেৰে ভাৱেই সমগ্র ভাৰত পদব্রজে ভ্রমণ কৰিছিল।এই প্রক্রিয়াটোৰ যোগেদি ৰিনোবা ভাৱেই ভাৰতৰ নাগৰিকৰ মানসিকতা সলনি কৰাৰ চেষ্টা চলাইছিল। ভূমিহীনসকলক যাতে শান্তিপূর্ণ উপায়েৰে মাটিৰ মালিকীস্বত্ব হস্তান্তৰ কৰিব পৰা যায় তাৰেই চেষ্টা কৰা এই আন্দোলনটোৰ বাবেই আন এক ৰক্তাক্ত বিপ্লৱ সংঘটিত নহ'ল বুলি ক'ব পৰা যায়। ভাৱেই এবাৰ কৈছিল যে দেশত এক ত্রিমাত্রিক বিপ্লৱৰ সূচনা কৰাটোৱেই হ'ল তেওঁৰ লক্ষ্য। এই বিপ্লৱে দেশৰ নাগৰিকৰ অন্তৰ সলনি কৰিব, নাগৰিকৰ জীৱনলৈ পৰিৱর্তন কঢ়িয়াই আনিব আৰু দেশৰ সামাজিক গাঁথনিটো সলনি কৰিব। তেওঁ সেয়েহে বিশ্বাস কৰিছিল যে ভূদান আন্দোলন হ'ল মুখ্যতঃ এক নৈতিক আন্দোলন। ই মানুহক পুনৰুজ্জীৱিত কৰি তুলিব আৰু জীৱনৰ সৈতে জড়িত হৈ পৰা সামাজিক তথা অর্থনৈতিক প্রমূল্যবোৰৰ পুনঃঅভিবিন্যাস ঘটাব।

৩ নং প্রশ্নৰ উত্তৰ ঃ ৰিনোবা ভাৱেৰ ধর্মীয় দৃষ্টিভংগী যথেষ্ট বহল আছিল। তেওঁৰ ধর্মীয় দর্শনত ভিন্ন ধর্মত নিহিত সত্যৰ সংশ্লেষণ ঘটিছিল। তেওঁ লিখা 'ওম তৎ' শীর্ষক স্তুতিগীতটোত এই কথাৰ প্রতিফলন দেখা পোৱা যায়। গীতটোত বিভিন্ন ধর্মৰ প্রতীকৰ উল্লেখ আছে। ৰিনোবাই গাঁৱত বাস কৰা সাধাৰণ ভাৰতীয়সকলৰ জীৱন বুজাৰ চেষ্টা কৰিছিল আৰু এক দৃঢ় আধ্যাত্মিক ভেটিত নিজ জীৱনত মুখামুখি হোৱা সমস্যাবোৰৰ সমাধান কৰাৰ

প্রয়াস কৰিছিল। এয়াই হ'ল ভাৰেৰ সর্বোদয় আন্দোলনৰ মূল। তেওঁৰ শ্লোগান 'জয় জগতি' (জগতৰ জয় হওক)ত সমগ্র জগতখন সম্পর্কে থকা তেওঁৰ ধাৰণাৰ প্রতিফলন ঘটিছে। ভাৰে আছিল সমগ্রতাৰ কথা চিন্তা কৰা ব্যক্তি। তেওঁ আধ্যাত্মিকতাক সাৰ কৰি জগতৰ সকলো সমস্যা সমাধানৰ পথ বিচৰাৰ পোষকতা কৰিছিল।

৪ নং প্রশ্নৰ উত্তৰ ঃ ৰিনোবা ভাৰে আছিল গান্ধী আৰু তেওঁৰ শিকনিবোৰৰ ঘোৰ সমর্থক। ভাৰেই গান্ধীয়ে কোৱা অহিংসা, সর্বোদয় আৰু আত্ম-সেৱাৰ দর্শন অনুসৰণ কৰিছিল। গান্ধীয়ে বাতৰি কাকতত লিখা এটা প্রবন্ধ পঢ়িয়েই ৰিনোবাই উচ্চ শিক্ষা আধৰুৱা কৰাৰ সিদ্ধান্ত লৈছিল। ইয়াৰ পাছত গান্ধী আৰু ভাৰেৰ মাজত চিঠিৰ আদান-প্রদান আৰম্ভ হৈছিল। গান্ধীয়ে তেওঁক আহমেদাবাদত থকা কোছৰাব্ আশ্রমলৈ গৈ ব্যক্তিগতভাৰে সাক্ষাৎ কৰাৰ কথা কৈছিল। সেইমর্মে ১৯১৬ চনৰ ৭ জুনত ভাৰেই গান্ধীক লগ ধৰিবলৈ গৈছিল আৰু তা ৰ পাছতেই শিক্ষাজীৱনৰ সামৰণি মাৰিছিল। ৰিনোবাই গান্ধীৰ আশ্রমৰ সকলো কার্য-কলাপত আগ্রহেৰে ভাগ লৈছিল। সময় বাগৰাৰ লগে লগে গান্ধী আৰু ভাৰেৰ মাজৰ সম্পর্ক সুদৃঢ় হৈ পৰিছিল। খাদী, গ্রাম্য উদ্যোগ, নতুন শিক্ষা, অনাময় আৰু পৰিচ্ছন্নতাৰ দৰে গঠনমূলক কার্যসূচীবোৰত ভাৰেৰ অংশগ্রহণৰ মাত্রা ক্রমে বৃদ্ধি পাইছিল।

৫ নং প্রশ্নৰ উত্তৰ ঃ ৰিনোবা ভাৰেৰ কঠোৰ সমালোচনা কৰোতাসকলৰ অন্যতম হ'ল লেখক ভি.এচ. নাইপ'ল। তেওঁ ভাৰেৰ চিন্তা-চর্চাত যুক্তিযুক্ততাৰ অভাৱ বুলি কৈছিল আৰু ভাৰেই সকলোতে গান্ধীৰ মাত্রাধিক নকল কৰিছিল বুলি অভিযোগ কৰিছিল। ভাৰেৰ অনুগামী সকলৰ মাজৰেই বহুতে গান্ধীৰ প্রতি থকা তেওঁৰ আনুগত্যৰ প্রৱলতাত ত্রুটি বিচাৰি পাই ছিল। কংগ্রেছ দলক অন্ধভাৱে অনুসৰণ কৰা কথাটোৰ বাবেও ভাৰে কঠোৰ সমালোচনাৰ সন্মুখীন হৈছিল। সেই সময়ৰ প্রধানমন্ত্রী ইন্দিৰা গান্ধীয়ে দেশত জাৰি কৰা জৰুৰীকলীন অৱস্থাৰো তেওঁ প্রশংসক আছিল আৰু ইয়াক এক অনুশাসন পর্ব বুলি অভিহিত কৰিছিল। ইয়াৰ দ্বাৰা তেওঁ সকলোকে প্রচলিত আইন-কানুনৰ লগতে অন্য আইন-কানুনবোৰ মানি চলাৰ কথা কৈছিল। অনুশাসন পর্ব চলি থকা কালছোৱাত ৰজাই সমসাময়িক মহান ব্যক্তিসকলৰ পৰা অনুমতি বিচাৰিব লাগে। ইয়াৰ দ্বাৰা তেএঁ ক'ব বিচাৰিছিল যে চৰকাৰখন জ্ঞানী লোকৰ দিহা-পৰামর্শ অনুসৰি চলিব লাগে। কিন্তু কংগ্রেছ দলৰ বিৰোধীসকলে সেই সময়ত তেওঁক বিদ্রুপ কৰিবলৈ 'চৰকাৰী সন্ত' শব্দটোৰ ব্যৱহাৰ কৰিছিল। স্বনামধন্য মাৰাঠী লেখক পুৰুষোত্তম লক্ষ্মণ দেশপাণ্ডেই ৰাজহুৱাভাৱে ৰিনোবা ভাৰেৰ সমালোচনা কৰিছিল আৰু 'ৰানৰোবা' শীর্ষক লেখনী এটাৰ জৰিয়তে তেওঁক উপলুঙা কৰিছিল। ৰিনোবা নামটোক উপলুঙা কৰিয়েই লিখনীটোৰ নাম 'ৰানৰোৱা' দিয়া হৈছিল, যাৰ আক্ষৰিক অর্থ হৈছে 'বান্দৰ'।

৬ নং প্রশ্নৰ উত্তৰ ঃ মহিলাসকলক আত্মনির্ভৰশীল আৰু স্বাধীন কৰি তোলাৰ উদ্দেশ্যেৰে ৰিনোবা ভাৰেই ব্রহ্ম বিদ্যা মন্দিৰ নামৰ আশ্রম প্রতিষ্ঠা কৰিছিল। আশ্রমবাসিনীসকলে খাদ্য

উৎপাদনৰ ক্ষেত্ৰত গান্ধীৰ দৰ্শন মানি চলিছিল। বহনক্ষমতা আৰু সামাজিক ন্যায় আছিল ইয়াৰ দুটা অভিন্ন উপাদান। আশ্ৰম সম্প্ৰদায়টোক ভাগৱদ্ গীতাই গভীৰভাৱে প্ৰভাৱিত কৰিছিল। আশ্ৰমত উপনিষদ আৰু ভাগৱদ্ গীতাৰ শ্লোক পাঠেৰে নিতৌ প্ৰাৰ্থনা কৰা হৈছিল। বৰ্তমান প্ৰায় ২৫ গৰাকী মহিলা এই আশ্ৰমৰ সদস্যা হৈ আছে। সময় বাগৰাৰ লগে লগে পুৰুষকো আশ্ৰমৰ সদস্য হোৱাৰ অনুমতি দিয়া হৈছে। ১৯৫৯ চনত প্ৰতিষ্ঠা কৰা আশ্ৰমখনে অবিৰতভাৱে গান্ধীবাদী প্ৰমূল্যক বাস্তৱ ৰূপ দিয়াৰ চেষ্টা চলাই আহিছে। আত্মনিৰ্ভৰশীলতা, অহিংসা আৰু খাদ্য উৎপাদন তথা উপভোগৰ কিছুমান বিশেষ অনুশীলন সম্পৰ্কে ৰাজহুৱা সেৱা আগবঢ়োৱাতো হ'ল আশ্ৰমে মানি চলা কেইটামান গান্ধীবাদী প্ৰমূল্য। আশ্ৰমৰ সদস্য সম্প্ৰদায় আৰু খেতিয়ক সম্প্ৰদায়ে একেমুখে মানি লোৱা কথা এটা হ'ল বৃহৎ পৰিসৰত খেতি কৰাৰ বাহিৰে আন বিকল্প নাই আৰু এই কামৰ যোগেদি সমগ্ৰ বিশ্বক খুৱাব পৰাৰ একমাত্ৰ সম্ভাৱনীয়তা আছে সেই কথাটোৰ গুৰুত্বক আমি পাহৰিব নালাগে। ব্যয়বহুল প্ৰযুক্তি ব্যৱহাৰ কৰিলেহে কৃষিকাৰ্যলৈ সফলতা আহিব বুলি কোৱা কথাযাৰ তেওঁলোকে মানি লোৱা নাছিল। এই কথাৰ অসাৰতা প্ৰমাণ কৰিবলৈ তেওঁলোকে বিকল্প কৃষি আৰু সামাজিক পদ্ধতি কিছুমান অনুশীলন কৰি প্ৰযুক্তিৰ এক বিপৰীত বৰ্ণন আগবঢ়াইছিল। এই অনুশীলনবোৰক ১৯৬০ৰ দশকৰ মহিলাসকলে বিশ্বাস কৰিছিল।



১১.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ৰিনোবা ভাৱেই লিখা কিতাপ দুখন মানৰ নাম কি?

প্ৰশ্ন ২ ঃ ভাৱেৰ ধৰ্মীয় দৰ্শনৰ মৌলিক শ্লোগানটো কি আছিল?

প্ৰশ্ন ৩ ঃ ভূদান আন্দোলন কেতিয়া আৰম্ভ হৈছিল?

প্ৰশ্ন ৪ ঃ ভাৱেৰ ধৰ্মীয় দৰ্শন সম্পৰ্কে চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ ৰিনোবাৰ মাকে কেনেদৰে তেওঁৰ ধাৰণাবোৰক প্ৰভাৱিত কৰিছিল?

প্ৰশ্ন ৬ ঃ ব্ৰহ্ম বিদ্যা মন্দিৰ কি? ইয়াৰ কেনেদৰে বিকাশ ঘটিছিল?

প্ৰশ্ন ৭ ঃ ভূদান আন্দোলনৰ বিষয়ে এটা চমুটোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৮ ঃ ভাৰতীয় ৰাজনৈতিক চিন্তাৰ উন্মেষত আচার্য ৰিনোবা ভাৱেৰ অৱদান সমালোচনামূলক দৃষ্টিৰে পৰীক্ষা কৰক।

*** ***** ***

অধ্যায় ১২ ঃ ৰাম মনোহৰ লোহিয়া

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ সমাজবাদ আৰু গান্ধীবাদ সম্পৰ্কে লোহিয়াৰ ধাৰণা
১২.৪ আন্তর্জাতিক সমাজ সম্পৰ্কে লোহিয়াই বিকশিত কৰা ধাৰণা
১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৬ অধিক জানিবলৈ
১২.৭ অগ্রগতিৰ খতিয়ান
১২.৮ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ৰাম মনোহৰ লোহিয়াৰ ৰাজনৈতিক ধাৰণাসমূহ বৰ্ণনা কৰিব পাৰিব
- লোহিয়াই সমাজবাদৰ সমস্যাসমূহ কেনেকৈ চিনাক্ত কৰিছিল আৰু সেইবোৰ ভাৰতীয় অভিজ্ঞতাৰ সৈতে খাপ খোৱাকৈ কেনেদৰে সাল-সলনি কৰি লৈছিল সেয়া ব্যাখ্যা কৰিব পাৰিব
- এগৰাকী আধুনিক আৰু গুৰুত্বপূৰ্ণ ৰাজনৈতিক চিন্তাবিদ হিচাপে লোহিয়াৰ প্ৰাসংগিকতা বিশ্লেষণ কৰিব পাৰিব
- ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছৰ সময়ছোৱাত লোহিয়াই পালন কৰা ভূমিকা ব্যাখ্যা কৰিব পাৰিব।

১২.২ পৰিচয়

ৰাম মনোহৰ লোহিয়াক আধুনিক ভাৰতৰ এগৰাকী মৌলিক আৰু খাটি চিন্তাবিদ বুলি গণ্য কৰা হয়। ভাৰতীয় সমাজবাদী চিন্তাধাৰাৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে লোহিয়াই প্ৰাতঃস্মৰণীয় চিন্তাবিদসকলৰ মাজত নিজৰ এক নিগাজী স্থান দখল কৰিবলৈ সক্ষম হৈছে। সমসাময়িক ভাৰতীয় সমাজখনৰ বাবে লোহিয়া আছিল একেধাৰে এগৰাকী নামজ্বলা বুদ্ধিজীৱি, সমাজ কৰ্মী আৰু বিশিষ্ট ব্যক্তি। ভাৰতে স্বাধীনতা লাভ কৰাৰ আগৰ আৰু পাছৰ সময়খিনিত লোহিয়াই ৰাজনৈতিক ক্ষেত্ৰখনত এক উল্লেখযোগ্য ভূমিকা পালন কৰিছিল।

১৯১০ চনৰ ২৩ মার্চত উত্তৰ প্ৰদেশৰ আকবৰপুৰত ডঃ ৰাম মনোহৰ লোহিয়াৰ জন্ম হৈছিল আৰু ১৯৬৭ চনৰ ১২ অক্টোবৰত তেওঁৰ দেহাৱসান ঘটে। বেনাৰস হিন্দু বিশ্ববিদ্যালয়

আৰু কলিকতা বিশ্ববিদ্যালয়ৰ পৰা উচ্চ শিক্ষা গ্রহণ কৰা লোহিয়াই ইউনিভার্চিটি অব্ বার্লিনৰ পৰা সন্মানীয় ডক্তৰেট ডিগ্রী লাভ কৰিছিল।

মহাত্মা গান্ধী আৰু কার্ল মার্ক্সৰ চিন্তাধাৰাই লোহিয়াক গভীৰভাৱে প্রভাৱিত কৰিছিল। এগৰাকী প্রতিষ্ঠিত বুদ্ধিজীৱি হোৱাৰ উপৰি লোহিয়া আছিল সক্রিয় ৰাজনৈতিক কর্মী। তেওঁ বহুবাৰ বিভিন্ন কাৰণত দেশ আৰু বিদেশৰ ভাৰতীয়সকলক সংগঠিত কৰিছিল। তেওঁ আছিল এচোছিয়েশ্যন অব্ ইউৰোপীয়ান ইণ্ডিয়ান নামৰ সংগঠনটোৰ প্রতিষ্ঠাপক। প্রথমে তেওঁ ভাৰতীয় জাতীয় কংগ্রেছত যোগদান কৰিছিল যদিও ১৯৩৪ চনত কংগ্রেছ চোছিয়েলিষ্ট পার্টি গঠন কৰিছিল। ১৯৩৬ চনত লোহিয়াক অখিল ভাৰতীয় কংগ্রেছ সমিতিৰ সম্পাদক পতা হৈছিল। ভাৰতীয় স্বাধীনতা সংগ্রামৰ এগৰাকী আগশাৰীৰ নেতা আৰু অত্যন্ত সক্রিয় কর্মী হিচাপে লোহিয়াক প্রায় ২০ বাৰমান কাৰাদণ্ড বিহা হৈছিল। এইবোৰৰ লগতে লোহিয়াই সত্যাগ্রহ আৰু স্বাধীনতা বিষয়ক নানা লেখনীৰ জৰিয়তে ভাৰতীয়সকলক সচেতন কৰি তোলাৰ প্রয়াস কৰিছিল।

ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত ৰাম মনোহৰ লোহিয়াই আগতকৈ অধিক উৎসাহেৰে মাতৃভূমিৰ প্রতি সেৱা আগবঢ়াই গৈছিল। তেওঁ পানীয়াৰি নদীত এটা জলবান্ধ নির্মাণৰ কামত আগভাগ লৈছিল। পাছলৈ এই বান্ধটোক 'লোহিয়া সাগৰ বান্ধ' নাম দিয়া হৈছিল। দেশৰ কৃষকসকলৰ সমস্যা সমাধান কৰিবলৈ তেওঁ 'হিন্দ কিষান পঞ্চায়ত' নামৰ সংগঠনটোও গঢ়ি তুলিছিল।

ৰাম মনোহৰ লোহিয়াই লিখা কেইখনমান বহুপঠিত গ্রন্থ হ'ল-

1) India, China and Northern Frontiers,
2) The Caste System : Hyderabad,
3) Guilty Men of India's Partition,
4) Foreign Policy,
5) Marx, Gandhi and Socialism,
6) Fragments of a World Mind ইত্যাদি।

১২.৩ সমাজবাদ আৰু গান্ধীবাদ সম্পর্কে লোহিয়াৰ ধাৰণা

লোহিয়াই বিকেন্দ্রীকৃত সমাজবাদ অথবা 'নব্য সমাজবাদ'ৰ পোষকতা কৰিছিল। Marx, Gandhi and Socialism শীর্ষক কিতাপখনত তেওঁ লিখিছিল যে মানুহ কেৱল নিজ দেশৰ ভিতৰতে নহয়, সকলোবোৰ দেশৰ ভিতৰতে ইজন সিজনৰ সমান। এই সৱল সত্যটোৰ ভিত্তিতেই সামাজিক নীতি-নিয়মবোৰৰ পুনঃঅভিবিন্যাস ঘটোৱা উচিত। তেওঁৰ মতে যদি এই কথাক বাস্তৱ ৰূপ দিব পৰা যায়, তেন্তে মানুহে কেৱল নিজ দেশৰ ভিতৰতে নহয়, বিদেশ-মহাদেশ, অর্থাৎ পৃথিৱীৰ সকলোতে এটা মৌলিক আৰু ন্যূনতম জীৱন যাপনৰ মান বর্তাই ৰাখি চলিব পাৰিব (Jain, A. K. Gupta P, 'Economic Ideas of Lohia, Some Aspects', Mainstream Weekly Mainstream, VOL L,No.14 March24,2012, https://

www.mainstreamweekly.net/article3346.html retrieved 30.5.17 ।

লোহিয়াৰ মতে ভাৰতত সমাজবাদ গান্ধীৰ চিন্তা-ধাৰণাৰ সৈতে সংপৃক্ত হৈ আছে। গান্ধীৰ চিন্তা আৰু কার্যৰ দ্বাৰাই ভাৰতত সমাজবাদৰ সূচনা হৈছে। গান্ধীৰ নীতি,নৈতিকতা আৰু পদ্ধতিবোৰে লোহিয়াক গভীৰভাৱে প্রভাৱিত কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে 'সত্যাগ্রহ' আৰু 'অহিংসা'ৰ ধাৰণা দুটা গান্ধীৰ অনন্য মৌলিক উদ্ভাৱন। সেয়েহে সমাজবাদক সমৃদ্ধ কৰি তোলাৰ স্বার্থত তেওঁ ইয়াক গান্ধীবাদৰ সৈতে সংলগ্ন কৰাৰ কথা কৈছিল। গান্ধীবাদী চিন্তাৰে প্রভাৱিত লোহিয়াৰ মতে সমাজবাদৰ কেৱল ভৌতিক লক্ষ্য আৰু উদ্দেশ্যই নাই, সমাজৰ পৰা দৰিদ্রতা আৰু অসমতা আঁতৰ কৰা তথা ব্যক্তিগত চৰিত্র সুদৃঢ় কৰাটোও ইয়াৰ কাম। তেওঁ ইয়াকো কৈছিল যে আধ্যাত্মিকতা হ'ল সমাজবাদৰ এটা দিশ। এক নীতি অথবা দর্শন হিচাপে সমাজবাদ হ'ল আধ্যাত্মিকতাবাদ আৰু বস্তুবাদৰ মিশ্রণ। আন অর্থত, সমাজবাদ মানে হ'ল ব্যক্তিগত আৰু সামাজিক সংস্কাৰ উভয়ৰে কথা বুজোৱা এটা ধাৰণা।

এই চিন্তাৰ ভিত্তিত ক'ব পৰা যায় যে লোহিয়াৰ দৃষ্টিত ব্যক্তি আৰু সমাজে কোনোধৰণৰ বৈসাদৃশ্য প্রদর্শন নকৰে। তেওঁ বিশ্বাস কৰিছিল যে ব্যক্তি হ'ল সমাজবাদৰ লক্ষ্য আৰু ব্যক্তিয়েই এই লক্ষ্যত উপনীত হোৱাৰ মাধ্যম।

লোহিয়াই সমাজবাদক এক সুকীয়া দৃষ্টিভংগীৰে বিচাৰ কৰি চাইছিল। ১৯৫২ চনত অনুষ্ঠিত সমাজবাদী পার্টীৰ পঞ্চমাহী অধিৱেশনত তেওঁ দিয়া সভাপতিৰ ভাষণটোৰ শীর্ষক আছিল 'The Doctrinal Foundation of Socialism' । এই ভাষণটোক ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত দেশৰ নাগৰিকে শুনা সবাতোকৈ সুসংগত আৰু পৰিশীলিত ৰাজনৈতিক ভাষণবোৰৰ এটা বুলি অভিহিত কৰা হয়।

লোহিয়াৰ মতে পুঁজিবাদ অথবা সাম্যবাদৰ তুলনাত সমাজবাদ হ'ল এটা নতুন ধাৰণা। ৰাম মনোহৰ লোহিয়াক 'সপ্তক্রান্তি' অথবা সাতটা বিপ্লৱৰ ধাৰণাটো বিকশাই তোলা মূল ব্যক্তি বুলি গণ্য কৰা হয়। এই বিপ্লৱ সাতটা হ'ল-

ক) হিংসাত্মক বিপ্লৱৰ বিৰুদ্ধে নাগৰিকৰ আইন অমান্য আন্দোলন
খ) অর্থনৈতিক সমতা স্থাপনৰ আন্দোলন
গ) জাতিপ্রথা উৎখাতৰ আন্দোলন
ঘ) মহিলাৰ সামাজিক মুক্তিৰ বাবে কৰা আন্দোলন
ঙ) জাতীয় স্বতন্ত্রতাৰ আন্দোলন
চ) বর্ণ বৈষম্য আঁতৰ কৰাৰ আন্দোলন
ছ) সামূহিক অথবা যিকোনো ধ ৰণৰ জোৰ-জুলুমহীন ব্যক্তিগত মুক্ত চিন্তাৰ পৰিৱেশ গঢ়ি তোলাৰ আন্দোলন।

লোহিয়াই 'নব্য সমাজবাদ' নাম দিয়া ধাৰণাটো বাস্তৱ কৰি তুলিবলৈ এই আন্দোলন সাতটা আৰম্ভ কৰাত জোৰ দিছিল। সপ্তক্রান্তিৰ ধাৰণাটো বিকশিত কৰি লোহিয়াই আমাক তেওঁৰ সমাজবাদ সম্পর্কীয় দৃষ্টিভংগী বুজাত সহায় কৰিছে। তেওঁৰ মতে ব্যক্তি আৰু সামাজিক

লক্ষ্যবোৰ ইটো সিটোৰ পৰা বিচ্ছিন্ন অথবা পৃথক নহয়। সেয়েহে তেওঁ সপ্তক্রান্তিৰ ধাৰণাটোত দেশৰ মুক্তিৰ লগতে ব্যক্তিৰ মুক্তিৰ ধাৰণাটোও সংযুক্ত কৰিছিল। হিংসাত্মক বিপ্লৱ প্রতিহত কৰিবলৈ এনে বিপ্লৱৰ বিৰুদ্ধে আন এক আন্দোলন, জাতিপ্রথা উৎখাত, মহিলাৰ সামাজিক মুক্তি, বর্ণ বৈষম্য আঁতৰ কৰা আৰু জোৰ-জুলুমৰ পৰা মুক্তি আদিৰ দৰে চিন্তাই লোহিয়াৰ মনোজগতত ক্রিয়াশীল হৈ থকা ভিন্নমাত্রিক সচেতনতাৰ কথা প্রকাশ কৰে।

গান্ধীবাদৰ দ্বাৰা প্রভাৱিত হ'লেও লোহিয়া এই বিষয়ে সচেতন আছিল যে এক দর্শন হিচাপে গান্ধীবাদৰো কিছু ত্রুটি আছে। তথাপিও তেওঁ ইয়াক এক মুক্ত আৰু নমনীয় দর্শন আখ্যা দিছিল আৰু ইয়াত সমাজবাদৰ ভাৰতীয় সংস্কৰণৰ সৈতে খাপ খোৱাকৈ সাল-সলনি ঘটাব পৰা যায় বুলি মত পোষণ কৰিছিল।

লোহিয়াই সমাজবাদ আৰু 'সর্বোদয়'ৰ ধাৰণা দুটা পৃথক বুলি বিবেচনা কৰিছিল। সামাজিক পৰিৱর্তনৰ অৱকাশ নথকা বাবে সেয়েহে তেওঁ সর্বোদয়ৰ ধাৰণাটো অগ্রাহ্য কৰিছিল। লোহিয়াৰ মতে সমাজবাদো হ'ল এক পৰিৱর্তনসাধ্য মুক্ত নীতি। তেওঁ সেয়েহে ইয়াক আদর্শবাদৰ পোনপটীয়া বান্ধোনেৰে সীমিত কৰাৰ চিন্তাবোৰ পোনচাটে নাকচ কৰিছিল।

ৰাম মনোহৰ লোহিয়াই এই কথা খুব ভালদৰে অনুধাৱন কৰিছিল যে সমাজবাদৰ সৈতে নিহিত থকা আদর্শৰ অধিকাংশ উপাদানেই হ'ল ইউৰোপ কেন্দ্রিক। ইউৰোপীয় অভিজ্ঞতাৰ ভিত্তিতেই এই আদর্শ বিকশিত হৈছে। তেওঁ সেয়েহে সমাজবাদৰ বিকল্প আর্হি এটা বিচাৰিছিল। একেটা কাৰণতে তেওঁ কংগ্রেছ চোছিয়েলিষ্ট পার্টীৰ ভিতৰচ'ৰাত গা কৰি উঠা কোনো এটা দলৰেই অংশ হোৱা নাছিল। সমাজবাদৰ বিচ্যুত আর্হিৰ প্রতি লোহিয়াৰ অনাস্থা আৰু সমাজবাদী কার্যৰ এক বিকল্প আর্হিৰ অন্বেষণে তেওঁক এটা দ্বিমুখী বৌদ্ধিক অভিযান চলাবলৈ বাধ্য কৰিছিল। এফালে তেওঁ সমাজবাদৰ মূলতঃ পশ্চিমীয়া ব্যাখ্যাবোৰৰ বিস্তৃত তথা প্রণালীৱদ্ধ সমালোচনা কৰিছিল আৰু আনফালে সমাজবাদৰ এক থলুৱা আর্হি গঢ়াৰ ভেটি হ'ব পৰা সাংস্কৃতিক তথা বৌদ্ধিক দিশবোৰ চালি-জাৰি চাই মত উপস্থাপন কৰিছিল (Kapoor,Manvi, Politics and Ideas of Ram Manohar Lohia, Context, Discourse and Vision of Lohia's Socialism, https://www.academia.edu/6926483/POLITICS_AND_IIDEAS_OF_RAMMANOHAR_LOHIA_Context_and_Vision_ of_Lohia's_Socialism retiieved,30.5.17)।

ৰাম মনোহৰ লোহিয়া সাম্যবাদ বিৰোধী আছিল। তেওঁ ইয়াক এক বিকৃত ৰুচিৰ আদর্শ বুলি গণ্য কৰিছিল। তেওঁৰ মতে ক্ষমতাৰ কেন্দ্রীভূতকৰণ, হিংসা আৰু মানুহৰ স্বাধীনতা সীমাৱদ্ধকৰণৰ নীতি হ'ল এই আদর্শৰ ভেটি । লোহিয়াই মার্ক্সবাদ সমর্থন কৰিছিল যদিও সাম্যবাদক ভাৰতীয় পৰিস্থিতিৰ প্রতিকূল বুলি গণ্য কৰিছিল। তেওঁ ভাৰতৰ বাবে অনুকূল বুলি ভবা সমাজবাদৰ আর্হিটোক অত্যন্ত সাৱধানতা সহকাৰে চালি-জাৰি চাইহে উপস্থাপন কৰিছিল। নেহৰুৱে ভাৰতৰ ক্ষেত্রত উপযুক্ত হ'ব বুলি কোৱা সমাজবাদৰ আর্হিটো লোহিয়াই সমর্থন কৰা নাছিল।

গান্ধীৰ প্ৰতি থকা সদ্ভাৱে ৰাম মনোহৰ লোহিয়াই ভাৰতৰ বাবে উপযুক্ত বুলি ভবা সমাজবাদৰ আৰ্হিটোক সবাতোকৈ অধিক প্ৰভাৱিত কৰিছিল। এই বিষয়ত তেওঁ কৰা সকলো সম্পৰীক্ষা আৰু লাভ কৰা সকলো অভিজ্ঞতাৰ আঁৰত গান্ধীৰ প্ৰভৱ সুস্পষ্ট। কাৰণ, ভাৰতত সমাজবাদ প্ৰতিষ্ঠাকাৰী নীতি হিচাপে তেওঁ গান্ধীয়ে কোৱা ক্ষমতা বিকেন্দ্ৰীকৰণ আৰু গ্ৰাম শাসনৰ ধাৰণা দুটা গ্ৰহণ কৰাৰ কথা কৈছিল। এইবোৰ কথাৰ বাবেই লোহিয়াৰ নেতৃত্বত চোছিয়েলিষ্ট পাৰ্টীয়ে দেশৰ অৰ্থনীতিৰ সৈতে জড়িত বিভিন্ন খণ্ডত অৰ্থনৈতিক সমতা স্থাপনৰ বাবে নানা কাৰ্যসূচী ৰূপায়ণ কৰিছিল। লোহিয়াই দেশত পুৰুষ আৰু মহিলাৰ মাজত থকা অসমতা আঁতৰ কৰাৰ লগতে গাৰ ৰঙৰ ভিত্তিত প্ৰচলিত বৈষম্য দূৰ কৰাৰো প্ৰচেষ্টা চলাইছিল। অধিকাংশ সময়তে পুঁজিবাদৰ ফল ৰূপে দেখা দিয়া অৰ্থলৈতিক অসমতাৰ লোহিয়াই তীব্ৰ বিৰোধিতা কৰিছিল (Jain, A. K. Gupta P, 'Economic Ideas of Lohia, Some Aspects', Mainstream Weekly Mainstream, VOL L,No.14 March24,2012, https://www.mainstreamweekly.net/article3346.html retrieved 30.5.17)।

১২.৪ আন্তর্জাতিক সমাজ সম্পর্কে লোহিয়াই বিকশিত কৰা ধাৰণা

ৰাম মনোহৰ লোহিয়া আছিল আদৰ্শবাদী আৰু মানৱতাবাদী। আগতেই আলোচনা কৰা হৈছে যে সমাজবাদ সম্পর্কে লোহিয়াই আগবঢ়োৱা ধাৰণা হ'ল আধ্যাত্মিকতা আৰু বস্তুবাদৰ এক মিশ্ৰণ। তেওঁ সামাজিক বিষয় আৰু ৰাজনৈতিক বিষয়ক সমান্তৰালভাৱে বিবেচনা কৰাৰ পোষকতা কৰিছিল। লোহিয়াৰ চিন্তাত প্ৰতিফলিত এই অভিবিন্যাসৰ পৰাই আন্তর্জাতিক সমাজ সম্পর্কে তেওঁ আগবঢ়োৱা ধাৰণাটো বিকশিত হৈছিল।

ধাৰণাটো উপস্থাপন কৰি তেওঁ গান্ধীৰ এই কথাৰ প্ৰতি সমর্থন আগবঢ়াইছিল যে জাতি ৰাষ্ট্ৰবোৰে মিলি এখন আন্তর্জাতিক সমাজ গঠন কৰে। জাতি ৰাষ্ট্ৰবোৰ হ'ল ইয়াৰ প্ৰধান উপাদান আৰু জাতি ৰাষ্ট্ৰবোৰেই এনে সমাজৰ অস্তিত্ব বৰ্তাই ৰাখে। অৱশ্যে লোহিয়া এনে সমাজৰ নিৰ্দিষ্ট শৃংখলা সম্পর্কে সন্দিহান আছিল। তেওঁ এনে সমাজত যথেষ্ট স্তৰীভৱন ঘটিব আৰু আধিপত্য প্ৰধান হ'ব বুলি ভাবিছিল। তেওঁ এয়াও কৈছিল যে এনে সমাজে আধিপত্য বিস্তাৰকাৰী জাতি ৰাষ্ট্ৰবোৰে গৌণ জাতি ৰাষ্ট্ৰবোৰক অৱদমিত কৰি ৰখাৰ বৈশিষ্ট্য বহন কৰে। এই অসুবিধা আঁতৰাবলৈ তেওঁ কিছুমান পৰামর্শ আগবঢ়াইছিল। এই কৌশলে এক প্ৰণালীৱদ্ধ বিশ্বজনীন শৃংখলা গঢ়ি তুলি বিশ্বত শান্তি বৰ্তাই ৰখাত সহায় কৰিব বুলি কোৱা হৈছিল (https://shodhganga.infibnet.ac.in/bitstream/10603/72172/9/09chapter%205pdfretrieved 30.5.17)।

লোহিয়াৰ মতে আন্তর্জাতিক সমাজ এখনত দুটা প্ৰধান উপাদান থাকে। ইয়াৰে এটা হ'ল (ক) জাতি ৰাষ্ট্ৰ আৰু আনটো হ'ল (খ) মানুহ। এই ধাৰণাৰ ভিত্তিত তেওঁ বিশ্বাস কৰিছিল যে ভৱিষ্যতে ইয়াৰ বাবেই সকলো মানুহ একগোট হৈ এখন যুক্তৰাষ্ট্ৰ গঠন কৰিব। ইয়াৰ ফলত সমগ্ৰ মানৱ জাতি এসময়ত এটা ৰাজনৈতিক দলত পৰিণত হ'ব। আন্তর্জাতিক সমাজ সম্পর্কে

লোহিয়াৰ ধাৰণাত কাণ্টৰ সুস্পষ্ট প্ৰভাৱ পৰিলক্ষিত হৈছে (https://shodhganga.infibnet.ac.in/bitstream/10603/72172/9/09chapter%205pdfretrieved 30.5.17)।

এই সমাজ সম্পৰ্কে কৰা আলোচনাত লোহিয়াই উল্লেখ কৰিছে যে ঐতিহাসিকভাৱে আন্তৰ্জাতিক সমাজ দুটা ভাগত বিভক্ত- প্ৰভাৱশালী আৰু গৌণ জাতি ৰাষ্ট্ৰ। অৱশ্যে লোহিয়াৰ মতে এই বিভাজন স্থিৰ নহয়। ইতিহাসৰ চক্ৰ অনুযায়ী আধিপত্য বিস্তাৰকাৰী ক্ষমতা সলনি হৈ থাকে। এই পৰিৱৰ্তনশীলতাৰ বাবে ৰাষ্ট্ৰবোৰে একো একোছোৱা সময়ৰ বাবে সলনা সলনিকৈ ক্ষমতা আৰু প্ৰাচুৰ্য নিজৰ হাতলৈ নিয়ে। কিন্তু এনে সমাজত সমৃদ্ধিৰ বণ্টন সমান নহয় বাবে অধিকাংশ ৰাষ্ট্ৰ বঞ্চিত হৈ ৰয় আৰু মাত্ৰ কেইখনমান শক্তিশালী ৰাষ্ট্ৰই সমল তথা সামৰিক ক্ষমতাৰ সহায়ত এই সমৃদ্ধি নিজৰ কৰি লয় (https://shodhganga.infibnet.ac.in/bitstream/10603/72172/9/09chapter%205pdfretrieved 30.5.17) ।

লোহিয়াই কৈছিল যে যদিও ৰাষ্ট্ৰবোৰে আৱৰ্তন ক্ৰমত সমৃদ্ধিৰ গৰাকী হ'ব পাৰে, তথাপিও আধিপত্য বিস্তাৰকাৰী ৰাষ্ট্ৰবোৰৰ এই চক্ৰটো নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা থাকে। তেওঁ সেয়েহে এই চক্ৰটো ভংগ হোৱাতো বিচাৰিছিল যাতে আন সকলো কাৰক নিৰ্বিশেষে সমগ্ৰ মানৱ জাতিৰ বাবে উপলব্ধ হ'বলগীয়া এই সমৃদ্ধি আৰু প্ৰাচুৰ্যৰ সুবিধা সঁচা অৰ্থত সকলোৱে ভোগ কৰিব পাৰে। এই কথাৰ গুৰুত্ব আছে বাবহৈ তেওঁ শীতল যুদ্ধৰ তীব্ৰ বিৰোধিতা কৰিছিল। এই যুদ্ধক তেওঁ অন্য ৰাষ্ট্ৰৰ স্থিতি আৰু দাবীসমূহ বিঘ্নিত কৰাৰ বাবে দায়ী বুলি দোষাৰোপ কৰিছিল। যুদ্ধত লিপ্ত চৰম ক্ষমতাৰ অধিকাৰী দেশ দুখন নিজ নিজ স্বাৰ্থক লৈ এনেদৰে ব্যস্ত হৈ আছিল যে এই সংঘাতে আন্তৰ্জাতিক সমাজখনলৈ কঢ়িয়াই অনা সমস্যা সম্পৰ্কে দুয়োখন দেশেই আওকণীয়া মনোভাৱ প্ৰদৰ্শন কৰিছিল। এই যুদ্ধৰ বাবে আন ৰাষ্ট্ৰবোৰে গুৰুতৰ ধৰণৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সমস্যাৰ সন্মুখীন হৈছিল। এই কথাবোৰলৈ লক্ষ্য কৰি লোহিয়াই কৈছিল যে অৰ্থনৈতিক ব্যৱস্থাই সমাজত অসমতা আৰু অন্যায় বৰ্তি থকাৰ পৰিৱেশ সৃষ্টি কৰে আৰু সেইবাবহৈ এই ব্যৱস্থাৰ পুনঃঅভিবিন্যাসকৰণ আৰু পুনঃনিৰ্মাণৰ প্ৰয়োজনীয়তা আহি পৰিছে (https://shodhganga.infibnet.ac.in/bitstream/10603/72172/9/09chapter%205pdfretrieved 30.5.17) ।

উপৰিউক্ত কাৰণত লোহিয়াই শীতল যুদ্ধৰ সোনকালে সামৰণি পৰাটো বিচাৰিছিল। তেওঁ কৈছিল যে চৰম শক্তি দুটাই গঢ়ি তোলা বিপৰীতমুখী শিৰিৰ দুটা ভাঙি নেপেলোৱা পৰ্যন্ত শান্তিপূৰ্ণ সহাৱস্থানৰ সপোনে বাস্তৱ ৰূপ ল'ব নোৱাৰে। লোহিয়াই আন্তৰ্জাতিক পৰ্যায়ত কোনো ৰাজনৈতিক প্ৰক্ৰিয়া নথকা কথাত সহমত নাছিল। কাৰণ, বিশ্বজনীন সমস্যাবোৰ সমাধান কৰিবলৈ তেনে প্ৰক্ৰিয়া এটাৰ প্ৰয়োজন আছে। তেওঁ এই কথাত জোৰ দিছিল যে বিশ্বজনীন পৰ্যায়ত কিছুমান ৰাজনৈতিক প্ৰক্ৰিয়াৰ আৰম্ভণি হোৱা উচিত আৰু এই প্ৰক্ৰিয়াবোৰ পশ্চিমৰ উন্নত দেশবোৰৰ লগতে তৃতীয় বিশ্বৰ উন্নয়নশীল দেশবোৰেও সমানে গ্ৰহণ কৰা উচিত। মানুহৰ এখন বিশ্বজনীন সমাজ গঢ়ি তুলিবলৈ লোহিয়াই এই পৰামৰ্শবোৰ আগবঢ়াইছিল (https://

shodhganga.infibnet.ac.in/bitstream/10603/72172/9/09chapter%205pdfretrieved 30.5.17)।

ওপৰৰ আলোচনাৰ পৰা আমি ইয়াকে ক'ব পাৰোঁ যে ৰাম মনোহৰ লোহিয়া কেৱল এগৰাকী মহান নেতা, ৰাজনীতিক, বুদ্ধিজীৱি আৰু সমাজ কর্মীয়েই নাছিল, তেওঁ এগৰাকী ভৱিষ্যদ্দ্রষ্টাও আছিল। তেওঁৰ চিন্তাধাৰা সমসাময়িক পৰিস্থিতিতকৈ বহুখিনি আগবঢ়া আছিল। লোহিয়াই কেৱল সমস্যাবোৰৰ উল্লেখ কৰি সমাধান কিছুমান আগবঢ়োৱা নাছিল। তেওঁ সমস্যাৰ মূল বিচাৰি উলিয়াই সেয়া সম্পূর্ণৰূপে নাইকিয়া কৰাত গুৰুত্ব দিছিল। ভাৰত আৰু ইয়াৰ উন্নয়ন সম্পর্কে লোহিয়াই উপস্থাপন কৰি থৈ যোৱা ধাৰণাবোৰৰ আজিও প্রাসংগিকতা আছে। এই ধাৰণাবোৰক এতিয়াও ভাৰতৰ উন্নয়নৰ সোপান হিচাপে ব্যৱহাৰ কৰিব পাৰি। ভাৰতক এখন সঁচা অর্থত মহান দেশ কৰি গঢ়ি তুলিবলৈ চলোৱা কার্যসূচীবোৰত লোহিয়াই কৈ যোৱা সমতা, উন্নয়ন, সমাজবাদ আৰু বিশ্বজনীন সমাজখনৰ ধাৰণাবোৰ এতিয়াও যুক্ত কৰিব পৰা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ৰাম মনোহৰ লোহিয়াই লিখা যিকোনো দুখন গুৰুত্বপূর্ণ গ্রন্থৰ নাম উল্লেখ কৰক।

প্রশ্ন নং ২ ঃ সমাজবাদ সম্পর্কে লোহিয়াৰ দৃষ্টিভংগী কেনে আছিল সেই বিষয়ে এটা চমুটোকা লিখক।

প্রশ্ন নং ৩ ঃ লোহিয়াৰ সপ্তক্রান্তিৰ ধাৰণাটো নিজৰ ভাষাত বুজাই লিখক।

প্রশ্ন নং ৪ ঃ লোহিয়াই কোৱা আন্তর্জাতিক সমাজখনৰ মূল অংশ দুটা কি ?



১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাম মনোহৰ লোহিয়াক আধুনিক ভাৰতৰ এগৰাকী মৌলিক আৰু খাটি চিন্তাবিদ বুলি গণ্য কৰা হয়। ভাৰতীয় সমাজবাদী চিন্তাধাৰালৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে লোহিয়াই প্রাতঃস্মৰণীয় চিন্তাবিদসকলৰ মাজত নিজৰ এক নিগাজী স্থান দখল কৰিবলৈ সক্ষম হৈছে। সমসাময়িক ভাৰতীয় সমাজখনৰ বাবে লোহিয়া আছিল একেধাৰে এগৰাকী নামজ্বলা বুদ্ধিজীৱি, সমাজ কর্মী আৰু বিশিষ্ট ব্যক্তি। ভাৰতে স্বাধীনতা লাভ কৰাৰ আগৰ আৰু ৰাছৰ সময়খিনিত লোহিয়াই ৰাজনৈতিক ক্ষেত্রখনত এক উল্লেখযোগ্য ভূমিকা পালন কৰিছিল।
- ১৯১০ চনৰ ২৩ মার্চত উত্তৰ প্রদেশৰ আকবৰপুৰত ডঃ ৰাম মনোহৰ লোহিয়াৰ জন্ম হৈছিল আৰু ১৯৬৭ চনৰ ১২ অক্টোবৰত তেওঁৰ দেহাৱসান ঘটে।

- মহাত্মা গান্ধী আৰু কার্ল মার্ক্সৰ চিন্তাধাৰাই লোহিয়াক গভীৰভাৱে প্রভাৱিত কৰিছিল। এগৰাকী প্রতিষ্ঠিত বুদ্ধিজীৱি হোৱাৰ উপৰি লোহিয়া আছিল সক্রিয় ৰাজনৈতিক কর্মী। তেওঁ বহুবাৰ বিভিন্ন কাৰণত দেশ আৰু বিদেশৰ ভাৰতীয়সকলক সংগঠিত কৰিছিল। তেওঁ আছিল এচোছিয়েশ্যন অব্ ইউৰোপীয়ান ইণ্ডিয়ান নামৰ সংগঠনটোৰ প্রতিষ্ঠাপক।
- প্রথমে তেওঁ ভাৰতীয় জাতীয় কংগ্রেছত যোগদান কৰিছিল যদিও ১৯৩৪ চনত কংগ্রেছ চোছিয়েলিষ্ট পার্টি গঠন কৰিছিল। ১৯৩৬ চনত লোহিয়াক অখিল ভাৰতীয় কংগ্রেছ সমিতিৰ সম্পাদক পতা হৈছিল।
- ভাৰতীয় স্বাধীনতা সংগ্রামৰ এগৰাকী আগশাৰীৰ নেতা আৰু অত্যন্ত সক্রিয় কর্মী হিচাপে লোহিয়াক প্রায় ২০ বাৰমান কাৰাদণ্ড বিহা হৈছিল।
- ৰাম মনোহৰ লোহিয়াই লিখা কেইখনমান বহুপঠিত গ্রন্থ হ'ল-
  1) India, China and Northern Frontiers,
  2) The Caste System : Hyderabad,
  3) Guilty Men of India's Partition,
  4) Foreign Policy,
  5) Marx, Gandhi and Socialism,
  6) Fragments of a World Mind ইত্যাদি।
- লোহিয়াই বিকেন্দ্রীকৃত সমাজবাদ অথবা 'নব্য সমাজবাদ'ৰ পোষকতা কৰিছিল। তেওঁ লিখিছিল যে মানুহ কেৱল নিজ দেশৰ ভিতৰতে নহয়, সকলোবোৰ দেশৰ ভিতৰতে ইজন সিজনৰ সমান এই সৰল সত্যটোৰ ভিত্তিতেই সামাজিক নীতি-নিয়মবোৰৰ পুনঃঅভিবিন্যাস ঘটোৱা উচিত। তেওঁৰ মতে যদি এই কথাক বাস্তৱ ৰূপ দিব পৰা যায়, তেন্তে মানুহে কেৱল নিজ দেশৰ ভিতৰতে নহয়, বিদেশ-মহাদেশ, অর্থাৎ পৃথিৱীৰ সকলোতে এটা মৌলিক আৰু ন্যূনতম জীৱন যাপনৰ মান বর্তাই ৰাখি চলিব পাৰিব।
- লোহিয়াৰ মতে ভাৰতত সমাজবাদ গান্ধীৰ চিন্তা-ধাৰণাৰ সৈতে সংপৃক্ত হৈ আছে। গান্ধীৰ চিন্তা আৰু কার্যৰ দ্বাৰাই ভাৰতত সমাজবাদৰ সূচনা হৈছে। গান্ধীৰ নীতি,নৈতিকতা আৰু পদ্ধতিবোৰে লোহিয়াক গভীৰভাৱে প্রভাৱিত কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে 'সত্যাগ্রহ' আৰু 'অহিংসা'ৰ ধাৰণা দুটা গান্ধীৰ অনন্য মৌলিক উদ্ভাৱন। সেয়েহে সমাজবাদক সমৃদ্ধ কৰি তোলাৰ স্বার্থত তেওঁ ইয়াক গান্ধীবাদৰ সৈতে সংলগ্ন কৰাৰ কথা কৈছিল।
- লোহিয়াৰ মতে পুঁজিবাদ অথবা সাম্যবাদৰ তুলনাত সমাজবাদ হ'ল এটা নতুন ধাৰণা। ৰাম মনোহৰ লোহিয়াক 'সপ্তক্রান্তি' অথবা সাতটা বিপ্লৱৰ ধাৰণাটো বিকশাই তোলা মূল ব্যক্তি বুলি গণ্য কৰা হয়। লোহিয়াই 'নব্য সমাজবাদ' নাম দিয়া ধাৰণাটো বাস্তৱ কৰি তুলিবলৈ এই আন্দোলন সাতটা আৰম্ভ কৰাত জোৰ দিছিল।
- লোহিয়াই সমাজবাদ আৰু 'সর্বোদয়'ৰ ধাৰণা দুটা পৃথক বুলি বিবেচনা কৰিছিল। সামাজিক

পৰিৱৰ্তনৰ অৱকাশ নথকা বাবে সেয়েহে তেওঁ সৰ্বোদয়ৰ ধাৰণাটো অগ্ৰাহ্য কৰিছিল।

- ৰাম মনোহৰ লোহিয়া সাম্যবাদ বিৰোধী আছিল। তেওঁ ইয়াক এক বিকৃত ৰুচিৰ আদর্শ বুলি গণ্য কৰিছিল। তেওঁৰ মতে ক্ষমতাৰ কেন্দ্রীভূতকৰণ, হিংসা আৰু মানুহৰ স্বাধীনতা সীমাৱদ্ধকৰণৰ নীতি হ'ল এই আদর্শৰ ভেটি । লোহিয়াই মার্ক্সবাদ সমর্থন কৰিছিল যদিও সাম্যবাদক ভাৰতীয় পৰিস্থিতিৰ প্রতিকূল বুলি গণ্য কৰিছিল। তেওঁ ভাৰতৰ বাবে অনুকূল বুলি ভবা সমাজবাদৰ আর্হিটোক অত্যন্ত সাৱধানতা সহকাৰে চালি-চাৰি চাইহে উপস্থাপন কৰিছিল। নেহৰুৱে ভাৰতৰ ক্ষেত্রত উপযুক্ত হ'ব বুলি কোৱা সমাজবাদৰ আর্হিটো লোহিয়াই সমর্থন কৰা নাছিল।
- ৰাম মনোহৰ লোহিয়া আছিল আদর্শবাদী আৰু মানৱতাবাদী। সমাজবাদ সম্পর্কে লোহিয়াই আগবঢ়োৱা ধাৰণা হ'ল আধ্যাত্মিকতা আৰু বস্তুবাদৰ এক মিশ্রণ।
- লোহিয়াৰ মতে আন্তর্জাতিক সমাজ এখনত দুটা প্রধান উপাদান থাকে। ইয়াৰে এটা হ'ল (ক) জাতি ৰাষ্ট্র আৰু আনটো হ'ল (খ) মানুহ। এই ধাৰণাৰ ভিত্তিত তেওঁ বিশ্বাস কৰিছিল যে ভৱিষ্যতে ইয়াৰ বাবেই সকলো মানুহ একগোট হৈ এখন যুক্তৰাষ্ট্র গঠন কৰিব। ইয়াৰ ফলত সমগ্র মানৱ জাতি এসময়ত এটা ৰাজনৈতিক দলত পৰিণত হ'ব।
- লোহিয়াই শীতল যুদ্ধৰ সোনকালে সামৰণি পৰাটো বিচাৰিছিল। তেওঁ কৈছিল যে চৰম শক্তি দুটাই গঢ়ি তোলা বিপৰীতমুখী শিৰিৰ দুটা ভাঙি নেপেলোৱা পর্যন্ত শান্তিপূর্ণ সহাৱস্থানৰ সপোনে বাস্তৱ ৰূপ ল'ব নোৱাৰে।
- লোহিয়াই আন্তর্জাতিক পর্যায়ত কোনো ৰাজনৈতিক প্রক্রিয়া নথকা কথাত সহমত নাছিল। কাৰণ, বিশ্বজনীন সমস্যাবোৰ সমাধান কৰিবলৈ তেনে প্রক্রিয়া এটাৰ প্রয়োজন আছে। তেওঁ এই কথাত জোৰ দিছিল যে বিশ্বজনীন পর্যায়ত কিছুমান ৰাজনৈতিক প্রক্রিয়াৰ আৰম্ভণি হোৱা উচিত আৰু এই প্রক্রিয়াবোৰ পশ্চিমৰ উন্নত দেশবোৰৰ লগতে তৃতীয় বিশ্বৰ উন্নয়নশীল দেশবোৰেও সমানে গ্রহণ কৰা উচিত। মানুহৰ এখন বিশ্বজনীন সমাজ গঢ়ি তুলিবলৈ লোহিয়াই এই পৰামর্শবোৰ আগবঢ়াইছিল।
- ৰাম মনোহৰ লোহিয়া কেৱল এগৰাকী মহান নেতা, ৰাজনীতিক, বুদ্ধিজীৱি আৰু সমাজ কর্মীয়েই নাছিল, তেওঁ এগৰাকী ভৱিষ্যদ্রষ্টাও আছিল। তেওঁৰ চিন্তাধাৰা সমসাময়িক পৰিস্থিতিতকৈ বহুখিনি আগবঢ়া আছিল। ভাৰতক এখন সঁচা অর্থত মহান দেশ কৰি গঢ়ি তুলিবলৈ চলোৱা কার্যসূচীবোৰত লোহিয়াই কৈ যোৱা সমতা, উন্নয়ন, সমাজবাদ আৰু বিশ্বজনীন সমাজখনৰ ধাৰণাবোৰ এতিয়াও যুক্ত কৰিব পৰা যায়।



১২.৬ অধিক জানিবলৈ

১) Johari,J.C.-The Great Radical Humanist

২) Pantham, ed. Indian Political Thought

৩) Mehta,V.R., Foundations of Indian Political Thought, Manohar Publications, New Delhi, 1986.

৪) Varma, V.P.Modern Indian Political Thought, Laxmi Narayan Agarwal, Educational Publishers, Agra,2013.

৫) Gupta, R.C., Great Political Thinkers, Laxmi Narayan Agarwal, Educational Publishers, Agra,2009-10.



১২.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ৰাম মনোহৰ লোহিয়াই লিখা দুখন বহুপঠিত গ্রন্থ হ'ল- 1)India, China and Northern Frontiers আৰু 2)Marx, Gandhi and Socialism,

২ নং প্রশ্নৰ উত্তৰ ঃ লোহিয়াই বিকেন্দ্রীকৃত সমাজবাদ অথবা 'নব্য সমাজবাদ'ৰ পোষকতা কৰিছিল। Marx, Gandhi and Socialism শীৰ্ষক কিতাপখনত তেওঁ লিখিছিল যে মানুহ কেৱল নিজ দেশৰ ভিতৰতে নহয়, সকলোবোৰ দেশৰ ভিতৰতে ইজন সিজনৰ সমান এই সৰল সত্যটোৰ ভিত্তিতেই সামাজিক নীতি-নিয়মবোৰৰ পুনঃঅভিবিন্যাস ঘটোৱা উচিত। তেওঁৰ মতে যদি এই কথাক বাস্তৱ ৰূপ দিব পৰা যায়, তেন্তে মানুহে কেৱল নিজ দেশৰ ভিতৰতে নহয়, বিদেশ-মহাদেশ, অর্থাৎ পৃথিৱীৰ সকলোতে এটা মৌলিক আৰু ন্যূনতম জীৱন যাপনৰ মান বর্তাই ৰাখি চলিব পাৰিব।লোহিয়াৰ মতে ভাৰতত সমাজবাদ গান্ধীৰ চিন্তা-ধাৰণাৰ সৈতে সংপৃক্ত হৈ আছে। গান্ধীৰ চিন্তা আৰু কার্যৰ দ্বাৰাই ভাৰতত সমাজবাদৰ সূচনা হৈছে। গান্ধীৰ নীতি,নৈতিকতা আৰু পদ্ধতিবোৰে লোহিয়াক গভীৰভাৱে প্রভাৱিত কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে 'সত্যাগ্রহ' আৰু 'অহিংসা'ৰ ধাৰণা দুটা গান্ধীৰ অনন্য মৌলিক উদ্ভাৱন। সেয়েহে সমাজবাদক সমৃদ্ধ কৰি তোলাৰ স্বার্থত তেওঁ ইয়াক গান্ধীবাদৰ সৈতে সংলগ্ন কৰাৰ কথা কৈছিল। গান্ধীবাদী চিন্তাৰে প্রভাৱিত লোহিয়াৰ মতে সমাজবাদৰ কেৱল ভৌতিক লক্ষ্য আৰু উদ্দেশ্যই নাই, সমাজৰ পৰা দৰিদ্রতা আৰু অসমতা আঁতৰ কৰা তথা ব্যক্তিগত চৰিত্র সুদৃঢ় কৰাটোও ইয়াৰ কাম। তেওঁ ইয়াকো কৈছিল যে আধ্যাত্মিকতা হ'ল সমাজবাদৰ এটা দিশ। এক

নীতি অথবা দর্শন হিচাপে সমাজবাদ হ'ল আধ্যাত্মিকতাবাদ আৰু বস্তুবাদৰ মিশ্রণ। আন অর্থত, সমাজবাদ মানে হ'ল ব্যক্তিগত আৰু সামাজিক সংস্কাৰ উভয়ৰে কথা বুজোৱা এটা ধাৰণা।

৩ নং প্রশ্নৰ উত্তৰ ঃ ৰাম মনোহৰ লোহিয়াক 'সপ্তক্রান্তি' অথবা সাতটা বিপ্লৱৰ ধাৰণাটো বিকশাই তোলা মূল ব্যক্তি বুলি গণ্য কৰা হয়। এই বিপ্লৱ সাতটা হ'ল-

ক) হিংসাত্মক বিপ্লৱৰ বিৰুদ্ধে নাগৰিকৰ আইন অমান্য আন্দোলন

খ) অর্থনৈতিক সমতা স্থাপনৰ আন্দোলন

গ) জাতিপ্রথা উৎখাতৰ আন্দোলন

ঘ) মহিলাৰ সামাজিক মুক্তিৰ বাবে কৰা আন্দোলন

ঙ) জাতীয় স্বতন্ত্রতাৰ আন্দোলন

চ) বর্ণ বৈষম্য আঁতৰ কৰাৰ আন্দোলন

ছ) সামূহিক অথবা যিকোনো ধ ৰণৰ জোৰ-জুলুমহীন ব্যক্তিগত মুক্ত চিন্তাৰ পৰিৱেশ গঢ়ি তোলাৰ আন্দোলন।

লোহিয়াই 'নব্য সমাজবাদ' নাম দিয়া ধাৰণাটো বাস্তৱ কৰি তুলিবলৈ এই আন্দোলন সাতটা আৰম্ভ কৰাত জোৰ দিছিল। সপ্তক্রান্তিৰ ধাৰণাটো বিকশিত কৰি লোহিয়াই আমাক তেওঁৰ সমাজবাদ সম্পর্কীয় দৃষ্টিভংগী বুজাত সহায় কৰিছে। তেওঁৰ মতে ব্যক্তি আৰু সামাজিক লক্ষ্যবোৰ ইটো সিটোৰ পৰা বিচ্ছিন্ন অথবা পৃথক নহয়। সেয়েহে তেওঁ সপ্তক্রান্তিৰ ধাৰণাটোত দেশৰ মুক্তিৰ লগতে ব্যক্তিৰ মুক্তিৰ ধাৰণাটোও সংযুক্ত কৰিছিল।

৪ নং প্রশ্নৰ উত্তৰ ঃ লোহিয়াৰ মতে আন্তর্জাতিক সমাজ এখনত দুটা প্রধান উপাদান থাকে। ইয়াৰে এটা হ'ল (ক) জাতি ৰাষ্ট্র আৰু আনটো হ'ল (খ) মানুহ।



১২.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ সমাজবাদ আৰু গান্ধীবাদ সম্পর্কে লোহিয়াৰ দৃষ্টিভংগী কেনে আছিল তাৰ এক সমালোচনামূলক ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ২ ঃ আন্তর্জাতিক সমাজ সম্পর্কে লোহিয়াই বিকশিত কৰা ধাৰণাটো বর্ণনা কৰক।

প্রশ্ন ৩ ঃ ভাৰতীয় ৰাজনৈতিক চিন্তাৰ বিকাশত ৰাম মনোহৰ লোহিয়াই আগবঢ়োৱা অৱদান আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ অমর্ত্য সেন

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ স্বাধীনতাৰ ৰূপত উন্নয়ন
১৩.৪ সন্ধানহীন মহিলা
১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৬ অধিক জানিবলৈ
১৩.৭ অগ্রগতিৰ খতিয়ান
১৩.৮ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- স্বাধীনতাৰ ৰূপত উন্নয়নৰ ধাৰণাটো ব্যাখ্যা কৰিব পাৰিব।
- সন্ধানহীন মহিলা মানে কি আলোচনা কৰিব পাৰিব।
- উন্নয়নৰ পৰম্পৰাগত ধাৰণাবোৰৰ দুর্বলতাসমূহ বিশ্লেষণ কৰিব পাৰিব।
- বিভিন্ন সংস্কৃতিত মহিলাৰ জীৱন আৰু অস্তিত্ব বর্তাই ৰখাৰ সমস্যাবোৰ সমালোচনামূলক দৃষ্টিৰে আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

বৰেণ্য বিদ্বান অমর্ত্য সেনে সমাজ বিজ্ঞান আৰু অর্থনীতি বিজ্ঞান বিষয়ক বিভিন্ন দিশলৈ তাৎপর্যপূর্ণ অৱদান আগবঢ়াইছে। অবিভক্ত ভাৰতৰ মাণিকগঞ্জ (বর্তমান বাংলাদেশৰ অন্তর্গত)ত ১৯৩৩ চনৰ ৩ নৱেম্বৰত সেনৰ জন্ম হৈছিল। তেওঁক আন্তর্জাতিকভাৱে সমসাময়িক পৃথিৱীৰ এগৰাকী অগ্রণী অর্থনীতিবিদ আৰু দার্শনিক বুলি গণ্য কৰা হয়। কল্যাণমূলক অর্থনীতি, সামাজিক পছন্দ তত্ত্ব, অর্থনৈতিক আৰু সামাজিক ন্যায়, দুর্ভিক্ষৰ অর্থনৈতিক তত্ত্ব আৰু উন্নয়নশীল দেশবোৰৰ নাগৰিকৰ কল্যাণৰ মাত্রা জোখাৰ সূচ্যাংকসমূহ আদি হ'ল সেনে বিস্তৃতভাৱে লিখা-মেলা কৰা কেইটামান উল্লেখযোগ্য বিষয়। এইখিনিতে মনত ৰাখিবলগীয়া আন এটা গুৰুত্বপূর্ণ তথ্য হ'ল, সেনে ১৯৯৮ চনত অর্থনীতি বিজ্ঞানলৈ আগবঢ়োৱা বৰঙণিৰ বাবে নোবেল স্মাৰক বঁটা লাভ কৰিছিল। এই বিষয়ত নোবেল বঁটাৰে সন্মানিত হোৱা তেওঁ হ'ল এচিয়া মহাদেশৰ প্রথমগৰাকী ব্যক্তি।

নিজৰ বিদ্যায়তনিক অৱদানৰ বাবে সেনে বহুতো ৰাষ্ট্ৰীয় আৰু আন্তর্জাতিক বঁটা লাভ কৰিছে। কল্যাণমূলক অর্থনীতি বিষয়ত তেওঁ কৰা কার্যৰ স্বীকৃতি হিচাপে ১৯৯৯ চনত সেনক ভাৰত ৰত্ন বঁটাৰে সন্মানিত কৰা হৈছে। এই একেটা বিষয়ৰ বাবেই তেওঁক গ্ৰেট বৃটেইনৰ ৰয়েল একাডেমীত আয়োজিত এক ভব্য অভ্যর্থনা অনুষ্ঠানত ২০১৫ চনৰ পৰা দিবলৈ আৰম্ভ কৰা প্রথমটো চার্লচ্‌ট'ন-ইএফজি জ'ন মে'নার্ড কীনচ্‌ বঁটাৰে সন্মান যঁচা হৈছে। ২০১২ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সেই সময়ৰ ৰাষ্ট্ৰপতি বাৰাক ওবামাৰ পৰা তেওঁ নেশ্যনেল হিউমেনিটিজ মেডেল গ্ৰহণ কৰিছে। উল্লেখ্য যে সেন হ'ল এই মেডেল লাভ কৰা প্রথমগৰাকী অনা-আমেৰিকান ব্যক্তি।

এগৰাকী শিক্ষাবিদ ৰূপে অমর্ত্য সেনে অসংখ্য বিষয় আলোচনা কৰিছে। এই অধ্যায়ত ইয়াৰে মাত্র দুটা গুৰুত্বপূর্ণ বিষয় আলোচনাৰ বাবে লোৱা হৈছে। ইয়াৰে এটা হ'ল (ক) স্বাধীনতাৰ ৰূপত উন্নয়ন আৰু আনটো হ'ল (খ) সন্ধানহীন মহিলা।

এই প্রধান বিষয় দুটাৰ মাধ্যমেৰে সেনে কেনেদৰে সমাজ আৰু ৰাজনীতিৰ মাজত থকা সম্পর্ক উপস্থাপন কৰিছে আমি সেয়া বুজাৰ চেষ্টা কৰিম।

১৩.৩ স্বাধীনতাৰ ৰূপত উন্নয়ন

অমর্ত্য সেনে বিভিন্ন প্রসংগত আলোচনা কৰা এটা গুৰুত্বপূর্ণ আৰু প্রাসংগিক বিষয় হ'ল স্বাধীনতা। তেওঁ এক মানৰীয় দৃষ্টিভংগীৰে স্বাধীনতাৰ বিষয়ে আলোচনা কৰি আহিছে। তেওঁ সদায় ইয়াক অনমনীয় বস্তুবাদী আর্হিৰ পৰা আঁতৰাই এক সুকীয়া মাত্রা হিচাপে আলোচনা কৰে। সেনৰ মতে উন্নয়ন হ'ল মানুহে উপভোগ কৰা স্বাধীনতাৰ আন আন ৰূপবোৰৰ এক সম্প্রসাৰণ। তেওঁ কৈছে যে উন্নয়নৰ পৰম্পৰাগত আর্হিবোৰে সর্বমুঠ ৰাষ্ট্ৰীয় উৎপাদন, ব্যক্তিগত আয় বৃদ্ধি, ঔদ্যোগিকীকৰণ, প্রযুক্তিগত অগ্রগতি অথবা সামাজিক আধুনিকীকৰণৰ ধাৰণাৰে উন্নয়নক বুজাৰ প্রয়াস কৰে। এই মাত্রাবোৰ স্বাধীনতাৰ একো একোটা অংশ যদিও স্বাধীনতা সমকালীনভাৰে আন বহুতো তাৎপর্যপূর্ণ দিশৰ ওপৰতো নির্ভৰশীল। এই মাত্রাবোৰে উন্নয়নৰ পৰম্পৰাগত মাত্রাবোৰ চেৰাই গৈ সামাজিক তথা অর্থনৈতিক বিন্যাস, নাগৰিক তথা ৰাজনৈতিক অধিকাৰ আদিৰ দৰে ধাৰণা কিছুমানক সামৰি লয়। এই ধাৰণাবোৰে ব্যক্তিগত তথা সামাজিক দুয়ো প্রকাৰৰ উন্নয়নতে একো একোটা প্রধান ভূমিকা পালন কৰে।

সেনৰ মতে উন্নয়ন মানে আচলতে হ'ল স্বাধীনতা। সকলো ধৰণৰ 'অ-স্বাধীনতা'ৰ মাত্রাৰ পৰাই উন্নয়নৰ ধাৰণাটোৱে মূৰ দাঙি উঠে। তেওঁ দৰিদ্রতা, আতংকময় পৰিৱেশ, দুর্বল অর্থনৈতিক সুবিধা, প্রণালীৱদ্ধ অর্থনৈতিক বঞ্চিতকৰণ, ৰাজহুৱা সা-সুবিধা গঢ়ি তোলাৰ প্রতি অৱহেলা আদিৰ দৰে 'অ-স্বাধীনতা'ৰ পৰা মানুহ তথা সমাজক মুক্ত কৰাৰ কথা কয়। তেওঁ আনকি অসহিষ্ণুতা আৰু দমনকাৰী ৰাষ্ট্ৰবোৰৰ প্রয়োজনাধিক হস্তক্ষেপকো 'অ-স্বাধীনতা' বুলি অভিহিত কৰিছে। সেনে স্বাধীনতা সম্পর্কে এনে এক মনন উপস্থাপন কৰাৰ প্রধান কাৰণ হ'ল তেওঁৰ মতে উন্নয়নৰ চালুকীয়া স্তৰত জনসাধাৰণক তেওঁলোকৰ মৌলিক অথবা প্রাথমিক

স্বাধীনতাবোৰ দিবলৈ অস্বীকাৰ কৰা হয় নাইবা তেনে স্বাধীনতা দিবলৈ কোনো মাস্তি নহয়। এনে পৰিস্থিতিত উন্নয়নৰ প্রয়োজনেইবা কি?

সেনৰ মতে ব্যক্তিভেদে 'অ-স্বাধীনতা'ই বেলেগ বেলেগ বঞ্চনাৰ কথা ক'ব পাৰে। কিছুমানে ইয়াক মৌলিক অর্থনৈতিক প্রয়োজনীয়তাৰ পৰা বঞ্চিত হোৱাৰ সৈতে মিলাব পাৰে, কিছুমানে ইয়াক খাদ্যৰ অভাৱ বুলি ভাবিব পাৰে আৰু আন কিছুমানে ইয়াক মৌলিক চিকিৎসা সুবিধাৰ লগতে অন্য সা-সুবিধাৰ পৰা বঞ্চিত হোৱাৰ সৈতে মিলাব পাৰে, কিছুমানৰ মতে ই উপযুক্ত বস্ত্রৰ অভাৱ, আন একাংশৰ মতে ই হ'ল অনাময় ব্যৱস্থা আৰু মৌলিক পৰিচ্ছন্নতা বর্তাই ৰাখিব পৰা সুবিধাৰ অভাৱ হ'ব পাৰে। 'অ-স্বাধীনতা'ৰ অন্য অর্থ হ'ব পাৰে ৰাজনৈতিক আৰু নাগৰিক অধিকাৰৰ পৰা বঞ্চিত হোৱা, বলপূর্বক নিষেধাজ্ঞা জাপি দিয়া আৰু দমনকাৰী ৰাষ্ট্রৰ প্রয়োজনাধিক হস্তক্ষেপ।

এনে আলোচনাৰ দ্বাৰা সেনে আলোকপাত কৰিব খোজা প্রধান দিশটো হ'ল এটা প্রক্রিয়া হিচাপে উন্নয়নে স্বাধীনতাৰ পৰিপূৰকৰ ভূমিকা ল'ব লাগে, ই স্বাধীনতা সীমিতকাৰী প্রক্রিয়া হ'ব নালাগে। এইটো কাৰণতে তেওঁ নিজৰ ধাৰণাটোক 'স্বাধীনতাৰ ৰূপত উন্নয়ন' (Development as freedom) নাম দিছে। ইয়াক আৰু বহলাই ব্যাখ্যা কৰি সেনে কৈছে যে দুটা কাৰণত স্বাধীনতাই উন্নয়নৰ প্রধান উপাদান হিচাপে কাম কৰি যায়। ইয়াৰে এটা হ'ল (ক) মূল্যাংকনকাৰী কাৰণ আৰু আনটো হ'ল (খ) ফলপ্রসূতা কাৰণ।

মূল্যাংকনকাৰী কাৰণ (Evaluative Reason)ৰ মতে অগ্রগতি এনেদৰে হোৱা উচিত যাতে আগৰে পৰা থকা স্বাধীনতাবোৰৰ পৰিসৰ ব্যাপক হৈ পৰে। অর্থাৎ, এক পৰিঘটনা হিচাপে উন্নয়নৰ দিশটো বিশ্লেষণ কৰিবলৈ উন্নয়নৰ মূল্যাংকনকাৰী সামর্থটো বিচাৰ কৰি চোৱাৰ সুবিধা থাকিব লাগিব। আনহাতে, ফলপ্রসূতা কাৰণে এয়া বুজায় যে উন্নয়নৰ সফলতা সম্পূর্ণৰূপে মানুহৰ অভিকৰণ নির্ভৰশীল। সেনৰ মতে এই দুয়োটা কাৰণৰে আন্তঃসম্পর্ক আছে আৰু দুয়োটাই মিলি 'স্বাধীনতাৰ ৰূপত উন্নয়ন' বুলি অভিহিত কৰা ধাৰণাটো প্রতিষ্ঠা কৰিছে। তেওঁ এয়াও কৈছে 'মুক্ত অভিকৰণ' (Free Agency) হ'ল উন্নয়নৰ গঠনকাৰী উপাদান। ই অন্য অভিকৰণবোৰ সুদৃঢ় কৰি তোলাত অৱদান আগবঢ়ায়। ব্যক্তিগত স্বাধীনতা আৰু সামাজিক উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ মাজত এক গুৰুত্বপূর্ণ সম্পর্ক আছে বাবে এনে অৱদানৰ গুৰুত্বও অপৰিসীম।

অমর্ত্য সেনে নিজৰ আলোচনাত গুৰুত্ব দিয়া বিষয়টো হ'ল স্বাধীনতাৰ মৌলিক মাত্রা। ইয়াৰ বাবে তেওঁ সর্বমুঠ ৰাষ্ট্রীয় উৎপাদন আৰু আয়ৰ দৰে দিশবোৰৰ উর্ধলৈ গৈ সামাজিক তথা ৰাজনৈতিক স্বাধীনতাৰ কথা উল্লেখ কৰিছে। তেওঁৰ আলোচনাত ৰাজনৈতিক অংশগ্রহণ আৰু অসহমতৰ স্বাধীনতা, প্রাথমিক শিক্ষা লাভৰ সুযোগ আদিৰ দৰে বিষয়ে স্থান পাইছে। কাৰণ, এইবোৰ হ'ল উন্নয়ন সম্ভৱ কৰি তুলিব পৰা গঠনমূলক উপাদানবোৰৰ অংশ। এই দিশবোৰে অর্থনৈতিক উন্নয়ন সম্ভৱ আৰু ব্যাপক কৰি তোলে। এই দিশবোৰেহে আমি সাধাৰণভাৱে বুজি পোৱা অর্থনৈতিক উন্নয়নৰ ছবিখন দৃশ্যমান কৰি তোলে।

সেনে নিজৰ ধাৰণাবোৰ ব্যাখ্যা কৰাৰ সময়ত বিভিন্ন উদাহৰণৰ সহায় লৈছে। এনে এটা উদাহৰণ দাঙি ধৰি তেওঁ কৈছে যে আমেৰিকা যুক্তৰাষ্ট্ৰত বাস কৰা শ্বেতাংগ আমেৰিকানসকলতকৈ আফ্ৰিকান আমেৰিকান বাসিন্দাসকল আৰ্থিক দিশত আপেক্ষিকভাৱে দুৰ্বল। কিন্তু একে সময়তে আফ্ৰিকান আমেৰিকানসকল তৃতীয় বিশ্বৰ বাসিন্দাতকৈ যথেষ্ট ধনী। সেনে আলোকপাত কৰা আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল আৰ্থিক স্বচ্ছলতা সত্বেও কিন্তু আফ্ৰিকান আমেৰিকানসকল ভাৰত নাইবা শ্ৰীলংকাৰ দৰে তৃতীয় বিশ্বৰ বাসিন্দাৰ সৈতে আয়ুসৰ ফালেদি ফেৰ মাৰিব নোৱাৰে। কাৰণ, তেওঁলোকৰ বাৰ্ধক্য জীৱন উপভোগ কৰিবলৈ পোৱাৰ আশা তেনেই ক্ষীণ। উন্নয়ন বিশ্লেষণ অথবা উন্নয়নৰ দৃষ্টিভংগী সমালোচনা কৰাৰ সময়ত সেনে এই উদাহৰণ ব্যৱহাৰ কৰিছে। ধনী দেশবোৰৰ 'আভ্যন্তৰীণ ব্যক্তিগোট'বোৰে প্ৰদৰ্শন কৰা এনে বৈসাদৃশ্যৰ বাবে উন্নয়ন বিশ্লেষণবোৰে প্ৰকৃত ছবিখন উপস্থাপন কৰিব নোৱাৰে। কিন্তু ই হ'ল উন্নয়ন আৰু অনুন্নয়ন বুজাৰ এটা গুৰুত্বপূৰ্ণ মাত্ৰা।

সেনে আলোচনা কৰা আন এটা বিষয় হ'ল অৰ্থনৈতিক স্বাধীনতা। কথাটো ব্যাখ্যা কৰাৰ সময়ত তেওঁ কৈছে যে বজাৰ হ'ল উন্নয়ন প্ৰক্ৰিয়াৰ এক এৰাব নোৱাৰা অংশ। কিন্তু বজাৰক কেৱল ইয়াৰ ব্যুৎপত্তিগত অৰ্থত বিচাৰ কৰি চোৱাটো ভুল হ'ব। আদাম স্মিথৰ উদ্ধৃতি দি তেওঁ কৈছে যে বিনিময় প্ৰক্ৰিয়া, লেন-দেন প্ৰক্ৰিয়া নাইবা ব্যৱসায়ত অংশগ্ৰহণৰ স্বাধীনতা হ'ল ব্যক্তিয়ে উপভোগৰ সুযোগ পোৱা মৌলিক স্বাধীনতাৰ তাৎপৰ্যপূৰ্ণ উপাদান।

ওপৰৰ আলোচনাৰ পৰা বুজা গ'ল যে অমর্ত্য সেনে উপস্থাপন কৰা স্বাধীনতাৰ ৰূপত উন্নয়নৰ ধাৰণাটোৱে উন্নয়নক এটা সর্বাত্মক ধাৰণাৰূপে প্ৰতিষ্ঠিত কৰাইছে। ইয়াত বিভিন্ন সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক দিশ সাঙোৰ খাই আছে। উন্নয়নৰ ই এক বহল দৃষ্টিভংগী। ই বজাৰ, বজাৰৰ সৈতে সম্পৰ্ক থকা অন্য প্ৰতিষ্ঠান, চৰকাৰ, স্থানীয় কৰ্তৃপক্ষ, ৰাজনৈতিক দল, শৈক্ষিক অনুষ্ঠান, মুক্ত মতামত আৰু বিতৰ্ক, সাধাৰণ ব্যক্তিয়ে বুজি পোৱা আলোচনা আদি দিশৰ মাজত আন্তঃযোগসূত্ৰ স্থাপন কৰে। উন্নয়নৰ এনে সংহত আৰ্হিয়ে মানুহ আৰু সমাজ উভয়কে সেইবোৰ সামাজিক প্ৰমূল্য তথা পৰম্পৰা স্বীকাৰ কৰাত সহায় কৰে যিবোৰে মানুহে উপভোগ কৰি থকা আৰু উপভোগৰ অভিলাষ কৰা স্বাধীনতাত প্ৰভাৱ পেলায়। সেনে আলোকপাত কৰা দিশবোৰে লৈংগিক সমতা স্থাপন, শিশুৰ যত্ন, পৰিয়ালৰ আকাৰ নিৰ্ধাৰণ, সন্তান জন্ম দিয়াৰ আৰ্হি, পৰিৱেশৰ প্ৰতি দেখুওৱা মনোভাৱ, দুৰ্নীতি আদি বিষয়ক প্ৰভাৱিত কৰাৰ লগতে অৰ্থনৈতিক-সামাজিক-ৰাজনৈতিক সম্পৰ্কবোৰত বিশ্বাস স্থাপনৰ ধাৰণাটোকো প্ৰভাৱিত কৰে।

সেনে এই ধাৰণাবোৰ আৰু বহলকৈ আলোচনা কৰি ইয়াত আনুষ্ঠানিক আৰু সহায়ক স্বাধীনতাৰ ধাৰণা দুটা যোগ দিছে। তেওঁৰ মতে বিশেষকৈ পৰীক্ষামূলক অধ্যয়নৰ দিশেৰে পাঁচবিধ স্বাধীনতাক সহায়ক স্বাধীনতা (instrumental freedom) বুলি ক'ব পাৰি। সেইবোৰ হ'ল-

(ক) ৰাজনৈতিক স্বাধীনতা

(খ) অর্থনৈতিক সা-সুবিধা

(গ) সামাজিক সা-সুবিধা

(ঘ) কাম-কাজত স্বচ্ছতাৰ নিশ্চয়তা

(ঙ) নিৰাপত্তাদায়ী সুৰক্ষা

সেনৰ মতে এনে স্বাধীনতাৰ প্রতিটো দিশেই ব্যক্তিৰ সাধাৰণ সামর্থ বৃদ্ধি কৰে। এই দিশবোৰ এটা আনটোৰ প্রতিপূৰক। সেনে অনুষ্ঠানৰ পটভূমিত এই দিশবোৰ আলোচনা কৰিছে। কাৰণ, সমাদৰ কিছুমান অনুষ্ঠানৰ সৈতে এইবোৰৰ সম্পর্ক থাকে নাইবা এইবোৰ ব্যক্ত কৰা হয়।

সমসাময়িক বিশ্বত স্বাধীনতাৰ ৰূপত উন্নয়নৰ ধাৰণাটো প্রাসংগিক বুলি গণ্য ক ৰা হয়। কাৰণ, সেনৰ মতে স্বাধীনতা হ'ল উন্নয়নৰ প্রধান লক্ষ্য আৰু উপায়। স্বাধীনতাৰ ৰূপত উন্নয়নৰ ধাৰণাটোৰে সেনে পৰীক্ষামূলক সংযোগ তথা মূল্যাংকনসাধ্য অগ্রাধিকাৰবোৰৰ মাজত এক সমন্বয় সাধন কৰি উন্নয়নৰ এটা সর্বাত্মক আৰু বহনক্ষম ধাৰণা নির্মাণৰ পোষকতা কৰিছে।

১৩.৪ সন্ধানহীন মহিলা

১৯৯০ চনৰ ডিচেম্বৰ মাহত The New York Review of Books-ত অমর্ত্য সেনে লিখা প্রৰন্ধ এটাৰ শিৰোনাম হ'ল 'More than 100 Million Women are Missing' । প্রৰন্ধটোত এটা প্রাসংগিক আৰু অত্যন্ত তাৎপর্যপূর্ণ সমস্যা আলোচনা কৰা হৈছে। মহিলা সন্ধানহীন হৈ পৰাৰ সমস্যা। এচিয়াৰ দেশবোৰত ই এক উলাই কৰিব নোৱাৰা বিষয় হৈ পৰিছে। প্রৰন্ধটোৰ দ্বাৰা লাহে লাহে অৱনতি ঘটা মহিলাৰ লিংগ অনুপাতটোলৈ আঙুলিয়াই দেখুওৱা হৈছে। উন্নয়নশীল দেশবোৰৰ ক্ষেত্রত ই বিশেষভাৱে উদ্বেগজনক সমস্যা হৈ পৰিছে। ধাৰণাটো আলোচনা কৰি সেনে কৈছে যে ইয়াৰ একেবাৰে সাধাৰণ কাৰণটো হ'ল সমাজে মহিলাক কৰা ঘোৰ উপেক্ষা আৰু আওকাণ। তেওঁৰ অনুমান অনুসৰি প্রধানকৈ লিংগ বৈষম্যৰ বাবেই পৃথিৰীৰ প্রায় এশ মিলিয়ন মহিলা সন্ধানহীন হৈছে।

সেনে সাংস্কৃতিক প্রভেদক এই পৰিঘটনাৰ প্রধান কাৰণ বুলি কৈছে। ছোৱালী সন্তানতকৈ ল'ৰা সন্তানক অধিক গুৰুত্ব দিয়া আৰু আন বহুতো প্রচলিত পৰম্পৰাই পুৰুষৰ আপাতঃ শ্রেষ্ঠত্ব নির্ধাৰণ কৰাটোৱেই হ'ল এই সমস্যাৰ মূল কাৰণ।

এণ্ডার্চন আৰু ৰে'ই কৰা কিছুমান অনুসন্ধানমূলক আৰু পৰৱর্তী তথ্য সংগ্রহ অভিযানৰ পৰা এই কথা পোহৰলৈ আহিছে যে মাত্রাধিক মহিলা মৃত্যুহাৰ হ'ল এক বিশ্বজনীনভাৱে প্রতিষ্ঠিত পৰিঘটনা। ভাৰত আৰু চীনৰ দৰে দেশবোৰত সকলো বয়সৰ মহিলাৰ ক্ষেত্রতে ই সত্য। দুয়োগৰাকী গৱেষকে বয়স আৰু মৃত্যুৰ কাৰণ উল্লেখ কৰি সন্ধানহীন মহিলাৰ এক বিস্তৃত তথ্য উপস্থাপন কৰিছে। মূলতঃ অশনি সংকেতৰ ইংগিত বহনকাৰী এই বিশ্লেষণৰ পৰা গম পোৱা গৈছে যে ভাৰতত 'উদ্দেশ্য প্রণোদিত আঘাত' বা প্রতিবিদিত হিংসাৰ ফলত মহিলাৰ মৃত্যুৰ সংখ্যা উদ্বেগজনকভাৱে অধিক।

বিশ্বৰ এই অংশৰ মহিলাৰ সংখ্যা ইউৰোপীয় দেশবোৰৰ মহিলাৰ সংখ্যাৰ সৈতে তুলনা কৰি সেনে কৈছে যে -" ইউৰোপ, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু জাপানত মহিলা বিভিন্ন ধৰণৰ বৈষম্যৰ বলি হোৱা সত্বেও (যেনে- উচ্চ শিক্ষা লাভৰ বাবে কোনো বিশেষ সা-সুবিধা নোপোৱা, বৃত্তিগত বুৎপত্তি প্ৰদৰ্শনৰ সুযোগ নোপোৱা, জ্যেষ্ঠ কাৰ্যবাহী বিষয়া হিচাপে পদোন্নতি লাভ নকৰা ইত্যাদি) পুৰুষতকৈ মহিলাৰ সংখ্যা যথেষ্ট বেছি। এই দেশবোৰত মৌলিক পৰিপুষ্টি আৰু স্বাস্থ্য যত্নৰ দিশত মহিলাসকল কোনো বৈষম্যৰ বলি হ'বলগীয়া নহয় বুলি ক'ব পাৰি। এই দেশবোৰত মহিলাৰ সংখ্যা অধিক হোৱাৰ আংশিক কাৰণ হ'ল সামাজিক আৰু পাৰিপাৰ্শ্বিক প্ৰভেদ যিবোৰে পুৰুষৰ মৃত্যুহাৰ বৃদ্ধি কৰিছে। যেনে- এই দেশবোৰৰ পুৰুষৰ হিংসাত্মক কাৰ্যকলাপ আৰু ধূম্ৰপানৰ দৰে কামৰ বাবে সোনকালে মৃত্যু ঘটাৰ সম্ভাৱনা প্ৰৱল। কিন্তু এই দিশবোৰ বিবেচনা কৰাৰ পাছতো আন কিছুমান দিশলৈ মন দিব লাগে। যেনে- সমান যত্ন আৰু পুষ্টি লাভ কৰা মহিলাই পুৰুষতকৈও অধিক দীঘলীয়া জীৱনকাল উপভোগ কৰা দেখা যায়, যাৰ কাৰণ হ'ল জন্মগতভাৱে মহিলাৰ ৰোগ প্ৰতিৰোধ ক্ষমতা পুৰুষতকৈ বেছি। মহিলাতকৈ পুৰুষৰ জন্মহাৰৰ বাৰংবাৰতা অধিক হোৱাটোক ক্ৰমবিৱৰ্তন প্ৰক্ৰিয়াৰ সৈতে যুক্ত কৰা হয় যদিও মহিলাৰ এই বৰ্তি থকাৰ উচ্চ সম্ভাৱনা হাৰ প্ৰদৰ্শন কৰাটোক কিহৰ সৈতে যুক্ত কৰিব পৰা যায় সেয়া আন এক অধ্যয়নৰ বিষয়। কাৰণ, জীৱন আৰু মৃত্যু বিষয়ক প্ৰাকৃতিক কথাবোৰত কম-বেছি পৰিমাণে একে পৰিস্থিতিৰ মুখামুখি হোৱাৰ পাছতো একে বয়স গোটৰ পুৰুষতকৈ মহিলাৰ মৃত্যুহাৰ কম" (সেন, ১৯৯০)।

সেনে ইউৰোপীয় দেশ আৰু উন্নয়নশীল দেশবোৰৰ মহিলাসকলৰ পৰিস্থিতি তুলনা কৰিবলৈ এই ধাৰণাটো ব্যৱহাৰ কৰিছিল। ওপৰৰ দফাটো পঢ়ি আমি গম পালোঁ যে ইউৰোপীয় দেশবোৰত মহিলাই মুখামুখি হোৱা পৰিস্থিতি আৰু এচিয়া তথা উত্তৰ আমেৰিকাৰ মহিলাসকলে মুখামুখি হোৱা পৰিস্থিতিৰ মাজত যথেষ্ট পাৰ্থক্য আছে। এচিয়া আৰু উত্তৰ আমেৰিকাৰ মহিলা যথোপযুক্ত স্বাস্থ্য আৰু চিকিৎসা যত্নৰ পৰা বঞ্চিত। তেওঁলোকে পৰ্যাপ্ত আহাৰ খাবলৈ নাপায় আৰু পুষ্টিহীনতাত ভোগে। এইবোৰ কাৰণতে এই অঞ্চলবোৰত পুৰুষতকৈ মহিলাৰ মৃত্যুহাৰ অধিক।

আলোচনাৰ বাবে লোৱা সমস্যাটোক সমসাময়িক যুগৰ উন্নয়নশীল বিশ্বই সন্মুখীন হ'বলগীয়া হোৱা এটা গুৰুত্বপূৰ্ণ সমস্যা বুলি গণ্য কৰা হয়। ধাৰণাটো উপস্থাপন কৰাৰ উদ্দেশ্য আছিল ৰাজহুৱা নীতি আৰু ৰাজনৈতিক কাৰ্যৰ দ্বাৰা ইয়াৰ সৈতে জড়িত সমস্যাটো সমাধানকাৰী উদ্যমবোৰক উদ্বুদ্ধ কৰা নাইবা আন নহ'লেও সমাধানৰ চেষ্টা কৰা।

ভাৰতত মহিলা মৃত্যুহাৰক প্ৰভাৱিত কৰা এটা গুৰুতৰ কাৰণ কন্যাভ্ৰূণ হত্যা। ইয়াৰ ফলত দেশত কিশোৰ-কিশোৰীৰ লিংগ অনুপাততো এক গুৰুতৰ অসমতাৰ সৃষ্টি হৈছে। সবাতোকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল কন্যাভ্ৰূণ হত্যাৰ বিষয়টো এটা স্থানীয় সমস্যা বুলি গণ্য কৰা হয়। ভবা হয় যে সময় পাৰ হোৱাৰ লগে লগে এই অনুশীলন লাহে লাহে কমিবলৈ ধৰিছে।

কিন্তু বাস্তৱ ক্ষেত্ৰত চলা বহুতো অধ্যয়নত ইয়াৰ বিপৰীত ছবি এখনহে দেখিবলৈ পোৱা গৈছে। গৱেষক সকলৰ মতে দেশৰ উত্তৰ আৰু পশ্চিমৰ প্ৰদেশবোৰত, দক্ষিণৰ প্ৰদেশবোৰৰ পুঞ্জীভূত জনসংখ্যাৰ মাজত, নতুন ভৌগলিক অঞ্চলত আৰু ব্ৰাহ্মণসকলৰ পৰা ৰাজপুতসকললৈ এই অনুশীলন বৃদ্ধি পাইছে।

সন্ধানহীন মহিলা সম্পৰ্কে অমর্ত্য সেনে আগবঢ়োৱা ধাৰণাই সাধাৰণ অর্থত এগৰাকী মহিলাই নিজৰ জীৱনকালত মুখামুখি হোৱা বঞ্চনাৰ বহুমাত্ৰিক তৰপবোৰে সৃষ্টি কৰা সামগ্ৰিক প্ৰভাৱৰ কথা সূচায়। এই বঞ্চনাবোৰে মহিলাৰ ব্যক্তিত্ব হ্ৰাস কৰে আৰু সংখ্যাও কম কৰে।

ইয়াৰ দ্বাৰা তাৎপর্যপূর্ণভাৱে সেনে এটা জনপ্ৰিয় আৰু সততে দাবী কৰা বিশ্বাস নসাৎ কৰিছে। এই বিশ্বাসটো হ'ল সমগ্ৰ বিশ্বৰ মুঠ জনসংখ্যাৰ অর্ধশতাংশ মহিলা। আচলতে ই এক ভ্ৰান্ত ধাৰণাৰ বাদে আন একো নহয়। বাস্তৱত সমগ্ৰ পৃথিৱীতে পুৰুষৰ তুলনাত মহিলাৰ সংখ্যা যথেষ্ট কম। সেনে এই বিষয়টোৰ এক সমালোচনাত্মক বিশ্লেষণ আগবঢ়াইছে আৰু সদৰি কৰিছে যে দেশবোৰৰ অর্থনৈতিক কাৰণ অথবা উন্নতিয়ে সদায় ইয়াৰ মহিলাসকলৰ সামাজিক প্ৰস্থিতিৰ সঁচা ছবিখন প্ৰদর্শন নকৰে। দেশ এখনৰ মহিলাৰ সামাজিক স্থিতি ইয়াৰ সামাজিক গাঁথনিটোক নির্ভৰ কৰি গঢ় লৈ উঠে। একেদৰে, সামাজিক পৰিস্থিতিবোৰে সমাজত প্ৰচলিত লিংগ বৈষম্যবোৰৰ ধৰণ-কৰণ তথা এইবোৰৰ স্থায়িত্ব নিৰূপণ কৰে।

নিজৰ কথা আৰু যুক্তিৰ সত্যতা প্ৰতিপন্ন কৰিবলৈ সেনে বিভিন্ন পৰিসংখ্যাৰ সহায় লৈছে। সমস্যাটোৰ প্ৰকৃত গভীৰতা আৰু বহুমাত্ৰিক ৰূপটো মূল্যায়ন কৰাৰ বাবে পৰিসংখ্যাৰ ব্যৱহাৰ প্ৰয়োজনীয়।

১৯৯০ চনত সেনে কৰা এক অনুমান অনুসৰি সমগ্ৰ বিশ্বত প্ৰায় ১০০ মিলিয়ন মহিলা সন্ধানহীন হৈ আছে। ইয়াৰ প্ৰায় ২৫ বছৰৰ পাছত ২০১৪ চনত সামাজিক অনুষ্ঠান আৰু লিংগ সূচ্যাংক (Social Institutions and Gender Index)এ বাহিৰ কৰা তথ্যৰ সৈতে ইয়াৰ মিল দেখা গৈছে। তথ্য মতে সমগ্ৰ বিশ্বৰ প্ৰায় ৯০ মিলিয়নতকৈও অধিক মহিলা সন্ধানহীন হৈ আছে। ইয়াৰে প্ৰায় ৮০ শতাংশ মহিলাই ভাৰত আৰু চীনৰ নাগৰিক (OECD Development Centre, 2014)। ২০১০ চনৰ জনসংখ্যা গাঁথনিভিত্তিক সমীক্ষাৰ আধাৰত UNFPA (2012)এ কৰা এক মূল্যায়ন অনুসৰি সন্ধানহীন মহিলাৰ সংখ্যাই ১১৭ মিলিয়নৰ ঘৰ অতিক্ৰম কৰিছে।

ভাৰতৰ ২০১১ চনৰ লোকপিয়লত আন এক উদ্বেগজনক তথ্য পোহৰলৈ আহিছে। এই তথ্য অনুসৰি শিশু লিংগৰ অনুপাতৰ পৰা গম পোৱা যায় যে দেশত প্ৰতি ১০০০ জন পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা হ'ল মাত্ৰ ৯১৪ গৰাকী। ২০০১ চনত এই সংখ্যা আছিল ৯২৭ গৰাকী। ২০০০ ৰ দশকটোত কন্যাভ্ৰূণ হত্যা নাইবা গর্ভপাতৰ সংখ্যা ৩.১ মিলিয়নৰ পৰা ৬ মিলিয়নলৈ বৃদ্ধি পাইছে।

চীনৰ গ্ৰামাঞ্চলত কৰা আন এক সমীক্ষা অনুসৰি ৩৬ শতাংশ বিবাহিতা মহিলাই কৈছে যে তেওঁলোকে ভ্ৰূণৰ লিংগ গম পোৱাৰ পাছত গর্ভপাত কৰাবলগীয়া হৈছে। ২০০৭ চনলৈ

চীনৰ প্ৰায় ৪২.৬ মিলিয়ন মহিলা সন্ধানহীন হৈ থকাৰ কথা গম পোৱা গৈছে (SIGI website)। চীনত মহিলা সন্ধানহীন হোৱাৰ পৰিমাণ যথেষ্ট অধিক আৰু ২০১২ চনৰ পৰা পূৱ এচিয়া তথা প্ৰশান্ত মহাসাগৰ অঞ্চলত এই সংখ্যা ক্ৰমে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে (OECD Development Centre,2014).

(http://www.wikigender.org/wiki/missing-women/retrieved 10.5.17)



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অমর্ত্য সেনে কোৱা মূল্যাংকনকাৰী কাৰণ আৰু ফলপ্ৰসূতা কাৰণৰ ধাৰণা দুটা বৰ্ণনা কৰক।

প্ৰশ্ন নং ২ ঃ ব্যক্তিৰ সাধাৰণ সামৰ্থ বৃদ্ধি কৰাৰ বাবে প্ৰয়োজনীয় স্বাধীনতা পাঁচটা কি কি?

প্ৰশ্ন নং ৩ ঃ সেনে লিখা-মেলা কৰা কেইটমান গুৰুত্বপূৰ্ণ বিষয়ৰ নাম উল্লেখ কৰক।



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বৰেণ্য বিদ্বান অমর্ত্য সেনে সমাজ বিজ্ঞান আৰু অর্থনীতি বিজ্ঞান বিষয়ক বিভিন্ন দিশলৈ তাৎপর্যপূর্ণ অৱদান আগবঢ়াইছে।
- কল্যাণমূলক অর্থনীতি, সামাজিক পছন্দ তত্ত্ব, অর্থনৈতিক আৰু সামাজিক ন্যায়, দুর্ভিক্ষৰ অর্থনৈতিক তত্ত্ব আৰু উন্নয়নশীল দেশবোৰৰ নাগৰিকৰ কল্যাণৰ মাত্রা জোখাৰ সূচ্যাংকসমূহ আদি হ'ল সেনে বিস্তৃতভাৱে লিখা-মেলা কৰা কেইটামান উল্লেখযোগ্য বিষয়।
- সেনে ১৯৯৮ চনত অর্থনীতি বিজ্ঞানলৈ আগবঢ়োৱা বৰঙণিৰ বাবে নোবেল স্মাৰক বঁটা লাভ কৰিছিল। এই বিষয়ত নোবেল বঁটাৰে সন্মানিত হোৱা তেওঁ হ'ল এচিয়া মহাদেশৰ প্ৰথমগৰাকী ব্যক্তি।
- কল্যাণমূলক অর্থনীতি বিষয়ত তেওঁ কৰা কার্যৰ স্বীকৃতি হিচাপে ১৯৯৯ চনত সেনক ভাৰত ৰত্ন বঁটাৰে সন্মানিত কৰা হৈছে। এই একেটা বিষয়ৰ বাবেই তেওঁক গ্ৰেট বৃটেইনৰ ৰয়েল একাডেমীত আয়োজিত এক ভব্য অভ্যর্থনা অনুষ্ঠানত ২০১৫ চনৰ পৰা দিবলৈ আৰম্ভ কৰা প্ৰথমটো চার্লচ্‌ট'ন-ইএফজি জ'ন মে'নার্ড কীনচ্ বঁটাৰে সন্মান যঁচা হৈছে। ২০১২ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সেই সময়ৰ ৰাষ্ট্রপতি বাৰাক ওবামাৰ পৰা তেওঁ নেশ্যনেল হিউমেনিটিজ মেডেল গ্রহণ কৰিছে। উল্লেখ্য যে সেন হ'ল এই মেডেল লাভ কৰা প্ৰথমগৰাকী অনা-আমেৰিকান ব্যক্তি।

- সেনৰ মতে উন্নয়ন মানে আচলতে হ'ল স্বাধীনতা। সকলো ধৰণৰ 'অ-স্বাধীনতা'ৰ মাত্ৰাৰ পৰাই উন্নয়নৰ ধাৰণাটোৱে মূৰ দাঙি উঠে। তেওঁ দৰিদ্ৰতা, আতংকময় পৰিৱেশ, দুৰ্বল অৰ্থনৈতিক সুবিধা, প্ৰণালীৱদ্ধ অৰ্থনৈতিক বঞ্চিতকৰণ, ৰাজহুৱা সা-সুবিধা গঢ়ি তোলাৰ প্ৰতি অৱহেলা আদিৰ দৰে 'অ-স্বাধীনতা'ৰ পৰা মানুহ তথা সমাজক মুক্ত কৰাৰ কথা কয়।
- অমর্ত্য সেনে এক মানৱীয় দৃষ্টিভংগীৰে স্বাধীনতাৰ বিষয়ে আলোচনা কৰি আহিছে। অধ্যায়টিত আলোচিত দুয়োটা বিষয়েই সমসাময়িক সামাজিক তথা অৰ্থনৈতিক সমস্যাবোৰত আলোকপাত কৰিবলৈ আৰু কিছুমান সমাধান সূত্ৰ আগবঢ়াবলৈ সেনে গ্ৰহণ কৰা পদ্ধতিবোৰ বুজাত আমাক সহায় কৰিছে। তেওঁ স্বাধীনতাৰ ৰূপত উন্নয়নৰ ধাৰণাটোত উন্নয়নৰ এক সমন্বিত আৰু বিস্তৃত অৰ্থত আলোকপাত কৰিছে। একেদৰে, সন্ধানহীন মহিলা বিষয়ক গৱেষণা পত্ৰখনত তেওঁ আন এক অত্যন্ত তাৎপৰ্যপূৰ্ণ সমস্যাৰ অৱতাৰণা কৰিছে।
- এগৰাকী অৰ্থনীতিবিদ হিচাপে সেনে সামাজিক আৰু অৰ্থনৈতিক দৃষ্টিভংগীবোৰৰ মাজত থকা সমস্যাবোৰ বুজাৰ প্ৰয়াস কৰিছে। তেওঁ এই কথাত জোৰ দিছে যে অৰ্থনীতিয়ে বিচ্ছিন্নভাৱে কাম নকৰে আৰু সমাজ তথা সামাজিক গাঁথনি উভয়েই সামাজিক তথা অৰ্থনৈতিক পৰিঘটনাবোৰৰ তাৎপৰ্যপূৰ্ণ নিৰ্ণায়ক হিচাপে কাম কৰে। এই সমসাময়িক সমস্যাবোৰৰ সমাধান উলিয়াবলৈ আনুষ্ঠানিক পৰ্যায়ত পৰিৱৰ্তন ঘটিব লাগিব। নীতি পৰিৱৰ্তন আৰু পৰিৱৰ্তিত ৰাজনৈতিক কাম-কাজৰ দ্বাৰাহে আমাৰ সমাজবোৰক অধিক সমতাবাদী আৰু মানৱীয় ভেটিত প্ৰতিষ্ঠিত কৰাব পৰা যাব।



১৩.৬ অধিক জানিবলৈ

১) Sen, Amartya, The Idea of Justice, (2009), Harvard University Press.
২) Sen and Dreze, HUnger and Public Action, 1989, Oxford University Press.



১৩.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ মূল্যাংকনকাৰী কাৰণৰ মতে অগ্ৰগতি এনেদৰে হোৱা উচিত যাতে আগৰে পৰা থকা স্বাধীনতাবোৰৰ পৰিসৰ ব্যাপক হৈ পৰে। অৰ্থাৎ, এক পৰিঘটনা হিচাপে উন্নয়নৰ দিশটো বিশ্লেষণ কৰিবলৈ উন্নয়নৰ মূল্যাংকনকাৰী সামৰ্থটো বিচাৰ কৰি চোৱাৰ সুবিধা

থাকিব লাগিব। আনহাতে, ফলপ্রসূতা কাৰণে এয়া বুজায় যে উন্নয়নৰ সফলতা সম্পূর্ণৰূপে মানুহৰ অভিকৰণ নির্ভৰশীল। সেনৰ মতে এই দুয়োটা কাৰণৰে আন্তঃসম্পর্ক আছে আৰু দুয়োটাই মিলি 'স্বাধীনতাৰ ৰূপত উন্নয়ন' বুলি অভিহিত কৰা ধাৰণাটো প্রতিষ্ঠা কৰিছে। তেওঁ এয়াও কৈছে 'মুক্ত অভিকৰণ' (Free Agency) হ'ল উন্নয়নৰ গঠনকাৰী উপাদান। ই অন্য অভিকৰণবোৰ সুদৃঢ় কৰি তেলাত অৱদান আগবঢ়ায়। ব্যক্তিগত স্বাধীনতা আৰু সামাজিক উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ মাজত এক গুৰুত্বপূর্ণ সম্পর্ক আছে বাবে এনে অৱদানৰ গুৰুত্বও অপৰিসীম।

২ নং প্রশ্নৰ উত্তৰ ঃ অমর্ত্য সেনৰ মতে বিশেষকৈ পৰীক্ষামূলক অধ্যয়নৰ দিশেৰে পাঁচবিধ স্বাধীনতাক সহায়ক স্বাধীনতা (instrumental freedom) বুলি ক'ব পাৰি। সেইবোৰ হ'ল-

(ক) ৰাজনৈতিক স্বাধীনতা
(খ) অর্থনৈতিক সা-সুবিধা
(গ) সামাজিক সা-সুবিধা
(ঘ) কাম-কাজত স্বচ্ছতাৰ নিশ্চয়তা
(ঙ) নিৰাপত্তাদায়ী সুৰক্ষা

সেনৰ মতে এনে স্বাধীনতাৰ প্রতিটো দিশেই ব্যক্তিৰ সাধাৰণ সামর্থ বৃদ্ধি কৰে। এই দিশবোৰ এটা আনটোৰ প্রতিপূৰক।

৩ নং প্রশ্নৰ উত্তৰ ঃ কল্যাণমূলক অর্থনীতি, সামাজিক পছন্দ তত্ত্ব, অর্থনৈতিক আৰু সামাজিক ন্যায়, দুর্ভিক্ষৰ অর্থনৈতিক তত্ত্ব আৰু উন্নয়নশীল দেশবোৰৰ নাগৰিকৰ কল্যাণৰ মাত্রা জোখাৰ সূচ্যাংকসমূহ আদি হ'ল সেনে বিস্তৃতভাৱে লিখা-মেলা কৰা কেইটামান উল্লেখযোগ্য বিষয়।



১৩.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ অমর্ত্য সেনে উপস্থাপন কৰা স্বাধীনতাৰ ৰূপত উন্নয়নৰ ধাৰণাটো সমালোচনামূলক দৃষ্টিভংগীৰে আলোচনা কৰক।

প্রশ্ন ২ ঃ সন্ধানহীন মহিলা সন্দর্ভত সেনৰ দৃষ্টিভংগী ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ ভাৰতীয় ৰাজনৈতিক চিন্তা জগতলৈ অমর্ত্য সেনে আগবঢ়োৱা বৰঙণি বিশ্লেষণ কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ অম্বিকাগিৰি ৰায়চৌধুৰী

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ অম্বিকাগিৰি ৰায়চৌধুৰীৰ জীৱনৰ আগকালছোৱাৰ চমু ইতিহাস
১৪.৪ অম্বিকাগিৰি ৰায়চৌধুৰীৰ সাহিত্যিক অৱদান
১৪.৫ অম্বিকাগিৰি আৰু ভাৰতৰ স্বাধীনতা সংগ্ৰাম
১৪.৬ অম্বিকাগিৰি আৰু মানৱতাবাদ
১৪.৭ স্বাধীনতা আৰু ৰাষ্ট্ৰ সম্পৰ্কে অম্বিকাগিৰিৰ দৃষ্টিভংগী
১৪.৮ অসমীয়া জাতীয়তাবাদ সম্পৰ্কে অম্বিকাগিৰিৰ দৃষ্টিভংগী
১৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.১০ অধিক জানিবলৈ
১৪.১১ অগ্ৰগতিৰ খতিয়ান
১৪.১২ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- অম্বিকাগিৰি ৰায়চৌধুৰীৰ জীৱনৰ এক চমু ইতিহাস উপস্থাপন কৰিব পাৰিব।
- অসমৰ সামাজিক-সাংস্কৃতিক আৰু ৰাজনৈতিক জীৱনলৈ অম্বিকাগিৰিয়ে আগবঢ়োৱা অৱদান বিশ্লেষণ কৰিব পাৰিব
- মানৱতাবাদ আৰু জাতীয়তাবাদ সম্পৰ্কে অম্বিকাগিৰিৰ দৃষ্টিভংগী আলোচনা কৰিব পাৰিব
- ভাৰতৰ স্বাধীনতা সংগ্ৰামত অম্বিকাগিৰিয়ে পালন কৰা ভূমিকা বৰ্ণনা কৰিব পাৰিব।

১৪.২ পৰিচয়

অসমৰ সমাজ জীৱনৰ এক অতুলনীয় ব্যক্তিত্বৰ নাম হ'ল অম্বিকাগিৰি ৰায়চৌধুৰী। অসমীয়াৰ মন-প্ৰাণত অবিৰতভাৱে জাতীয়তাবাদৰ উন্মেষ ঘটোৱাৰ কামত নিজকে সমৰ্পণ কৰা এইগৰাকী মহান দেশপ্ৰেমিকক ৰাইজে 'অসম কেশৰী' (অসমৰ সিংহ) উপাধিৰে সন্মান যাঁচিছিল। ঊনবিংশ শতিকাৰ শেষাৰ্ধত জন্মলাভ কৰা অম্বিকাগিৰি আছিল দেশৰ নামত আত্মাহুতি দিবলৈ অকণো কুণ্ঠাবোধ নথকা এমুঠিমান জাতীয়তাবাদীৰ মাজৰ এজন। 'জাতি-মাটি আৰু মানুহ' (জাতি, ভৌগলিক সাৰ্বভৌমত্ব আৰু খিলঞ্জীয়া বাসিন্দা)ৰ ৰক্ষণাবেক্ষণৰ বাবে অনবৰতে সৰৱ

নেতাৰূপে অম্বিকাগিৰিয়ে মচিব নোৱাৰা সাঁচ ৰাখি থৈ গৈছে। তেওঁৰ চিন্তা আৰু দৰ্শনত অসমীয়া জাতীয়তাবাদক সকলো সময়তে আগত ৰাখি নিৰ্মাণ কৰা আন্তৰ্জাতিক মানৱ ভাৱধাৰা এটা প্ৰতিফলিত হয়। তেওঁৰ মতে মানৱ ব্যক্তিত্বৰ চৰম বিকাশৰ বাবে মানুহৰ মনত জাতীয়তাবাদ, মহাজাতীয়তাবাদ আৰু বিশ্বমানৱতাবাদৰ অনুভূতি জাগৃত হ'ব লাগে। সকলো দ্বেষ-ক্লেশৰ পৰা মুক্ত পৃথিৱী এখনত মানৱ জাতিয়ে যাতে মিলিজুলি শান্তিপূৰ্ণ আৰু ঐক্যৱদ্ধভাৱে বাস কৰিব পাৰে সেই স্বাৰ্থত তেওঁ 'বিশ্বকৰ্মকাৰ'ক ঝাড়ুদাৰৰ ভূমিকা ল'বলৈ আহ্বান জনাইছে। মানুহৰ প্ৰতি থকা নিঃস্বাৰ্থ ভালপোৱা আৰু আস্থাৰ বাবেই অম্বিকাগিৰিয়ে সমাজলৈ অবিস্মৰণীয় অৱদান আগবঢ়াই থৈ যাব পাৰিছে।

১৪.৩ অম্বিকাগিৰি ৰায়চৌধুৰীৰ জীৱনৰ আগকালছোৱাৰ চমু ইতিহাস

অম্বিকাগিৰি ৰায়চৌধুৰী আছিল একেধাৰে এগৰাকী লিখক, কবি, মানৱতাবাদী, সমাজ কৰ্মী আৰু জাতীয়তাবাদী। ১৮৮৫ চনৰ ১৮ ডিচেম্বৰত ৰৰপেটা জিলাত অম্বিকাগিৰিয়ে জন্মগ্ৰহণ কৰিছিল। তেওঁ আছিল কৃষ্ণৰাম ৰায়চৌধুৰী আৰু দৈৱকী দেৱীৰ দ্বিতীয় পুত্ৰ। ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ এগৰাকী সক্ৰিয় সদস্য গিৰিশ চন্দ্ৰ আছিল তেওঁৰ জ্যেষ্ঠ ভ্ৰাতৃ। অম্বিকাগিৰিৰ ভগ্নীদ্বয়ৰ নাম আছিল ক্ৰমে ৰোহিণী আৰু লক্ষ্মী। ১৮৯২ চনত অম্বিকাগিৰিৰ পিতৃয়ে ইহ সংসাৰৰ পৰা বিদায় লৈছিল। অসহায় হৈ পৰা মাকে ল'ৰা-ছোৱালীকেইটাৰে সৈতে গৈ ৰৰপেটাৰ সুন্দৰীদিয়াত থকা মাতৃগৃহত আশ্ৰয় লৈছিল। মোমায়েক দামোদৰ দেৱ অধিকাৰীয়ে পৰিয়ালটোৰ দায়িত্ব কান্ধ পাতি লৈছিল। মোমায়েকৰ তত্ত্বাৱধানতে অম্বিকাগিৰিয়ে প্ৰাথমিক শিক্ষা আৰম্ভ কৰিছিল । প্ৰাথমিক বিদ্যালয়তে তেওঁ মেধাৱী ছাত্ৰৰ জলপানি লাভ কৰিছিল। ১৮৯৯ চনত হাইস্কুলত নামভৰ্তি কৰিবলৈ অম্বিকাগিৰি গুৱাহাটীলৈ আহিছিল। সম্পৰ্কীয় ভ্ৰাতৃ হৰমোহন চৌধুৰীৰ সৈতে অম্বিকাগিৰিয়ে সোণাৰাম হাইস্কুলত নামভৰ্তি কৰিছিল। গুৱাহাটীত থকাৰ সময়তে তেওঁ সৌভাগ্যক্ৰমে কমলাকান্ত ভট্টাচাৰ্য আৰু হৰিবিলাস আগৰৱালৰ দৰে ব্যক্তিৰ সান্নিধ্যলৈ অহাৰ সুবিধা পাইছিল। অম্বিকাগিৰিয়ে গোৱালপাৰা আৰু শিৱসাগৰতো কিছুদিন পঢ়িবলগীয়া হৈছিল যদিও অধিকাংশ সময় গুৱাহাটীতে আছিল। তেওঁ এগৰাকী সুস্থ সবল পাহোৱাল পুৰুষ আছিল আৰু সকলো সময়তে শৰীৰ তজবজীয়া কৰি ৰখাত গুৰুত্ব দিছিল। তেওঁ নিয়মীয়াকৈ ব্যায়াম কৰিছিল। পাণবজাৰত থকা 'বিভোৱানন্দ ব্যায়ামশালা'ৰ তেওঁ নিয়মীয়া সদস্য আছিল। অম্বিকাগিৰিয়ে সৰু কালছোৱাত মাক আৰু মোমায়েকৰ পৰা সংগীতৰ প্ৰশিক্ষণ লাভ কৰিছিল। পাছত তেওঁ হিন্দুস্তানী শাস্ত্ৰীয় সংগীতৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিছিল। কটন কলেজিয়েট হাইস্কুলত পঢ়ি থকাৰ সময়ত অম্বিকাগিৰিয়ে 'বন্দিনী ভাৰত মাতা' নামৰ নাটক এখনৰ নিৰ্দেশক হৈছিল। এই কথাবোৰত সৰুৰে পৰা অম্বিকাগিৰিৰ মনত অসমীয়া সংস্কৃতিৰ প্ৰতি থকা ধাউতিৰ পৰিচয় পোৱা যায়। তেওঁ আছিল সাংস্কৃতিকভাৱে সমৃদ্ধ বুদ্ধিজীৱি। জীৱনৰ শেষ কালছোৱাত তেওঁ অসংখ্য সাহিত্য ৰচনা কৰিছিল। অম্বিকাগিৰি ছাত্ৰ হৈ থকা সময়তে স্বদেশী আন্দোলন আৰম্ভ হোৱাৰ ফলত তেওঁৰ স্কুলীয়া শিক্ষাত ব্যাঘাত জন্মিছিল। সৰু হৈ থাকোতেই ব্ৰহ্মপুত্ৰৰ

পানীত পৰা ছোৱালী এজনীৰ জীৱন ৰক্ষা কৰি তেওঁ মানৱীয়তাৰ পৰিচয়ো দাঙি ধৰিছিল। আন এবাৰ তেওঁ কোনোবাই ব্ৰহ্মপুত্ৰৰ দাঁতিত পেলাই থৈ যোৱা আঘাতপ্ৰাপ্ত নাৱৰীয়া এজনক শুশ্ৰূষাৰে সুস্থ কৰি তুলিছিল। এই সময়ছোৱাত অম্বিকাগিৰিয়ে ৰচনা কৰা কেইটামান চিৰস্মৰণীয় কবিতা হ'ল- 'তুমি', 'বীণা' আৰু 'অনুভূতি'। একে সময়তে প্ৰকাশিত ৰচনা সংকলনখন হ'ল 'জগতৰ শেষ আদৰ্শ আৰু বিশ্বশান্তি স্থাপনৰ উপায়'। অসমীয়া নাটকত বাঙালি সংস্কৃতিৰ প্ৰভাৱ সীমিত কৰিবলৈ ১৯০৮ চনত অম্বিকাগিৰিয়ে 'সনাতন সংগীত সমাজ' স্থাপন কৰিছিল। একেটা কাৰণতে তেওঁ 'জয়দ্ৰথ বধ', 'ভক্ত গৌৰৱ', 'কল্যাণময়ী' আদি নাটক পৰিচালনা কৰিছিল। ১৯১৪ চনত তেওঁ ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত 'অসম বান্ধৱ' নামৰ কাকতখনৰ সহকাৰী সম্পাদক পদত যোগ দিছিল। আন্দোলনৰ সময়ত গৃহবন্দী হৈ থাকোঁতে অম্বিকাগিৰিয়ে সৃষ্টি কৰা ৰচনাবোৰ ১৯১৫ চনত প্ৰকাশিত হৈছিল। ১৯১৬ চনৰ পৰা তেওঁ অসম সাহিত্য সভা গঠনৰ কামত আগভাগ লৈছিল। ১৯১৭ চনত অম্বিকাগিৰি গুৱাহাটীলৈ ঘূৰি আহিছিল আৰু ১৯১৮ চনত 'চেতনা'ৰ প্ৰকাশ আৰম্ভ কৰিছিল। গান্ধীজীৰ আদৰ্শই সমগ্ৰ ভাৰতকে উদ্বুদ্ধ কৰি তোলাৰ সময়ত অম্বিকাগিৰিয়ে অহিংস সত্যাগ্ৰহৰ ধাৰণাটোক অনুপ্ৰেৰণা হিচাপে গ্ৰহণ কৰিছিল। ১৯২০ চনৰ পৰা অসম এচোছিয়েশ্যনে কংগ্ৰেছৰ ছত্ৰছায়াত কাম কৰিবলৈ আৰম্ভ কৰিছিল। অসহযোগ আন্দোলনত ভাগ লোৱাৰ অপৰাধত অম্বিকাগিৰিয়ে কাৰাবাসো খাটিবলগীয়া হৈছিল। কাৰাগাৰত থকা দিনকেইটাত তেওঁ 'জেইল সংগীত' নাম দি কেইবাটাও গীত ৰচনা কৰিছিল। পাছত তেওঁ এইবোৰক 'কাৰাগাৰৰ গীত' বুলি নতুনকৈ নামকৰণ কৰিছিল। ১৯২২ চনত কাৰাগাৰৰ পৰা মুক্ত হৈ তেওঁ কালিচৰণ চৌধুৰীৰ দুহিতা কৌশল্যা দেৱীৰ সৈতে বিবাহপাশত আৱদ্ধ হৈছিল। অম্বিকাগিৰিয়ে জীৱনৰ পৰৱৰ্তী সময়ত কৰা কিছুমান বিশেষ কাৰ্যকলাপৰ তালিকা এখন তলত দিয়া হ'ল-

- ১৯২৪ চন- বৈপ্লৱিক ৰচনা 'শতধাৰ'ৰ বাবে কাৰাবাস, কংগ্ৰেছৰ সন্মিলনবোৰত সক্ৰিয় অংশগ্ৰহণ, সংগীত শাখাৰ সদস্যপদ গ্ৰহণ, 'আজি বন্দো কি ছন্দেৰে'ৰ দৰে দেশপ্ৰেমমূলক গীত ৰচনা।
- ১৯৩০ চন- 'স্বদেশী কিনক সংঘ' আৰু 'মায়াবিনী কেমেকেলচ্' স্থাপন।
- ১৯৩৫ চন- 'ডেকা অসম'ৰ প্ৰকাশ।
- ১৯৩৬ চন- 'অসম সংৰক্ষিণী সভা'ক 'অসম জাতীয় মহাসভা' লৈ সলনিকৰণ।
- ১৯৩৯ চন- 'অসম শিক্ষা সমিতি' গঠন (অনা-অসমীয়া লোকৰ মাজত অসমীয়া ভাষা জনপ্ৰিয় কৰি তোলাৰ উদ্দেশ্যেৰে)।
- ১৯৪২ চন- 'ডেকা-ডেকেৰীৰ বেদ' আৰু 'স্বাধীন পঞ্চায়ত ৰাষ্ট্ৰ গঠনৰ প্ৰাথমিক আঁচনি' আদিৰ দৰে নীতি বিষয়ক পুথি প্ৰকাশ।
- ১৯৪৬-৪৭ চন- কেবিনেট মিছনৰ অধীনত চলা গ্ৰুপিং পৰিকল্পনাৰ বিৰুদ্ধে জনমত সংগ্ৰহ, 'আত্মৰক্ষা বাহিনী' গঠন।
- ১৯৫০ চন- অসম সাহিত্য সভাৰ সভাপতি (মাৰ্ঘেৰিটা), 'ভাৰতীয় সংস্কৃতি সংগম'

(দিল্লী)ত যোগদান, 'অসম সংস্কৃতি সংগম' গঠন, 'ৰাজ্যিক ভাষা দিৱস' উদ্‌যাপনৰ বাবে চৰকাৰক হেঁচা প্ৰয়োগ।

- ১৯৫১ চন- 'সাহিত্য মঞ্জৰী'ৰ যুটীয়া সম্পাদকৰ পদ গ্ৰহণ।
- ১৯৫২ চন- 'চেতনা', 'ডেকা অসম', 'আহুতি' আদিত লিখা সম্পাদকীয়বোৰৰ সংকলন প্ৰকাশ।
- ১৯৫৪ চন- গোৱালপাৰাত অনুষ্ঠিত ছাত্ৰ পৰিষদৰ সভাত সভাপতি পদত নিৰ্বাচিত।
- ১৯৫৮ চন- 'বন্দো কি ছন্দেৰে' আৰু 'স্থাপন কৰ' আদিৰ দৰে গীতৰ মুক্তি।
- ১৯৬০ চন- সাহিত্যিক পেঞ্চন ত্যাগ।

  ১৯৬৪ চন- 'বেদনাৰ উল্কা'ৰ প্ৰকাশ (সাহিত্য একাডেমী বঁটাপ্ৰাপ্ত)।
- ১৯৬৫ চন- 'দেশেই ভগৱান' নামৰ কবিতা সংকলনৰ প্ৰকাশ।
- ১৯৬৭ চন- ২ জানুৱাৰীৰ দিনা পৰলোকপ্ৰাপ্তি। 'বেদনাৰ উল্কা'ৰ বাবে মৰণোত্তৰভাৱে সাহিত্য একাডেমী বঁটা লাভ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অম্বিকাগিৰি ৰায়চৌধুৰীক কি নামেৰে জনা গৈছিল?

প্ৰশ্ন নং ২ ঃ অম্বিকাগিৰি ৰায়চৌধুৰীয়ে কোনখন কিতাপৰ বাবে সাহিত্য একাডেমী বঁটা লাভ কৰিছিল?

১৪.৪ অম্বিকাগিৰি ৰায়চৌধুৰীৰ সাহিত্যিক অৱদান

অম্বিকাগিৰি ৰায়চৌধুৰীয়ে বহুমুখী প্ৰতিভাৰ বলত খ্যাতনামা গীতিকাৰ, কবি, লিখক, সাংবাদিক আৰু অক্লান্ত স্বাধীনতা সংগ্ৰামীৰূপে নিজ খ্যাতি প্ৰতিষ্ঠা কৰি থৈ গৈছে। অসমৰ সাহিত্য জগতলৈ তেওঁ অতুলনীয় অৱদান আগবঢ়াই থৈ গৈছে। অম্বিকাগিৰিয়ে তেওঁৰ কবিতা, গদ্য, গীত আৰু নাটকেৰে অসমীয়া জনসাধাৰণৰ মনত জাতীয়তাবোধ জগাই তোলাৰ চেষ্টা কৰাৰ লগতে অন্যায় তথা সাম্ৰাজ্যবাদ প্ৰতিহত কৰিবলৈ উদ্বুদ্ধ কৰিছিল। তেওঁ নিজৰ ৰচনাৰাজিক আধ্যাত্মিক, সাংস্কৃতিক আৰু ৰাজনৈতিক শিতানত বিভক্ত কৰিছিল। তেওঁ ইয়াক 'ত্ৰি-চেতনা' নাম দিছিল। দেশপ্ৰেম আৰু জাতীয়তাবোধৰ ধাৰণাই তেওঁৰ ৰচনাৰাজিক সৰ্বাধিক প্ৰভাৱিত কৰিছিল। তেওঁৰ গীতবোৰক প্ৰভাৱিত কৰা কাৰকবোৰ আছিল সাংস্কৃতিক পৰিৱেশ, জাতীয় ইতিহাস তথা পৰম্পৰা, সমাজৰ সদস্যসকলৰ জীৱনচৰ্যা আৰু সমসাময়িক সামাজিক ব্যৱস্থা। অম্বিকাগিৰিয়ে গীত লিখাৰ অনুপ্ৰেৰণা লাভ কৰিছিল মাকৰ পৰা। তেওঁ এগৰাকী যশস্বী নাট্যকাৰ হিচাপেও খ্যাতি লাভ কৰিছিল। তেওঁ নিজৰ নাটকৰ দ্বাৰা অসমীয়া নাটকত পৰা বাংলা ভাষাৰ প্ৰভাৱক প্ৰত্যাহ্বান জনাব বিছাৰিছিল। অম্বিকাগিৰিয়ে লিখা কেইখনমান পূৰ্ণাংগ নাটক হ'ল- 'জয়দ্ৰথ বধ', 'ভক্ত গৌৰৱ', 'কল্যাণময়ী', 'বিপ্লৱৰ শেষ', 'ধুনপেচ', 'বিশ্বনাট্য', 'স্বৰ্গ-মৰ্ত্য আৰু ডাক বিভাগ' ইত্যাদি।

অম্বিকাগিৰি ৰায়চৌধুৰী এগৰাকী প্ৰতিষ্ঠিত সাংবাদিকো আছিল। এই ক্ষেত্ৰখনলৈ তেওঁ ৪০ বছৰতকৈও অধিক কাল সক্ৰিয় সেৱা আগবঢ়াই থৈ গৈছে। ১৯১৯ চনত তেওঁ জাতীয় গুৰুত্ব থকা 'চেতনা' নামৰ জাৰ্ণেল এখন প্ৰকাশ কৰিছিল। চন্দ্ৰনাথ শৰ্মা আছিল ইয়াৰ সম্পাদক। নৱাগত সাংবাদিক হিচাপে অম্বিকাগিৰিয়ে 'অসম বান্ধৱ' নামৰ কাকতখন প্ৰকাশ কৰিছিল। তেওঁৰ সকলো প্ৰকাশিত ৰচনাতে জাতীয় সচেতনতা আৰু মানৱতাবাদৰ বাৰ্তা লুকাই আছিল। এই কথাটোৱে অসমত বিশেষভাৱে আৰু সাধাৰণভাৱে সমগ্ৰ ভাৰততে স্বাধীনতা আন্দোলনৰ গতি ত্বৰান্বিত কৰিছিল।

১৪.৫ অম্বিকাগিৰি আৰু ভাৰতৰ স্বাধীনতা সংগ্ৰাম

- **জাতীয় সচেতনতাৰ প্ৰসাৰ সন্দৰ্ভত অম্বিকাগিৰিৰ দৃষ্টিভংগী**

অসম কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰীৰ নাম ভাৰতীয় সমাজ আৰু ৰাজনৈতিক জীৱনৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। এই দুয়োখন ক্ষেত্ৰলৈ তেওঁ আগবঢ়োৱা অৱদানত তেওঁৰ জীৱন দৰ্শনে সৰ্বাধিক প্ৰভাৱিত কৰিছে। ভাৰতত স্বাধীনতা সংগ্ৰামৰ সূচনা হোৱাৰ সময়তে অম্বিকাগিৰিয়ে জন্মগ্ৰহণ কৰিছিল। তেওঁ গুৱাহাটীত থাকিবলৈ লোৱাৰ সময়তে বংগ বিভাজন প্ৰক্ৰিয়া সম্পন্ন হৈছিল। এগৰাকী অসমীয়া হিচাপে তেওঁক এই কাৰ্যই গভীৰভাৱে প্ৰভাৱিত কৰিছিল। তেওঁ বংগ-ভংগ আন্দোলনৰ এগৰাকী সক্ৰিয় অংশগ্ৰহণকাৰী আছিল। এই সময়ছোৱাতে অম্বিকাগিৰিয়ে "ব্যক্তি প্ৰেমতকৈ দেশপ্ৰেম মহীয়ান" বোলা কথাফাঁকি কৈছিল যিটো উক্তি পাছলৈ সকলোৱে প্ৰয়োগ কৰিবলৈ লৈছিল। বংগ বিভাজনৰ সমান্তৰালকৈ ভাৰতীয় স্বাধীনতা আন্দোলনে উগ্ৰপন্থাৰ পোষকতাকাৰী নতুন যুগ এটাত পদাৰ্পণ কৰিছিল।

১৯০৮ চনৰ পৰা ১৯১৪ চনৰ ভিতৰত অম্বিকাগিৰিয়ে নিজকে এগৰাকী শক্তিশালী জাতীয়তাবাদী হিচাপে প্ৰতিষ্ঠিত কৰিছিল। তেওঁ বৃটিছৰ বিৰুদ্ধে যুঁজাৰ উপৰি নিজৰ লিখনীবোৰৰ মাধ্যমেৰে অসমীয়া জাতীয়তাবাদ প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস চলাই গৈছিল। এই সময়ছোৱাত তেওঁ লিখা কেইখনমান উল্লেখনীয় গ্ৰন্থ হ'ল 'তুমি', 'জয়দ্ৰথ বধ', 'ভক্ত গৌৰৱ' আদি। তেওঁ অসমৰ জনসাধাৰণৰ মাজত এক প্ৰকাৰৰ সাংস্কৃতিক সচেতনতা গঢ়ি তুলিব খুজিছিল। এই বাবেই তেওঁ 'জয়দ্ৰথ বধ'ৰ দৰে নাটক লিখিছিল আৰু পৰিচালনা কৰিছিল। অম্বিকাগিৰিয়ে অসমীয়া সংস্কৃতি সংৰক্ষণৰ প্ৰক্ৰিয়া আৰম্ভ হোৱাটো বিচাৰিছিল। বাংলা ভাষাৰ 'যাত্ৰা নাটক'বোৰে বৰপেটাত জনপ্ৰিয়তা অৰ্জন কৰা কথাটোৱে তেওঁক চিন্তিত কৰি তুলিছিল। অসমীয়া সংস্কৃতি পুনৰুজ্জীৱিত কৰি তোলাটো সময়ৰ দাবী বুলি অম্বিকাগিৰিয়ে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। সেই সময়খিনিত বৰপেটাৰ বাসিন্দাসকলে বাংলা যাত্ৰা নাটক উপভোগ কৰাৰ লগতে দৈনন্দিন জীৱনতো বাংলা ভাষা ক'বলৈ আৰম্ভ কৰিছিল। সেয়েহে, অসমীয়া সংস্কৃতিৰ অনন্য ৰূপটো অনতিপলমে পুনঃপ্ৰতিষ্ঠিত কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছিল। বাংলা নাটকৰ আগ্ৰাসন প্ৰতিহত কৰি অসমীয়া নাটকৰ প্ৰতি মানুহৰ আগ্ৰহ ওভতাই আনিবলৈ অম্বিকাগিৰিয়ে দুখন নাটক ৰচনা আৰু পৰিচালনা কৰিছিল। তেওঁৰ সাহিত্য, কবিতা আৰু নাটকৰ মাধ্যমেৰে অসমীয়াক অনুপ্ৰাণিত

কৰাৰ অভিপ্ৰায় সফল হৈছিল। কিন্তু অসমীয়া জাতীয়তাবোধ সৃষ্টিত দেহে কেহে ব্যস্ত হৈ পৰিলেও অম্বিকাগিৰি আছিল এগৰাকী সহৃদয় আৰু মানৱ দৰদী ব্যক্তি। তেওঁ সৰ্বদা সকলো মানুহৰ প্ৰতি সদয় আছিল। অম্বিকাগিৰিৰ জাতীয় সচেতনতাৰ সংজ্ঞা আছিল সৰ্বাত্মক। তেওঁৰ মতে ঃ

"সকলো প্ৰকাৰৰ সমাজতেই সামাজিক সমস্যা থাকে। এই সমস্যাবোৰ নিৰ্মূল কৰি সমাজৰ সামূহিক স্বাৰ্থ পূৰণ কৰিবলৈ তথা এনে স্বাৰ্থৰ হকে কাম কৰিবলৈ সমাজৰ সদস্যসকলে এক ঐক্যবদ্ধ সত্ত্বাৰ সৃষ্টি কৰে। এই সামূহিক স্বাৰ্থক সমাজখনৰ এক সাধাৰণ সম্পদ অথবা উমৈহতীয়া সম্পত্তি বুলি গণ্য কৰিব পাৰি। সাধাৰণভাৱে সমাজখনৰ আটায়ে ইয়াৰ গৰাকী। সেয়েহে এই উমৈহতীয়া সম্পত্তিৰ সংৰক্ষণ, সুৰক্ষা আৰু উন্নয়নৰ বাবে কাম কৰাটোৱেই হ'ল এই সমাজখনৰ পৰম লক্ষ্য। এই কামটো কৰিবলৈ সমাজখন ঐক্যবদ্ধ হৈ থাকিব লাগে। সামূহিক স্বাৰ্থৰ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে ঐক্যবদ্ধ সত্ত্বাটোৱে আগবঢ়াই নিয়া প্ৰক্ৰিয়াটো এসময়ত 'ঘনীভূত জাতীয় চেতনা'ৰ ৰূপ লয়। " আৰ্থ-সামাজিক কাৰকবোৰৰ সৈতে লগ লাগি এই জাতীয় চেতনাটোৱে জাতীয়তাবাদৰ সৃষ্টি কৰে।

● জাতীয়তাবাদ সম্পৰ্কে অম্বিকাগিৰিৰ দৃষ্টিভংগী

মহাত্মা গান্ধীৰ নেতৃত্বত চলা স্বদেশী আন্দোলন আৰু স্বাধীনতা আন্দোলনে অম্বিকাগিৰি ৰায়চৌধুৰীক গভীৰভাৱে প্ৰভাৱিত কৰিছিল। ১৯০৮ চনৰ পৰা ১৯৩৬ চনলৈ ভাৰতে এছোৱা ঘটনাবহুল সময় পাৰ কৰিছিল। ঘটনাৰাজিয়ে জাতীয় চেতনা বিভিন্ন স্তৰত বৃদ্ধি কৰিছিল। এই সময়ছোৱাৰ দুটামান উল্লেখযোগ্য ঘটনা হ'ল ম'র্লে'-মিণ্ট' সংস্কাৰ, বংগ বিভাজন, হোম ৰুল আন্দোলন, লক্ষ্ণৌ চুক্তি, ৰাওলাট আইন বলবৎকৰণ, জালিয়ানৱালাবাগ গণহত্যা আদি। একে সময়তে অসমতো নানা ধৰণৰ ঘটনা ঘটিছিল। অম্বিকাগিৰিয়ে অসমীয়া জাতীয়তাবাদৰ সুৰক্ষাৰ স্বাৰ্থত সক্ৰিয় হৈ পৰা দলটোত অংশগ্ৰহণ কৰি অসমীয়া লোকৰ স্বাৰ্থ হানি হোৱাত বাধা দিয়াৰ প্ৰয়াস কৰিছিল। এই কামত তেওঁ অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৰ সহায় বিছাৰিছিল। অম্বিকাগিৰিয়ে অসমীয়া সংস্কৃতি আৰু পৰিচয় সংৰক্ষণাৰ্থে এটা সবল সমাজ-ৰাজনৈতিক গাঁথনি নিৰ্মাণৰ চেষ্টা কৰিছিল। তেওঁক এই পৰিকল্পনা কাৰ্যকৰী কৰাৰ প্ৰয়াসত সহায় কৰিবলৈ অসম এচোছিয়েশ্যন আগবাঢ়ি আহিছিল। প্ৰব্ৰজন আৰু অৰ্থনৈতিক ৰূপান্তৰৰ ফলত হোৱা অসমৰ জনসংখ্যা গাঁথনিৰ পৰিৱৰ্তনে বৃহৎ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছিল। সেয়েহে অসমীয়াৰ জাতীয় পৰিচয়ৰ সংৰক্ষণক লৈ এক গভীৰ উদ্বেগজনক পৰিস্থিতিৰ সৃষ্টি হৈছিল। অম্বিকাগিৰিয়ে নিজৰ সমগ্ৰ ৰচনাৱলী জাতীয় স্বাৰ্থ ৰক্ষাৰ নামত উছৰ্গা কৰিছিল। তেওঁ অসমীয়া জাতীয় সচেতনতাত বৃহত্তৰ জাতীয় সচেতনতা যোগ দি ইয়াক এটা সামগ্ৰিক ৰূপ দিয়াৰ প্ৰয়াস কৰিছিল। এই চামিলকৰণ প্ৰক্ৰিয়াৰ ফলস্বৰূপে 'অসম সংৰক্ষিণী সভা'ৰ দৰে দৰে সংগঠনৰ জন্ম হৈছিল। ১৯২০-১৯৩০ৰ দশক দুটাত অসমৰ জনসংখ্যা গাঁথনিটো অভূতপূৰ্ব পৰিৱৰ্তনৰ মাজেৰে গতি কৰিছিল। সেই সময়খিনিত অসমীয়াৰ মনত জাতীয় সচেতনতা জগাই তুলিবলৈ অসম এচোছিয়েশ্যনে বহুতো কাৰ্যসূচী ৰূপায়ণ কৰিছিল। এই ৰণুৱা বাহিনীটোৰ এগৰাকী

অক্লান্ত যোদ্ধা অম্বিকাগিৰিয়ে স্বদেশী আৰু বিদেশী বস্তু বৰ্জন আন্দোলন চলি থাকোঁতে বিভিন্ন স্থান আৰু সময়ত প্ৰদান কৰা তেজস্বী ভাষণবোৰে উপস্থিত সকলোকে উদ্বুদ্ধ আৰু আপ্লুত কৰিছিল। এই দশক দুটাত অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৱে এটা অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। অম্বিকাগিৰিৰ প্ৰভাৱশালী চিন্তাবোৰ 'চেতনা' আৰু 'ডেকা অসম'ৰ সম্পাদকীয় কলমৰ ৰূপে প্ৰকাশিত হৈছিল। তেওঁৰ সাংস্কৃতিক অৱদানত ৰাজনৈতিক চিন্তাৰ বীজ নিহিত আছিল। ৰাষ্ট্ৰ গঠনৰ সাধাৰণ শৈলী আৰু প্ৰক্ৰিয়া সম্পৰ্কে 'আহুতি'ত প্ৰকাশিত লিখনী এটাত ৰাষ্ট্ৰৰ সংজ্ঞা দাঙি ধৰি অম্বিকাগিৰিয়ে কৈছিল ঃ

"একে জলবায়ুভিত্তিক পৰিস্থিতি তথা প্ৰাকৃতিক পৰিৱেশেৰে সংযুক্ত হৈ থকা একে চিন্তা প্ৰক্ৰিয়া, ভাষা, সামাজিক প্ৰথা আৰু পৰম্পৰা, সামাজিক আচৰণ, অভ্যাসগত অস্তিত্ব, খাদ্য, সাজ-পোছাক আদিৰ মিল প্ৰদৰ্শন কৰা আৰু মানৱতাবাদ সম্পৰ্কে একে অনুভৱৰ গৰাকী লোকে বসবাস কৰা স্থানেই হ'ল ৰাষ্ট্ৰ।"

অম্বিকাগিৰিৰ মতে জাতীয়তাবাদৰ নিৰ্ণায়ক এটা হ'ল ভাষা। ধৰ্ম ইয়াৰ নিৰ্ণায়ক নহয়। কাৰণ, এখন সমাজৰ অন্তৰ্গত ভিন্ন ভাষা আৰু ভিন্ন সংস্কৃতিৰ ধাৰণা দুটাত জাতীয় আত্মা আৰু জাতীয় স্বাৰ্থৰ দিশ দুটা ওতঃপ্ৰোতভাৱে জড়িত হৈ থাকে। ভাৰতৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। তেওঁ ভাবিছিল যে জাতীয় জীৱনৰ এক অখণ্ডতা সৃষ্টিৰ লক্ষ্যেৰে আগুৱাই যোৱা ভাৰতৰ মহান ঐক্যৱদ্ধ জাতীয়তাবাদী শক্তিটোৰ অসমো এটা অংশ হোৱা উচিত। অম্বিকাগিৰিৰ মতে জাতি আৰু জাতীয়তাৰ স্ব-শক্তিৰে বলীয়ান হৈ জাতীয় সংস্কৃতি গঢ় দিব পৰা যায়। ই কোনো এক নিৰ্দিষ্ট জাতীয়তাৰ অংশ হিচাপে ব্যক্তিক আত্মবিশ্বাস, আস্থা, আপোনত্বৰ ভাৰ আৰু গৌৰৱ প্ৰদান কৰে। তেওঁৰ দৃষ্টিভংগী অনুসৰি সংস্কৃতিৰ চৰম লক্ষ্য হ'ল সাংস্কৃতিক সচেতনতা গঢ়ি তোলা। জাতীয় সংস্কৃতি নিৰূপক আন এক কাৰক হ'ল ভিন্নধৰ্মী সংস্কৃতি। জাতীয় ভাষা আৰু সংস্কৃতিৰ মাজত ঘনিষ্ঠ সম্পৰ্ক আছে। উভয়ে উভয়ক সুৰক্ষা প্ৰদান কৰে । ভাষা সংৰক্ষণৰ বাবে গঢ় লোৱা সচেতনতাই সংস্কৃতিলৈও সংহতি আনে। ইয়াৰ এটা অতীৱ প্ৰয়োজনীয় পূৰ্বচর্ত হ'ল ৰাজনৈতিক স্বাধীনতা। জাতীয়তাবাদৰ প্ৰসংগতে তেওঁ এক 'আত্মৰক্ষামূলক শৃংখলিত সংগৱদ্ধতা'ৰ কথা উল্লেখ কৰিছিল। এনে সংগৱদ্ধ অৱস্থা এটা গঢ়ি তোলাৰ পূৰ্বচর্তবোৰ হ'ল সামাজিক নীতি, অৰ্থনীতি, ৰাজনীতি, কৃষি, উদ্যোগ, বাণিজ্য, বিজ্ঞান, সাহিত্য আদি। এই উপাদানবোৰৰ সমৰ্থনতহে জাতীয়তাবাদৰ ঘাইপথ নিৰ্মাণ কৰিব পৰা যাব। এই উপাদানবোৰত 'স্ব-নিৰ্ণয়ৰ অধিকাৰ'ৰ বীজ লুকাই থাকে। তেওঁৰ মতে সৰু সৰু জাতিবোৰৰ স্ব-নিৰ্ণয়ৰ অধিকাৰ প্ৰতিষ্ঠাত সংস্কৃতি আৰু ভাষাই আধাৰশিলাৰ কাম কৰে।

ভাৰতীয় জাতীয়তাবাদৰ কথা বুজাবলৈ অম্বিকাগিৰি ৰায়চৌধুৰীয়ে 'মহাজাতীয়তাবাদ' আৰু 'সম্মিলিত জাতীয়তাবাদ' অভিধা দুটা ব্যৱহাৰ কৰিছিল। তেওঁ এই দুটা অভিধা ব্যৱহাৰ কৰাৰ মূলতে আছিল ভাৰতৰ ইতিহাস। ভাৰতীয় ইতিহাসে এক ভাষা এক জাতিৰ ধাৰণাটো প্ৰতিফলিত নকৰে। বৃটিছসকল ভাৰতলৈ অহাৰ আগতে ভাৰত এখন অখণ্ড ৰাষ্ট্ৰ নাছিল। প্ৰাচীন কালৰে পৰা ভাৰতত এটা ধৰ্মৰ আধিপত্য আছিল যদিও ভাষা আৰু জাতীয়তাৰ সীমা-সংখ্যা

নাছিল। দেশখন আঞ্চলিক জাতীয়তাবাদেৰে ভৰা আছিল। সেইবাবে অম্বিকাগিৰিয়ে কৈছিল, "ভাৰত দেশ নহয় মহাদেশ"। বিভিন্ন ৰাজ্যই মিলি এই দেশখন গঠন কৰিছে। ভাষা, সংস্কৃতি, সামাজিক গাঁথনি, পৰম্পৰা আৰু প্ৰথাৰ দিশেৰে প্ৰতিখন ৰাজ্যই একক বৈশিষ্ট্যৰ অধিকাৰী। এই আটাইবোৰে মিলিহে 'ভাৰত'খন গঢ়িছে। সেয়েহে ভাৰতক 'ভাৰতীয় মহাজাতি ৰ মহাদেশ' বুলি অভিহিত কৰা হয়। সেই সময়ত অসম আৰু ভাৰত উভয়ৰে বাবে অম্বিকাগিৰিয়ে কোৱা কথাবোৰ প্ৰাসংগিক আছিল। সেই সময়ত সাধাৰণভাৱে জাতীয় স্বাৰ্থ আৰু অন্তৰাত্মাৰ আহ্বান তথা বিশেষভাৱে আঞ্চলিক স্বাৰ্থ আৰু আঞ্চলিক অন্তৰাত্মাৰ আহ্বানৰ মাজত সংহতি স্থাপন হৈছিল। অম্বিকাগিৰিয়ে এক ভাৰতৰ সলনি ঐক্যবদ্ধ ভাৰতৰ ধাৰণাটোৰ পোষকতা কৰিছিল। ৰাজনৈতিক ভাষাত তেওঁ এক বিশুদ্ধ আৰু সম্পূৰ্ণ যুক্তৰাষ্ট্ৰীয় গাঁথনিৰ কথা উল্লেখ কৰিছিল। তেওঁ কৈছিল যে যদি ভাৰতীয় প্ৰত্যাশাৰ সমান্তৰালকৈ আঞ্চলিক প্ৰত্যাশাবোৰ পূৰ কৰাৰ চেষ্টা কৰা নহয় তেন্তে ভাৰত সদায় সংঘৰ্ষ জৰ্জৰিত দেশ হৈ ৰ'ব আৰু ইয়াৰ সমাজবোৰ সৰু সৰু খণ্ডত বিভক্ত হৈ থাকিব। ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত তেওঁৰ এই চিন্তাৰ প্ৰাসংগিকতা পৰিস্ফুট হৈছিল। তেওঁৰ মতে বৃহত্তৰ অসমীয়া জাতীয়তাবাদ হ'ল ভাৰতীয় জাতীয়তাবাদৰ এটা শাখা। কিন্তু ভাৰতীয় জাতীয়তাবাদৰ পৰিধিৰ ভিতৰতে অসমীয়া জাতীয়তাবাদো পূৰ্ণাংগ ৰূপত বিকশিত হোৱা উচিত। দুয়োবিধ জাতীয়তাবাদেই পৰস্পৰৰ বিৰোধী নহয় পৰিপূৰকহে। এই সংহতি অবিৰত হৈ থাকিলে মহামানৱতাৰ ধাৰণাটোৱে মূৰ্ত ৰূপ ল'ব। পৰৱৰ্তী উপ-শিতানটোত অম্বিকাগিৰিৰ মহান মানৱতাবাদ আৰু অসমীয়া সমাজলৈ ইয়াৰ বৰঙণি আলোচনা কৰা হ'ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ অম্বিকাগিৰি ৰায়চৌধুৰীয়ে কোনখন সংবাদপত্ৰৰ মাধ্যমেদি সাংবাদিক হিচাপে আত্মপ্ৰকাশ কৰিছিল?

প্ৰশ্ন নং ৪ ঃ 'মহাজাতীয়তাবাদ'ৰ ধাৰণাটো ব্যাখ্যা কৰক।

১৪.৬ অম্বিকাগিৰি আৰু মানৱতাবাদ

অম্বিকাগিৰিয়ে সমাজত 'মহামানৱতা' প্ৰতিষ্ঠাৰ সপোনক বাস্তৱ ৰূপ দিয়াৰ উদ্দেশ্যেৰে কাম কৰি গৈছিল। তেওঁৰ মতে 'মহাজাতীয়তাবাদ'ৰ সংগম স্থলীতেই মহামানৱতাৰ উৎপত্তি হয়। মহামানৱতাবাদৰ ধাৰণাটো ব্যাখ্যা কৰাৰ সময়ত তেওঁ কৈছিল যে অইনক বুজাৰ আগতে মানুহে নিজক বুজিব লাগিব। এই কথাটো অনুসৰণ নকৰিলে জীৱনত ভুল হোৱাৰ সম্ভাৱনা বৈ যায়। সেয়েহে তেওঁ এই পৰামৰ্শ আগবঢ়াইছিল যে সকলো কাৰ্যৰ আৰম্ভণি নিজ ভূমিতেই হোৱা উচিত। যদি জীৱনেৰে সমৃদ্ধ নিজ ভূমিত দেশপ্ৰেমৰ ভাৱনা জাগৃত হয়, তেন্তেহে আন্তৰ্জাতিকতাবাদ অথবা বিশ্ব মানৱতাবাদক বাস্তৱ ৰূপ দিয়াৰ পথ সুচল হৈ পৰে (যিটো গান্ধী আৰু ৰবীন্দ্ৰনাথে আলোচনা কৰিছিল)।

প্ৰতিটো কাৰ্যৰ যে একোটা সমান আৰু বিপৰীত প্ৰতিক্ৰিয়া থাকে অম্বিকাগিৰি সেই বিষয়েও সজাগ আছিল। অৰ্থাৎ, মহামানৱতাবাদৰ লক্ষ্যত উপনীত হোৱাৰ পাছত ইয়াৰ কিছুমান প্ৰতিক্ৰিয়াও দেখা যাব। অম্বিকাগিৰিৰ সপোনৰ মানৱতাবাদ আৰু জাতীয়তাবাদৰ সংগমে মুচ'লিনী অথবা হিটলাৰৰ ভাৱধাৰাই কৰাৰ দৰে আগ্ৰাসী জাতীয়তাবাদৰ সৃষ্টি নকৰে। তেওঁ নিজৰ জাতীয়তাবাদক 'আলোচ্য জাতীয়তাবাদ' আখ্যা দিছিল। অম্বিকাগিৰিৰ মতে জাতীয়তাবাদ দুই প্ৰকাৰৰ ঃ

ক) আক্ৰমণাত্মক জাতীয়তাবাদ আৰু

খ) আত্মৰক্ষাত্মক জাতীয়তাবাদ।

অম্বিকাগিৰিয়ে এই কথাও কৈছিল যে জাতীয়তাবাদৰ অনুভৱ অস্থায়ী। তেওঁ লগতে মানৱতাবাদ ৰহিত বাবে আগ্ৰাসী জাতীয়তাবাদ এৰাই চলাৰ পৰামৰ্শ দিছিল। এনে জাতীয়তাবাদৰ প্ৰসাৰ প্ৰতিহত কৰা উচিত বুলিও তেওঁ মত পোষণ কৰিছিল। এই দৃষ্টিভংগী আগত ৰাখিয়েই তেওঁ ভাৰতৰ স্বাধীনতা সংগ্ৰামখনৰ প্ৰকৃতি হিংসাত্মক হোৱাৰ সলনি মানৱতাবাদী হোৱাতো কামনা কৰিছিল। এই পদ্ধতিৰে লাভ কৰা স্বাধীনতাই সাৰ্বজনীন ভ্ৰাতৃত্ববোধ আৰু আন্তৰ্জাতিকতাবাদ যুক্ত হৈ থকা মহামানৱতাবাদ প্ৰতিষ্ঠাৰ পথ প্ৰশস্ত কৰি তুলিব বুলি তেওঁ বিশ্বাস কৰিছিল।

১৪.৭ স্বাধীনতা আৰু ৰাষ্ট্ৰ সম্পৰ্কে অম্বিকাগিৰিৰ দৃষ্টিভংগী

অম্বিকাগিৰি ৰায়চৌধুৰীৰ মতে স্বাধীনতা মানে হ'ল শোষণৰ পৰা মুক্তি আৰু শোষিত জনগণৰ স্বাধীন অৱস্থা। জীৱন যাপনৰ আধ্যাত্মিক পন্থা গ্ৰহণ কৰি এই স্বাধীনতাৰ গৰাকী হ'ব পৰা যায়। অম্বিকাগিৰিয়ে 'মানৱতন্ত্ৰ' (Humanocracy) নামৰ এখন আদৰ্শ ৰাষ্ট্ৰৰ কথা ভাবিছিল। এই ৰাষ্ট্ৰ সকলো প্ৰকাৰৰ বান্ধোনৰ পৰা মুক্ত হ'ব আৰু ই মানৱতাবাদক বাস্তৱ ৰূপ দিয়াৰ পথত খতা সকলো অন্তৰায় দূৰ কৰাৰ প্ৰয়াস কৰিব। এনে এখন ৰাষ্ট্ৰতহে স্বৰাজৰ ধাৰণাটোৱে মূৰ্ত ৰূপ ল'ব। মহাত্মা গান্ধীৰ দৰে অম্বিকাগিৰিয়েও ভাবিছিল যে ভাৰতৰ স্বাধীনতা মানে কিছুমান বাহ্যিক শক্তিক খেদি পঠিওৱাটো নহয়। স্বাধীনতা মানে হ'ল হিংসা, স্বাৰ্থপৰতা, ৰক্তক্ষয়, সংঘাত, লোভ আদিৰ দৰে কথাবোৰ সমাজৰ পৰা আঁতৰ কৰা। প্ৰকৃত স্বাধীনতাৰ সহায়ত প্ৰকৃত মানৱৰ বসবাসযোগ্য এখন শান্তিপূৰ্ণ মহাদেশ নিৰ্মাণ কৰিব পৰা যাব। তেওঁৰ মতে স্বাধীনতা মানুহৰ জন্মগত অধিকাৰ আৰু সকলো মনুহে এই অধিকাৰ উপভোগ কৰিবলৈ পোৱা উচিত। তেওঁ সমাজত শ্ৰমিক শ্ৰেণীটোৰ মৰ্যাদাপূৰ্ণ চামিলকৰণৰ পোষকতা কৰিছিল। এই শ্ৰেণীটোৰ স্বাধীনতা আছিল তেওঁৰ পৰম লক্ষ্য।

অম্বিকাগিৰিয়ে ভাৰত এখন সম্পূৰ্ণ বিকেন্দ্ৰীকৃত. স্বতন্ত্ৰ আৰু যুক্তৰাষ্ট্ৰীয় প্ৰকৃতিৰ দেশ হোৱাতো বিচাৰিছিল। 'জগতৰ শেষ আদৰ্শ', 'ভৱিষ্যৎ ৰাষ্ট্ৰ বা মানৱতন্ত্ৰ', 'স্বাধীন পঞ্চায়ত আৰু ৰাষ্ট্ৰ গাথঁনিৰ আঁচনি' আদি লিখনীত নিজৰ ধাৰণাবোৰ সদৰি কৰিছিল। তেওঁ এই ৰাষ্ট্ৰখনক 'পঞ্চায়ত ৰাষ্ট্ৰ' বুলি অভিহিত কৰিছিল। এই ৰাষ্ট্ৰখনৰ প্ৰধান তৰপ তিনিটা হ'ল-

ক) স্বতন্ত্র মহাজাতীয় পঞ্চায়ত ৰাষ্ট্র পৰিষদ- অখণ্ড ভাৰত

খ) স্বতন্ত্র জাতীয় পঞ্চায়ত ৰাষ্ট্র পৰিষদ- ভাৰতীয় অঞ্চলবোৰ

গ) স্বতন্ত্র জাতীয় পঞ্চায়ত ৰাষ্ট্র পৰিষদৰ স্বতন্ত্র উপ-এককসমূহ ।

এই ৰাষ্ট্রখন গঠন কৰোঁতে ভাষা আৰু সংস্কৃতিৰ ঐতি হাসিক পূৰ্বপদক আধাৰ হিচাপে লোৱা হ'ব। মহাজাতীয় ৰাষ্ট্র পৰিষদখনে উপ-এককবোৰৰ ভাষা, সংস্কৃতি আৰু পৰম্পৰাক স্বীকৃতি দিব তথা সন্মান কৰিব। উপ-এককবোৰে ভাষা, সংস্কৃতি আৰু আর্থ-সামাজিক দিশত সম্পূর্ণ স্বাধীনতা উপভোগ কৰিব। প্রতিটো এককে আঞ্চলিক ভাষাক আধাৰ হিচাপে লৈ কাম কৰি যাব। এই ব্যৱস্থাৰ আঞ্চলিক সীমাৰ বাহিৰৰ কোনো কথা গ্রহণযোগ্য বুলি বিবেচিত নহ'ব। এইবোৰ কাৰণতে অম্বিকাগিৰিৰ জাতীয়তাবাদৰ দর্শনক আঞ্চলিক আৱেগযুক্ত বুলি গণ্য কৰা হয়। ইয়াক 'আঞ্চলিক জাতীয়তাবাদৰ দর্শন' বুলিলেও ভুল কৰা নহ'ব। ঔপনিৱেশিকতাবাদ আৰু সাম্রাজ্যবাদৰ বিপৰীতে এই দর্শন আছিল সমাজবাদ আৰু মানৱতাবাদৰ এক সংমিশ্রণ।

১৪.৮ অসমীয়া জাতীয়তাবাদ সম্পর্কে অম্বিকাগিৰিৰ দৃষ্টিভংগী

অসমীয়া জাতীয়তাবাদৰ বিকাশত গুৰুত্বপূর্ণ ভূমিকা লোৱা তিনিটা কাৰক হ'ল- জনসংখ্যাভিত্তিক সংৰচনা, অসমীয়া ভাষাৰ প্রস্থিতি আৰু ধর্মীয় সচেতনতা। অম্বিকাগিৰিয়ে তলত দিয়া উক্তিটোৰ জৰিয়তে অসমীয়াৰ সংজ্ঞা দাঙি ধৰিছিল (উৎস ঃ অম্বিকাগিৰি ৰচনাৱলী)ঃ

" অসমীয়া হ'ল বৃহত্তৰ ভাৰতীয় জাতীয় সম্প্রদায়টোৰ অন্তর্গত এটা গুৰুত্বপূর্ণ সম্প্রদায়। ভাৰতৰ অন্যান্য প্রান্তত থকা আন আন জাতিবোৰৰ দৰে অসমীয়াৰো নিজা বৈশিষ্ট্য আছে। ই আর্য, দ্রাবিড় আৰু মংগোলীয় সভ্যতা তথা সংস্কৃতিৰ সংমিশ্রণ।"

"অসমত কছাৰী, খাচী, মণিপুৰী, বড়ো, নাগা, গাৰো, মিকিৰ, ডফলা আদিৰ দৰে অসংখ্য ভাষা আৰু দোৱান আছে (তেতিয়াৰ অবিভক্ত অসম আৰু বর্তমানৰ উত্তৰ-পূৱ ভাৰতত প্রচলিত)। খিলঞ্জীয়া ভূমিয়ে প্রতিপাল কৰা এই সৰু-বৰ দোৱানবোৰে বৃহত্তৰ অসমীয়া ভাষা আৰু সংস্কৃতি গঢ়ি তুলিছে।"

অম্বিকাগিৰি ৰায়চৌধুৰীৰ মতে অসমীয়া জাতীয়তাবাদ কোনো ধর্মীয় আৱেগৰ দ্বাৰা নহয়, এটা সংহত সামগ্রিক ভাৱধাৰাৰ দ্বাৰা পৰিচালিত। তেওঁৰ ভাষাত, "অসমৰ মুছলমানসকল ধর্মত পৃথক, কিন্তু জাতীয়তাবাদত নহয়। অসমত বাস কৰা হিন্দু আৰু মুছলমান উভয়ৰে বাবে অসমীয়া জাতীয়তা বোধ এক উমৈহতীয়া সম্পদ।"

সেই সময়ছোৱাত জাতীয়তাবাদৰ লক্ষ্য আৰু উদ্দেশ্য ফলৱতী কৰাত সবাতোকৈ সক্রিয় ভূমিকা লোৱা কাৰকটো আছিল ৰাজনৈতিক অর্থনীতি। অম্বিকাগিৰি ৰায়চৌধুৰীয়ে এই কথা স্পষ্টকৈ কৈছিল যে তেওঁৰ কার্যকলাপৰ চৰম লক্ষ্য হ'ল অসমীয়া জনসাধাৰণৰ সর্বাংগীন উন্নয়ন। তেওঁ অসমীয়া ভাষা, সংস্কৃতি আৰু পৰম্পৰাক ভিত্তি কৰি ৰাজ্যখনৰ ৰাজনৈতিক নীতি আৰু অর্থনীতি প্রস্তুত কৰাত জোৰ দিছিল। তেওঁ বিদেশী বিনিয়োগৰ বিৰোধিতা কৰিছিল আৰু বেংকিং

ব্যৱস্থা, কৃষক সংগঠন, মধ্যভোগীৰ দ্বাৰা চলা নিয়ন্ত্রণ নির্মূল. সমবায় তথা ক্ষুদ্র উদ্যোগ স্থাপন আদি উপায়ৰ জৰিয়তে ৰাষ্ট্রীয় মূলধন গঢ়ি তোলাত জোৰ দিছিল। অর্থাৎ, তেওঁ দেশত এটা আত্মনির্ভৰশীল অর্থনীতিৰ বিকাশ ঘটাতো বিছাৰিছিল। তেওঁৰ মতে ভাষা-সংস্কৃতি-সাহিত্য, চিন্তা প্রক্রিয়া, ব্যক্তিৰ আচাৰ-আচৰণ, আত্মনির্ভৰশীল সমাজ, আদর্শ আদিৰ আধাৰত এক স্বাভাৱিক নিয়মেৰে এখন ৰাষ্ট্র গঠিত হয়। এনে ৰষ্ট্রেই সকলো সময়তে যিকোনো ৰাজনৈতিক উত্থান-পতনৰ মুখামুখি হোৱা আৰু প্রতিহত কৰাৰ বাবে সাজু হৈ থাকিব লাগে। অম্বিকাগিৰিয়ে অসম আৰু অসমীয়া জাতীয়তাবাদৰ ভেটিটো সুদৃঢ় কৰিব বিচাৰিছিল। তেওঁৰ মতে অসমীয়া জাতীয় পৰিচয় সংৰক্ষণ কৰাতো অতি প্রয়োজনীয়। জাতীয় ঐক্য অক্ষুণ্ণ থকা, আঞ্চলিক প্রত্যাশা পূৰণৰ সুযোগ থকা এটা সহযোগিতামূলক যুক্তৰাষ্ট্রীয় ব্যৱস্থাতহে আঞ্চলিক ভেটিবোৰ সুদৃঢ় কৰি তোলাটো সম্ভৱ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ অম্বিকাগিৰি ৰায়চৌধুৰীয়ে কোৱা জাতীয়তাবাদৰ গুৰুত্বপূর্ণ প্রকাৰকেইটা কি কি?

প্রশ্ন নং ৬ ঃ 'মহামানৱতা' বুলিলে কি বুজে?



১৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসম কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰী আছিল একেধাৰে এগৰাকী লিখক, কবি, মানৱতাবাদী, সমাজ কর্মী আৰু জাতীয়তাবাদী। ১৮৮৫ চনত জন্মগ্রহণ কৰা এইগৰাকী দেশপ্রেমিকে অসমীয়া জাতীয়তাবাদ, ভাষা আৰু সংস্কৃতিৰ ক্ষেত্রলৈ অনৱদ্য অৱদান আগবঢ়াই থৈ গৈছে।
- অম্বিকাগিৰিয়ে ৰচনা কৰা কেইটামান চিৰস্মৰণীয় কবিতা হ'ল- 'তুমি', 'বীণা' আৰু 'অনুভূতি'। তেওঁ লিখা কেইখনমান পূর্ণাংগ নাটক হ'ল- 'জয়দ্রথ বধ', 'ভক্ত গৌৰৱ', 'কল্যাণময়ী', 'বিপ্লৱৰ শেষ', 'ধুনপেচ', 'বিশ্বনাট্য', 'স্বর্গ-মর্ত্য আৰু ডাক বিভাগ' ইত্যাদি।
- তেওঁ গুৱাহাটীত থাকিবলৈ লোৱাৰ সময়তে বংগ বিভাজন প্রক্রিয়া সম্পন্ন হৈছিল। এগৰাকী অসমীয়া হিচাপে তেওঁক এই কার্যই গভীৰভাৱে প্রভাৱিত কৰিছিল। তেওঁ বংগ-ভংগ আন্দোলনৰ এগৰাকী সক্রিয় অংশগ্রহণকাৰী আছিল। এই সময়ছোৱাতে অম্বিকাগিৰিয়ে "ব্যক্তি প্রেমতকৈ দেশপ্রেম মহীয়ান" বোলা কথাফাঁকি কৈছিল যিটো উক্তি পাছলৈ সকলোৱে প্রয়োগ কৰিবলৈ লৈছিল।
- অসমীয়া জাতীয়তাবাদক সুৰক্ষা প্রদান কৰিবলৈ অম্বিকাগিৰি ধর্মযুদ্ধত নামি পৰিছিল। তেওঁ অসমীয়া মধ্যবিত্ত শ্রেণীটোৰ সহযোগিতা আদায় কৰি সাধাৰণ অসমীয়াৰ স্বার্থ

ৰক্ষাৰ প্ৰয়াস কৰিছিল।

- অম্বিকাগিৰিয়ে সমাজত 'মহামানৱতা' প্ৰতিষ্ঠাৰ সপোনক বাস্তৱ ৰূপ দিয়াৰ উদ্দেশ্যেৰে কাম কৰি গৈছিল। তেওঁৰ মতে 'মহাজাতীয়তাবাদ'ৰ সংগম স্থলীতেই মহামানৱতাৰ উৎপত্তি হয়।
- মহামানৱতাবাদৰ ধাৰণাটো ব্যাখ্যা কৰাৰ সময়ত তেওঁ কৈছিল যে অইনক বুজাৰ আগতে মানুহে নিজক বুজিব লাগিব। এই কথাটো অনুসৰণ নকৰিলে জীৱনত ভুল হোৱাৰ সম্ভাৱনা বৈ যায়। সেয়েহে তেওঁ এই পৰামৰ্শ আগবঢ়াইছিল যে সকলো কাৰ্যৰ আৰম্ভণি নিজ ভূমিতেই হোৱা উচিত। যদি জীৱনেৰে সমৃদ্ধ নিজ ভূমিত দেশপ্ৰেমৰ ভাৱনা জাগৃত হয়, তেন্তে ই আন্তৰ্জাতিকতাবাদ অথবা বিশ্ব মানৱতাবাদক বাস্তৱ ৰূপ দিয়াৰ পথ সুচল হৈ পৰে (যিটো গান্ধী আৰু ৰবীন্দ্ৰনাথে আলোচনা কৰিছিল)।
- অম্বিকাগিৰিয়ে ভাৰত এখন সম্পূৰ্ণ বিকেন্দ্ৰীকৃত, স্বতন্ত্ৰ আৰু যুক্তৰাষ্ট্ৰীয় প্ৰকৃতিৰ দেশ হোৱাতো বিচাৰিছিল। 'জগতৰ শেষ আদৰ্শ', 'ভৱিষ্যৎ ৰাষ্ট্ৰ বা মানৱতন্ত্ৰ', 'স্বাধীন পঞ্চায়ত আৰু ৰাষ্ট্ৰ গাথঁনিৰ আঁচনি' আদি লিখনীত নিজৰ ধাৰণাবোৰ সদৰি কৰিছিল। তেওঁ এই ৰাষ্ট্ৰখনক 'পঞ্চায়ত ৰাষ্ট্ৰ' বুলি অভিহিত কৰিছিল। ইয়াৰ মূল সপ্ত-তৰপীয় সংৰচনাটোৱে পৰ্যায়ক্ৰমে গৈ গাওঁ স্তৰটো স্পৰ্শ কৰিছিল।
- অম্বিকাগিৰি ৰায়চৌধুৰীৰ মতে অসমীয়া জাতীয়তাবাদ কোনো ধৰ্মীয় আৱেগৰ দ্বাৰা নহয়, এটা সংহত সামগ্ৰিক ভাৱধাৰাৰ দ্বাৰা পৰিচালিত।
- অম্বিকাগিৰিয়ে অসম আৰু অসমীয়া জাতীয়তাবাদৰ ভেটিটো সুদৃঢ় কৰিব বিচাৰিছিল। তেওঁৰ মতে অসমীয়া জাতীয় পৰিচয় সংৰক্ষণ কৰাতো অতি প্ৰয়োজনীয়।



১৪.১০ অধিক জানিবলৈ

১) Raichoudhury,Ambikagiri, 'Ambikagiri Raichoudhur Rachanavali', Publication Board, Guwahati, 2009



১৪.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ অসম কেশৰী।

২ নং প্ৰশ্নৰ উত্তৰ ঃ বেদনাৰ উল্কা ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অসম বান্ধৱ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় জাতীয়তাবাদৰ কথা বুজাবলৈ অম্বিকাগিৰি ৰায়চৌধুৰীয়ে

'মহাজাতীয়তাবাদ' আৰু 'সন্মিলিত জাতীয়তাবাদ' অভিধা দুটা ব্যৱহাৰ কৰিছিল। তেওঁ এই দুটা অভিধা ব্যৱহাৰ কৰাৰ মূলতে আছিল ভাৰতৰ ইতিহাস। ভাৰতীয় ইতিহাসে এক ভাষা এক জাতিৰ ধাৰণাটো প্ৰতিফলিত নকৰে। বৃটিছসকল ভাৰতলৈ অহাৰ আগতে ভাৰত এখন অখণ্ড ৰাষ্ট্ৰ নাছিল। প্ৰাচীন কালৰে পৰা ভাৰতত এটা ধৰ্মৰ আধিপত্য আছিল যদিও ভাষা আৰু জাতীয়তাৰ সীমা-সংখ্যা নাছিল। দেশখন আঞ্চলিক জাতীয়তাবাদেৰে ভৰা আছিল। সেইবাবে অম্বিকাগিৰিয়ে কৈছিল, "ভাৰত দেশ নহয় মহাদেশ"। বিভিন্ন ৰাজ্যই মিলি এই দেশখন গঠন কৰিছে। ভাষা, সংস্কৃতি, সামাজিক গাঁথনি, পৰম্পৰা আৰু প্ৰথাৰ দিশেৰে প্ৰতিখন ৰাজ্যই একক বৈশিষ্ট্যৰ অধিকাৰী। এই আটাইবোৰে মিলিহে 'ভাৰত'খন গঢ়িছে। সেয়েহে ভাৰতক 'ভাৰতীয় মহাজাতি ৰ মহাদেশ' বুলি অভিহিত কৰা হয়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ অম্বিকাগিৰিৰ মতে জাতীয়তাবাদ দুই প্ৰকাৰৰ ঃ ক) আক্ৰমণাত্মক জাতীয়তাবাদ আৰু খ) আত্মৰক্ষাত্মক জাতীয়তাবাদ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ অম্বিকাগিৰিয়ে সমাজত 'মহামানৱতা' প্ৰতিষ্ঠাৰ সপোনক বাস্তৱ ৰূপ দিয়াৰ উদ্দেশ্যেৰে কাম কৰি গৈছিল। তেওঁৰ মতে 'মহাজাতীয়তাবাদ'ৰ সংগম স্থলীতেই মহামানৱতাৰ উৎপত্তি হয়। মহামানৱতাবাদৰ ধাৰণাটো ব্যাখ্যা কৰাৰ সময়ত তেওঁ কৈছিল যে অইনক বুজাৰ আগতে মানুহে নিজক বুজিব লাগিব। এই কথাটো অনুসৰণ নকৰিলে জীৱনত ভুল হোৱাৰ সম্ভাৱনা বৈ যায়। সেয়েহে তেওঁ এই পৰামৰ্শ আগবঢ়াইছিল যে সকলো কাৰ্যৰ আৰম্ভণি নিজ ভূমিতেই হোৱা উচিত। যদি জীৱনেৰে সমৃদ্ধ নিজ ভূমিত দেশপ্ৰেমৰ ভাৱনা জাগৃত হয়, তেন্তে ই আন্তৰ্জাতিকতাবাদ অথবা বিশ্ব মানৱতাবাদক বাস্তৱ ৰূপ দিয়াৰ পথ সুচল হৈ পৰে (যিটো গান্ধী আৰু ৰবীন্দ্ৰনাথে আলোচনা কৰিছিল)।

১৪.১২ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অম্বিকাগিৰি ৰায়চৌধুৰীৰ সাহিত্যিক অৱদান সম্পৰ্কে এটা টোকা লিখক।

প্ৰশ্ন ২ ঃ মানৱতাবাদ আৰু অসমীয়া জাতীয়তাবাদ সম্পৰ্কে অম্বিকাগিৰি ৰায়চৌধুৰীৰ দৃষ্টিভংগী কি আছিল আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ভাৰতৰ স্বাধীনতা আন্দোলনত অম্বিকাগিৰিয়ে লোৱা ভূমিকা পৰীক্ষা কৰি চাওক।

প্ৰশ্ন ৪ ঃ স্বাধীনতা আৰু ৰাষ্ট্ৰ সম্পৰ্কে অম্বিকাগিৰি ৰায়চৌধুৰীৰ দৃষ্টিভংগী কি আছিল ব্যাখ্যা কৰক।

*** ***** ***



REFERENCE

1) Agarwal, R.C, (2006). *Political Theory-Principles of Political Science*. New Delhi : S.Chand and Company, .

2) Baylis John and Smith Steve (2005). *The Globalization of World Politics*. USA: Oxford University Press

3) Callinicos Alex (2009). *Imperialism and Global Political Economy*. Cambridge: Polity Press.

4) Chandrasekhar,S, (2014). *Political Theory and Thought*. New Delhi : Astha Publishers and Distributors,.

5) Dutta. A.K (2011). *Political Theory, Issues, Concepts and Debate*. Guwahati: Arun Prakashan.

6) Francis Fukuyama, 1992, *The End of History and the Last Man*, viewed in https://ps321.community.uaf.edu>files on 20/12/2016

7) Gauba , O. P., (2012). *An Introduction to Political Theory.* New Delhi: Macmillan India Limited

8) Gutmann, Amy (1985): "Communitarian Critics of Liberalism" in *Philosophy & Public Affairs*, Vol. 14, No. 3, Summer, pp. 308-322. (

9) Heywood, Andrew (2004): *Political Theory - An Introduction (Third Edition).* New York: Palgrave Macmillan

10) Hill, Christopher (1971): *Lenin and the Russian Revolution*. London: Penguin Books

11) Johari, J. C. (2006): *Contemporary Political Theory*. Sterling Publishers Private Limited

12) Kymlicka, Will (2002): *Contemporary Political Philosophy*. New York:Oxford University Press.

13) Kymlicka, Will (1993): 'Appendix –I: Some Questions about Justice and Community', in Daniel Bell (ed) *Communitarianism and its Critics.* Oxford: Clarendon Press.

14) Lenin, V.I. : “Freedom to Criticize and Unity of Action” in *V.I. Lenin Collected Works,* 1965. Moscow: Progress Publishers.

15) Machpherson, C.B, (1973). *Democratic Theory: Essays in retrieval*. Clarendon Press, Oxford.

16) Macpherson, C.B. (2010): *The Political Theory of Possessive Individualism: Hobbes to Locke.* Canada:Oxford University Press

17) MacIntyre, Alasdair (1984) *After Virtue*. Notre-Dame: University of Notre Dame Press, 2nd edition.

18) Paul, Bowles (2007): *Capitalism* .London: Pearson Publications.

19) Sandel,Michael (1982): *Liberalism and the Limits of Justice*. New York: Cambridge University Press

20) Sharma,D.B and Sharma, Dipti (2011) *Political Theory*. Guwahati: Ashok Book Stall

21) Varma, SP (2006). *Modern Political Theory*. New Delhi: Vikas Publishing House Pvt Ltd.

22) Walzer, Michael (1984): *Spheres of Justice*: *A Defence of Pluralism and Equality.* USA: Basic Books.

****